[illegible]

ক্ষেত্ৰ অধ্যয়নত সহযোগিতা কৰা

অপৰিচিত সকলৰ হাতত



[illegible]

ফনীধৰ পাঠক

প্ৰাঞ্জল সেন ডেকা

আৰু

ভাইটি পলাশ তালুকদাৰলৈ (টুটু)

প্ৰকাশক
টিহুগঞা প্ৰকাশন

প্ৰথম প্ৰকাশ
১৭ ছেপ্টেম্বৰ, ১৯৯৪
দ্বিতীয় প্ৰকাশ
১ নৱেম্বৰ ● ১৯৯৪

বেচ্ : ৪০.০০ টকা

বেটুপাত : প্ৰণৱ বৰুৱা

পৰিবেশক :
চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী

মুদ্ৰক :
ৰবীন্দ্ৰ ছপাশাল
ভাস্কৰ নগৰ
গুৱাহাটী-২১
☎ ৫৬৪৪৯৯

ৰক্তাক্ত সময় ২

Govt. of ... Directorate of ... Call No.........

মুখবন্ধ

ফিলিপ গ্ৰাহামে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিখ্যাত বাতৰি কাকত ওৱাশ্বিংটন প'ষ্টৰ পৰিচালনাৰ দায়িত্ব লৈয়েই সাংবাদিকতাৰ এটা নতুন সংজ্ঞা দি তেওঁৰ সম্পাদক- সকলক কৈছিল যে তেওঁৰ মতে বাতৰি কাকত হ'ল First rough draft of History। সাংবাদিক সুকুমাৰ পাঠকৰ দ্বিতীয় প্ৰবন্ধ-সংকলনখন পঢ়ি এই কথা মোৰ মনলৈ আহিছে। পাঠকৰ প্ৰথম কিতাপ সংকলিত প্ৰতিবেদনবোৰৰ মূল আলোচ্য বিষয় আছিল দুৰ্নীতি। তেওঁৰ দ্বিতীয় কিতাপখনত যিবোৰ পূৰ্ব-প্ৰকাশিত প্ৰতিবেদন সন্নিবিষ্ট কৰা হৈছে সেইবোৰৰ তদন্তৰ বিষয় হ'ল হিংসা, সন্ত্ৰাস আৰু হত্যা। অসমৰ বুৰঞ্জীত এটা ৰক্তাক্ত যুগৰ প্ৰামান্য দলিল-স্বৰূপ এই কিতাপখনে ভবিষ্যতৰ বুৰঞ্জী-লেখক, গবেষক আৰু সমাজ-বিজ্ঞানীসকলৰ কাৰণে বহুতো মূল্যবান তথ্য সাঁচি ৰাখিছে। এজন সত্য-সন্ধানী সাংবাদিকৰ যিবোৰ গুণ থাকিব লাগে সেই আটাইবোৰ গুণ সুকুমাৰ পাঠকৰ প্ৰতিবেদনবোৰত ফুটি উঠিছে। তেওঁ সাহসী, নিৰপেক্ষ আৰু বস্তু-নিষ্ঠ। তথ্য-সংগ্ৰহত তেওঁ অক্লান্ত আৰু সেইবোৰৰ বিশ্লেষণত নিৰপেক্ষ। ফলত তেওঁৰ প্ৰতিবেদনৰ এই সংকলনখন বৰ্তমান সময়ৰ এখন নিৰ্ভৰ-যোগ্য দলিল হিচাপে নানা প্ৰকাৰে বহুতৰ কামত আহিব।

হোমেন বৰগোহাঞি

হোমেন বৰগোহাঞি
গুৱাহাটী।
১৯ আগষ্ট,১৯৯৪

ক্ষেত্ৰ অধ্যয়ন

কেঁচা তেজৰ চপৰাণি। হত্যাৰ বিজুলী ঢেৰেকনিৰ আতংক আৰু ৰক্তাক্ত চিকমিকনিৰে আবৃত অসমৰ আকাশ। ক্ষণে ক্ষণে বৰ্জন আৰু মৃত্যুৰ ভীতিৰে সৃষ্টি কৰা হৈছিল ভয়ঙ্কৰ দুঃসময়। সন্ত্ৰাস বিৰোধী দুৰ্দ্ধৰ্ষ নীতি গ্ৰহন কৰা "অগ্ৰদূতৰ" বাবে সেইয়া আছিল শ্বাসৰুদ্ধ কাল। সমসাময়িক চকৰিৰ বিপৰীতে অগ্ৰদূতৰ সম্পাদক কনক সেন ডেকাই দৃঢ় শক্তিশালী পদক্ষেপেৰে বাট বুলিছিল। সমগ্ৰ সমাজ আলোড়িত কৰা সবল স্থিতিৰ পটভূমিত "অগ্ৰদূতৰ" প্ৰয়োজন হৈছিল, ক্ষেত্ৰ অধ্যয়নভিত্তিক ৰক্তাক্ত প্ৰতিবেদন। তাকেই যুগুতোৱাৰ গুৰুদায়িত্ব এই সংকলকৰ ওপৰত ন্যস্ত কৰা বাবে সম্পাদক শ্ৰীডেকা শলাগৰ পাত্ৰ। সময়ৰ দাবী হ'লেও সেই জটিল সন্ধিক্ষণত এই দায়িত্ব পালন মোৰ বাবে দুঃসাহসেই নহয়; মৰসাহো।

বিস্তীৰ্ণ লুইতৰ দুই উপত্যকা ৰক্তাক্ত কৰি তোলা তেজৰ দলিৰ পম খেদি, প্ৰাণৰ মমতা পৰিহৰি ধুবুৰীৰ পৰা শদিয়ালৈ ঢপলিয়াব লগা হৈছিল। বাৰুদৰ ধোঁৱাৰ গোন্ধে হাত বাউল দি মাতিছিল। নিশাৰ এন্ধাৰ আৰু দিব্যা আলোক একাকাৰ হৈ পৰিছিল। নিৰিদ্ধ জীৱন যাত্ৰাৰ দৰে শিহৰণকাৰী বিচিত্ৰ অভিজ্ঞতা।

সাময়িক বতাহৰ সোঁতত গা এৰা নিদি লোমহৰ্ষক হিংস্ৰ ঘটনাৱলীৰ সবিস্তাৰ সংবাদ জনসাধাৰনক অৱগত কৰাৰ বাবেই প্ৰয়োজন— চৰজমিন তদন্ত বা ক্ষেত্ৰ অধ্যয়নৰ। এই জাতীয় সাংবাদিকতাৰ ধাৰাই 'ক্ষেত্ৰ-সাংবাদিকতা' (স্পট ৰিপোৰ্টিং) নামে আখ্যায়িত। হত্যাকে ধৰি অপৰাধমূলক ঘটনাৰ দ্ৰুত বৃদ্ধিৰ বাবে 'অপৰাধ-সাংবাদিকতা' (ক্ৰাইম ৰিপোৰ্টিং) বুলি এক নতুন নামাকৰণ সংযোজিত হৈছে। কিন্তু অপৰাধক কেন্দ্ৰ কৰিও ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ হেতুকে 'অপৰাধ-সাংবাদিকতাক' ক্ষেত্ৰ সাংবাদিকতাই সামৰি লৈছে। শেহতীয়া প্ৰায় পাঁচবছৰে বিভীষিকাৰ সৃষ্টি কৰা হত্যাকাণ্ড সমূহৰ ক্ষেত্ৰ জৰীপ কৰা স্বনিৰ্বাচিত "অগ্ৰদূত"ত প্ৰকাশিত প্ৰতিবেদনেৰে সংকলনটো কৰা হৈছে।

অত্যন্ত সীমাবদ্ধ সুবিধা আৰু সুযোগৰ মাধ্যমেদি প্ৰতিবেদন সমূহ সঠিক ৰূপত প্ৰকাশ কৰিবলৈ যত্নৰ ক্ৰটি কৰা নাই। এই সংকলনটোৰ জৰিয়তে এই প্ৰশ্নটোকে উত্থাপন কৰিব বিচৰা হৈছে যে, তেজৰ কেঁচা দলিয়নিত লুণীয়া পলশ বুটলি মুনাফা লুটিছে কোনে? মানৱতাৰ বধ্যভূমিয়ে লাভান্বিত কৰিছে কাক?

সুকুমাৰ পাঠক
অগ্ৰদূত ভৱন

লক্ষীপথাৰত অভিযান অব্যাহত
মৃতদেহ বৃদ্ধিৰ সম্ভাৱনা

❑ *লক্ষী পথাৰ*

সামৰিক বাহিনী আৰু আলফাৰ সংঘৰ্ষত কঁপিউঠা লক্ষীপথাৰৰ প্ৰতিহে অসমবাসীৰ দৃষ্টি স্থিৰ। আলফাৰ মুখ্য ঘাটি বুলি চিহ্নিত কৰা প্ৰায় ১৫ কিঃ মিঃ ব্যাসাৰ্ধৰ বৃহৎ এলেকাটোত সামৰিক বাহিনীয়ে অভিযান অব্যাহত ৰাখিছে। অৱশ্যে ডিব্ৰুগড়ৰ স্থানীয়লোকে লক্ষীপথাৰ, অবিভক্ত ডিব্ৰুগড় জিলাৰ সামৰিক ঘাটি বুলিহে ক'ব খোজে। উল্লেখযোগ্য যে আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱা, বৈদেশিক সচিব গোলাপ বৰুৱা আৰু অন্যান্য উচ্চ পৰ্য্যয়ৰ কেবাগৰাকী নেতাৰ ঘৰ তিনিচুকীয়াত। সোণালী ধানেৰে পৰিপূৰ্ণ লক্ষীপথাৰ, সেউজীয়া অটব্য হাবিৰ মাজত থকা আলফাৰ আঠোটা শিবিৰ বৰ্তমান সৈন্য বাহিনীৰ দখলত আছে। সৈন্যসকলৰ মাজত অস্থায়ী টেলিফোন সংযোগ আৰু সমৰ সজ্জাৰে সুজ্জিত হৈ পহৰা দিয়া দেখা গৈছে। ধাননী পথাৰৰ মাজে মাজে পহৰা দি থকা সৈন্য আৰু গাঁতখান্দি সোমাই থকা বন্দুকধাৰী সৈন্যও কেবাঠাইতো দেখা পোৱা গ'ল।

সৈন্য বাহিনীয়ে দহদিনীয়া বজ্ৰবঙ্গ অপাৰেচনত আঠোটা শিবিৰ চিনাক্ত কৰি গণনাৰ সুবিধাৰ্থে ক্ৰমিক নম্বৰ দি লৈছে। তাৰ ভিতৰত এক নং শিবিৰত দহোটা আৰু পাঁচ নম্বৰ শিবিৰ কাষত পাঁচোটা

কবৰস্থ মৃতদেহ খান্দি উলিয়ায়। উদ্ধাৰকাৰীসকলে মৃতদেহবোৰ দেখিলে চিনাক্ত কৰিব নোৱাৰা হৈ পৰিছে আৰু পঁচাদেহৰ পৰা ওলোৱা অসহ্যকৰ গোন্ধে এলেকাটো দুৰ্গন্ধময় কৰি তুলিছে। শিবিৰৰ ওচৰেদি থকা লুংলুঙীয়া পথত দহোটা মৃতদেহ কবৰ দিয়া কাৰ্যক গণসমাধি বুলি অভিহিত কৰিব পাৰি। কেইটামান মৃতদেহৰ হাত দুখন বন্ধা অৱস্থাত থকাৰ পৰা অনুমান কৰিব পাৰি যে, নৃশংসভাবে হত্যা কৰি মৃতদেহ মাটিত পুতি থৈছিল। লক্ষীপথাৰৰ বিভিন্নকোণ পৰ্যবেক্ষণ কৰি থাকোতে সৈন্যবাহিনীৰ পৰা জনা গ'ল যে তাৰ পৰা সাত কিঃমিঃ দক্ষিণ-পশ্চিমে অৱস্থিত চৰাইপুঙত আলফা আৰু সামৰিক বাহিনীৰ গুলিয়াগুলী হৈছে আৰু এজন আলফা কৰ্মী তথা এজন সৈন্য নিহত হৈছে। লক্ষীপথাৰলৈ অনা' এটি মৃতদেহ চাবলৈ দিয়া নাই যদিও "জোট ষ্টাৰ" লিখা থকা জোতাযোৰৰ পৰা মৃতদেহটো ডেকা ল'ৰাৰ বুলি অনুমান কৰিব পাৰি। সৈন্যবাহিনীৰ মতে মৃতদেহটো আলফাৰ সদস্য। আন এক খবৰ মতে সামৰিক বাহিনীৰ চাৰিজন আহত লোকক নিকটবৰ্তী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। আলফাৰ শিবিৰ, বিস্ফোৰক সামগ্ৰী, আধুনিক অস্ত্ৰ-শস্ত্ৰৰ সন্ধানত থকা সামৰিক বাহিনীৰ অভিযান তীব্ৰ অব্যাহত আছে। উল্লেখযোগ্য যে লক্ষীপথাৰ বনাঞ্চলৰ দক্ষিণ-পশ্চিম দিশৰ সৈতে চৰাইপুং বনাঞ্চলখন অৰুণাচলত লাগিছেগৈ। জনামতে সংলগ্ন উক্ত অংশ অৰুণাচল প্ৰদেশৰ তিৰাপ জিলা বুলি জনাজাত। সৈন্যবাহিনীয়ে আলফাৰ শিবিৰ আক্ৰমণ কৰোতে আলফাৰ সদস্যই গুলি বা অন্যউপায়েৰে প্ৰতিৰোধ কৰাৰ চেষ্টা চলাই থাকোতে অন্য সদস্যসকলে উক্তপথেৰে পলায়ন কৰে বুলি বিভিন্ন মহলৰ ধাৰণা। কিয়নো শিবিৰলৈ যোৱা ঠেক পথৰ ওপৰত পাঁচ মিটাৰৰ মূৰে মূৰে পুতি থোৱা "মাইন" উদ্ধাৰ কৰা হয়। এনেধৰণৰ পথত লক্ষীপথাৰত আলফাৰ "চেক পোষ্ট" এটিও চকুত পৰে। এজন সৈন্যৰ সতে হোৱা কথা-বতৰাত প্ৰকাশ যে এতিয়ালৈকে প্ৰকৃততে চাৰিজন সৈন্য আৰু পাঁচজন আলফাৰ সদস্যৰ মৃত্যু হৈছে। নিশা হাবিৰ মাজত জীৱজন্তু দেখিছে নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত কয় যে হাতীৰ বাহিৰে অন্য জন্তু চকুত পৰা নাই। হাতীবোৰ বনৰীয়া নেকি বুলি সোধাত সৈন্যজনে "ইয়ে ছব উলফা কা হাতী" বুলিহে কয়।

লক্ষীপথাৰৰ আলফাৰ শিবিৰৰ পৰা দুখন জীপ, পাঁচখন দুচকীয়া বাহন, চাইকেল দুখন, তেলৰ গেলেন তিনিটা, চাউল, ডায়েৰী, কিতাপ-পত্ৰ আৰু বহুতো সামগ্ৰী জব্দ কৰি ৰাখিছে। ইয়ামাহা এখন নতুন আৰু আনখনৰ নং NLW-০০৭৩, স্কুটাৰ খনৰ নং AXA-৪৭৪১ আৰু আনখনৰ নং ASQ-৭৩৫০, ডায়েৰীবোৰত থকা নম্বৰত ডায়েৰীৰ অশুদ্ধ বানান আৰু সহজ সৰলকৈ লিখা কথাবোৰ পঢ়ি ধাৰণা হয় যে প্ৰশিক্ষাৰ্থীসকল নতুন। ডায়েৰীত গেৰিলা যুদ্ধৰ নীতি, গণ সংগঠনৰ ভিত্তি, সদস্যই কৰিব লগা কাম, নকৰিব লগা আচৰণ আদি লিখা

আছিল। "গেৰিলা" সম্পৰ্কত লিখা আছে যে, সংখ্যাগত ভাবে আৰু গুণগতভাবে সমৰ-সজ্জা আৰু আধুনিক কাৰিকৰী জ্ঞানেৰে পুষ্ট শক্তিশালী শত্ৰুৰ বিৰুদ্ধে আপেক্ষিকভাবে দুৰ্বল কিন্তু দৃঢ় মনোবল সম্পন্ন ব্যক্তিয়ে কৰিব লগীয়া যুদ্ধনীতিকে গেৰিলা নীতি আখ্যা দিয়া হয়। ডায়েৰীত থকা লেফটেনেণ্ট কৰ্ণেলৰ এটা নামে প্ৰমাণ কৰে যে সংগঠনটোৰ কোনো সামৰিক শক্তিৰ লগত সম্পৰ্ক আছে। কাছিন ভাষাৰ শব্দ আৰু অসমীয়া অৰ্থলিখা থকাৰ পৰা বুজিব পাৰি যে প্ৰশিক্ষাৰ্থীসকলক আন ভাষাজ্ঞানো আয়ত্ত্ব কৰিব দিছিল। "দেও কাও ৰাও" প্ৰচলিত শব্দটোৰ অৰ্থ সাতখন পাহাৰৰ সমন্বয়ত গঢ়ি তোলা বিষয়ে লিখা আছে।

ঘটনাস্থলী ৰাজ্যৰ ৰাজ্যপাল দেবীদাস ঠাকুৰ আৰু জনতা দলৰ দুলাল বৰুৱাই পৰিভ্ৰমণ কৰি থকা দেখা যায়। প্ৰণিধানযোগ্য যে কবৰস্থ মৃতদেহৰ সংখ্যা বৃদ্ধিৰ সম্ভাৱনীয়তা সংশ্লিষ্ট সকলে মত প্ৰকাশ কৰে। সেনাবাহিনীৰ আক্ৰমণত শিবিৰৰ পৰা প্ৰায় ১৫০ জন আলফা কৰ্মী পলায় যোৱাৰ বিষয়ে স্বীকাৰ কৰি ৰাজ্যপাল দেবীদাস ঠাকুৰে কয় যে আলফাৰ বৰ্বৰ আৰু হিংস্ৰ কাৰ্য দেখাৰ পিছত কোনোপধ্যেই এনে নিষিদ্ধ সংগঠনটাক সমৰ্থন কৰা উচিত নহয়। জনগণে আলফাৰ নৃশংস হত্যালীলা বিৰোধিতা কৰা প্ৰয়োজন বুলিও কয়। লুটপাত, ধৰ্ষণ, সৈন্যৰ আতিশয্যৰ অভিযোগ অস্বীকাৰ কৰি ৰাজ্যপাল গৰাকীয়ে কয় যে এই সম্পৰ্কত তদন্ত কৰিবলৈ উপায়ুক্ত, অতিৰিক্ত, উপায়ুক্ত আৰু মহকুমাধিপতিক নিৰ্দেশ দিছিল। শেহতীয়া ভাবে মৃতদেহৰ বিষয়টো "দণ্ডাধীশ"ক তদন্তৰ বাবেও দিয়া হয়। মৃতদেহ পৰীক্ষা কৰি পোৱা ফৰেনছিক লেবৰটৰীৰ সত্ৰৰ পৰা জনা যায় যে মৃত দেহবোৰ পুৰুষৰ আৰু তিনিমাহমান আগতে কবৰ দিয়া হৈছিল। সদ্যহতে মৃতদেহবোৰ উঠাবলৈ ডুলীয়াজান, ডিগবৈৰ পৰা বিশেষ মানুহ অহা দেখা গৈছে।

ভয়াবহ গভীৰ পৰিবেশৰ লক্ষীপথাৰলৈ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা নিৰুদ্দেশ হোৱা ব্যক্তিসকলৰ আত্মীয় স্বজনে মৃতদেহ চাবলৈ আহিছে। আমি লগ পালো মাৰ্ঘেৰিটাৰ "ৰিপিয়াৰিং ছপ"ৰ জগতদীশ পাল চৌধুৰীক। তেওঁ কয় যে ১৮/৪/৯০ তাৰিখে তেওঁৰ সুশীল পাল চৌধুৰী নিৰুদ্দেশ হৈছিল আৰু মাজে মাজে কোনো কোনো যুৱক আহি তেওঁলোকক অত্যাচাৰ কৰে। টাই-আহোম ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলাৰ সাংগঠনিক সম্পাদক ডিম্বেশ্বৰ গগৈক বিচাৰিও এদল মানুহ আহিছে। গগৈ তিনিচুকীয়া মহাবিদ্যালয়ৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰ আছিল। শ্ৰীমতী হালিমা বেগমে তেওঁৰ স্বামী চোৰাংচোৱা বিভাগৰ বিষয়া শ্ৰী জি.আহমেদক বিচাৰি আহিছে। এনেদৰে নিজৰ মৰমৰ আপোনজনক বিচাৰি অহা লোকসকলে চিনিব নোৱাৰা হোৱা পঁচা মৃতদেহ দেখি হৃদয়বোৰে হাঁহাকাৰ কৰি আছে। এনে হৃদয়বিদাৰক দৃশ্যই গভীৰ অৰণ্যক অধিক জয়াল কৰি তুলিছে। লক্ষীপথাৰৰ গাতে লাগি থকা

বৰজাৰ, ভাঁদে পাঁচআলি, বনগাওঁ আদিত সৈন্য বাহিনীয়ে তালাচী চলায় আৰু কেইটামান ঘৰ সৈন্যই নিজে ব্যৱহাৰ কৰি থকা দেখা পোৱা যায়। সেই গাঁৱৰে প্ৰণৱ দাস আৰু তেওঁৰ পৰিবাৰ কুন্তী দাসে কয় যে সৈন্যই আহি মাৰধৰ কৰে। বস্তুবাহানি ভাঙে। কিন্তু লুট-পাট বা ধৰ্ষণ কৰা নাই। সৈন্যসকলে ঘৰত সোমাই নিজে চাহ বনাই খাইছে। বৰজান গাঁৱৰ ডিম্বেশ্বৰ শইকীয়াই কয় যে তেওঁৰ পুতেক প্ৰেমধৰ শইকীয়াৰ গাত গুলি লাগিছে। বহুলোক নিখোজ হৈ আছে। ল'ৰা-ছোৱালী কোন ক'ত পলাইছে জনা নাযায়। বহুতে দূৰৰ গাঁৱত আশ্ৰয় লৈ আছে। আমাক খৰি আনিবলৈ জংঘললৈ যাব নিদিয়ে। গোপাল দাস আৰু [illegible]মাই দাসে কয় যে তেওঁলোকৰ ঘৰটো এতিয়া সৈন্যই অধিকাৰ কৰি আছে। গাঁৱৰ মানুহবোৰক বৰজান বনগাওঁ প্ৰাথমিক বিদ্যালয়ত থাকিবলৈ দিছে। কিন্তু যথোপযুক্ত খাদ্য বা ৰক্ষণাবেক্ষণ দিয়া নাই। পাতল জনবসতিৰ গাঁৱখনৰ পৰা লোকসকল ডিগবৈ আৰু ডুলিয়াজানত আশ্ৰয় লোৱা বুলি জানিব পৰা গৈছে। ইপিনে চৰাইপুঙত হোৱা সংঘৰ্ষৰ বাবে ওচৰৰ ছেকেলা, গেলিপুং, ভাঁদে নগৰ, চেপাতলী, এৰাপথাৰ আদি গাঁৱৰ পৰাও ডুলীয়াজান নামঘৰত আশ্ৰয় লৈছে। শিবিৰত প্ৰায় ২১০০ লোক উপস্থিত হৈছে। আন এক সংবাদ মতে মিৰি গাঁৱত সেনাই চলোৱা গুলিত এজন নিহত হয়। সেয়েহে এই বৃহৎ এলেকাৰ ৰাইজে ডিগবৈলৈও যোৱা দেখা যায়। মুঠতে সৈন্যবাহিনীৰ তালাচী অভিযানত অঞ্চলটোত ত্ৰাসৰ সৃষ্টি হৈছে আৰু আতংকত জনসাধাৰণে নিৰাপদ স্থানত আশ্ৰয় বিচাৰিছে। (৯ ডিচেম্বৰ, ১৯৯০)

শবনম

১৯৯১ চনৰ ২৭ আগষ্টত আলফাৰ সদস্যই লাচিত কলিতাক হত্যা কৰিবলৈ প্ৰচেষ্টা চলাওঁতে গুলিত তেওঁৰ পাঁচবছৰীয়া কন্যা "শবনম"ৰ মৃত্যু হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ত তেজৰ ফাকু

গুৱাহাটী বিশ্ব বিদ্যালয়ৰ আৰ,চি,চি ২ নং ছাত্ৰাবাসৰ সমুখত পৰি থকা অৱস্থাত প্ৰশান্ত মজুমদাৰৰ মৃতদেহ

❑ *গুৱাহাটী*

গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত ৩ আগষ্টৰ নিশা প্ৰায় দহ বজাত এজন ছাত্ৰ হত্যা কৰা ঘটনাই ৰাজ্যখনকে আলোড়িত কৰিছে। বিশেষকৈ বিশ্ববিদ্যালয়ৰ মজিয়াত সংঘটিত এনে ঘটনাই অসমৰ শৈক্ষিক পৰিবেশটো কেনে পৰ্যায়ত আছে; তাকে সোঁৱৰাই দিয়ে। তাৰোপৰি ৰাজ্যখনত আৰক্ষী, প্ৰশাসনৰ তৎপৰতা বৃদ্ধি হোৱা সত্ত্বেও চৌহদৰ ভিতৰত কেনেকৈ এখন গাড়ী সোমাব পাৰিলে, সেইয়া সন্দেহজনক।

ঘটনাৰ বিৱৰণিত প্ৰকাশ যে তিনি আগষ্টৰ নিশা প্ৰায় দহ বজাত এটি মৃতদেহ পৰি থকা অৱস্থাত দেখা যায়। মৃতদেহটো গোপীনাথ বৰদলৈ ছাত্ৰাবাস আৰু ষ্টাফ কলেজৰ মাজৰ পথটোত পোৱা হয়। ষ্টাফ কলেজৰ চকিদাৰ জগত শইকীয়াই কয় যে তেওঁ মাৰুতীৰ নিচিনা এখনি গাড়ী গুচি যোৱা দেখে। এটা সৰু শব্দ শুনা বুলি তেওঁ আৰক্ষীক জনায়। ঘটনাৰ সংবাদ পাই ছাত্ৰাবাসৰ ছাত্ৰসকল ঘটনাস্থলীত উপস্থিত হয় আৰু উপস্থিত কেইজনমানে মৃতদেহটো বুৰঞ্জী বিভাগৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ প্ৰশান্ত মজুমদাৰ বুলি চিনাক্ত কৰে। মৃত দেহটো পৰি থকা অৱস্থাত চকুত কাপোৰ বন্ধা আছিল। সন্মুখৰ ষ্টাফ কলেজৰ দুৱাৰৰ গ্ৰাছত এটি গুলীয়ে বিন্ধাৰ লগতে এক ইঞ্চিমান দীঘলৰ এটি গুলী পোৱা যায়। প্ৰত্যক্ষদৰ্শীয়ে সন্দেহ প্ৰকাশ কৰে যে গুলীটো

এপিনেৰে সোমাই গৈ আনপিনেৰে ওলাই গৈ ষ্টাফ কলেজৰ দুৱাৰত লাগে। দুজনমান ছাত্ৰই জনোৱামতে তেওঁলোকে দুটি শব্দ শুনিবলৈ পায়। তেওঁলোকৰ ধাৰণামতে মাৰুতীৰে ছাত্ৰজনক অনা হয়। ছাত্ৰজনে ছাত্ৰাবাসৰ পিনে যাবলৈ ওলাওতে গুলী কৰি হত্যা কৰা হয়। আনহাতে ছাত্ৰাবাসৰ সন্মুখতে থকা ষ্টাফ কলেজত পোহৰ দেখা বা আন কাৰণত গুলী মাৰিবপাৰে বুলি সন্দেহ প্ৰকাশ কৰে। কিয়নো মৃতদেহটো ছাত্ৰাবাসৰ পিনে থকা দেখা যায়। পিছত গাড়ীখন মুখ্য দুৱাৰেদি গুছি যায়। উল্লেখযোগ্য যে গুলীৰ শব্দ সৰু হোৱাৰ বাবে অনুমান কৰিব পাৰি, হত্যাকাৰীয়ে চাইলেঞ্চাৰ যুক্ত আগ্নেয়-অস্ত্ৰ ব্যৱহাৰ কৰিছিল।

ঘটনাৰ বিষয়ে নিশা ১০-৩০ বজাত ৰেজিষ্টাৰ দীনেশ চন্দ্ৰ বৰুৱাই আৰক্ষীক জনায়। পুলিচে ১-৩০ বজাৰ পিছত ঘটনাস্থলীত উপস্থিত হয় আৰু প্ৰয়োজনীয় কামখিনি কৰে। পিছদিনা মৃতদেহটো দিনৰ ১২ বজাত মৰোণত্তৰ পৰীক্ষাৰ বাবে নিয়া হয়। পুলিচে জনোৱা মতে ঘটনাস্থলীত প্ৰাপ্ত গুলীটো চীনত তৈয়াৰী বুলি অনুমান কৰে। মৃতদেহটোৰ হাতত, ভৰিত আৰু পিঠিত আঘাত কৰাৰ চিন আছে। খুব সম্ভৱ ব্লেড বা গজালেৰে আঘাত কৰা হৈছিল। মৃতদেহটোৰ ওচৰলৈ এটি কুকুৰো অনা হয়। কিন্তু চকুত বন্ধা গামোচাতকৈ দেহৰ গোন্ধ অধিক হোৱা বাবে কুকুৰে একো শুংসূত্ৰ উলিয়াব নোৱাৰিলে। বিশ্ববিদ্যালয়ৰ মুখ্য পথৰ নিকটবৰ্তী চ'ক জালুকবাৰী, খানামুখ আৰু আজাৰাত পুলিচ চেকগেট থকা সত্ত্বেও কেনেকৈ এই ঘটনা হ'বলৈ পালে? এই প্ৰশ্নৰ উত্তৰত পুলিচে কয় যে বিশ্ববিদ্যালয়ত সোমোৱা এইটোৱেই একমাত্ৰ পথ নহয়। পিছফালেৰে চৌহদত সোমাবলৈ পথ উন্মুক্ত হৈ থাকে। এই হত্যাকাণ্ড সন্দৰ্ভত কেনেধৰণৰ ব্যৱস্থা লোৱা হৈছে বুলি সোধা প্ৰশ্নৰ উত্তৰত কয় যে মৃতকৰ ছাত্ৰাবাসত তালাচী চলোৱা হৈছে। গোপীনাথ ছাত্ৰাবাসত মুঠ কোঠা ৫২ টা। তাৰে ১৩ নং কোঠাত দিলিপ দাস আবাসি আছিল। শ্ৰীদাসৰ কোঠাত আলফাৰ তিনি নং প্ৰচাৰ পত্ৰ, বিভিন্ন ব্যক্তিৰ পৰা সংগ্ৰহ কৰা ধনৰ পৰিমাণ, ধন সংগ্ৰহ কৰিবলগীয়া ব্যক্তি আৰু প্ৰতিষ্ঠানৰ তালিকা, যৌন সম্বন্ধীয় দৰৱ, অজস্ৰ অবৈধ প্ৰেমপত্ৰ, পাঁচখন পাঁচ বুক (একোটা পাঁচবুকত পাঁচলাখতকৈ অধিক টকা আছে) ইত্যাদি আপত্তিজনক নথিপত্ৰ পোৱা হয়। তালাচীত পোৱা এটা চীল মৰ্মে শ্ৰীদাসৰ নাম বিক্ৰম বৰুৱা। উল্লেখ কৰা প্ৰাসঙ্গিক হ'ব যে দিলীপ দাস আৰু তেওঁৰ সহপাঠী অমিতাভ বৰ্মন ২৪ জুলাইত আলফাৰ নামত ধন সংগ্ৰহ কৰিব যাওতে গ্ৰেপ্তাৰ হৈছিল।

জানিব পৰা মতে মৃত প্ৰশান্ত মজুমদাৰ দীলিপ দাসৰ 'ৰুমমেট' আছিল। দীলিপ দাস গ্ৰেপ্তাৰ হোৱাৰ পিছত তেওঁৰ বাকচটো বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ভড়ালত থৈ দিছিল। পুলিচে বিচৰাত উলিয়াই দিয়াত উক্ত সামগ্ৰীখিনি পায়। ছাত্ৰাবাস তালাচীৰ সময়ত শ্ৰেণীসমূহৰ সচিব শ্ৰীৰাজেশ্বৰ শৰ্মা, ৰেজিষ্টাৰ দীনেশ চন্দ্ৰ বৰুৱা, ৱাৰ্ডেন শ্ৰী এ-বি-মত্তিন

আৰু উচ্চ পদস্থ আৰক্ষী বিষয়া উপস্থিত থাকে।

ঘটনা সন্দৰ্ভত পুলিচী সূত্ৰই বিশ্ববিদ্যালয়ৰ ভিতৰত পুলিচ পহৰাৰ অনুভৱ কৰে। বিশ্ববিদ্যালয়ত পুলিচ সোমালে বেয়া পায়। শান্তিৰক্ষক পুলিচ সোমালে বিশ্ববিদ্যালয় অপবিত্ৰ হ'ব বুলি ভাবিব নেলাগে। তিনিজন ছাত্ৰ ২৬ জুলাইত অপহৰণ হোৱা বুলি বাতৰি ওলাইছে। কিন্তু নিৰুদ্দেশ বা অপহৰণৰ অভিযোগ পুলিচক জনোৱা হোৱা নাই।

চাৰি আগষ্টত বাতৰি কাকতত ঘটনাৰ বিষয়ে জানিব পাৰি ভাতৃ ব্ৰজেন মজুমদাৰ জালুকবাৰী থানালৈ আহে। তাত শ্ৰীমজুমদাৰে কয় যে তেওঁৰ ককায়েক অবৈধ ছাত্ৰ নহয়। ভুৱা আলফাৰ নামত ধন সংগ্ৰহত সম্পৰ্ক নাই। তেওঁ কমাৰকুছিৰ নিবাসী।

উপাচাৰ্য্য শ্ৰীনিৰ্মল কুমাৰ চৌধুৰীয়ে ঘটনা সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে তেওঁ হতভম্ব হৈছে। এইটো ভাবিব নোৱাৰা ঘটনা। অৱশ্যে এই ক্ষেত্ৰত ধৈৰ্য্য ধৰি ছাত্ৰ আৰু সহকৰ্মীয়ে সহযোগিতা আগবঢ়োৱাত প্ৰশংসা কৰে। এই ঘটনাটোৱে বিশ্ববিদ্যালয়ত সন্ত্ৰাসবাদী কাৰ্যকলাপ চলাটোৱে প্ৰমাণ কৰে নেকি বুলি সোধাত কয় যে গোটেই ৰাজ্যখনতে এনেধৰণৰ ঘটনা ঘটি আছে। বিশ্ববিদ্যালৰ চৌহদৰ নিৰাপত্তাৰ বাবে "জৰুৰী কাৰ্যকৰী পৰিষদ"ৰ সভা আহ্বান কৰা হৈছে। তাত নিৰাপত্তাৰ সিদ্ধান্ত লোৱা হ'ব। জানিব পৰা মতে উপাচাৰ্য্যৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত ১২ গৰাকী সদস্য উপস্থিত থাকে। সভাত কটকটীয়া নিৰাপত্তামূলক ব্যৱস্থা লোৱাৰ সিদ্ধান্ত লয়। প্ৰয়োজনত পুলিচৰো সহায় লোৱা হ'ব। পুলিচৰ সহায় সন্দৰ্ভত বিভিন্ন মহলৰ পৰামৰ্শ লৈহে সিদ্ধান্ত লোৱা হ'ব। এতিয়া বিশ্ববিদ্যালয়ত আৰু ছাত্ৰাবাসত অধিক কটকটীয়া ব্যৱস্থা লোৱা হ'ব। চৌহদৰ চাৰিওদিশ সুৰক্ষিত কৰা হ'ব।

হত্যাকাণ্ডৰ প্ৰতিবাদত যোৱা পাঁচ আগষ্টত স্নাতকোত্তৰ ছাত্ৰ সন্থাই চাৰি ঘণ্টীয়া "বিশ্ববিদ্যালয় চৌহদ বন্ধ" পালন কৰে। এই প্ৰসংগত সাধাৰণ সম্পাদক সত্যব্ৰত কলিতাই কয় যে তেওঁলোক যিকোনো হত্যাৰ বিৰোধী। উচ্চ শিক্ষাৰ অনুষ্ঠানত এনে হত্যাকাণ্ডত ছাত্ৰ-ছাত্ৰী ভীতিগ্ৰস্ত আৰু নিৰাপত্তাহীনতাত ভূগিছে। ঘটনাটো যিয়েই নঘটাওক, এই হত্যাকাণ্ডৰ ফলত বিশ্ববিদ্যালয়ৰ পৰিবেশৰ অৱনতি ঘটাত অৰিহনা যোগাইছে। এই ঘটনাত পুলিচ প্ৰবেশতো সুবিধা দিলে। সকলো সংগঠন আৰু ব্যক্তিয়ে শৈক্ষিক পৰিবেশত আঘাত যাতে নপৰে; তালৈ লক্ষ্য কৰিব লাগে।

যোৱা বাৰ আৰু এইবাৰ পুলিচ প্ৰৱেশৰ পাৰ্থক্য কি? প্ৰশ্নটোৰ উত্তৰত সম্পাদক শ্ৰীসত্যব্ৰত কলিতাই পাৰ্থক্য থকাৰ হকে মত প্ৰকাশ কৰে। যোৱা বাৰ যিমান জোৰেৰে বিৰোধিতা কৰিছিল, এইবাৰ বিশ্বদ্যািলয়ৰ মজিয়াত হত্যাকাণ্ড সংঘটিত হোৱাত আইনৰ দিশটো উলাই কৰিব নোৱাৰা হেতুকে পুলিচী কাৰ্যক জোৰকৈ বিৰোধীতা

কৰিব পৰা নাই। পুলিচৰ কিছু কাৰ্যই অতিষ্ঠ কৰিছে যদিও উলাই কৰিব পৰা নাই। বিৰোধীতা কৰা নাই। বিশ্ববিদ্যালয়ৰ নিৰাপত্তাৰ বাবে পুলিচী পহৰা বিচাৰে নেকি বুলি সোধাত, পহৰা নিবিচাৰে বুলি কয়। তেওঁ কয় যে বিশ্ববিদ্যালয় "অটোনমাচ-বডি" হিচাবে স্বতন্ত্ৰ ভাৱে নিৰাপত্তাৰ ব্যৱস্থা ল'ব পাৰে। ভৱিষ্যতে এইটো অজুহাত লৈ যাতে পুলিচ সোমাই অযথা হাৰাশাস্তি নকৰে তাৰ বাবে সতৰ্ক কৰি দিয়ে।

এতিয়ালৈকে হত্যাকাণ্ডৰ দায়িত্ব কোনো সংগঠন বা ব্যক্তিয়ে স্বীকাৰ কৰা নাই। পুলিচেও কাকো গ্ৰেপ্তাৰ কৰিব পৰা নাই।

বিশ্ববিদ্যালয়ৰ চৌহদত আলফাৰ নামত ধন সংগ্ৰহ কৰা এটি চক্ৰৰ সৈতে জড়িত বাবে প্ৰশান্ত মজুমদাৰক আলফাই হত্যা কৰে বুলি এক বিশেষ সূত্ৰই সন্দেহ প্ৰকাশ কৰে। পুলিচ আৰু চোৰাংচোৱাইও তেনে সন্দেহেই প্ৰকাশ কৰিছে। উক্ত বিশেষ সূত্ৰটোৰ মতে বিশ্ববিদ্যালয়ৰ চৌহদত ১৭ জনীয়া এটি ভুৱা আলফাৰ দল আছে। আলফাই মৃত্যুদণ্ড দিয়া এই যুৱক গৰাকীৰ লগতে আন ৬ জনকো হত্যা কৰাৰ লক্ষ্য আছে। এই সূত্ৰটোৱে ইয়াকো জনায় যে সম্ভাব্য মৃত্যুদণ্ডৰ লক্ষ্য থকা মুঠ ৭ জনৰ ভিতৰত দুগৰাকী মহিলা আছে। শেহতীয়াভাৱে বিশ্ববিদ্যালয়ৰ পূৰ্বৰ আস্থা আৰু নিৰাপত্তাপূৰ্ণ পৰিবেশ ঘূৰাই আনিবলৈ কৰ্তৃপক্ষই ব্যৱস্থা লৈছে আৰু চৰকাৰেও বিষয়টো লক্ষ্য কৰি আছে।

(৭ আগষ্ট, ১৯৯১)

ওঠৰ ছেপ্তেম্বৰৰ শেনচোৱা পুখুৰী হাইস্কুলৰ প্ৰধান শিক্ষক জগত চন্দ্ৰ ভূঞাৰ ঘৰত আলফাই লুকাই ৰখা তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ অপহৃত অধীক্ষক অভিযন্তা পৰমানন্দ প্ৰসাদ শ্ৰীবাস্তৱক মুক্ত কৰিবলৈ নিৰাপত্তা বাহিনীৰ দল এটিয়ে অভিযান চলাওঁতে নিহত হয়। পনবন্দীৰ মুক্তিৰ মধ্যস্থতাকাৰী ৰূপে আবিৰ্ভাৱ হোৱা অসম যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন সাধাৰণ সম্পাদক বিপুল মহন্তক কণ্ঠাচলৰ ঘৰত আঠ ছেপ্তেম্বৰৰ ৰাতিপুৱা আলফাই গুলিয়াই হত্যা কৰে।

সেনা বাহিনীৰ লেন্স নায়ক নগেন কলিতাই ভনীয়েকৰ বিয়াৰ বাবে শিৱসাগৰৰ দিখৌমুখ দেওৰীয়া গাৱঁলৈ আহে আৰু ১৯৯১ চনৰ ৩ অক্টোবৰত কালুগাৱঁত সেনা বাহিনীয়ে হত্যা কৰে।

নগাঁৱত ৯৩ৰ পোন্ধৰ জুলাইৰ দিনা কংগ্ৰেছ (ই) কৰ্মী লক্ষ্মী দাসক ঘৰৰ সন্মুখতে দুজন যুৱকে হত্যা কৰে। লংকাত ওমৰ ফাৰুকক অপহৰণ কৰি নি হত্যা কৰে আৰু হয়বৰ গাৱঁৰ ১নং মূলাপাট্টিত আন এজন কৰ্মীক ছুৰীৰে হত্যা কৰে।

দিপিলাত তেজৰ ফাকু



দিপিলা

দিপিলা চ'কত এতিয়াও তেজৰ চেকুৰা মচা যোৱা নাই। বোমা বিস্ফোৰণৰ ঘটনাৰ আতংক এতিয়াও অনুভূত হৈ আছে। শেহতীয়া ভাৱে পোৱা তথ্য মতে মৃতসকলৰ নাম আৰক্ষীৰ উগ্ৰপন্থীৰ তালিকাত নাই। বি-এছ-এফৰ হাততো তেওঁলোকক উগ্ৰপন্থী বুলি প্ৰমাণ নাই। মাথো ৰাষ্ট্ৰপতি শাসনত প্ৰস্তুত কৰা এখনি তালিকাত এজন মৃতকৰ নাম আছে; যিখন তালিকা বি-এছ-এফৰ হাতত আছে। কিন্তু একপক্ষীয় তালিকাখন কিমান শুদ্ধ সেয়া বিতৰ্কিত। দিপিলাত মৃতসকলৰ পৰিয়াল, আহত ব্যক্তি, প্ৰত্যক্ষ দৰ্শী আৰু একাংশ ব্যক্তিৰ লগত আলোচনা কৰি বুজি পোৱা গ'ল যে বি-এছ-এফৰ বৰ্বৰোচিত আক্ৰমণৰ ফলতেই ছজন নিৰপৰাধী লোক নিহত আৰু কেবাজনো আহত হয়।

নিৰ্দোষী ব্যক্তি হত্যা কেৱল নিন্দনীয়েই নহয় ই অক্ষমনীয়, ঘৃণনীয় ঘটনা। আৰ্তনাদ আৰু করুণ বিননী শুনিলেই বুজিব পাৰি যে ঘটনাটো কিমান লোমহৰ্ষক। পুত্ৰহাৰা পিতৃ-মাতৃৰ হৃদয়ত হাঁহাকাৰ আৰু পৰিয়ালৰ অৱিৰে আথানিয়ে প্ৰমাণ কৰে তেওঁলোক কিমান নিথৰুৱা হৈ গ'ল। সেয়েহে পৰিয়ালটোৰ ভৰণ-পোষণৰ বাবে মাথো ক্ষতিপূৰণেই নহয়; প্ৰতিটো পৰিয়ালৰ কমেও এজনক কৰ্ম সংস্থানৰপ্ৰয়োজনীতা আছে। যদি চৰকাৰৰ শান্তি স্থাপনৰ প্ৰকৃত উদ্দেশ্য আছে তেন্তে কেতবোৰ গুৰুত্বপূৰ্ণ আঁচনি ঘোষণা কৰিব লাগে। যি আঁচনিয়ে দিপিলাৰ নৃশংস ঘটনাৰ পুনৰাবৃত্তি নঘটাৰ বিশ্বাস ঘূৰাই অনাৰ লগতে আস্থা আৰু নিৰাপত্তাপূৰ্ণ পৰিবেশৰ সৃষ্টি কৰিব পাৰে।

বি-এচ- ফৰ ডি-আই-জি শ্ৰী এন-এছ যাদবৰ দৃষ্টিত দিপিলাত জোৱানে লোৱা ব্যৱস্থা উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে বি-এছ-এফ এ লোৱা উত্তম পন্থা। ঘটনাটোত ৩৬ জাই গুলী ব্যৱহাৰ কৰিছিল। বোমা বিস্ফোৰণৰ পিছতে বি-এছ-এফৰ এটি দলে দলঙৰ ওপৰেদি আৰু আন এটি দলে পথাৰৰ মাজেদি আহি আক্ৰমণ চলায়। দুয়োটা দলে লগহৈ নিকটবৰ্তী অঞ্চলটোৰ নিৰ্দিষ্ট এক পৰিধীৰ ভিতৰত অতৰ্কিতে আক্ৰমণ চলায়। ডি-আই-জি গৰাকীয়ে ক'ব খোজে যে দলংখনৰ কাৰত, বাহনিৰ মাজত সন্ত্ৰাসবাদী লুকাই আছে। আৰু গুলীৰ শব্দ শুনিবলৈ পোৱা গৈছে। কিন্তু সন্ত্ৰাসবাদী গ্ৰেপ্তাৰ বা অস্ত্ৰ-শস্ত্ৰ জব্দ কৰাৰ বি-এছ-এফে কোনো প্ৰমাণ দিব পৰা নাই। অতৰ্কিতে আক্ৰমণ কৰা বি-এছ-এফৰ এটা কৌশল অৱশ্যে ডি-আই-জি গৰাকীয়ে স্বীকাৰ কৰে যে মৃতসকল উগ্ৰপন্থী নহ'বও পাৰে। কিন্তু ব্যৱহৃত পদ্ধতিটো শুদ্ধ।

ঘটনাৰ বিৱৰণিত প্ৰকাশ যে ২৭ জুলাই তাৰিখে আবেলি ৫-৩০ বজাত দিপিলা চ'কত পশ্চিম দিপিলা বৰিগাওঁ পথৰ প্ৰথমখন দলঙৰ পশ্চিম মূৰত এটি বোমা বিস্ফোৰণ হয়। আৰু লগে লগে নিকটবৰ্তী শিবিৰৰ পৰা মাৰুতী গাড়ীৰে অহা বি-এছ-এফৰ জোৱানে উত্তৰ পশ্চিম দিশত গুলীয়াব ধৰে। ঠিক সেই সময়তে দিপিলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ওচৰত থকা "২২ বেটেলিয়ান কোম্পানীৰ' এ' চি/ দিপিলা" দুইগাড়ী বি-এছ-এফ জোৱান গৈ দলঙৰ ওচৰত গাড়ী ৰাখি উত্তৰ-পশ্চিম দিশত খেতিৰ কামত ব্যস্ত থকা খেতিয়কলৈ গুলী বৰ্ষণ কৰে আৰু পশ্চিম দিশৰ কমাৰ গাঁওৰ ফালে দৌৰিবলৈ ধৰে। প্ৰথমে দুনী ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীঅমৃত কলিতাই নিৰ্মাণ কৰি থকা গৃহত কৰ্মৰত মিস্ত্ৰি চন্দ্ৰবৰুৱা আৰু উক্ত ঘৰৰে ভাৰাতীয়া হস্ততাত বস্ত্ৰ শিল্পৰ কৰ্মীকৰুণা কলিতাক মৰিয়াই বিস্ফোৰিত স্থানলৈ আনে। আনহাতে বাকীবোৰ জোৱানে কমাৰ গাঁৱত সোমাই অত্যাচাৰ কৰে। কমাৰ গাঁৱৰ পিছফালে থকা ধাননী পথাৰত ধান আৰু ঘাঁহ কাটি থকা কেশৱ ডেকা, পবিত্ৰ কলিতা, যতীন কলিতা, ঘৰৰ পৰা প্ৰমোদ কলিতা আৰু অমৰজ্যোতি সংঘত টিউচন কৰি থকা দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ ফাইজুল হক, মহম্মদ খুৰছেদ আলি, দীলিপ কলিতা তথা শিক্ষক গণেশ ডেকাক পঢ়ুৱাই থকা অৱস্থাৰ পৰা ধৰি বিস্ফোৰিত স্থানলৈ নিয়ে। এনেকৈ নিৰীহ ব্যক্তিক ধৰি আনি দলংখনৰ পশ্চিমফালে ৰাস্তাৰ উত্তৰ দিশত ১১ জন ব্যক্তিক শাৰীপাতি থিয় হ'বলৈ দিয়ে। শাৰীপাতি থিয় হোৱাৰ পিছত বি-এছ-এফে "ভাগো" বুলি কৈ দৌৰিবলৈ নিৰ্দেশ দিয়ে। ইতিমধ্যে অত্যাচাৰত দুৰ্বল হৈ পৰা লোকসকলে বোকা পানীৰে পূৰ্ণ ধাননি পথাৰৰ মাজেৰে দৌৰিবলৈ আৰম্ভ কৰে। তেনে সময়তে নিষ্ঠুৰ ভাৱে বি-এছ-এফে একেৰাহে গুলীবৰ্ষণ কৰাত কৰুণা কলিতা, প্ৰমোদ কলিতা, কেশৱ ডেকা, গণেশ ডেকা আৰু চন্দ্ৰ বৰুৱা মৃত্যুৰ মুখত পৰে। দীলিপ কলিতা আৰু গিৰিন্দ্ৰ কলিতা গুলীবিদ্ধ হৈ আহত

হয়। ইয়াৰোপৰি এই ঘটনাৰ পূৰ্বতে ২৩ জুলাইত ৰজনীকান্ত শৰ্মাৰ পুত্ৰ তৰুণ শৰ্মাক গহৰা দলগুৰ কিছু আঁতৰত গুলিয়াই হত্যা কৰে।

জানিব পৰা মতে মৃত গণেশ ডেকা (নগাওঁ), প্ৰমোদ কলিতা (কমাৰগাঁও), কেশব ডেকা (কমাৰগাঁও) আৰু চন্দ্ৰ বৰুৱাৰ (দগিয়াপাৰা), পিতৃ ক্ৰমে ভৰত চন্দ্ৰ ডেকা (গাওঁ বুঢ়া) দণ্ডিৰাম কলিতা, হেম ডেকা আৰু হৰনাথ বৰুৱা। দিপিলাৰ গাওঁবুঢ়া মিঠাৰাম কলিতা, বৰপথাৰ আৰু পদ্মজাৰ গাওঁৰ গাওঁবুঢ়া যোগেন ডেকা প্ৰমুখ্যে গাওঁবাসীয়ে ন্যায়ীক তদন্ত কৰি দোষীক শাস্তি দিবলৈ দাবী জনাইছে। একাংশই প্ৰতিটো পৰিয়ালক পাঁচ লাখ টকাৰ ক্ষতিপূৰণ আৰু জীৱিকাৰ বাবে কৰ্মসংস্থান দিয়াৰ দাবী কৰিছে। স্বাভাৱিক অৱস্থা ঘূৰাই অনা, স্মৃতিৰক্ষাৰ্থে মহাবিদ্যালয়ত এটি ভৱন নিৰ্মাণ কৰিবলৈ পাঁচ লাখ টকাৰ মঞ্জুৰী, গণেশ ডেকাৰ নামত এটি পুথিভঁৰাল স্থাপনৰ বাবে এক লাখ টকা দিয়াৰ বাবেও দাবী জনাইছে। ১০ আগষ্টত দুনী আঞ্চলিক ছাত্ৰসন্থা আৰু পশ্চিম মঙ্গলদৈ ৰাইজৰ উদ্যোগত নিহত ছজনৰ আদ্যশ্ৰাদ্ধ পালন কৰা হয়। উক্ত ঘটনাৰ লগত জড়িত আৰু প্ৰত্যক্ষদৰ্শীৰ সতে হোৱা সাক্ষাৎ প্ৰসংগৰ চমু প্ৰতিবেদন তলত উল্লেখ কৰা হ'ল।

তৰুণ শৰ্মা মৃত্যুৰ সময় চোৱাত সেই দিনেদি অহা স্কুটাৰ আৰোহী কৰুণা কান্ত ভট্টাচাৰ্যই বুঢ়া লোকপ্ৰিয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰে। এওঁ কোৱা মতে চাৰিজন সাধাৰণ পোছাকত থকা লোকে গহৰাত চোপ দি থাকে। ভট্টাচাৰ্যক স্কুটাৰ ৰখাই হত্যা কৰিবলৈ উদ্যত হয়। বন্দুকৰ কুন্দাৰে খুন্দা মাৰে। দুটা গুলীৰ শব্দ আৰু এটা চিঞৰ শুনে। বৰপথাৰৰ ধৰণী ডেকাই কয় যে, তেওঁ তৰুণ শৰ্মাক চাইকেলৰ ওচৰত গুলিয়াই হত্যা কৰা দেখে। নিশা প্ৰায় সাত মান বজাত ভ্ৰাম্যমান পান দোকানী ৰজনী কান্ত ডেকা আৰু ধৰণী নাথে তেওঁলোকক বেয়াকৈ মাৰ পিট কৰা বুলি কয়। পদ্মাজাৰ প্ৰাথমিক বিদ্যালয়ৰ দুৰ্গেশ্বৰ চহীয়াই কয় যে ঘটনাটো তেওঁৰ ঘৰৰ পৰা আঢ়ৈশ গজ আঁতৰত ঘটে। প্ৰায়পাঁচ বজাত গোলমাল শুনি ওলাই আহে। তেওঁ পাঁচটা গুলীৰ শব্দ শুনে। কেবাখনো বি-এছ-এফৰ গাড়ী অহা দেখে। বি-এছ-এফে লাইন পাতি পথাৰত কিবা বিচাৰে। শ্ৰী চহৰীয়াক আৰক্ষীয়ে ঘটনাস্থলীলৈ নিয়ে যদিও মৃত দেহটো কাৰ চিনি নাপালে। দেহটো ৰাস্তাৰ কাষত পৰি আছিল। আৰু দুই তিনি ঠাইত আঘাতৰ চিহ্ন দেখা গৈছিল। প্ৰায় এঘাৰ বজাত শিক্ষকজনক আহিবলৈ দিয়ে। মাতৃ আৰু পিতৃ ৰজনী কান্ত শৰ্মাৰ মতে তৰুণ শৰ্মা দুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ। বয়স সোতৰ বছৰ সাত মাহ। লেমৰ চিমনি আৰু অন্যান্য সামগ্ৰী কিনিবলৈ চাইকেলেৰে তৰুণ বজাৰলৈ যায়। বাটতে ঘৰৰ পৰা আধা কিঃমিঃ দূৰত গহৰা দলগুৰ সমীপত দুৰ্ঘটনাটো ঘটে। পিতৃ-মাতৃয়ে দোষীক শাস্তি দিয়া আৰু চৰকাৰৰ পৰা ক্ষতিপূৰণ বিচাৰে।

ছিপাঝাৰ মহাবিদ্যালয়ৰ ছাত্ৰ পবিত্ৰ কলিতাই কয় যে, কেশৱ ডেকা, যতীন কলিতা, নিৰ্বাণ কলিতা, গণেশ কলিতা, নিত্যানন্দ কলিতাৰ সতে পথাৰত ঘাঁহ কাটি আছিল। কন্তেক পিছতে বি-এছ-এফে আগুৰি ধৰাত হাত দাঙি দিয়ে। তেতিয়া বি-এছ-এফে মাৰপিট কৰি বোমা বিস্ফোৰিত হোৱা দলঙৰ আঁতৰত শাৰী পাতিবলৈ দিয়ে। শাৰীটোত থকা ১১ জনকে প্ৰথমতে চকু মুদি থাকিবলৈ দি দৌৰিবলৈ দিয়ে। দৌৰি থকা সময়তে গুলী কৰে।

আঠাইশ বছৰীয়া প্ৰমোদ কলিতাক ঘৰৰ চোতালৰ পৰা থাপ মাৰি বি-এছ-এফে ধৰি নিয়া বুলি পিতৃ দণ্ডীৰাম কলিতাই অভিযোগ কৰে।

মৃত কেশৱ ডেকাৰ পিতৃ হেম ডেকাই কয় যে তেওঁ ধান কাটিবলৈ গৈছিল। গুলীয়া গুলীৰ শব্দ শুনি কঁপনি উঠে। বি-এছ-এফে ঘৰলৈ আহি মতা মানুহ অছে নেকি সোধে। জগৎ চন্দ্ৰ ডেকাই কয় যে তেওঁ ঘৰৰ পিছফালে ঘাঁহ কাটি আছিল। বোমা বিস্ফোৰণৰ পিছত ঘাঁহ কাটি থকা মানুহক যেৰাও কৰি ধৰে। তেওঁ দেখে যে দোকানৰ পৰাও মানুহ টানি উলিয়াবলৈ চেষ্টা কৰে। শিৱ ডেকাক টানি লৈ যায়। বি-এছ-এফৰ জোৱান সকল অসামৰিক পোছাকত আহে। এগৰাকী মহিলা ভদ্ৰাৱতী হাজৰিকাই অনুৰূপ ঘটনাৰ বৰ্ণনা দিয়ে।

উক্ত ঘটনাৰ ভিতৰত চৰম ট্ৰেজেদি হ'ল গনেশ ডেকাৰ হত্যা। টিউচন কৰি থকা অৱস্থাৰ পৰাই তেওঁক টানি নিয়া হয়। অমৰজ্যোতি সংঘ আৰু দিপিলা অঞ্চলিক মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ তিনিজন ছাত্ৰক টিউচন কৰি আছিল। এই সংঘত সোমাই এই প্ৰতিনিধিয়ে টিউচন কৰা কিতাপ পত্ৰ আৰু ব্লেক বোৰ্ড দেখে। গণেশ ডেকাৰ হাতৰ আখৰ এতিয়াও জিলিকি অছে। ইংৰাজীতে তাত লিখা অছে 'চি ইজ ৰাইটিং এ লেটাৰ, চাবজেক্ট; অবজেক্ট + ভাৰ্ব+মূল ভাৰ্বত আই-এন-জি+অবজেক্ট; +দি ছিলড্ৰেন আৰ চিটিংআউটচাইদ দি ৰুম।" মেদাহীৰা গাঁৱৰ মহম্মদ কুৰছেদ আলিয়ে কয় যে বাইশ জুলাইৰ পৰা টিউচন আৰম্ভ হৈছিল। শব্দ শুনিয়েই দৰ্জা খুলি চাই বি-এছ-এফ দেখে। সেই সময়ত বি-এছ-এফে বুকু, পিঠিত ঘুচিয়াই দলঙখনৰ মূৰলৈ লৈ যায়। থিয় হ'ব দিয়া শাৰীত গণেশ ডেকা কাষতে আছে। বি-এছ-এফে উত্তৰ-পশ্চিম পিনে দৌৰিবলৈ দিয়ে আৰু পূব ফালৰ পৰা গুলিয়াই। দিলীপ কলিতাও শাৰীত আছিল। শাৰীটোত গণেশ ডেকাৰ কাষতে থকা আন এজন ছাত্ৰ মহম্মদ ফৈজুল হকে (নিজা বৰহমপুৰ) কয় যে তিনিজন ল'ৰাই ক্ৰাছ কৰি আছিল। ধোৱা দেখি আৰু শব্দ শুনি ওলাই চাওঁ। তেতিয়া কেইজনমান বি-এছ-এফে মাৰ ধৰ কৰি বিস্ফোৰিত স্থানলৈ নি শাৰী পাতিব দিয়ে। তাৰ পিছত দৌৰিবলৈ দি গুলী কৰে। কমাৰগাঁৱৰ চন্দী ৰাম বৈশ্যৰ ঘৰটো এটা গুলী লাগে। শ্ৰীবৈশ্যৰ পুত্ৰ ললিত বৈশ্যাই কয় যে, গুলীয়া গুলীৰ সময়ত এওঁলোকৰ ৰাস্তাৰ পৰা

ধৰি গনেশক বান্ধি আনে। শিবিৰত চাৰিজনক একেলগে বহিব দিয়ে। খুব মাৰপিট কৰি বোকা পানীৰে দৌৰিব দিয়ে। আগফালে দুজন আৰু পিছফালে এজন বি-এছ-এফে গণেশক গুলিয়াই হত্যা কৰে।

গণেশ ডেকাৰ পিতৃ শ্ৰী ভৰত চন্দ্ৰ ডেকাই কয় যে, তেওঁৰ একমাত্ৰ সন্তান গণেশ ডেকাক পঢ়াবলৈ মাটিও বিক্ৰী কৰিছিল।

এওঁ হাতীমাৰা নগাঁৱৰ গাওঁবুঢ়া। গণেশৰ দুজনী ভনীয়েক আছে। পিতৃ গৰাকীৰ মতে তেওঁৰ ল'ৰা কোনো সংগঠনতে নাই। দগিয়াপাৰাৰ সমীন চন্দ্ৰ দাসে কয় যে, ৰাতিপুৱাই মিস্ত্ৰী চন্দ্ৰ বৰুৱাৰ লগত কামলৈ ওলাই গৈছিল। ন জন ব্যক্তিয়ে ঘৰটোৰ কাম কৰি আছিল। বোমা বিস্ফোৰণৰ পিছত সকলোৱেই দৌৰিলে। মিস্ত্ৰী চন্দ্ৰ বৰুৱাই ওপৰত কাম কৰি আছিল। কাম কৰি থকা ঘৰটো দিপিলাৰ আধা মাইল দূৰত। বি-এছ-এফৰ জোৱানে আহি মিস্ত্ৰী চন্দ্ৰ বৰুৱাক ওপৰৰ পৰা নমাই আনি হত্যা কৰে। পলাশবাৰীবাসী হস্ত-তাঁত শিল্পৰ কৰ্মচাৰী গৰাকী 'কৰুণা কলিতা' ঘৰখনৰ অবিবাহিত জ্যেষ্ঠ সন্তান।

গোটেই ঘটনাটো আহত-নিহত ব্যক্তি সকলে বি-এছ-এফৰ নিৰ্মম আক্ৰমণৰ সন্মুখীন হ'ব লগা হয়। বি- এছ-এফৰ মতে অতৰ্কিতে আক্ৰমণৰ এই ব্যৱস্থা শুদ্ধ যদিও নিৰপৰাধী ব্যক্তিৰ মৃত্যু কাৰো কাম্য নহয়। সীমান্ত যুদ্ধৰ ক্ষেত্ৰত উক্ত ব্যৱস্থা প্ৰয়োজনীয় হলেও জনসাধাৰণৰ মাজত এনে আক্ৰমণ গ্ৰহণযোগ্য নহয়। নৃশংস আৰু অহস্যকৰ। ঘটনাটোৰ সন্দৰ্ভত স্থানীয় বিধায়ক জয়নাথ শৰ্মাই যোৱা বিধানসভাত উল্লেখনীয় ভূমিকা পালন কৰে। তাৰ ফলতেই সৰ্বদলীয় বিধানসভাৰ এটি দলেও ৭ আগষ্টত দিপিলা ভ্ৰমণ কৰি ঘটনাৰ তদন্ত কৰে। শ্ৰীশৰ্মাই ঘটনাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, গোটেই ঘটনাটো উদ্দেশ্য প্ৰণোদিত আৰু আটাইকেইজন মৃত তথা আহত সকল নিৰ্দোষী। এই ঘটনাত আলফাৰ নামত নিৰ্দোষী লোকক হত্যা কৰি ৰাইজৰ মাজত সন্ত্ৰাস সৃষ্টি কৰিবলৈ চৰকাৰে বি-এছ-এফৰ সতে গোপন বুজা-বুজি কৰা বুলি সন্দেহ কৰাৰ স্থল আছে। আনকি চৰকাৰে গুলী চালনা সন্দৰ্ভত বি-এছ-এফৰ পৰা স্পষ্টীকৰণ বিচৰা বুলিও জনা হোৱা নাই। চৰকাৰৰ পৰা সেউজ সংকেত নাপালে এনেধৰণৰ নিৰ্দোষী লোকক বাটে পথে হত্যা কৰাৰ দৰে ঘটনাত বি-এছ-এফ লিপ্ত হোৱাৰ স্থল নাই। সেয়ে ঘটনাৰ লগত অকল বি-এছ -এফক জড়িত বুলি কলে ভুল হ'ব। ঘটনাৰ লগত চৰকাৰো জড়িত থকা বুলি সন্দেহ কৰাৰ স্থল আছে।

জয়নাথ শৰ্মাই দাবী কৰে যে তৎকালীন ভাৱে চৰকাৰে মৃতকৰ পৰিয়াল সকললৈ সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিব লাগে। প্ৰতিটো পৰিয়ালৰ এজনক কৰ্মসংস্থান দিব লাগে আৰু দোষী বি-এছ-এফক শাস্তি দিব লাগে।ঘটনাৰ ন্যায়িক তদন্ত হব লাগে।

নিৰীহ জনসধাৰণক বি-এছ-এফে অত্যাচাৰ কৰাৰ সুবিধা পালে

বোমা বিস্ফোৰণৰ ঘটনাটোৰ যোগেদি। কিন্তু বোমাটো কোনে দিলে? বি-এছ-এফৰ ডি আইজী গৰাকীৰ মতে বিস্ফোৰণৰ পিছদিনা গ্ৰেণেড পোৱা হয়। বোমাৰ সতে সলগ্ন তাৰ দুডালো একাংশ পানীৰ তলত আন একাংশ পথৰ ওপৰেদি দেখা পোৱা যায়। বহুতে বোমা বিস্ফোৰণৰ ঘটনাটোত আলফা জড়িত আছে বুলি সন্দেহ প্ৰকাশ কৰে। এই প্ৰসংগতে আলফাৰ দৰং জিলা সমিতিৰ সভাপতি জিৎকুঃ শৰ্মাই এক বিবৃতিত কয় যে, দিপিলাৰ বাতৰিটো ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰই উদ্দেশ্য প্ৰণোদিত ভাৱে প্ৰচাৰ কৰিছে। এক ন্যাস্ত স্বাৰ্থজড়িত মহলে· নিৰ্দোষী পাঁচ জন মানুহ নিহত হোৱাৰ বাবে আলফাক জগৰীয়া কৰিবলৈ অহৰহ প্ৰচেষ্টা চলোৱা পৰিলক্ষিত হৈছে। আলফাৰ মতে ২৭ জুলাইত ৫-৩০ বজাত দুখন জীপচী গাড়ী মংগলদৈ, মুক্তাপুৰ পথেৰে আহি আছিল। দিপীলা চ'কৰ দলং পোৱাৰ পিছতে আগৰ গাড়ীখনত বোমা বিস্ফোৰিত হয়। ফলত গাড়ীৰ ভিতৰত থকা মানুহ কেইজন আহত হয়। পিছে পিছে গৈ থকা বি-এছ-এফ জোৱানৰ গাড়ীখন কথমপি ৰক্ষা পৰে। তাৰ পিচতে অমানুষিক ঘটনাটো ঘটে। আলফাৰ দৰং জিলা সমিতিয়ে হত্যাকাণ্ডৰ তীব্ৰ প্ৰতিবাদ জনাবলৈ আহ্বান জনোৱাৰ লগতে ৰাইজক প্ৰতিবিপ্লৱীৰ মনে সজা বিভ্ৰান্তিকৰ বাতৰিত ভুল নৈগে জাতীয় মুক্তি বিপ্লৱৰ স্বাৰ্থৰ হকে কাম কৰিবলৈ আহ্বান জনায়।

ইতিমধ্যে ঘটনাৰ তদন্ত ক্ষীপ্ৰ গতিত আগ'বাঢ়িছে। ১৪ জনীয়া সৰ্বদলীয় দলটোৱে ১৬ আগষ্টত বিস্তৃত প্ৰতিবেদন অধ্যক্ষক দিব। অসম চৰকাৰে মৃত পৰিয়ালক সাহাৰ্য দিয়াৰ বিধিগত ব্যৱস্থা বিবেচনা কৰি আছে বুলি প্ৰকাশ।

(১১ আগষ্ট, ১৯৯১)

চৰকাৰী জিন্মাত মৃত্যু ৩০

১৯৯০ চনৰ জুলাইৰ পৰা ১৯৯৪ চনৰ ফেব্ৰুৱাৰীলৈকে অসমত আৰক্ষীৰ জিম্মাত ২০ জন আৰু সামৰিক বাহিনীৰ জিম্মাত ১০ জন, মুঠতে ৩০ জন লোকৰ মৃত্যু হয়।

এই সকল লোকৰ ভিতৰত কামৰূপ জিলাত এজনৰ সামৰিক জিম্মাত, গুৱাহাটী মহানগৰীত ২ জনৰ আৰক্ষীৰ জিম্মাত, নলবাৰীত এজনৰ আৰক্ষীৰ জিম্মাত, শোণিতপুৰত ৩ জনৰ আৰক্ষীৰ জিম্মাত, গোলাঘাটত ২ জন আৰক্ষীৰ জিম্মাত, ডিব্ৰুগড়ত এজনৰ আৰক্ষী আৰু এজনৰ সামৰিক জিম্মাত, নগাওঁত ২ জনৰ আৰক্ষী আৰু এজনৰ সামৰিক জিম্মাত, কাৰ্বি আংলঙত ৩ জনৰ আৰক্ষী জিম্মাত, কাছাৰত এজনৰ আৰক্ষী জিম্মাত, তিনচুকীয়াত এজনৰ আৰক্ষী আৰু এজনৰ সামৰিক জিম্মাত আৰু বঙাইগাওঁত এজন আৰক্ষী আৰু ৫ জনৰ সামৰিক জিম্মাত মৃত্যু হৈছে।

উগ্ৰপন্থীৰ গুলিত নিহত
প্ৰথম সাংবাদিক কমলা শইকীয়া



❑ *শিবসাগৰ*

সাংবাদিক কমলা শইকীয়াৰ হত্যাৰ লগে লগে অসমৰ সাংবাদিকতাত এক নতুন দৃশ্যপটৰ আৰম্ভণি ঘটিল। এই হত্যাকাণ্ডত সমূহ সাংবাদিক প্ৰতিবাদত মুখৰ। অসমৰ সাংবাদিকতাৰ জগতখন সাংবাদিক হত্যাৰ আতংকগ্ৰস্ত আৰু ভীতিগ্ৰস্ত। শিবসাগৰ জিলাতো শংকা, সন্দেহ আৰু অবিশ্বাসে মানুহৰ মনত দোলা দি আছে মৃত সাংবাদিক গৰাকীৰ পৰিয়াললৈ বুলি শিৱসাগৰৰ মেলাচ'ক পালো। এটা জৰাজীৰ্ণ জুপুৰী। তাতেই সাংবাদিক কমলা শইকীয়াৰ পৰিয়ালটো থাকে। সাংবাদিক গৰাকীৰ পত্নী শ্ৰীকমলা কুমাৰী শইকীয়া (৪৫), পুত্ৰদ্বয় ধনঞ্জয় শইকীয়া(২২) আৰু জনঞ্জয় শইকীয়াৰ(১৪) লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক অগ্ৰদূতৰ হৈ সমবেদনা জনালো। লগত আছিল বৰুণ কলিতা আৰু জিতেন চুতীয়া। সময় সন্ধিয়া প্ৰায় সাত বাজিছে। ঘৰখনত ব্যস্ততা, কাৰণ ডাঙৰ ল'ৰা ধনঞ্জয় শইকীয়া মাদ্ৰাজলৈ যাব। ল'ৰাটো মাদ্ৰাজৰ অটোমোবাইল ইঞ্জিনিয়াৰিং ডিপ্লমা পাঠ্যক্ৰম শেষ কৰি গ্ৰেজুৱেটৰ (পি-ডি) পাঠ্যক্ৰম পৰীক্ষাৰ্থী। ধনঞ্জয়ে মাদ্ৰাজলৈ যাবলৈ শিৱসাগৰৰ পৰা নৈশ বাছত গুৱাহাটীলৈ আহিব লাগে। সেয়ে ধনঞ্জয় বাছৰ টিকট কাটিবলৈ গৈছে। বাটতে দেউতাক কমলা শইকীয়াক লগ পালে। দেউতাকে বজাৰ কৰি ঘৰলৈ উভটিছে। দেউতাক ঘৰলৈ আহিল আৰু ডাঙৰ ল'ৰাটোৱে বাছৰ টিকত কাটিবলৈ বজাৰলৈ গ'ল।

ইয়াৰ পিছৰ ঘটনাৰ বৰ্ণনা দি পত্নী শ্ৰীমতী শইকীয়াই কয় যে সংসাৰত আবেলি গৰু গাই বান্ধি সদায় মোনা এখন লৈ বজাৰলৈ যায়। শক্তাৰৰ পৰা অইন নহলেও এটুকুৰা মাছ আৰু বাতৰি কাকত অনাটো এটা অভ্যাস আছিল। ৯ আগষ্টৰ দিনাও গাই গৰু বান্ধি

বজাৰলৈ যায়। ডাঙৰ ল'ৰাটো মাদ্ৰাজলৈ যোৱাৰ আগমুহূৰ্ত্তত ভাত সাজ খাবলৈ মাছ কেইটুকুৰামান আৰু গৰুৰ আহাৰ বজাৰৰ পৰা আনি ঘৰত সোমায়। তাৰ পিছত গৰুক দানা দি গা ধুই বাতৰি কাকত পঢ়িবলৈ সাজু হয়। ঠিক সেইসময়তে দুজন যুৱক অহা বুলি সৰু ল'ৰা জনগুয়ে দেউতাকক কয়, লগে লগে পুৰণি লুভিখন মেৰিয়াই ওলাই আহি যুৱক দুজনৰ লগত কথা-বতৰা পাতে। বৈঠকত বহি থকা দৃশ্যাটোৱে পত্নী গৰাকীৰ শেষ দেখা। পত্নী গৰাকীয়ে নাম ঘৰত প্ৰাৰ্থনা শেষ কৰি ওলাই আহি ভুমুকিয়াই কোন বুলি সোধে। তেতিয়া এজন যুৱকে কাকতৰ বাবে বিবৃতি দিবলৈ আহিছে বুলি কয়। কমলা শইকীয়াইও "এই আমগুৰি স্কুলৰ বিষয়ে কিবা এটা কথা আছে" বুলি কয়। এনেকৈ কোৱাত ঘৈণীয়েকে ৰন্ধা-বঢ়াত ব্যস্ত হৈ পৰে। যুৱক দুজনৰএজনে বেঞ্চত আৰু আনজনে বিচনাত বহিছিল। এজনে পানী এগিলাচ খাব খোজাত সৰু ল'ৰাটোৰ হাতত ঘৈণীয়েকে পানী দি পঠায়। ইয়াৰ পিছৰ ছোৱা ঘটনা সৰু ল'ৰা জনগুয়ে নিজ চকুৰে দেখে। জনগুয়ে শোকত ইমানেই মৰ্মাহত যে তেওঁ কোনো কথা ক'ব নিবিচাৰিলে। কিন্তু জনগুয়ে পৰিয়ালক কোৱা মতে ঘটনাটো এনেধৰণৰ- - যুৱক দুজনে কয় যে বাহিৰত শাৰীৰিক ভাৱে অক্ষম লোক এজন আছে; যিজনে এটা বিবৃতি দিব খোজে। কমলা শইকীয়াই যুৱক দুজনৰ সতে বাহিৰলৈ আহি নঙলা মুখত এখন খোলা জিপচী গাড়ী দেখে। সন্দেহ কৰি শইকীয়াই ঘূৰি আহিবলৈ বিচৰাত এজনে এটা ৰিভলভাৰ মূৰত লগাই দিয়ে, লগে লগে শইকীয়াই উফাল মাৰি দিওঁতে দুয়োফালে থকা যুৱক দুজন পৰি যায়। সেই সময়তে আন দুজন যুৱকে গাড়ীৰ পৰা নামি টনা-আজোৰা কৰি শইকীয়াক গাড়ীত লৈ গুচি যায়।

ঘটনাটো দেখি নৱম শ্ৰেণীৰ ছাত্ৰ জনগুয় শইকীয়াই ঘৰৰ দুৱাৰখন বাহিৰৰ পৰা হুক মাৰি ককায়েকক বিচাৰি বজাৰলৈ যায়। ককায়েকে পুলিচক জনোৱাত অপহৃত ব্যক্তিক উলিয়াবলৈ দৌৰা দৌৰি লাগে। কিন্তু জাঁজি পথত আমগুৰি থানাই মৃতদেহটোহে উদ্ধাৰ কৰে। অৱশেষত ৯-৩০ বজাত শইকীয়াৰ পৰিয়ালবৰ্গই মৰ্মান্তিক খবৰটো পায়। ঘটনাটোৰ সন্দৰ্ভত আৰক্ষী সূত্ৰই কয় যে হত্যাকাৰীয়ে অতি কম সময়ৰ ভিতৰতে সাংবাদিক গৰাকীক হত্যা কৰে। গাড়ীৰ ভিতৰতে সাংবাদিক গৰাকীক গুলী কৰি দেহটো থকা-সৰকা কৰিছিল। সাংবাদিক গৰাকীক শেষত মূৰৰ দুই ফালে দুটা ৰিভলভাৰ লগাই দুটা গুলী কৰি হত্যা কৰা হয়। অপহৰণকাৰী জীপচীখনে শইকীয়াৰ বাসগৃহ মেলাচ'কৰ পৰা কে-পি-এম, বডিং ৰ'ড, দৌলমুখ, বাবুপট্টি, জেঙেনাকটীয়া, ৩৭ নং ৰাষ্ট্ৰীয় পথ, নগাআলি হৈ আমগুৰি জাঁজি পথ পায়। গুলীৰ আয়তন সৰু হোৱালৈ চাই হত্যাকাৰীয়ে গাড়ীৰ ভিতৰত ০.২২ ব্যাসাৰ্দ্ধৰ আৰু শেষ মুহূৰ্ত্তত মৰা গুলীৰ ব্যাসাৰ্দ্ধ ০.৩৮ বুলি আৰক্ষীয়ে অনুমান

কৰে। হত্যাকাণ্ডটোত ছয় টাতকৈও অধিক গুলী ব্যৱহাৰ কৰিছিল। হত্যাকাৰীয়ে কমলা শইকীয়াৰ বাসগৃহটো উলিয়াবলৈ আনক সুধিব লগা হোৱাটোৱে প্ৰমাণ কৰে যে তেওঁলোক শিৱসাগৰৰ বাহিৰৰ লোক।

সাংবাদিক গৰাকীৰ বাসগৃহৰ ওচৰেৰে যুৱক ৰূপক ভূএগ্ৰাই কয় যে কমলা শইকীয়া সাহসী আৰু বলবান আছিল। এই হত্যা নৃশংস আৰু অসহনীয়। মৃতদেহটোৰ গাত টিপাৰেটেৰে পোৰা চিন পোৱা যায়, কিন্তু চিন বা বিন্ধাৰ পৰা বুৰবুৰণি ওলোৱা দেখা যায়। মৰোণত্তৰ পৰীক্ষাত গুলী পোৱা গৈছে বুলি পুলিচে জনাইছে। কিন্তু চিতাভস্মৰ মাজতো পাঁচোটা গুলী পোৱা হয়।

হত্যাকাণ্ডৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি পত্নী শ্ৰীমতী শইকীয়াই কয় যে তেওঁ পৰিস্থিতি এতিয়াও চম্ভালিব পৰা নাই। তেখেত গান্ধীবাদী আছিল আৰু জীৱ-জন্তু-শস্যৰ প্ৰতি বৰ মোহ আছিল। অধিক সময় পঢ়ি আৰু লিখি কটাইছিল। গান্ধীজী, শাস্ত্ৰীজী আৰু কেনেডীৰ কিতাপ খুব পঢ়িছিল। দুখীয়া মানুহৰ প্ৰতি সহানুভূতিশীল শইকীয়াই অলপতে যিকোনো ব্যক্তিক বিশ্বাস কৰিছিল।

ডাঙৰ ল'ৰা ধনঞ্জয়ে কয় যে, তেওঁক দেউতাকে বৰ মৰম কৰিছিল। উঠি অহা চামটোৰ লগত তেওঁকো সাঙুৰি গালি পাৰিছিল। আনকি দেউতাকে তেওঁকো আলফাৰ সতে জড়িত বুলি সন্দেহ কৰিছিল। দেউতাকে হেনো প্ৰায়ে কৈছিল— "সকলোৱে যদি ভয় কৰি থাকে, কোনে লিখিব? বন্দুকেৰে সমস্যাৰ সমাধান নহয়"। দেউতাকৰ বিষয়ে ধনঞ্জয়ে কয় যে তেওঁ অহিংসা যুঁজাৰু। কোনো উগ্ৰপন্থীক সমৰ্থন কৰা নাছিল আৰু বশ্যতা স্বীকাৰ কৰা নাছিল।

ওচৰ চুবুৰীয়াক সোধাত কমলা শইকীয়াৰ বিষয়ে কয় যে তেওঁ অত্যন্ত জেদী আৰু আত্মবিশ্বাসী লোক আছিল।

উগ্ৰসাহসী বাবেই সাংবাদিক শইকীয়াই সঁচাটোক সঁচা বুলি আৰু সত্যক সত্য বুলি সজোৰে খোলাখুলিকৈ কৈছিল। লিখাৰ ক্ষেত্ৰতো কাকো পৰোৱা কৰা নাছিল।

জৰাজীৰ্ণ জুপৰী ঘৰটো দেখিলেই বুজিব পাৰি যে পৰিয়ালটোৰ আৰ্থিক অৱস্থা শোচনীয়। সাংবাদিক গৰাকীৰ পত্নী শ্ৰীমতী কমলা কুমাৰী শইকীয়া (বৰুৱা) শিৱসাগৰ চৰকাৰী মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰে। দিখৌমুখ হাইস্কুলৰ প্ৰতিষ্ঠাপক কমলা শইকীয়াই শিক্ষকতা কৰি ২১ বছৰে দৰ্মহা পোৱা নাছিল। বাতৰি কাকতত লিখি পোৱা সামান্য টকা কেইটাও দুখীয়ালোকক দি সহায় কৰিছিল। দুটি ল'ৰাৰ পঢ়া খৰছো আছে। খেতিৰ মাটি নাই। অৱশ্যে অসম চৰকাৰে শেহতীয়াকৈ পৰিয়ালটোক ক্ষতিপূৰণ হিচাবে একলক্ষ টকা আৰু এজনক চাকৰি দিয়াৰ বিষয়ে ঘোষণা কৰিছে। এই ঘোষণা শীঘ্ৰে কাৰ্যকৰী কৰিলে পৰিয়ালটোৱে আৰ্থিক দিশত কিছু সকাহ পাব।

(১৮ আগষ্ট, ১৯৯১)

সেনাৰ অত্যাচাৰ

ৰাজু বৰুৱা ধৰ্ষিতা

ৰাজু বৰুৱা

❑ *হাৰাজান*

ক্ৰমশঃ বৃদ্ধি পাই অহা সামৰিক বাহিনীৰ অভিযানৰ ফলত শোণিতপুৰ জিলাত ত্ৰাসৰ সৃষ্টি হৈছে। গ্ৰাম্যাঞ্চলত সৈন্যৰ ভয়ত যুৱসকল ঘৰত নাথাকি নিৰাপদ আশ্ৰয় স্থান বিচাৰি দিহিঙে-দিপাঙে ঘূৰি ফুৰিছে। বিশেষকৈ সূতাৰ গাঁৱৰ গাভৰু ৰাজু বৰুৱাক সেনাই দলবদ্ধ ভাবে ধৰ্ষণ কৰাত মৃত্যু হোৱাৰ ঘটনা আৰু এজন আলফাৰ দুৰ্দ্ধৰ্ষ সদস্যৰ আত্মহত্যাৰ প্ৰচেষ্টাৰ ঘটনাই জিলাখনক চাঞ্চল্য আৰু উত্তেজনাপূৰ্ণ কৰি তুলিছে। ঘটনাবোৰৰ প্ৰতিক্ৰিয়াস্বৰূপে জনসাধাৰণ সন্ত্ৰাসিত হৈছে আৰু দোকান- পোহাৰ, স্থানীয় যানবাহন আবেলি ছয় বজাৰ পৰা বন্ধ হৈ যায়।

যোৱা ছয় অক্টোবৰত ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰী ৰাজু বৰুৱাক সূতাৰগাঁৱৰ বাসভৱনত দলবদ্ধভাবে ধৰ্ষণ কৰাৰ অভিযোগ উঠিছে। সূতাৰগাঁৱখন গহপুৰৰ পৰা ২২ কিঃ মিঃ দূৰত্বত হাৰাজান এলেকাত অৱস্থিত। হাৰাজানৰ মূল চ'কৰ পৰা প্ৰায় তিনি কিঃমিঃ গৈ সোঁফালে গ'লে সূতাৰগাঁও পোৱা যায়। বাহৰ সাঁকোখন পাৰ হলেই ৰাজু বৰুৱাৰ বাসগৃহ। ঘৰখনত পিতৃ মণিৰাম বৰুৱা আৰু মাতৃ দেৱেশ্বৰী বৰুৱাৰ তিনিজনী ছোৱালী আৰু দুজন ল'ৰা আছে। ছোৱালী তিনিজনী সৰ্ব্বশ্ৰী ৰুণু বৰুৱা (শিক্ষয়িত্ৰী), ৰাজু বৰুৱা আৰু ৰীমা বৰুৱা। ৰীমা আৰু ৰাজু বৰুৱাই দুয়ো ক্ৰমে স্নাতক মহলাৰ দ্বিতীয় আৰু তৃতীয় বাৰ্ষিকৰ পৰীক্ষা দিছিল। যুৱক দুজনৰ এজন মহিম চন্দ্ৰ বৰুৱা গুৱাহাটী বিঃ বিদ্যালয়ৰ এম-এছ-চি চূড়ান্ত বাৰ্ষিকৰ ছাত্ৰ আৰু আনজন দ্বীপেন বৰুৱা নৱম শ্ৰেণীৰ ছাত্ৰ। ঘৰখনত আৰ্থিক স্বচ্ছলতা নাই যদিও

দেউতাকে খেতি আৰু ৰাজমিস্ত্ৰী কৰি পৰিয়ালটোৰ পোহ-পাল দিছে।

ধৰ্ষণৰ ঘটনাৰ বিৱৰণি দি মৃতকৰ ভগ্নী ৰীমা বসুমতাৰীয়ে কয়, দিনৰ ১১ বজাত বাইদেউ (ৰাজু) আৰু মই পেচাব কৰিবলৈ ঘৰৰ পিছফালে যাওঁ। আমাৰ অলপ পিছতে ডাঙৰ বাইদেউ আৰু মা গৈছিল। পিছফালে বাৰীৰ কাষতে এটা পুখুৰী আছে। পুখুৰীৰ পিছফালে হাবি-জংঘল আৰু তাৰ পিছপিনে এখন নদী আছে। এফালৰ আলধীগছবোৰ ডাঙৰ হোৱা বাবে কোনোবা লুকাই থাকিলেও ধৰিব পৰা নাছিলো। মই আৰু বাইদেও গৈ থাকোতে হাবিৰ মাজৰ পৰা এজন অসামৰিক পোছাকৰ লোক ওলাই আহি বাইদেউক টানি লৈ যায়। টানি নিওতে মুখত সোপা দিছিল। মই ভয়তে মা মা বুলি চিঞৰি মাতিছিলো। লগে লগে মা, ডাঙৰ বাইদেউ আৰু মই চিঞৰাত হুলস্থূল হয়। হুলস্থূল শুনি তিনিজন লোকে ওলাই আহি গুলী কৰি দিম বুলি ধমকি দিয়ে। তেনেতে মা মূৰ্চা যায়। সেই সময়ত গাৱঁত মতা মানুহ কম আছিল। দেউতাও ঘৰত নাছিল। গোলমাল শুনি গাৱঁৰ অলপ মানুহ আহে আৰু আমি আগবাঢ়ি যাওঁ।

"আগলৈ গৈ পুখুৰীৰ পাৰত মেটেকাৰ মাজত মূৰটো আৰু হাত দুখন ওলাই থকা এটা দেহ দেখা পাওঁ। মা, ৰমা আৰু বাইদেউৱেও দেখা পায়। পানীত নামি মা আৰু ৰমাই হাত দুখনত ধৰি পাৰলৈ আনে। তেতিয়া মুখখন কলা কাপোৰেৰে বন্ধা অৱস্থাতে আছিল। মই বান্ধটো খুলি দিয়াত তাই মাত্ৰ কয়– 'আৰ্মি, আৰ্মি, মোক পেলাই দিছে।' তাৰ পিছত আৰু মুখৰ মাত শুনা নহ'ল। দাদা কমলে আৰু ভিনিদেউ গণেশ ৰবাই চোতাললৈ দাঙি আনে। সেই সময়ত ডাক্তৰো পোৱা নগ'ল। গাৱঁৰ মানুহে প্ৰাথমিক শুশ্ৰূষা কৰে। পিছত থেলাত ভৰাই হাৰাজান থানালৈ নিয়া হয়। তাৰ পৰা কমলপুৰ চিকিৎসালয়লৈ নি এটা চেলাইন দিয়ে। চেলাইন শেষ নৌহওতেই প্ৰায় ১৫ মিনিট পিছত বাউদেউ ঢুকায়। মৃতদেহ তেজপুৰলৈ মৰোণত্তৰ পৰীক্ষাৰ বাবে নিয়ে আৰু পিছদিনা ৭ অক্টোবৰৰ নিশা দহ বজাত ঘৰলৈ দেহটো আনে।"

ভনীয়েকৰ বিৱৰণিৰ পিছত পৰিয়ালটোৰ সৈতে কথা-বতৰা পতাত জানিব পৰা গ'ল যে দেহটোৰ ডিঙি ফুলি আছিল আৰু মুখ, বুকু, ভৰি ৎ আঘাতৰ চিন আছিল। ঘটনাৰ পিছদিনা ৭ অক্টোবৰত মৃতকৰ বাই-ভনী কণু আৰু ৰীমাক গহপুৰ থানালৈ মাতি নিয়ে। তাত সামৰিক পোছাকত তিনিটা শাৰী পাতি কেইজনমান লোকক থিয় কৰায়। এই "আইডেন্টিফিকেচন-পেৰেড"ৰ সন্মুখত থিয় হৈ দুয়োজনী বাই-ভনীয়েকে সুকীয়াকৈ এজন জোৱানক চিনাক্ত কৰে। তাৰোপৰি সূতাৰগাওঁৰ ষষ্ঠ শ্ৰেণীৰ শৰীন ৰবাই ছয়জন লোকক নাৱেৰে পাৰ কৰি দিছিল। অহা-যোৱা দুয়োবাৰ পাৰ কৰি দিয়া বাবে তিনি টকা ল'ৰাজনক দিয়ে। ল'ৰাজনে কাক কাক দেখিছিল, সেইয়াও আৰক্ষীক জনাইছে।

তাতোকে গুৰুত্বপূৰ্ণ বিষয় এই যে ঘটনাৰ পিছত ঘটনাস্থলীত সৈন্যবাহিনীৰ ফ্লাস্ক আৰু অন্যান্য সামগ্ৰী পায়। মৰোণত্তৰ পৰীক্ষাতো মৃত্যুৰ কাৰণ বলপূৰ্বক ধৰ্ষণ বুলি জানিব পৰা হৈছে। যিহেতু নিৰ্দিষ্ট নম্বৰ সম্বলিত ফ্লাস্ক আদি পাইছে আৰু দুই ভগ্নীয়ে বেলেগে একেজন জোৱানকে চিনাক্ত কৰিছে; সেই হেতুকে ঘটনাটো সৈন্যবাহিনীৰ দ্বাৰা সংঘটিত বুলি প্ৰমাণ পোৱা যায়। তাৰোপৰি মৃতদেহৰ মুখত বন্ধা ক'লা কাপোৰখনো সৈন্যই মূৰত মাৰিবলৈ ব্যৱহাৰ কৰা ক'লা কাপোৰখন বুলি ধাৰণা কৰা হৈছে। ঘটনাটোৰ আন এক চমকপ্ৰদ দিশ এইযে সামাৰিক বাহিনীৰলোকে অসামাৰিক পোছাকত গোপনে চোপ লৈ অভিযান চলাইছে কিয়? নীতি-নিয়মভঙ্গ কৰি ধৰ্ষণৰ দৰে অপৰাধত জড়িত হোৱা বাবে এজন জোৱানক ইতিমধ্যে জেল হাজোতলৈ প্ৰেৰণ কৰা হৈছে।

বিগত ছয় অক্টোবৰৰ ঘটনাটোৰ পূৰ্বতে ৫ অক্টোবৰত জগমোহন বৰুৱাক সেই গাঁৱৰ পৰা ধৰি নি আজি পৰ্যন্ত এৰি দিয়া নাই। অথচ ২৪ ঘণ্টাতকৈ বেছি সময় সৈন্যই কোনো লোককে আবদ্ধ কৰি ৰাখিব নোৱাৰে। এই ঘটনাৰ পিছৰে পৰাই সৈন্যৰ অভিযান তীব্ৰতৰ হয়। কিন্তু কৃষক জগমোহন বৰুৱাক (৪৫)ক গ্ৰেপ্তাৰৰ প্ৰতিবাদত মহিলাসকলে সিদিনা থানা ঘেৰাও কৰে। ধৰ্ষণৰ ঘটনাৰ দিনাই ছয়দুৱাৰ আঞ্চলিক ছাত্ৰ সন্থাই উপাযুক্ত আৰু আৰক্ষী অধীক্ষকক ন্যায়িক তদন্তৰ দাবী জনায়। প্ৰতিবাদকল্পে ৭ অক্টোবৰত শোক দিৱস আৰু ৯ অক্টোবৰত হাৰাজানৰ পৰা বুৰৈলৈকে বন্ধ পালন কৰে। হাৰাজান শাখা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীক্ষমা ভূঞাই কয় যে ছোৱালীজনী বৰ নিৰ্জু , শান্ত, অমায়িক আছিল। ঘটনাৰ দিনা তাই বগা ফ্ৰক এটাহে পিন্ধি আছিল। এনে বৰ্বৰোচিত কাণ্ডক তীব্ৰ গৰিহণা দিয়ে আৰু গাঁৱবাসীয়েও প্ৰতিবাদ কৰে। যোৱা দহ অক্টোবৰত গহপুৰৰ এদল মহিলাই ক'লা পতাকালৈ এলেকাটোত ভ্ৰমণ কৰা দেখা যায়। ইতিমধ্যে ঘটনা সংক্ৰান্তত আৰক্ষী, সৈন্য আৰু ন্যায়িক দণ্ডাধীশ পৰ্যায়ত সুকীয়াকৈ তিনিধৰণৰ তদন্ত চলি আছে। যোৱা ১০ অক্টোবৰত তেজপুৰৰ অতিৰিক্ত জিলা দণ্ডাধীশ শ্ৰীকমল মহন্তই পৰিয়াল আৰু ঘটনাত জড়িত সকলৰ সাক্ষ্য গ্ৰহণ কৰিছে। আনহাতে সৈন্যৰ তৰফৰ পৰা ঘটনাটোৰ দায় সাৰিবলৈ ষড়যন্ত্ৰ চলোৱাৰ উমান পোৱা গৈছে। এগৰাকী মহিলা নিজ বৰুৱাই অভিযোগ কৰি কয় যে, তেওঁৰ স্বামী জগমোহন বৰুৱাক কেবাদিন ধৰি ক'ত ৰাখিছে জানিব পৰা নাই। মহিলাগৰাকীক যোৱা ৯ অক্টোবৰত সৈন্য বাহিনীৰ শিবিৰলৈ মাতি নি ৰাজু বৰুৱাৰ কিবা বেমাৰ বা কোনোবা প্ৰেমিক আছে নেকি সোধে। ৰাজ্যচৰকাৰৰ হৈ মন্ত্ৰী বিজিত শইকীয়া পৰিয়ালটোৰ ঘৰলৈ গৈ শোক প্ৰকাশ কৰে আৰু এক লাখ টকাৰ লগতে এজনক চাকৰি দি সাহায্য দিয়াৰ ঘোষণা কৰে। তেতিয়া পৰিয়ালটোৱে কয় যে দোষীয়ে উপযুক্ত শাস্তি পাব লাগে।

(১৩ অক্টোবৰ, ১৯৯১)

আততায়ীৰ হাতত নিত্যা দত্ত নিহত

❑ *গুৱাহাটী*

.... সিহঁত আহিবনে যুৰি হাতত অস্ত্ৰলৈ। হত্যাকাৰীৰ বিচাৰ চাবলৈ। সিহঁতৰ জন্মদিনত নীৰবে চাই ৰ'ব। প্ৰিয়জনৰ ফুলৰ থোপাটোলৈ.... এইয়া যোৱা ২৭ অক্টোবৰত নিহত অগ্নিনিৰ্বাপক বাহিনীৰ উজনি অসমৰ আঞ্চলিক বিষয়া নিত্যা দত্তৰ ডায়েৰীৰ এফাঁকি কবিতা। হত্যাৰ বাতৰি পায়েই বিশিষ্ট কবি নিত্যা দত্তৰ গীতা নগৰৰ বাসভৱনলৈ যাওঁ। ঘটনাৰ বিৱৰণি দিয়াৰ পিছত নিত্যা দত্তৰ পুত্ৰ পাৰ্থিব দত্তই দেউতাকৰ এটি কবিতা পঢ়িলে। লিখি গলো। কবিতাটো পঢ়োতে কমবয়সীয়া যুৱক পাৰ্থিবৰ মাত থোকা-থুকি হ'ল। চকুৰে লোতক বৈ আহিল। সহ্য কৰিব নোৱাৰা দুখে বুকুখনত হেঁচা মাৰি ধৰাত মুখৰ মাত হেৰাই গ'ল। বেটুপাত অঁকা আৰু সংবাদসেৱাৰ লগত জড়িত পাৰ্থিবে হুকহুকাই কান্দি পেলালে। কাৰণ দেউতাকক হত্যা কৰা লোমহৰ্ষক আগদিনাৰ দৃশ্যটো পাৰ্থিবৰ মনত সজীৱ হৈ আছিল। পিষ্টলটো চকুৰ আগত ভাহি উঠিছিল।

মানুহজন এজন আৰক্ষী বিষয়াই নহয়; এজন প্ৰতিষ্ঠিত কবিও। দত্তৰ দুগৰাকী পুত্ৰ চিৰঞ্জীৱ দত্ত আৰু পাৰ্থিব দত্ত। একমাত্ৰ কন্যা মৌচুমী দত্ত। মৌচুমী দত্তৰ এবছৰ পূৰ্বে সত্যজিৎ বৰুৱাৰ লগত বিবাহ সম্পন্ন হয়। বিবাহৰ এবছৰপূৰ্ণ উপলক্ষে ২৬ অক্টোবৰ তাৰিখে তেওঁলোকৰ বাসভৱন হেপিভিলাত নিশাৰ আহাৰ খায়। তাৰ পিছদিনা আবেলি চাইনা টাউন ৰেষ্টোৰাত নিশাৰ আহাৰ খাবলৈ ঠিৰাং কৰে। দত্তৰ কন্যা মৌচুমীয়ে প্ৰতি দেওবাৰে পিতৃৰ গৃহলৈ আহে। সেইদিনাও মৌচুমী আৰু স্বামী সত্যজিৎ বৰুৱা নিত্যা দত্তৰ ঘৰলৈ আহে। কন্যা, জোৱাই, পুত্ৰ পাৰ্থিব আৰু পৰিবাৰ ৰুণু দত্তকলৈ আটায়ে ৰাজগড় পথৰ ৰেষ্টোৰাখনলৈ যায়। চীনা মহিলা এগৰাকীৰ এই ৰেষ্টোৰাখনত দত্তৰ পৰিয়ালটোৱে খোৱাৰ বাবে আসন গ্ৰহণ কৰে। এনেতে ৰেষ্টোৰা কৰ্মচাৰী বিজয় প্ৰধানে (উৰীয়া) ওচৰলৈ আহে আৰু খোৱা বস্তুৰ অৰ্ডাৰ দিয়ে। অৰ্ডাৰ লৈ কৰ্মচাৰীজনে আন গ্ৰাহকৰ অৰ্ডাৰ লবলৈ যায় আৰু আনফালে যুৱকৰ এটি দল খোৱা শেষ কৰি উঠি যায়। নিত্যা

দত্তই অৰ্ডাৰ দিয়াৰ পাঁচমিনিটমান পিছতে তিনিটা গুৰুম গুৰুম শব্দ হয়। খুৰি চাই পুত্ৰ পাৰ্থিবে দুৱাৰৰ কাষেৰে এটা পিষ্টল ওলাই থকা দেখে। পিষ্টল লোৱা যুৱকজনে দুৱাৰৰ আৰ লৈ থকা বাবে দেখা নাপালে, লগে লগে পুতেকজনে হত্যাকাৰীক খেদি যায়। কিন্তু ৰেষ্টোৰাৰ আন মানুহে তেওঁক টানি ধৰি ৰাখে। মানুহকেইজনৰ মতে ল'ৰাজনকো গুলীয়াবলৈ পিষ্টল টোৱাই থকা বাবে যুৱক পুত্ৰজনক আগুৱাই যাবলৈ নিদিলে। গুলীৰ শব্দৰে আলোড়িত কৰা ৰেষ্টোৰাৰ কোঠাত আৰ্তনাদ আৰু চিএৰ বাখৰেৰে এক হুলস্থুলৰ সৃষ্টি হয়। লগে লগে ৰেষ্টোৰাৰ মালিকনী শ্ৰীমতীলিয়াঙে বৈদ্যুতিক কিবা অঘটন ঘটা বুলি বিজুলী সংযোগ বিছিন্ন কৰি দিয়ে।

ঘটনাস্থলীত উপস্থিত থকা দত্তৰ পুত্ৰ পাৰ্থিবে কয় যে দেউতাকৰ গাত তিনিটা গুলি লাগে। এটা ডিঙিত, এটা মূৰত আৰু আনটো কপালত। গুলিবিদ্ধ দেহটো গুৱাহাটী মেডিকেল কলেজলৈ নিয়া হয় আৰু তাতেই দত্তক মৃত বুলি ঘোষণা কৰা হয়। পিছদিনা ৰাতিপুৱা মৰণোত্তৰ পৰীক্ষাৰ বাবে মহেন্দ্ৰমোহন চৌধুৰী চিকিৎসালয়লৈ নিয়া হয়।

নিত্যা দত্তৰ হত্যাকাণ্ডৰ বাতৰি প্ৰকাশৰ লগে লগে সকলোৰে মনলৈ এটা প্ৰশ্নই ভুমুকি মাৰিছে; সেইয়া হ'ল - নিত্যা দত্তক হত্যা কৰিলে কোনে আৰু কিয়? এই প্ৰশ্নই পুলিচ মহলকো সন্ত্ৰস্ত কৰি তুলিছে। হত্যাৰ ধৰণৰ বিৱৰণিৰ পৰা এইটো পৰিকল্পিত হত্যাকাণ্ড যেন লাগে। অতি কম সময়ৰ ভিতৰতে থিংৰা কৰা আহাৰৰ আয়োজনটো হত্যাকাৰীয়ে কেনেকৈ জানিব পাৰিলে, সেইয়া ৰহস্যজনক। আৰোলৈ ঠিৰাং কৰা আয়োজনটো নিশা ন বজাৰ আগতে হত্যাকাৰীয়ে জানিব পৰাটোৱে ঘটনাৰ ৰহস্য অধিক ঘণীভূত কৰিছে। হত্যা সম্পৰ্কত এজনকো সন্দেহ বা গ্ৰেপ্তাৰ কৰিব পৰা নাই। পৰিয়ালৰ তৰফৰ পৰা বিশেষকৈ পুত্ৰ পাৰ্থিৱে হত্যাকাৰী সম্পৰ্কত কাৰো সন্দেহ প্ৰকাশ কৰা নাই। বৰং তেওঁ বিশ্বাস কৰে যে দেউতাৰ শত্ৰু কোনো নাই। পাৰ্থিবে কয় যে হত্যাকাণ্ডটো আলফাৰ দ্বাৰা সংঘটিত হোৱা বুলি বহুতে সন্দেহ কৰিছে। কিন্তু আলফাই হত্যা কৰা বুলি তেওঁ নেভাবে। কাৰণ হত্যাৰ আগতে আলফাৰ পৰা সাৱধানবাণী বা ভাবুকি পোৱা নাছিল। তাৰোপৰি তেওঁ উচ্চ পৰ্যায়ৰ বিষয়া নহয় যেতিয়া; হত্যা কৰি আলফাৰ লাভ নহয় বুলি ভাবে। ব্যক্তিগত জীৱন সম্পৰ্কে পুতেকে মত প্ৰকাশ কৰে যে দেউতাকৰ গোটেই জীৱনৰ বেংক বেলেন্স দহ হাজাৰ টকাতকৈ বেছি নহয়। আনকি পুতেককো শিক্ষান্ত পৰীক্ষাৰ পিছৰ পৰাও এপইচাও জেপ খৰছ দিয়া নাছিল।

উল্লেখযোগ্য যে নিত্যা দত্তৰ চাকৰি জীৱন আৰম্ভ হয় লতাশীল থানাৰ ওচি হিচাপে। তাৰ পিছত ছয়গাওঁ আৰু পাণবজাৰৰ ওচি

হিচাপে থাকি জিলা পৰ্যায়ৰ এছ-বিৰ পৰিদৰ্শক হয়। তেজপুৰত চক্ৰ বিষয়া, গুৱাহাটীত ট্ৰেফিক পৰিদৰ্শক, অভয়াপুৰীত নৱম অসম বেটেলিয়ানৰ উপ-পৰিদৰ্শক, পুলিচ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সহকাৰী অধ্যক্ষ, জিলা পৰ্যায়ৰ এচ-বি শাখাৰ উপআৰক্ষী অধীক্ষক, পাণবজাৰ থানাৰ উপ-অধীক্ষক আৰু মৃত্যুৰ সময়ত অগ্নিনিৰ্বাপক বাহিনীৰ উজনি অসমৰ আঞ্চলিক বিষয়া ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। বিভিন্ন আলোচনী আৰু পত্ৰিকাত কবিতা লিখাৰ উপৰিও কেবাখনো পুথি লিখিছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৫ বছৰ। মৰণোত্তৰ পৰীক্ষাৰ পিছত উচ্চ পদস্থ আৰক্ষী বিষয়া আৰু বিশিষ্ট ব্যক্তিসকলে বাসভৱনত মৃতদেহৰ প্ৰতি শ্ৰদ্ধা অৰ্পণ কৰে। (৩০ অক্টোবৰ, ১৯৯১)

১৯৯০ চনৰ চৈধ্য মাৰ্চৰ ৰাতিপুৱা শোণিতপুৰ জিলাৰ গহপুৰ অঞ্চলৰ কংগ্ৰেছ (ই) দলৰ নেতা উৎসবানন্দ গোস্বামী আৰু গহিয়া তেজপুৰ টাউন মণ্ডলৰ কংগ্ৰেছ (ই)ৰ সাধাৰণ সম্পাদক পূজন সেনকো হত্যা কৰে।

ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক দৌলত সিং নেগীক উগ্ৰপন্থীয়ে ১৯৯০ চনৰ ২৯ জুলাই দিনা হত্যা কৰে।

বৰপেটা জিলাৰ নিত্যানন্দৰ নৱম শ্ৰেণীৰ ছাত্ৰী বিৰজা পাঠক ওৰফে ললিতা বৰ্মন নিৰুদ্দেশ হয় যদিও আলফাৰ কেইজনমান সদস্যই ছোৱালীজনী জণ্ডিছ ৰোগত মৃত্যু হোৱা বুলি জনায় আৰু মৃতদেহ সংকাৰ কৰা বুলি কৈ অস্থিখিনি পৰিয়ালটোক দিয়ে। এই ঘটনাটো ১৯৯০ চনৰ।

১৯৯২ চনৰ পোন্ধৰ আগষ্টৰ দিনা আলফাই চৰকাৰৰ চোৰাংচোৱাগিৰি কৰাৰ অভিযোগত চাৰিজন যুবকক অপহৰণ কৰি নিয়ে। মঙ্গলদৈৰ নগৰৰ পৰা ডেৰ কিলোমিটাৰ দূৰৰ বেজপাৰাত ১৬ আগষ্টৰ দিনা অপহৃত তিনিজন যোগেন ডেকা (ভূৰাখাটি গাওঁ), নব বৰুৱা (ভূৰাখাটি গাওঁ) আৰু যাদৱ কলিতাৰ (চমতিয়াপাৰা) ক্ষত বিক্ষত মৃতদেহ পোৱা যায়। শিক্ষক যাদব কলিতাৰ ভাতৃ ভবেন কলিতাকো মৃত বুলি এৰি থৈ যায়।

প্ৰকৃততে ভবেন কলিতাক জিভা কটা আৰু হাত দুখন কটা অৱস্থাত পোৱা যায়। এতিয়াওঁ তেওঁ জীয়াই আছে। স্মৰণীয় যে আলফাৰ দৰং জিলাৰ সমিতিৰ সভাপতি জুলটি চহৰীয়া ওৰফে জিষ্ণু শৰ্মাই বিগত ২৮ জুলাইৰ দিনা খৈৰাবাৰীৰ বুঢ়াঘাট গাঁৱত আশ্ৰয় লৈ থকা সময়তে ঘৰটো সেনাই ঘেৰি ধৰাত আত্মহত্যা কৰে।

সেনাৰ সৈতে সংঘৰ্ষ

মেঘ ফুকন ঃ অনিৰ্বান হাজৰিকাৰ মৃত্যু



অনিৰ্বান হাজৰিকা মেঘ ফুকন

❑ *নাৰায়ণপুৰ*

উত্তৰ লক্ষীমপুৰৰ ৫৫ কিলোমিটাৰ দূৰত্বত নাৰায়ণপুৰ এলেকা। নিঃশব্দ আৰু নিস্তব্ধতাৰে পৰিপূৰ্ণ। সন্দেহজনক আৰু আশংকাপূৰ্ণ চাৱনি। আতংকজনিত এক পৰিবেশত নাৰায়ণপুৰকে কেন্দ্ৰ কৰি আশে পাশে থকা গাওঁসমূহ কম্পিত। সামৰিক লোকে অসামৰিক পোচাকত পিয়াপি দি ঘূৰি আছে। নিশা দুই বজাতো সৈন্যই চাইকেলেৰে অহা যোৱা কৰে। সামৰিক গোটৰ চোৰাংচোৱা বাহিনীৰ লোক চুবুৰীয়ে চুবুৰীয়ে সতৰ্ক হৈ থকা দেখা গৈছে। আনকি সাতজনীয়া সংবাদসেবীৰ দলটোকো ৰেহাই দিয়া নাই। নাৰায়ণপুৰৰ পূৱ-পশ্চিম কোণৰ গাওঁখনিত মুঢ়ানী প্ৰাথমিক বিদ্যালয়ত চোৰাংচোৱাৰ দলে সংবাদ সেবীৰ দলটোক ৰখায় আৰু পোন্ধৰ মিনিট সময় সোধ-পোচ কৰে। অৱশেষত নাম-ধামলিখি যাবলৈ দিয়ে। তিনিজন লোকে মুখত কলা কাপোৰ বান্ধি এম্বেছাদৰেৰে অহা-যোৱা কৰাত স্বাভাৱিকতে এক সন্ত্ৰাসে বিৰাজ কৰিছে। ফলত গাঁৱৰ হোজালোকৰ গতানুগতিক জীৱন যাত্ৰা ব্যাহত হৈ পৰিছে। এই প্ৰতিনিধিৰে সৈতে থকা সংবাদসেবীৰ দলটোকো কেবা ঠাইত সন্দেহ জনক দৃষ্টিৰে অনুসৰণ কৰে।

ৰাইনো অভিযানৰ সময়ত চলা অভিযানত নাৰায়ণপুৰ আৰু ঢলপুৰ এলেকাত বিভিন্ন ধৰণৰ উত্তেজক ঘটনা ঘটি আছে। শেহতীয়াকে

সামৰিক বাহিনীৰ হাতত জলপুৰ মোজাৰ মাঘনোৱা গাঁৱৰ কেন্দ্ৰধৰ ববা, দৌকচ্য় পুখুৰীৰ দিবাকৰ সদ্দিকৈ, চেঁচাৰ বীৰেন দলে নিহত হোৱাৰ উপৰিও তাতীবাঁহৰৰ বিপুল নাজিব যোৱা ২৪ জানুৱাৰীৰ পৰা নিকদেশ হৈ আছে। বিগত ২৯ অক্টোবৰত এবাসুঁতি কুমাৰজান পথাৰত দুজন আলফাৰ নেতাৰ মৃত্যুৱে এক চাঞ্চল্যৰ সৃষ্টি কৰে। এই শীৰ্ষস্থানীয় নেতা দুগবাকীৰ এজন মেঘ ফুকন ওৰফে কন্দ্ৰজিৎ দেওধাই ফুকন.আৰু গোবিন হাজৰিকা ওৰফে অনিৰ্বাণ হাজৰিকা। প্ৰকাশ যে মেঘ ফুকন লক্ষীমপুৰ, শোণিতপুৰ ধেমাজি, দৰং অৰ্থাৎ উত্তৰ-পূৱ অসমৰ আলফাৰ জেনেৰেলকমাণ্ডাৰ আৰু গোবিন হাজৰিকা আলফাৰ লক্ষীমপুৰ জিলাৰ সভাপতি।

ঘটনাৰ বিৱৰণিত প্ৰকাশ যে সৈন্যবাহিনীয়ে এসপ্তাহৰ আগৰ পৰাই নাৰায়ণপুৰ আৰক্ষী চক্ৰৰ অন্তৰ্গত চৰাইদলনি গাঁৱত আলফাৰ শীৰ্ষস্থানীয় নেতাই আশ্ৰয় লৈ থকাৰ বাতৰি পাইছিল। কিন্তু নিৰ্দিষ্ট আশ্ৰয়স্থানৰ সংবাদ নোপোৱা বাবে সেনাই অভিযান চলোৱা নাছিল। কেবাদিনৰ চেষ্টাৰ মূৰত সেনাৰ চোৰাংচোৱা বিভাগে আলফা সম্পৰ্কত গোপন বাতৰি সংগ্ৰহ কৰিবলৈ সক্ষম হয়। যোৱা ২৮ অক্টোবৰত প্ৰাপ্ত সংবাদৰ ওপৰত ভিত্তি কৰি সৈন্য বাহিনীয়ে প্ৰায় ২৫ বৰ্গ কিঃ মিঃ এলেকা ঘেৰাও কৰে। ঘেৰাও কৰা এলেকাটোত এক নং আৰু দুই নং চৰাইদলনি গাঁও, মাঘনোৱা, গামটো আৰু তাতীবাঁহৰ একাংশ গাঁৱক অন্তৰ্ভূক্ত কৰা হৈছিল। কোনো এটা পৰিয়ালৰ ঘৰতে তালাচী নকৰাকৈ নিশা বাৰ বজালৈঘেৰাও কৰি ৰাখে। তিনিটা সৈন্য শিবিৰৰ প্ৰায় ৯০০ সৈন্যই নিৰ্দিষ্ট স্থানৰ লক্ষ্য লৈ নিশা ৩-৩০ বজাৰ পৰা সন্তৰ্পণে চাৰিওফালৰ পৰা আগুৱাই আহে। লাহে লাহে আগুৱাই নিৰ্দিষ্ট স্থানৰ চাৰিওফালে এক ব্যৱধান ৰাখি চাৰি বজাত সৈন্যই আক্ৰমণৰ বাবে প্ৰস্তুত হয়।

ঘটনাস্থলী পৰিদৰ্শন কৰোতে এক গুৰুত্বপূৰ্ণ সূত্ৰই কয় যে এক নং চৰাইদলনি গাঁৱৰ হাবিৰ মাজত বাৰজন আলফাৰ সদস্যই নিশ্চয় গোপন আলোচনাৰ বাবে মিলিত হৈছিল। বাৰজনৰ ভিতৰত এজন উচ্চপদস্থ আলফাৰ নেতাও আছিল বুলি প্ৰকাশ। এওঁলোকৰ আঠজন সদস্যই নিকটবৰ্তী এঘৰত ভাত খায়। আন চাৰিজনে ভাত খাবলৈ অলপ দূৰৰ আন এঘৰ মানুহৰ ঘৰলৈ যায়। কিন্তু সেই পৰিয়ালটোৱে ভাত খাই শুবলৈ ওলোৱা বাবে ভাত খোৱা নহ'ল। এই চৰিজন সদস্য উভতি অহাৰ সময়তে এজন সদস্যই সজাগ প্ৰহৰীৰ ভুমিকা পালন কৰে। তেতিয়াই কোনোবা অহাৰ উমান পাইআঠাইকেইজন সদস্যই সঁচকিত হৈ উঠে।

অতৰ্কিতে সৈন্য বাহিনীৰ উপস্থিতিত সদস্য কেইজন কিংকৰ্তব্যবিমূঢ় হৈ পৰে আৰু বাঁহনি ডবাৰ তলত সদস্য কেইজনে শুবলৈ যো-জা কৰিছিল। শোৱাৰ বাবে খেৰৰ ওপৰত পাৰিবলৈ

পলিথিনৰ ব্যৱস্থা কৰা বুলিও জনায়। প্ৰতিপক্ষক সেনাই নিজৰ উপস্থিতিৰ প্ৰমাণ দিবলৈ শূণ্যলৈ গুলি কৰে। তেতিয়া আগন্তুক বিপদৰ আশংকা কৰি আলফাৰ সদস্যই আত্মৰক্ষাৰ বাবে অস্ত্ৰ-শস্ত্ৰ আৰু গ্ৰেণেড সাজু কৰি লয়। সেই সময়তো পূব দিশৰ পৰা সৈন্যই আগুৱাই আহি থাকে। ফলত চেগা চোৰোকাকৈ গুলী চালনা চলে। কেইঘণ্টামান পিছতে সেনা বাহিনী আশ্ৰয়স্থলীত উপস্থিত হয়। লগে লগে মেঘ ফুকন আৰু অনিৰ্বাণ হাজৰিকাই গ্ৰেণেড মাৰিবলৈ থিয় হয়। মেঘ ফুকনে মৰা গ্ৰেণেডটো বিস্ফোৰণ নহ'ল। সেয়ে আনখন হাতত থকা পিষ্টলটোৰে গুলি কৰিবলৈ উদ্যত হয়। সেই সময়ত ফুকনৰ সন্মুখত বিবয়া পৰ্যায়ৰ সৈন্য আছিল। আলফাৰ সদস্য গৰাকী আৰু সৈন্যৰ বিষয়াৰ অৱস্থান দেখি পিছফালে থকা সৈন্য এজনে গুলী কৰি দিয়ে। ফলত মেঘ ফুকনে বেয়া ধৰণে আঘাত পায় আৰু আত্মৰক্ষা কৰিবলৈ দৌৰিবলৈ চেষ্টা কৰে। অনিৰ্বাণ হাজৰিকাই দুটা গ্ৰেণেড নিক্ষেপ কৰে। এটা লগে লগে বিস্ফোৰণ হয় আৰু আনটো অলপ পিছতহে বিস্ফোৰণ হয়। তৎমুহূৰ্ততে ঘটা ঘটনাটোৰ ফলত আলফাৰ বাৰজনীয়া দলটো চেদেলি ভেদেলি হৈ যায়। উল্লেখযোগ্য যে গ্ৰেণেড মাৰিবলৈ থিয় হোৱা বাবেই দুয়োজনৰে গাত গুলী লাগে। তাৰোপৰি আলফাৰ উচ্চ পদস্থ নেতা জনক সৈন্যৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ আন সদস্য কেইজনে সংঘৰ্ষত লিপ্ত হয়। অৱশ্যে উচ্চ পদস্থ নেতাজনৰ সৈতে এগৰাকীসদস্য আত্মগোপন কৰি আত্মৰক্ষা কৰিবলৈ সমৰ্থ হয় বুলি পূৰ্বতে উল্লেখ কৰা গুৰুত্বপূৰ্ণ সূত্ৰটোৱে কয়। প্ৰায় পাঁচমিনিটৰ সংঘৰ্ষ হোৱাৰ পিছত গোটেই অঞ্চলটো ধোৱাৰে আবৃত হয়। ধোঁৱাৰ আৰ লৈ পূব দিশে দুজন আৰু আন দহজনে প্ৰায় ৩০ মিটাৰমান দূৰত থকা পশ্চিম দিশৰ এৰাসুঁতি কুমাৰজান পথাৰলৈ দৌৰি আহে। পথাৰৰ কাষতে থকা পিছলামৰা ৰঙতি গড়কপ্তানি পথটো সৈন্যই আগৰ পৰাই ঘেৰাও কৰি আছিল। তাৰ মাজতে উত্তৰ দিশে দুজন আৰু দক্ষিণ দিশে দুজনে গৈ আত্মগোপন কৰিবলৈ সক্ষম হয়। ধাননি পথাৰখনৰ দক্ষিণ দিশে পানীৰ ওচৰত মেঘ ফুকন পৰি যায় আৰু উত্তৰ দিশতধাননীৰ মাজত গোবিন হাজৰিকাই অচেতন হৈ পৰি যায়। তেতিয়া সময় পুৱতি নিশা প্ৰায় ৫ বাজিছিল।

গুলি বাৰুদৰ ভয়ঙ্কৰ শব্দ শুনি নিকটবৰ্তী গাঁৱৰ লোকে দুৱাৰ মাৰি ঘৰত সোমায়। শব্দ শেষ হোৱাৰপিছত ধুৱলি কুঁৱলি হৈ পৰা ঘটনাস্থলী চাবলৈ মানুহ ওলাই আহে। তেতিয়া গড়কাপ্তানীপথটোত সৈন্যৰ এক সমাবেশ দেখা গৈছিল। আনটো এলেকাৰ অন্তৰ্গত এৰাসুঁতি কুমাৰজান পথাৰখনৰ দুয়োপিনে দুটি দেহ পৰি থকা দেখা গৈছিল। সেই সময়লৈকে চিনাক্ত কৰণ কৰা হোৱা নাছিল। গড়কাপ্তানী পথটোৰ পশ্চিম পিনে কলিয়া দত্ত, বোপাৰাম বৰা, থানেশ্বৰ বৰা প্ৰমুখ্যে কেইটামান পৰিয়ালে বসবাস কৰে।

ঘটনাস্থলী পৰিদৰ্শন কৰা সময়ত প্ৰত্যক্ষদৰ্শী দৰং মহাবিদ্যালয়ৰ ছাত্ৰ দীপক শৰ্মাই কয় যে, শব্দ শুনি তেওঁ ওলাই আহে। বাহিৰত এজাক সৈন্য। পথাৰৰ মাজৰ পৰা এজন যুৱক পৰমা বৰদলৈয়ে হাত দাঙি চিঞৰি চিঞৰি আগুৱাই আহি থাকে। তেওঁ কান্দি কান্দি ঐ দাদা, ঐ দাদা, ঐ নাগা, ঐ বাবা বুলি মাতে। সেই সময়ত তেওঁক সৈন্যই মাৰপিট কৰি আছিল। আন এজন প্ৰত্যক্ষদৰ্শীৰ মতে ত্ৰিগুণ মহন্ত, গোপাল নেওগ, লৌকুন ভড়ালী, বাতুল ভড়ালীক মাৰপিট কৰে। এজন আলফাৰ সদস্য কনকেশ্বৰ গগৈ পলাই যোৱা বুলি সন্দেহ কৰি জীৱেশ্বৰ বৰা আৰু কুলধৰ ভড়ালীৰ বাসভৱনত সেনাই তালাচী চলায়। আনকি উপস্থিত বাইজৰ কেইজনমানক ধৰি সৈন্যই পথাৰত জোৰকৈ আলফাৰ সদস্য বিচাৰিবলৈ নমায়। সাধাৰণ লোকক প্ৰতিৰক্ষাৰ ঢাল হিচাপে ব্যৱহাৰ কৰি ৰাতিপুৱা সেনাই পথাৰত নামে। সেই সময়ত আনৰ নিৰাপত্তাৰ বিষয়ে চিন্তা কৰা নাছিল। এনেকৈ পথাৰত নমা কুলধৰ ভড়ালীয়ে প্ৰথমতে গোবিন হাজৰিকাক আৰু কৃষ্ণ ভড়ালীয়ে মেঘক দেখুৱাই দিয়ে। শ্ৰীমতী ৰিংকু বৰাই ঘটনাৰ বৰ্ণনা দি কয় যে, শব্দ শুনি গা কঁপি উঠে। ওলাই চাই গোটেই অঞ্চলতে ধোঁৱাময় হৈ থকা দেখে। একো দেখা পোৱা নাযায়। সেই সময়ত নীৰৱতাই বিৰাজ কৰিছিল। ক্ষন্তেক পিছতহে সকলো দেখা পোৱা যায়। শ্ৰীমতী মাকন দত্তই কয় যে, ঘৰৰ চোতালৰ পৰাই পথাৰত চাৰিজন ল'ৰা দৌৰা দেখে। কিন্তু শব্দ শুনি ভয়তে ঘৰৰ ভিতৰত সোমায়; পাঁচমিনিট মান শব্দ শুনাৰ পিছত ঘৰৰ পৰা ওলাই আহে। তেতিয়া সৈন্যই পথাৰত আলফাৰ সদস্য বিচাৰি আছিল।

২৯ অক্টোবৰত ঘটনাটো কাহিলী পুৱাতে ঘটিলেও আবেলীলৈকে ঘটনাস্থলীত সেনাই পহৰা দি আছিল। সৈন্যৰ সূত্ৰ মতে পৰমা বৰদলৈ, বীৰেণ নেওগ, ৰঞ্জাই ফুকন, প্ৰদীন লিখক চাৰিওজন যুৱকে আত্মসমৰ্পণ কৰে। প্ৰত্যক্ষদৰ্শীৰ মতে এওঁলোকক সেনাই কৰায়ত্ব কৰে। সৈন্যৰ মেজৰে খিতাতে মৃত্যু সম্পৰ্কত মত প্ৰকাশ কৰে যে এইয়া দুঃজনক। তেওঁ গোবিন হাজৰিকাক আত্মহত্যা নকৰিবলৈ অনুৰোধ কৰা বুলি প্ৰকাশ। মেজৰ জেনেৰেল চি কে কাপুৰে ৰাইজৰ আবেগ সৃষ্টি কৰাৰ আশংকাত মৃতদেহৰ ফটো তুলিব নিদিয়া বুলি স্থানীয় লোকে জনাই, মৃতদেহ নিয়াৰ সময়ত কেইজনমান মহিলাই কান্দি কান্দি অহা দেখা যায়। গোবিন হাজৰিকাক সৈন্যই প্ৰাথমিক চিকিৎসা দি লক্ষীমপুৰ অসামৰিক চিকিৎসালয়লৈ নিয়াৰ পথত লালুক নামৰ ঠাইত মৃত্যুবৰণ কৰে। গোবিন হাজৰিকাৰ দেহত কটনৰ পথৰা চোলা আৰু ক'লা লংপেণ্ট আছিল। খিতাতে মৃত মেঘ ফুকনৰ দেহটো বোকাৰে লুতুৰী পুতুৰী অৱস্থাত দেখা গৈছিল। মৃতদেহত সেউজীয়া চুৰেটাৰ পাতল কলা পেণ্ট আৰু শুদ্ধ সময়ৰে চলি থকা টিটান ঘড়ী এটা আছিল। মেঘফুকনৰ সোঁহাতত চীনত নিৰ্মত এটা পিষ্টল আছিল। পথাৰৰ আইজুঙ

ধানৰ মাজৰ পৰা দুয়োটা দেহ চিকিৎসালয়লৈ নিয়া হয়।

মেঘ ফুকনৰ কাণত গুলি লগাৰ চিন পোৱা যায়। গোবিন হাজৰিকাৰ চাৰিটা গুলি লগা বুলি জনা যায়। মৰণোত্তৰ পৰীক্ষাৰ পিছত ৩০ অক্টোবৰত কটকটীয়া নিৰাপত্তাৰ মাজেৰে দুয়োটা পৰিয়ালকে মৃতদেহ ঘুৰাই দিয়ে। আৰু সেইদিনাই মৃতদেহ সৎকাৰ কৰা হয়। ঘটনাটোত প্ৰায় ৩০ জাই গুলি ব্যৱহাৰ হয়। সৈন্যই আলফাৰ সদস্যসকলৰ পৰা এটা গ্ৰেনেড, ২৪৭৯ টকা বৃহৎ সংখ্যক ফিউজ, ৯ এম-এমৰ পিস্তল এটা, এম ২০ ৰাইফল এটা, এ-কে ৪৭ ৰাইফল এটা আৰু ২৬ জাই গুলি উদ্ধাৰ কৰে।

আত্মসমৰ্পণ কৰা চাৰিগৰাকীসদস্যৰ মৃত নেতা দুগৰাকীৰ দেহৰক্ষী আছিল বুলি একাশংই কলেও সৈন্যবাহিনীয়ে বিষয়টো অস্বীকাৰ কৰিছে। কাৰণ কাচিন প্ৰশিক্ষণ প্ৰাপ্ত লোককহে দেহৰক্ষীৰ কামত নিয়োগ কৰা হয়। সৈন্য বাহিনীৰ মতে এই চাৰিজন যুৱক কাচিন প্ৰশিক্ষণ প্ৰাপ্ত নহয়, সেয়েহে দেহৰক্ষী বুলি নাভাবে। উল্লেখযোগ্য যে, বজৰঙৰ সময়ত গ্ৰেপ্তাৰ হোৱাৰ পিছত মেঘফুকনে তেজপুৰ জিলা কাৰাগাৰৰ পৰা পলায়ন কৰিছিল। টাডাত গ্ৰেপ্তাৰ হোৱা অনিৰ্বাণ হাজৰিকা পণবন্দী মুক্তিৰ বিনিময়ত মুক্ত হৈছিল। প্ৰসংগক্ৰমে উল্লেখনীয় যে বিহপুৰীয়া, জৰাবাৰী, নাৰায়ণপুৰ, মাধবপুৰ সেনাৰ শিবিৰৰ যৌথ প্ৰচেষ্টাত অভিযানটো কৰা হৈছিল। অভিযানৰ খবৰ লৈ শিমলুগুৰিলৈ যাওঁতে দহ জনক গ্ৰেপ্তাৰ কৰা হৈছিল বুলি জনা যায়।

● *মেঘ ফুকনৰ বাসগৃহত*

মেৰামুখ নেৰিয়াপথাৰ। আলফাৰ জেনেৰেল কমাণ্ডাৰ মেঘফুকনৰ বাসগৃহ। নাৰায়ণপুৰৰ পৰা দক্ষিণ ফালে চাৰি কিলোমিটাৰ গলে নেৰিয়াপথাৰ। নিহত ফুকনৰ বাসগৃহত উপস্থিত হোৱাৰ লগে লগে এক নিৰৱতাই আগুৰি ধৰিলে। বাসগৃহত সোমোৱাৰ লগে লগে ভিতৰৰ পৰা চিঞৰি চিঞৰি কন্দা শব্দই নিস্তব্ধতা ভংগ কৰে। চোতালতে ৰহিলোঁ।

প্ৰসংগক্ৰমে জনা গ'ল যে ২৮ বছৰীয়া মেঘ ফুকন ওৰফে দেওধাই ফুকনৰ পিতৃ কেশৰাম ফুকন আৰু মাতৃ বুদ্ধেশ্বৰী ফুকন (৫৮)। পিতৃ কেশৰাম ফুকনৰ (৫৮ বছৰ বয়সত) ১৯৭৮ চনত মৃত্যু ঘটে। চাৰিটা ল'ৰা আৰু চাৰিজনী ছোৱালীৰ ভিতৰত মেঘ চতুৰ্থ সন্তান। শিক্ষাগত অৰ্হতাৰ বিষয়ে এগৰাকী ভ্ৰাতৃয়ে কয় যে, ১৯৮২ চনত মাধৱ দেৱ মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিক (এইচ-এচ)পৰীক্ষাত উত্তীৰ্ণ হৈছিল। এওঁ হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিল। আলফাৰ সদস্য বুলি কেতিয়াৰ পৰা পৰিয়ালটোৱে জানিব পাৰিলে বুলি সোধাত ৰতিৰাম ফুকনে কয় যে, ১৯৮৯ চনত কাচিনত প্ৰশিক্ষণ লৈ ঘূৰি অহাৰ পিছতহে এই বিষয়ে জানিব পাৰে। ফুকনৰ বন্ধু গাঁৱৰ কোনো বন্ধু বা গাঁৱৰ কোনো লোকে এই বিষয়ে জনোৱা

নাছিল। অসম আন্দোলনত লাগি থকাৰ পৰাই বিশেষকৈ ১৯৮৩ বৰ্ষৰপৰাই ঘৰৰ লগত সম্পৰ্ক নাইকিয়া হয়। ঘৰলৈ একেবাৰে অহা নাছিল নেকি বুলি সোধাত কয় যে, ৰাষ্ট্ৰপতিৰ শাসনৰ আগত এবাৰ, ডাঙৰ ককায়েকৰ বছৰেকীয়াত এবাৰ, দেউতাকৰ সকামৰ্কে ধৰি চাৰিবাৰ মান ঘৰত দেখা দিছিল। ঘৰখনত ডাঙৰ ককায়েক যোগেশ ফুকন, ধীৰেণ ফুকন, ভনীয়েক জুনু ফুকন আৰু মাতৃ গৰাকীক এৰি থৈ যায়। মেঘ ফুকনে হেনো ঘৰত "মই দেশৰ কাৰণে ওলালো" বুলি কৈছিল। ভাতৃ এগৰাকীয়ে কোৱা মতে তেওঁ হেনো কৈছিল "যদি সৈন্যই মোক হত্যা কৰে তেন্তে দেশৰ সমস্যা সমাধান নহ'ব। আলোচনাৰ মাজেৰেহে সমাধান সম্ভৱ। মোৰ হয়তো মৃত্যু হব পাৰে কিন্তু ভৱিষ্যৎ উঠি অহা সকলৰ বাবে এই মৃত্যু আদৰ্শ হ'ব। উঠি অহা সকলৰ বাবে কিবা এটা কৰি যাম।"

ঘটনাটোৰ সম্পৰ্কত কয় যে, ২৯ অক্টোবৰৰ ৯-৩০ বজাত দুখন আৰক্ষীৰ গাড়ী আহি পুলিচে মৃতদেহ চিনাক্তকৰণৰ বাবে ফণীধৰ ফুক‹ᐟ থানেশ্বৰ ফুকন, হীৰেণ ফুকনক লৈ যায়। চিনাক্তকৰণৰ পিছত ফণীধৰ ফুকনক ঘৰলৈ পঠাই দিয়ে আৰু আন দুগৰাকীক মৃত দেহৰ সৈতে থাকিবলৈ দিয়ে। পিছদিনা মৃতদেহ ঘূৰাই দিয়ে। সৈন্যৰ কটকটীয়া নিৰাপত্তাৰ মাজত আবেলি ৪-৩০ বজাত মৃতদেহ চিতাত উঠাই আৰু নিশা ৯ বজাত মৃতদেহ সৎকাৰ কৰা হয়।

বজৰং অভিযানৰ সময়ত আলফাৰ সদস্যক আত্মসম্পৰ্ণ কৰিবলৈ আহ্বান জনোৱাৰ প্ৰসংগত উপস্থিত এগৰাকীয়ে কয় যে, সেয়া হেনো কৌশলগত কাৰণত কৰা বুলি পিছত কৈছিল। সাধাৰণ কৰ্মীয়ে কষ্ট খোৱাতকৈ এই আহ্বান জনোৱা বুলি প্ৰকাশ। কথা-বতৰা পাতি নিহত মেঘ ফুকনৰ বাসগৃহৰ পৰা ওলাই আহিলো। তেতিয়াও ঘৰৰ ভিতৰত ভনীয়েকে চিঞৰি চিঞৰি কান্দি আছিল।

● *গোবিন হাজৰিকাৰ বাসগৃহত*

গাঁওখনৰ নাম মূঢ়ানী। নাৰায়ণপুৰৰ পৰা পূৱ পশ্চিম কোণত এই গাঁৱখন। ঘৰখনত সোমায়েই দেখিলো এক গোমা পৰিবেশ। পৰিয়ালটো ওলাই আহিল। দুঃচিন্তা আৰু বেদনাৰে পূৰ্ণ মুখবোৰ। ২৬ বছৰীয়া যুৱক গোবিন হাজৰিকা ওৰফে অনিৰ্বাণ হাজৰিকাৰ পিতৃ নৰকান্ত হাজৰিকা(৬৫) যোৱা ডিচেম্বৰত ঢুকাইছিল। ৬১ বছৰীয়া মাতৃ নন্দেশ্বৰী হাজৰিকাই চোতালতে উচুপি উচুপি বহিল। গোবিন হাজৰিকাৰ চাৰিজনী ভনীয়েকৰ তিনিজনী ভনীয়েকক বিয়া দিছে। ঘৰত থকা জনী অসুস্থ। লৰা দুজন- এজন গোবিন আৰু আনজন ঘন হাজৰিকা। এওঁ নাৰায়ণপুৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কেৰাণী। সাধাৰণ কৃষিজীৱী পৰিয়াল। একমাত্ৰ ককায়েক ঘণ হাজৰিকাই কয় যে, গোবিনে ১৯৭৯ চনৰ পৰাই ঘৰৰ লগত সম্পৰ্ক ৰখা নাছিল। ১৯৮৭ চনত মাথোন এবাৰ আহি ঘৰত কৈছিল যে, গুৱাহাটীৰ কোম্পানী এটাত

চাকৰি পাইছে। গতিকে চিন্তা কৰিব নালাগে। আন্দোলনৰ সময়ত গ্ৰেপ্তাৰ হৈ প্ৰায় আঠমাহ কাৰাবাস খাটিছিল। তেতিয়া গোৱালপাৰা কাৰাগাৰৰ পৰা মুকলি হৈ আহি তিনিদিন ঘৰত আছিল। এওঁ মাধৱদেৱ মহাবিদ্যালয়ৰ স্নাতক মহলাৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ্থী আছিল, কিন্তু সামাজিক কামত ব্যস্ত হৈ থকাৰ বাবে পৰীক্ষা দিয়া নহ'ল। পিছত লক্ষীমপুৰৰ লিখক চাপৰিৰ পাভ বিজাৰ্ভৰ পৰা ১৯৯১ চনৰ ২৮ জানুৱাৰীত গ্ৰেপ্তাৰ কৰে আৰু পণবন্দীৰ বিনিময়ত মুক্তিলাভ কৰে। মুক্তিৰ পিছত এদিন ঘৰত দেখা দি যায়।

বাহিনো অভিযানত ককায়েক ঘন হাজৰিকাক ১৬ ছেপ্তেম্বৰত সেনাই অশালীন ব্যৱহাৰ কৰে। অসম আন্দোলনতো ঘৰখনত অত্যাচাৰ কৰিছিল। বজৰঙৰ সময়ত ককায়েকক ধৰি নি সেনাই চাৰিদিন ৰাখি মাৰপিট কৰিছিল। ইয়াৰ উপৰি বিবাহিত ভনীয়েকৰ গিৰীয়েক মোহন শইকীয়াক সেনাই হাৰাশাস্তি কৰিছে। নপাঁম গাঁৱৰ মোহন শইকীয়াক আলফা উলিয়াই দিবলৈ চাৰিদিন সময় দিছে। ঘৈণীয়েকে কয় যে, অহাকালিৰ দিনটো পাৰ হলেই হয় তেওঁক পাম, নহয় মোৰ কপালৰ ফোঁট মচা যাব। মোহন শইকীয়াই পঢ়োৱা সকলো ছাত্ৰক হেনো আলফা বুলি ধমকি দিছে। এইবোৰ দেখি শুনি গোবিনে হেনো কৈছিল, অত্যাচাৰ অবিচাৰ সহ্য নকৰো মই মৰিম কিন্তু সিংহৰ দৰে মৰিম। ককায়েকক উদ্দেশ্য কৰি কৈছিল। মোক তেজ্য পুত্ৰ বুলি ঘোষণা কৰি দিবি। তেতিয়া অত্যাচাৰৰ পৰা ৰেহাই পাবি। ককায়েক ঘন হাজৰিকাই কয় যে, ভাইটিৰ বাহিৰে মই সম্পূৰ্ণ অকলশৰীয়া। মিটিৰ-কুটুম আছে কিন্তু বংশ পৰিয়াল নাই।

৩০ অক্টোবৰৰ আবেলি মৃতদেহ চমজাই দিয়ে। আবেলি ৬-৩০ বজাৰ পৰা ৮-৩০ বজাত মৃতদেহ সৎকাৰ কৰা হয়।

● *জনসাধাৰণৰ প্ৰতিক্ৰিয়া*

যিকোনো মৃত্যুয়েই করুণ। তাতে অকৌ হত্যা। সচাঁকৈয়ে ই নিৰ্মম আৰু দুখজনক। মেঘ ফুকন আৰু গোবিন হাজৰিকাৰ মৃত্যু তেনে এটা ঘটনা। দুজন উদীয়মান যুৱকৰ অকাল মৃত্যুত গাঁৱবাসী ম্ৰিয়মান। অসম আন্দোলনৰে পৰা সকলোৰে পৰিচিত যুৱক দুজনৰ মৃত্যুত জনসাধাৰণে দুখ প্ৰকাশ কৰিছে। মৃত্যুৰ দিনা নাৰায়ণপুৰ এলেকাটোত স্থানীয় আঞ্চলিক ছাত্ৰ সন্থাই ১১ বজাৰ পৰা ১ বজালৈ বন্ধ পালন কৰে। দুয়ো অসম আন্দোলনৰ সক্ৰিয় সদস্য। পৰীশ্ৰমী আৰু আত্মবিশ্বাসী যুৱক দুজনৰ মৃতদেহ শতকাৰ কৰিবলৈ বহু মানুহৰ সমাগম হৈছিল। কিন্তু কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰি সেনাই মানুহক বাধা প্ৰদান কৰাৰ অভিযোগ পোৱা গৈছে। আনহাতে একাংশই হত্যা কৰাতকৈ জীৱন্তে ধৰিব পাৰিলে সেনাৰ কৃতিত্ব থাকিলহেঁতেন বুলি মন্তব্য কৰিছে। সন্ত্ৰাসিত পৰিবেশত বেছি সংখ্যকে মনৰ কথা ক'ব

খোজা নাই। বাইনো অভিযানৰ সৈন্যৰ লগতে আলফাৰ প্ৰতি থকা ভয়তে জনসাধাৰণ নিৰ্বিকাৰ আৰু উদাসীন হৈ পৰিছে। দিশহাৰা হৈ পৰিছে। স্থানীয় বিশিষ্ট ব্যক্তি দীলিপ শইকীয়াই পৰিস্থিতি সম্পৰ্কত মত প্ৰকাশ কৰে যে, যুৱকদ্বয়ৰ এই হত্যা আত্মহত্যা বুলি নাভাবে। স্থানীয় যুৱকৰ মৃত্যু কোনোপধ্যে সমৰ্থনযোগ্য নহয়। হত্যা কৰাতকৈ বিধি অনুযায়ী গ্ৰেপ্তাৰ কৰি শাস্তি দিব পাৰিলেহে সাৰ্থক হ'লহেঁতেন। শ্ৰীশইকীয়াই কয় যে, অসমৰ ক্ষেত্ৰত ৰাজনৈতিক স্বাধীনতা মুখ্য হ'ব নোৱাৰে। প্ৰথমতে অৰ্থনৈতিক দিশত আগবাঢ়িব লাগিব। অৰ্থনৈতিক দিশত আত্মনিৰ্ভৰশীল নহলে ৰাজনৈতিক স্বাধীনতাৰ মূল্য নাই। সেয়েহে এতিয়া অৰ্থনৈতিক ভাৱে সমাজখনৰ উন্নয়ন আৰু অভাৱ অভিযোগ দূৰ কৰাত গুৰুত্ব দিব লাগে। (৩ নবেম্বৰ, ১৯৯১)

নলবাৰীত আলফাৰ সদস্যৰ হত্যাত তীব্ৰ প্ৰতিক্ৰিয়া

❑ *নলবাৰী*

নলবাৰীত আলফাৰ সদস্য দীনেশ পাঠক ওৰফে কুলজিৎ পাঠকৰ আৰক্ষীৰ জিম্মাত থকা অৱস্থাত ৰহস্যজনকভাৱে মৃত্যু হোৱা ঘটনাত চাঞ্চল্যৰ সৃষ্টি হৈছে।

ঘটনাৰ বিৱৰণিত প্ৰকাশ যে যোৱা ১৫ জুনত নলবাৰীৰ গোপাল বজাৰত মিনি বাছেৰে গৈ থাকোতে নলবাৰী আৰক্ষী আৰু অৰ্দ্ধসামৰিক বাহিনীয়ে দুজন আলফাৰ সদস্য কুলজিৎ পাঠক আৰু বিনোদ বৰ্মনক আটক কৰি নলবাৰীৰ লক-আপত ৰাখে। এই ঘটনাৰ পিছত ১৬ জুনৰ দিনা ৰহস্যজনকভাৱে কুলজিৎ পাঠকৰ গুলিবিদ্ধ মৃতদেহ উদ্ধাৰ হয়। আৰক্ষীৰ সূত্ৰ মতে ভূটান সীমান্তত আলফাৰ ঘাটি দেখুৱাবলৈ বি-এছ-এফে কুলজিৎ পাঠকক লৈ যায়। সীমান্তৰ ডাঠ হাবিয়নিৰ মাজত বি-এছ-এফৰ হাতৰ পৰা পলাবলৈ যত্ন কৰাৰ লগে লগে গুলীত নিহত হয়। আৰক্ষী মহলৰ এই ভাষ্য স্থানীয় ৰাইজে বিশ্বাস কৰা নাই। কিয়নো আৰক্ষীৰ লক-আপৰ পৰা নিয়া সশস্ত্ৰ নিৰাপত্তাৰক্ষীৰ মাজৰ পৰা নিৰস্ত্ৰ লোক এজনে পলায়ন কৰাৰ বাস্তৱতা সন্দেহজনক। তদুপৰি পৰিয়ালৰ হাতত ১৬ জুনৰ নিশা গতাই দিয়া মৃতদেহত বিভিন্ন অস্বাভাৱিক দাগ দেখা যায় বুলি পৰিয়ালৰ তৰফৰ পৰা কোৱা হৈছে। প্ৰত্যক্ষদৰ্শীৰ মতে কুলজিতক নিৰ্মম অত্যাচাৰ কৰি হত্যা কৰা হয়।

ঘটনাৰ প্ৰতিক্ৰিয়া ৰূপে নলবাৰী জিলা ছাত্ৰ সন্থাই ১৮ জুনৰ দিনা বন্ধৰ আহ্বান দিয়ে। হত্যাৰ প্ৰতিবাদত বন্ধ সফলভাৱে ৰূপায়িত হয়। এই বন্ধৰ পিছত পুনৰ ৩৬ ঘণ্টীয়া নলবাৰী বন্ধ পালিত হয়। ঊনৈশ আৰু বিশ জুনৰ দিনা পালিত হোৱা এই বন্ধ আলফাৰ দ্বাৰা আহ্বান কৰা হয় বুলি জনা গৈছে।

(২২ জুন, ১৯৯৪)

কোকৰাঝাৰত হত্যাৰ তাণ্ডৱ

বোমা-ছুৰী আৰু গুলীৰ ৰক্তাক্ত খেল





❑ *কোকৰাঝাৰ*

হঠাৎ অসম বাসীৰ দৃষ্টি কোকাৰাঝাৰে আকৰ্ষণ কৰিলে। পহিলা নবেম্বৰৰ দিনাই একে সময়তে সংঘটি ৯টা হত্যাকাণ্ডই সৃষ্টিকৰা চাঞ্চল্যই এই আকৰ্ষণৰ গুৰি। আৰম্ভ হ'ল বোমা, ছুৰী আৰু গুলীৰ ৰক্তাক্ত খেল। অভাৱনীয় পৰিস্থিতি। ৩১ অক্টোবোৰৰ পৰা এতিয়ালৈকে ১৪ জনে প্ৰাণ হেৰুৱালে। গোসাইগাঁৱত এজন, কোকৰাঝাৰত ৯ জন, অভয়াপুৰী, বিজনী, বামুনগাঁৱত একোজন অগ্নিগৰ্ভা পৰিস্থিতিৰ বলি হ'ল। প্ৰতিটো হত্যাকাণ্ডই নৃশংস আৰু অমানৱীয় নিৰ্মম আছিল। নিহত সকল নিৰ্দোষী লোক, কিন্তু এওঁলোক যে সাম্প্ৰতিক পৰিস্থিতিৰ বলি হ'ল- সেইয়া স্পষ্ট। পাশৱিক ভাবে ছুৰীৰে ৰেপি ৰেপি কৰা হত্যাকাণ্ডৰ পৰাই বুজিব পাৰি হত্যাকাৰীসকল কিমান বিক্ষুব্ধ। হত্যাকাণ্ড সমূহৰ অন্য এটা নাম প্ৰতিবাদ। ইয়াৰ মূলতে অসমীয়াৰ উগ্ৰজাত্যাভিমান আৰু অসহনীয় দাম্ভিকতা। অসম আৰু অসমীয়া প্ৰেমৰ আস্ফালনৰ আবৰণেদি ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠী সমূহক দমন কৰাৰ প্ৰচেষ্টাৰ বিৰুদ্ধে ই এক মুকলি প্ৰত্যাহ্বান। এয়া সমন্বয়ৰ নামত "বৰ ককাইৰ" ভাও দিয়াসকলৰ প্ৰতি চৰম আঘাত।

কোকৰাঝাৰ আৰু বঙ্গাইগাওঁ জিলাত এতিয়া শ্বাসৰুদ্ধ পৰিস্থিতি। শঙ্কা আৰু সন্দেহ ঘণীভূত। অবিশ্বাস আৰু মনোমালিন্যই তিক্ততাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি কৰিছে। মানুহৰ মন বিদ্বেষেৰে পৰিপূৰ্ণ। জীৱনৰ

কোনো নিশ্চয়তা নাই। অসমীয়াৰ বিৰুদ্ধে তীব্ৰ বিদ্বেষ আৰু ঘৃণা বঢ়াই তুলিছে। কাৰণ জিলা দুয়োখনৰ থলুৱা লোকে এওঁলোক শোষিত হোৱা বুলি ভাবে। বিশেষকৈ এই শোষণ বৰ্ণ হিন্দুৰ দ্বাৰা হোৱা বুলি বিশ্বাস তেওঁলোকৰ মাজত সোমাই গৈছে। শোষণৰ ধাৰণা অধিক গাঢ় হৈছে। দিল্লীয়ে অসমক কৰা শোষণৰ ধাৰণাতকৈও অসমীয়াই কৰা শোষণৰ ধাৰণা অধিক নিকপকপীয়া। সেয়েহে কোকৰাঝাৰ আৰু বঙাইগাওঁ জিলাত অসমীয়া ভাষী সকলেই হত্যাৰ লক্ষ্য হৈ পৰিছে।

তাৰোপৰি স্থানীয় আৰু অস্থানীয় সূত্ৰই জিলা দুখনত সততে বিষবাষ্প বিয়পাই আছে। অস্থানীয় ব্যৱসায়ী আৰু চাকৰীয়ালৰ প্ৰতি ঘৃণা বিৰাজমান। একাংশ জনজাতীয়লোকে অসম আৰক্ষীতকৈ সৈন্য বাহিনীৰহে পোষকতা কৰে। কাৰণ এওঁলোকে অগপৰ কাৰ্যকালত চলা পুলিচী নিপীড়ণৰ স্মৃতি পাহৰিব পৰা নাই। পূৰ্ব স্মৃতিয়ে মনবোৰ খণ্ডাল কৰি তুলিছে। কোকৰাঝাৰত অসমীয়া ভাষীসকলৰ স্থিতি বিপদজনক। চাকৰীয়াল আৰু ব্যৱসায়ী সকল ভীতিগ্ৰস্ত। কেইজনমান চাকৰীয়ালে ছুটীৰ দৰখাস্ত দি পৰিয়ালসহ আঁতৰি আহিছে। পুলিচ বিভাগো অসহায়। জনসাধাৰণে পুলিচ বিভাগক কোনো ধৰণে সহায় কৰা নাই। আনকি পুলিচে কোনো পৰিয়ালৰ ঘৰলৈ গৈ খবৰ সংগ্ৰহ কৰাও অসুবিধা হৈছে। অসমীয়াভাষী সকলেও তেওঁলোকৰ ঘৰলৈ পুলিচ অহাটো নিবিচাৰে, কাৰণ পুলিচ সোমালেই উগ্ৰপন্থীৰ হাতত বলী হোৱাৰ সম্ভাৱনা। মুঠতে এতিয়া কোকৰাঝাৰত থকা মানে বিদেশী শত্ৰু দেশত থকা। বিদেশতো মৃত্যু ভয় কম। কিন্তু কোকৰাঝাৰত ভাবিব নোৱাৰা আতংক। নিজৰ ৰাজ্যতেই আজি অসমীয়াভাষী নিজেই আলহী।

আগন্তুক সপ্তাহটোত পুনৰ হত্যালীলা চলাৰ সম্ভাৱনা আছে। চোৰাংচোৱাৰ সূত্ৰ মতে ১৫ নৱেম্বৰৰ আগতে পাইকাৰী হাৰত হত্যা, অপহৰণ, লুণ্ঠণ আৰু কূটাঘাতমূলক ঘটনা ঘটিব পাৰে। পৰিস্থিতি নিয়ন্ত্ৰণাধীন বুলি চৰকাৰে প্ৰচাৰ কৰিলেও জনসাধৰণ আস্বস্ত হ'ব পৰা নাই। ভিতৰি ভিতৰি ব্যাপক উত্তেজনা আৰু ভয়াবহতাই পৰিস্থিতি উত্তপ্ত কৰি ৰাখিছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে যোৱা দুই নৱেম্বৰত কোকৰাঝাৰত সেনানিয়োগ কৰা হৈছে। ইতিমধ্যে কোকৰাঝাৰ জিলাৰ সৈন্যৰ চাৰিটা কোম্পানী, আচাম ৰাইফলচৰ তিনিটা কোম্পানী আৰু অসম পুলিচ বেটেলিয়ানৰ ৭ নং কোম্পানীটো নিয়োগ কৰা হৈছে। অসম পুলিচ আৰু সেনাই সন্দেহজনক পৰিয়ালৰ ঘৰত তালাচী চলাইছে। এতিয়ালৈকে সেনাই পাইকাৰী হাৰত অভিযান চলোৱা নাই। জনামতে হাদানবোৰ্ড, ঢেঁডাপকা, হাতীমাথা, নাৰাবাৰী, ভাটাৰমাৰী আদি ঠাইত তালাচী চলাইছে। বঙাইগাঁৱতো সেনাৰ অভিযান অব্যাহত আছে। নিৰিহ লোকক হাৰাশাস্তি কৰা বুলি অভিযোগ অবশ্যে উঠিছে। যোৱা ২৮ অক্টোবৰত প্ৰবক্তা যতীন বৰুৱা আৰু বঙাইগাওঁ জিলা অগপৰ সভাপতি

প্ৰভাত বৈষ্ণৱক ধৰি নি সেনাই তিনি নবেম্বৰত এৰি দিয়ে। কবি সাহিত্যিক যতীন বৰুৱাই প্ৰকাশ কৰে যে মেজৰ গৰাকীয়ে তেওঁক মানসিক কষ্ট পোৱাৰ বাবে দুখ প্ৰকাশ কৰি অসমপুলিচৰ নিৰ্দেশতহে গ্ৰেপ্তাৰ কৰা বুলি কৈছিল। অবশ্যে সৈন্যৰ ব্যৱহাৰ অমায়িক আছিল বুলি জনা যায়। অভয়াপুৰীত এক, তিনি, সাত, বাৰ নং অসমপুলিচ বেটেলিয়ানৰ দ্বাৰা তালাচী চলোৱা হয়। চোৰাংচোৱা সূত্ৰৰ মতে কোকৰাঝাৰ জিলাতে এক হাজাৰৰো অধিক বড়ো উগ্ৰপন্থী আছে। এই উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত শেহতীয়া হত্যাকাণ্ডৰ প্ৰতিবেদন তলত উল্লেখ কৰা হ'ল।

● *গোসাইগাঁৱত হত্যাকাণ্ড*

যোৱা ৩১অক্টোবৰ। গোসাইগাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰমাকান্ত ডেকা। উপাধ্যক্ষ গৰাকী অসমীয়া বিভাগৰ মুৰব্বী। গোসাইগাঁৱতেই স্থায়ীভাবে বসতি কৰিছিল। বিভিন্ন সামাজিক কামত জড়িত সমাজকৰ্মী ৰমাকান্ত ডেকাক কেইজন মান সশস্ত্ৰ যুৱকে হত্যা কৰে। হত্যাকাৰী সকল বড়োলেণ্ডৰ দাবীদাৰ বুলি পুলিচে ভাবে। এতিয়ালৈকে হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিব পৰা নাই। অনুসন্ধান চলিছে। হত্যাৰ প্ৰতিবাদত যোৱা ২ নবেম্বৰত স্বতঃস্ফূৰ্তভাবে দোকান-পোহাৰ বন্ধ হৈ যায আৰু এটা দীঘলীয়া শোভাযাত্ৰা উলিয়াই।

● *এক নবেম্বৰত বোমা বিস্ফোৰণ*

গোসাইগাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষৰ হত্যাৰ বাতৰি বিয়পি পৰিল আৰু লগে লগে জনসাধাৰণ অজান আশংকাত কঁপি উঠিল। পিছ দিনা এক নবেম্বৰ। তেতিয়া সময় ১১-৩০ বাজিছে। বিছমুৰি আৰক্ষী চকীৰ মাজেৰে উল্টাপানী অভিমুখে 'টাস্কফৰ্চ'ৰ এটি চাৰিজনীয়া দল গৈ আছে। দলটোৱে এ-এম-কে ২১৯৮ নম্বৰৰ 'মহেন্দ্ৰ জীপ' এখনত খাদ্যসামগ্ৰী ভৰাই বেচন দিবলৈ গৈছে। দলটোৰ লক্ষ্যস্থান উল্টাপানী। এওঁলোক ডাকুৰভিঠাৰ পুলিচ। ডাকুৰভিঠাৰ পৰা উত্তৰে বিছমুৰী। উল্টাপানীৰ পথৰ ওপৰত এখন কাঠৰ দলং আছে। জনপ্ৰানীহীন এলেকা। কাষতে জংঘল। বিছমুৰীৰ আৰক্ষী চকীৰ পৰা ১১কি.মি. দূৰত দলংখন। পুলিচৰ দলটো গৈ কাঠৰদলংখন পোৱাৰ লগে লগে দুৰ্ঘটনাটো ঘটিল। দলঙৰ তলত থকা বোমাটো বিস্ফোৰিত হ'ল। ফলত দলংখনৰ সৈতে জীপখন চূৰ্ণবিচূৰ্ণ হৈ পৰিল। পুলিচকেইজনৰ মৃতদেহ ছিন্ন-বিছিন্নহৈ পৰিল। বিস্ফোৰণৰ শব্দ শুনি ঘটনাস্থলীলৈ পুলিচ আহিল। দুডাল তাৰেৰে সংযোগ কৰি বোমাটো বিস্ফোৰণ কৰা হৈছিল বুলি জানিব পৰা গ'ল। ঘটনাস্থলীত জীপ চালক লেন্স নায়ক ৰমেশ তেৱাং, কোম্পানী হাবিলদাৰ মেজৰ থানুৰাম কাকতি আৰু কনিষ্টবল মুকেশ বাজাৰ ক্ষতবিক্ষত মৃতদেহ পোৱা গ'ল। পিছদিনা দুই নবেম্বৰত ১০০ ফুট দূৰত কনিষ্টবল দীপৰাজ ঠাকুৰৰ মৃতদেহ পোৱা গ'ল।

উল্টাপানীৰ বোমাবিস্ফোৰণৰ সময়তে আন এটা বোমা বিস্ফোৰণ হয়। সেই বিস্ফোৰণৰ ফলত এজন পুলিচ পৰিদৰ্শক আৰু চাৰিজন পুলিচ বেয়া ধৰণে আহত হয়। ছিদলী আৰু বেংতলৰ মধ্যস্থানত বিস্ফোৰণটো সংঘটিত হয়। পুলিচৰ এই দলটোৱে ছিদলী আৰক্ষী চকীৰপৰা বেংতলৈলে বেচন দিবলৈ গৈছিল। পিছত বেংতলৰ পৰা উত্তৰ্ভি প্ৰায় ৮ কি.মি. অহাৰ পথত চুবাইজাৰত বিস্ফোৰণটো ঘটে। তাঁৰ সংযোগ কৰি মাটিত পুতি থোৱা বোমাটোৰ বিস্ফোৰণৰ ফলত গাড়ীৰ আগ অংশ ধ্বংস হয়।

● *পদুমী কলিতাৰ হত্যা*

বোমা বিস্ফোৰণৰ বাতৰিয়ে কোকৰাঝাৰ জিলাখন শংকিত কৰি তোলে। পুলিচ বিভাগেও বিস্ফোৰণৰ ঘটনাক লৈ ব্যস্ত হৈ পৰে। সকলোৰে দৃষ্টি বোমা বিস্ফোৰণত নিবদ্ধ হৈ পৰে। দিনৰ ভাগত ব্যস্ততাৰ মাজেৰে সন্ধিয়া আহিল। সময় প্ৰায় পাঁচ বাজি পঞ্চত্ৰিশ মিনিট গৈছে। সেই সময়ত কোকৰাঝাৰ ৪নং ৱাৰ্ডত হাডাল পথত শিক্ষিতা যুৱতী পদুমী কলিতা (২০) আৰু পূৰ্ণীমা ৰায়ে(১৮) ফুৰিবলৈ আহিছিল। সান্ধ্যভ্ৰমণ শেষ কৰি দুয়ো ঘৰলৈ উভতিছে। সেই মুহূৰ্ততে আই টি আইৰ জনজাতি ছাত্ৰাবাসৰ সন্মুখত চাৰিজনীয়া এটি দলে দুয়োজনীকে আগচি ধৰে। যুৱতী দুজনী অসহায় হৈ পৰিল। লগে লগে পাশবিক ধৰণে দাৰে ঘপিয়াই যুৱতীদুজনীৰ ওপৰত জপিয়াই পৰে। অসহ্য যাত্ৰণাত দুয়ো চিঞৰি চিঞৰি মাজ পথত বাগৰি পৰিল। তথাপিও ঘপিয়াবলৈ এৰা নাই। গা, মুখ, মূৰ, বুকু, পেট, পিঠি আদি দেহৰ প্ৰতিটো অংশত মুঠ সোতৰটা ঘাপে পদুমী কলিতাক হত্যা কৰি নিশংসতাৰ পৰিচয় দিয়ে। পদুমীৰ লগত থকা পূৰ্ণীমাৰ দেহত চাৰিটা ঘাপ পৰে। ফলত তাই বেয়া ধৰণে আহত হয়। আহত পূৰ্ণীমাক বঙ্গাইগাঁৱৰ বি-আৰ-পি-এলৰ চিকিৎসালয়ত চিকিৎসা দিয়া হয়। বৰ্তমানত চিলিগুৰিত চিকিৎসাধীনহৈ আছে। এতিয়ালৈকে পুলিচে পূৰ্ণীমাক সোধ পোচ কৰিব পৰা নাই।

নিহত পদুমী কলিতাৰ ঘৰ শুৱালকুছিৰ চাৰিথুঁটাত। মোমায়েকৰ ঘৰ বিলাসীপাৰাত। কোকৰাঝাৰত নিজা ঘৰ নাই যদিও ভাড়াঘৰতেই দিন কটাইছিল। ভাড়াঘৰৰ গৰাকী খগেন ৰায়ৰ ছোৱালী পূৰ্ণীমা। পূৰ্ণীমা দশম শ্ৰেণীৰ ছাত্ৰী। পদুমীৰ মৃত্যুৰ সময়ত জিলা আৰু চেছন দণ্ডাধীশৰ কাৰ্যালয়ৰ 'ষ্টেনো' কৰ্মচাৰী আছিল। ঘৰখনত পদুমীৰ দেউতাক নাই। মাকজনী আছে। পদুমীৰ ভনীয়েক তিনিজনী হ'ল, প্ৰণীতা কলিতা (স্নাতকোত্তৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী), চৰিত্ৰী কলিতা (দশম শ্ৰেণী) আৰু মনীষা কলিতা (পঞ্চম শ্ৰেণী)। একমাত্ৰ ভায়েক চন্দন কলিতা অষ্টম শ্ৰেণীত পঢ়ে। পৰিয়ালটোৰ একমাত্ৰ জীৱিকাৰ স্থল পদুমীৰ মৃত্যুৱে পৰিয়ালটোৰ পানীত হাঁহ নচৰা অৱস্থা কৰিলে।

হত্যা সম্পৰ্কত পুলিচে সন্দেহবশতঃ ধনঞ্জয় ব্ৰহ্ম (হাতী মাথা) আৰু ৰত্নেশ্বৰ ইছলাৰী (বাইমনা)ক গ্ৰেপ্তাৰ কৰিছে। তদন্ত চলি আছে। হত্যাৰ কাৰণ সম্পৰ্কে নিশ্চিত হ'ব পৰা নাই। কিন্তু দেউতাকৰ মৃত্যুৰ পিছত পদুমীৰ চাকৰি সম্পৰ্কত স্থানীয় কেইজনমান যুৱকে আপত্তি কৰিছিল। কোকৰাঝাৰত বাহিৰৰ লোকে কিয় চাকৰী পাব বুলি যুৱককেইজনে প্ৰশ্ন তুলিছিল। সেই কাৰণে নতুনকৈ সাক্ষাৎকাৰ পাতি পদুমীক নিয়োগ কৰিছিল। মৃত্যুৰ সময়ত পদুমীৰ পিন্ধনত আকাশী ৰঙৰ চেলোৱাৰ আৰু ৰঙা কামিজ আছিল।

● *কাৰ্যবাহী অভিযন্তাৰ হত্যাকাণ্ড*

ৰাতুল চক্ৰৱৰ্তী। জলসিঞ্চন বিভাগৰ কাৰ্যবাহী অভিযন্তা। জন্মস্থান ডিব্ৰুগড়ৰ লাহোৱালত যদিও গুৱাহাটীৰ নুনমাটিত স্থায়ীভাৱে বসবাস কৰিছিল। কোকৰাঝাৰৰ চৰকাৰী বাসভৱনতে থাকে। ৰাতুল চক্ৰৱৰ্তীৰ লগত একেটা কোঠাত জলসিঞ্চন বিভাগৰ শ্ৰমিক এজন থাকে। শ্ৰমিকজনৰ নাম কামেশ্বৰ বৰ্মন। ঘৰ নলবাৰীত।

সিদিনা এক নবেম্বৰৰ নিশা আঠ বজাৰ ঘটনা। টেনিচ খেলি চক্ৰৱৰ্তীয়ে কোঠাত সোমাইছে। তেনেতে যুৱকৰ এটা দলে কোঠালৈ আহিল। শ্ৰমিক কামেশ্বৰ ওলাই আহিল। যুৱক এজনে ক'লে 'চাৰক মাত'। কামেশ্বৰে মাতি দিলে। ৰাতুল চক্ৰৱৰ্তীয়ে যুৱককেইজনক ড্ৰইংৰুমলৈ মাতিলে। ভিতৰত সোমায়েই যুৱককেইজনে চক্ৰৱৰ্তীক চুৰীৰে তেৰটা ঘাপ মাৰে। নৃশংসভাৱে ছুৰীকাঘাটত ৰাতুল চক্ৰৱৰ্তীয়ে চটফটাই থাকে। এই ঘটনা চাই থকা কামেশ্বৰকো যুৱক কেইজনে ছুৰীৰে আঘাট কৰি গুছি যায়। কামেশ্বৰৰ গাত দহটা দাগ দেখা পোৱাৰ লগতে এটি গুলি পোৱা যায়। ঘটনাৰ পিছত সৈন্য বাহিনীৰ শিবিৰত চিকিৎসা কৰা হয়। তাতে ৰাতুল চক্ৰৱৰ্ত্তীৰ মৃত্যু হয়। তাৰ পিছত কামেশ্বৰ বৰ্মণক বি আৰ পি এল চিকিৎসালয়লৈ নিয়াৰ পথত মৃত্যু ঘটে।

অসমীয়া ভাষী চাকৰিয়াল বাবেই হত্যা কৰা বুলি পুলিচে ধাৰণা কৰে। শ্ৰমিক জনে হত্যাকাৰী জনক চিনি পোৱা বাবে তেওঁকো হত্যা কৰে বুলি প্ৰকাশ। ঘটনা সংম্পৰ্কত ৰিঙ দাউ সিং বৰ্গয়াৰী ওৰফে ৰমেণ বৰ্গয়াৰী (ছেটনাগুৰি) আৰু সঞ্জীৱ কুমাৰ বসুমতাৰী ওৰফে ৰাজীৱ কুমাৰ বসুমতাৰীক সন্দেহবশত গ্ৰেপ্তাৰ কৰিছে। মৃত্যুৰ সময়ত ৰাতুল চক্ৰৱৰ্ত্তীয়ে ঘৈণীয়েক দুজন ল'ৰা আৰু এজনী ছোৱালী এৰি থৈ যায়।

● *ব্ৰজেন আৰু নৰেন্দ্ৰৰ হত্যা*

দুজন যুৱক ব্ৰজেন বৰুৱা আৰু নৰেন্দ্ৰ শইকীয়া দুয়ো একেলগে মেছ কৰি থাকে। কোকাৰাঝাৰ মহাবিদ্যালয়ৰ পথৰ ছোৱালী ছাত্ৰী নিবাসৰ উত্তৰে মেছটো অৱস্থিত। জয়সাগৰ থানাৰ চাংগুমাই মাগুৰাহাট

গাঁৱৰ স্বৰ্গীয় উমেশ বৰুৱাৰ পুত্ৰ ব্ৰজেন বৰুৱা। কোকাৰাঝাৰৰ দেবৰ গাঁৱৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ শিক্ষক। দেবৰগাওঁ আবচুৰ ঘাটী বুলি জনা যায়। নৰেন্দ্ৰ শইকীয়া উত্তৰ লক্ষীমপুৰৰ ঘাৰমৰা দেউৰী গাঁৱৰ যুৱক। এওঁ ভাৰতীয় খাদ্য নিগমৰ কোকাৰাঝাৰ শাখাৰ টাইপিষ্ট। ব্ৰজেন আৰু নৰেন্দ্ৰই বজাৰৰ পৰা আহি কাপোৰ সলাইছে। ব্ৰজেনে ৰঙা পাইজামা আৰু গেঞ্জি পিন্ধি কুৰাৰ পাৰত এটা মাছ আৰু কটাৰীখন থৈছিল মাত্ৰ। সময় তেতিয়া সন্ধিয়া ৬-৩০ বাজিছে।

এই সময়তে এটি যুৱকৰ দলে দেগাৰেৰে হানি ব্ৰজেন বৰুৱাক হত্যা কৰে। নিৰ্মমভাৱে হত্যা কৰি বৰুৱাক চোতালতে পেলাই থয়। মুহূৰ্ত্ততে দলটোৱে মেছটোত সোমাই নৰেন্দ্ৰ শইকীয়াক ঘপিয়াই। জীৱন ৰক্ষাৰ তাড়ণাত শইকীয়াই বিচনাৰ তলত সোমায়। বিচনাৰ তলতে দলোটোৱে অমানুষিক ভাবে তেওঁক হত্যা কৰি গুছি যায়। কোঠাটো তেতিয়া তেজেৰে লুতুৰি-পুতুৰি হৈ পৰিছিল।

এই সন্দৰ্ভত পুলিচে মতিলাল ব্ৰহ্ম, অৰুণ নাৰ্জাৰী, বিৰাজ কুমাৰ বসুমতাৰীক সন্দেহ কৰি গ্ৰেপ্তাৰ কৰিছে। নৰেন্দ্ৰ শইকীয়া দুখীয়া ঘৰৰ যুৱক বুলি জানিব পৰা গৈছে। মৃত্যুৰ পিছত পৰিয়ালটোৰ উপাৰ্জনৰ একমাত্ৰ পথ বন্ধ হৈ গ'ল। নৰেন্দ্ৰই অতি কষ্ট কৰি পঢ়া শুনা কৰিছিল। আৰু টি ডি চিৰ পৰীক্ষা দিয়াৰ বাবে কোকাৰাঝাৰতো প্ৰস্তুতি চলাইছিল। আনকি তেওঁৰ বিয়াৰ বাবেও ছোৱালী চোৱা হৈছিল। ব্ৰজেন বৰুৱাও অবিবাহিত আছিল। জিৰীকাৰ তাড়নাত কোকাৰাঝাৰলৈ আহি অৱশেষত দুয়ো ৰাজনৈতিক পাশা খেলৰ বলি হ'ল। হেৰাই গ'ল দুজন উদীয়মান যুৱকৰ মুখৰ হাঁহি।

● *বাসুগাঁৱতো হত্যাৰ অভিযান*

এক নৱেম্বৰৰ ঘটনাৰ পিছত দুই নৱেম্বৰত বিভিন্ন স্থানত হত্যাকাণ্ড সংঘটিত হ'ব ধৰিলে। হত্যাৰ অভিযান বাসুগাঁৱতো আৰম্ভ হ'ল। বাসুগাঁৱৰ হত্যাকাণ্ডই প্ৰমাণ কৰি দিলে যে হত্যাৰ লক্ষ্য মাথোন চাকৰীয়ালেই নহয়, ব্যৱসায়ীও। বাসুগাঁৱৰ ব্যৱসায়ী সঞ্জয় সাহা ওৰফে শিৱ সাহাক অচিনাক্ত আততায়ীয়ে হত্যা কৰিলে। দুই নৱেম্বৰ আবেলি ৬.১৫ বজিছে। বাসুগাঁৱৰ মাজমজিয়াৰ মনোহাৰী দোকানখনৰ গৰাকী সঞ্জয় সাহাক দুজন যুৱকে গুলীয়াই হত্যা কৰিলে। হত্যাকাৰীয়ে গুলি কৰিবলৈ পিষ্টল ব্যৱহাৰ কৰিছিল। মূৰত লগা এজাই গুলিৰ ফলত খিতাতেই তেওঁৰ মৃত্যু হয়। ভবানী সাহাৰ পুত্ৰ সঞ্জয় সাহাৰ হত্যা সম্পৰ্কত বিশেষ জানিব পৰা হোৱা নাই।

আনহাতে সেইদিনাই বাসুগাঁৱৰ গোবিন্দ পাঠকৰ বাসগৃহৰ পিছপিনে '৩৬ হেণ্ড গ্ৰেনেট' এটা উদ্ধাৰ কৰা হয়। গোবিন্দ পাঠক বঙাইগাওঁ তাপ বিদ্যুৎ প্ৰকল্পৰ কাৰ্য্যবাহী অভিযন্তা। এই ঘটনাটোৱেই নিশ্চিত প্ৰমাণ কৰে যে বাসুগাঁৱত হত্যাৰ প্ৰচেষ্টা অভিযান আৰম্ভ হৈছে।

● *বিজনীত কাৰ্য্যালয়ৰ ভিতৰতে হত্যা*

বিজনী বজাৰতে ওচৰা ওচৰিকৈ তিনিটা কাৰ্য্যালয়। নিৰ্বাচনী কাৰ্য্যালয়, প্ৰশাসনিক মহকুমা কাৰ্য্যালয় আৰু পঞ্চায়ত কাৰ্য্যালয়। বিজনীৰ মাজেদি এটা ৰেলপথ গৈছে। তাৰ উত্তৰ ফালে বড়ো অধ্যুষিত এলেকা। নিৰ্বাচনী মহকুমাৰ কাৰ্য্যালয়টো সেই এলেকাত অৱস্থিত। নিৰ্বাচনী কাৰ্য্যায়লটোৰ দুটা কোঠালী আছে, এটা কোঠাত বিজনী মহকুমাৰ দণ্ডাধীশ আৰু নিৰ্বাচনী বিষয়া ৰমেশ কলিতাৰ আসন। কাৰ্য্যালয়টোৰ চাৰিওফালে ওখ পকী দেৱাল আছে। এই দেৱালখনৰ বাবে কাৰ্য্যালয়ৰ ভিতৰত ঘটা কোনো ঘটনা বাহিৰৰ লোকে দেখা নাপায়। দুই নৱেম্বৰৰ দিনা ৰমেশ কলিতা নিজৰ কোঠাত বহি স্কলাৰশ্বিপৰ ফৰ্ম চহী কৰি আছে। মেজৰ ওপৰত এদ'ম স্কলাৰশ্বিপৰ ফৰ্ম। কলিতাই পঞ্চায়ত নিৰ্বাচনৰ কাৰ্য্যালয়লৈ যোৱাৰ কথা আছিল যদিও স্কলাৰশ্বিপ ফৰ্মত চহী কৰাৰ বাবে নিৰ্বাচনী কাৰ্য্যালয়তে থাকিল। চহী কৰি থকা সময়তে এজাক যুৱক কাৰ্য্যালয়ত উপস্থিত হ'ল। চাইকেলেৰে যোৱা যুৱকৰ দলটোৱে ওঁখ দেৱালখনৰ বাহিৰত চাইকেল থৈ ভিতৰ সোমাই গ'ল আৰু বাৰাণ্ডাত ঘুৰি পকি থাকিল। তেতিয়া সময় আবেলি ৩-১০ বাজিছে। এনেতে মহকুমা পৰ্য্যায়ৰ কাৰ্য্যালয়ৰ পৰা ব্যৱহাৰিক বিভাগৰ এচ ডি অ ইমদাদুল হকে নিৰ্বাচনী বিষয়া ৰমেশ কলিতালৈ এক নিৰ্দেশ দিলে। ফোন যোগে দিয়া নিৰ্দেশত ৰমেশ কলিতাক নিৰ্বাচনৰ কাৰ্য্যালয়লৈ যাবলৈ কয়। ফোন পোৱাৰ পিছত ৰমেশ কলিতাই নিজৰ আসনৰ পৰা ওলাই আহে। কলিতাই বাৰাণ্ডাত থকা যুৱককেইজনক স্কলাৰশ্বিপৰ ফৰ্মত তেতিয়া চহী কৰা নহয় বুলি কৈ যাব বিচাৰে। তেতিয়াই এজনে প্ৰথমতে চুলিত ধৰে। তাৰ পিছত আন এজনে কেৰেট মাৰি বগৰাই দিয়ে। অৱশেষত পেটত, হাতত, মূৰত দেগাৰেৰে খুচি খুচি হঁত্যা কৰে। ঘটনাস্থলীতে কলিতাৰ মৃত্যু হয়। লগে লগে যুৱককেইজনে ওলাই বাহিৰত থকা চাইকেলত উঠি পলাই যায়। জনামতে এওঁলোক পানবাৰী পথেৰে গুচি যায়। পিতৃ জয়কৃষ্ণ কলিতা আৰু মাতৃ প্ৰভাৱতী কলিতাৰ পুত্ৰ ৰমেশ কলিতাৰ ঘৰ টিহুৰ বৰভালুকী গাঁৱত ।

● *বঙাইগাঁৱত সাহিত্যিক নিহত*

বিনোদ শৰ্মা। সাহিত্যিক নাট্যকাৰ হিচাপেই প্ৰতিষ্ঠিত। অৱশ্যে বৃত্তিত বঙাইগাঁৱস্থ চাপাগুৰি সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা । সিদিনা আছিল এক নৱেম্বৰ। শৰ্মাই 'কমলা কুটীৰ নামৰ' গল্প এটাৰ কপি কৰি আছিল। সন্ধিয়া তিনিজন যুৱকে ঢাঙ্গিগাৱঁৰ পৰা বিশেষ কামত অহা বুলি শ্ৰী শৰ্মাৰ সাক্ষাৎ বিচাৰে। কলিং বেল বজোৱা যুৱক কেইজনৰ মুখত মদৰ গোন্ধ আছিল বুলি প্ৰকাশ। দুজন যুৱকে ড্ৰয়িং ৰুমত সোমাই আৰু দুজনে কুটাৰ এখন চাৰ্টদি বহি থাকে। ঘৈণীয়েক দীপালী শৰ্মা (জুনু)ই যুৱক কেইজনৰ মতি গতিত সন্দেহ প্ৰকাশ কৰি শৰ্মাক

জনায়। শৰ্মাই হেলাবণ্ডে তেওঁলোকক লগ ধৰিবলৈ ওলাই যোৱাত যুৱক দুজনে ছুৰীৰে হানি আক্ৰমণ কৰে। আকস্মিক ভাৱে এনে ঘটনাত পৰিয়ালটোৱে চিএৰ বাখৰ কৰে। কিন্তু সেই সময়ত শোধনাগাৰৰ গেছ এৰি দি থকাৰ শব্দৰ বাবে চিএৰ বাখৰ ওচৰ চুবুৰীয়াই শুনাত অসুবিধা হয়। এনে সময়তে যুৱক তিনিজন স্কুটাৰেৰে পলাই যায়। আহত শৰ্মাক বঙ্গাইগাঁৱৰ আগৰাৱালা ক্লিনিকলৈ নিয়া হয়। ত ১ প্ৰাথমিক চিকিৎসা দি বি-আৰ-পি- এলৰ চিকিৎসালয়লৈ নিয়া হয়। চিকিৎসকসকলে যথেষ্ট চেষ্টা কৰা সত্বেও ৰক্ষা কৰিব বো নগ'ল।। আক্ৰমণৰ দুদিন পিছত তিনি নৱেম্বৰত বিনোদ শৰ্মাৰ মৃত্যু ঘটে। অভিনেতা, ক্ৰীড়াবিদ, সাহিত্যিক বিনোদ শৰ্মাৰ জন্ম স্থান পাঠশালাত। চাৰি নৱেম্বৰত শেষ শ্ৰদ্ধা অৰ্পণ কৰে । উল্লেখযোগ্য যে অগ্ৰদূতৰ যোৱা শাৰদীয় সংখ্যাতো তেখেতৰ গল্প প্ৰকাশ পাইছে।

বিনোদ শৰ্মাক হত্যাৰ কাৰণ জনা নাযায়। অৱশ্যে পূৰ্বতে বিস্ফোৰণৰ ফলত ধংস প্ৰাপ্ত মানাহৰ দলংখন মেৰামতিৰ কামত অলপতে শমাক দায়িত্ব দিয়া হৈছিল। দলঙৰ দায়িত্বত থকা বাবেও হত্যা কৰিব পাৰে বুলি ধাৰণা হয়।

● *অভয়াপুৰীত কংগ্ৰেছ(ই) কৰ্মী হত্যা*

যোৱা ছয় নৱেম্বৰ। অভয়াপুৰীত মুখ্যমন্ত্ৰীয়ে ৰাজহুৱা সভাত ভাষণ দিব। কংগ্ৰেছ(ই) কৰ্মীসকল ব্যস্ত। ধ্ৰুবজ্যোতি অধিকাৰীও ব্যস্ত। এওঁ যুৱ কংগ্ৰেছ (ই)ৰ জিলা কমিটিৰ সম্পাদক। বৈটামাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰবক্তা। ইংৰাজী শিকায়। ধ্ৰুবজ্যোতিয়ে ৰাজহুৱা সভাখনৰ বাবে ব্যস্ত। আগদিনা নিশা এঘাৰ বজালৈ কাম কৰিছে। পিছ দিনাও টোপনিৰ পৰা উঠি লংপেণ্ট-চাৰ্ট পিন্ধি ল'লে। তেওঁৰ প্ৰিয়খাদ্য মাছ। সদায় নিজে বজাৰ কৰি মাছ কিনে। সেই দিনাও বজাৰলৈ বুলি মাছ কিনিবলৈ ওলাল। মাছ কিনি আহিয়েই তেওঁ ৰাজহুৱা সভাখনলৈ যোৱাৰ কথা। 'এন-এম-এ ৪৩২০' নম্বৰ স্কুটাৰেৰে উত্তৰ পিনে অভয়াপুৰী গড়কাপ্তানী পথ অভিমুখে ধ্ৰুবজ্যোতি আহি আছে। তেনেতে গৰুৰ বজাৰৰ সন্মুখৰ পথত দুজন অচিনাক্ত যুৱকে হঠাৎ গুলীয়াই দিয়ে। দুজাই গুলি মৰাৰ পিছত তেওঁ অঞ্জলী দাসৰ ঘৰৰ সন্মুখৰ নৰ্দমাত বাগৰি পৰে। লগে লগে সশস্ত্ৰ যুৱকদুজনে মৃতকৰ স্কুটাৰ খন লৈ উত্তৰপিনে পিৰাধৰা বামুণগাঁৱৰ দিশেৰে পলাই যায়। দুয়োজন যুৱকে খোজ কাঢ়ি আহিছিল। পুলিচ সূত্ৰৰ মতে হত্যাকাণ্ডটোত ০.৩৮ বিভলভাৰ ব্যৱহাৰ কৰিছিল আৰু মূৰ তথা বুকুত গুলীৰ আঘাত পায়। এওঁ অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ শিক্ষক গোটৰ সভাপতি আছিল। তাৰোপৰি উত্তৰ শালমাৰা জিলা যুৱ কংগ্ৰেছ (ই)ৰ সম্পাদক আছিল।

হত্যাকাণ্ড সম্পৰ্কত মৃতকৰ এগৰাকী সম্পৰ্কীয় ভাতৃ অজিত ঠাকুৰীয়াই ঘটনাটোৰ সম্পৰ্কত দুখ প্ৰকাশ কৰে। ঠাকুৰীয়াই কয় যে

ধ্ৰুৱজ্যোতিৰ হত্যাকাণ্ডটো আলফাৰ দ্বাৰা সংঘটিত হৈছে৷ হত্যাৰ কাৰ সোধাত তেওঁ কয় যে তেওঁ কংগ্ৰেছ (ই) কাৰণে হত্যা কৰা হ'ল বাজহুৱা সভাখনত ব্যাঘাত জন্মাবলৈ হত্যা কৰা হ'ল। আন এগৰাকীে কয় যে আলফাৰ সদস্যক ধ্ৰুৱজ্যোতিয়ে যথেষ্ট সহায় কৰিছিল ভুটাৰখনো কেৰাদিনো দিছিল। বঙাপানী সত্ৰৰ খুড়ায়েকৰ ল'ৰাক সৈন্য গুলীকৰা যুৱকজন এতিয়াও সন্ধানহীন হৈ থকা বুলি জানিবলৈ দিয়ে সেয়েহে তেওঁ প্ৰশ্ন কৰে যে ধ্ৰুৱজ্যোতিৰ দৰে সাধাৰণ মানুহক হত্য কৰি আলফাই কেনেধৰণৰ স্বাধীন অসম গঢ়িব। মাথো কংগ্ৰেছ (ই) সদস্য হোৱাটোৱেই অপৰাধ হ'ব পাৰে নেকি?

ধ্ৰুৱজ্যোতিৰ মৃত্যুৰ সময়ত বয়স আছিল ২৯ বছৰ। পিতৃ মহাদে অধিকাৰী আৰু মাতৃ দেৱীপ্ৰভা অধিকাৰীৰ পুত্ৰ ধ্ৰুৱজ্যোতিয়ে ভা দীলিপ অধিকাৰী আৰু ভগ্নী ইৰা বায়নক এৰি থৈ যায়।

হত্যাৰ কাৰণ জানিব পৰা নাই। তদুপৰি এতিয়ালৈকে কোনে সংগঠনে হত্যাৰ দায়িত্ব স্বীকাৰ কৰা নাই। হত্যাকাণ্ডটোৰ বাতৰি বিয়পি পৰাৰ লগে লগে জনসাধাৰণ আতংকিত হৈ পৰে। তাৰ পিছত উপস্থিত মুখ্যমন্ত্ৰীয়ে প্ৰায়দহ হাজাৰ শ্ৰোতাৰ উপস্থিতিত ভাষণ দিয়ে মুখ্যমন্ত্ৰীয়ে ধ্ৰুৱজ্যোতি অধিকাৰীৰ বাসগৃহলৈ গৈ পৰিয়ালক সান্ত্বনা দিয়ে।

● *বিক্ষিপ্ত ঘটনাবোৰে কি সূচায়?*

"দিন-কাল বেয়া হ'ল বুজিছে। ঘৰৰ ভিতৰতো ভয়। জীৱনৰ নিৰাপত্তা নাই। দ্বিতীয় মহাসমৰত মই ভাৰতবৰ্ষৰ ইমূৰৰ পৰা সিমূৰলৈ গৈছিলো। বিদেশলৈও গৈছিলো। তেতিয়াও গোলমাল আছিল। কিন্তু সেইগোলমালৰ মাজতো এটা নীতি আছিল। আজি কোনো নীতি নিয়ম নাই। অৰাজক হৈছে। যাৰ যি মন যায় তাকেই কৰিছে।" এইয়া বঙাইগাঁৱৰ এজন বৃদ্ধ'ৰ বক্তব্য। এই বক্তব্যই সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিত প্ৰতিক্ৰিয়া। এইয়া এজন বৃদ্ধৰ নহয়, সৰ্বসাধাৰণ ৰাইজৰো মনৰ বতৰা।

কোকৰাঝাৰ আৰু বঙাইগাওঁ জিলাত ঘটা বিক্ষিপ্ত ঘটনাবোৰে আতংকৰ সৃষ্টি কৰিছে। ইয়াৰ মূলতে অনেকে বড়োলেণ্ড সমৰ্থনকাৰী সকলৰ উগ্ৰগোটৰ কাম বুলি সন্দেহ কৰিছে। কাৰণ বড়ো বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন যোৱা ৩১ অক্টোবৰত দাখিল কৰাৰ কথা আছিল কিন্তু প্ৰতিবেদন এতিয়ালৈকে দাখিল কৰা নাই। তাৰোপৰি দহজনকৈ প্ৰতিনিধি বিধান সভালৈ পঠিয়াই বড়োলেণ্ড সম্পৰ্কত কোনো ধৰণৰ অগ্ৰগতী হোৱা নাই। ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে এনে ধ্বংসাত্মক ঘটনাবোৰ ঘটিব ধৰিছে। আবছু-বিপি-এচি এ আটাইবোৰ ঘটনাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গৰিহণা দিছে। কিন্তু এই বিক্ষিপ্ত ঘটনাবোৰে কি সূচাইছে?

কেৱল অসমীয়াভাষী হোৱাৰ বাবেই যদি মৃত্যুৰ মুখত পৰিব লাগে; তাতোকৈ কৰুণ পৰিণতি বোধহয় আইন একো নাথাকিব।

ৰাজনৈতিক ক্ষমতাৰ অঁৰিয়াঅঁৰিত একাংশ বড়ো জনজাতিৰ মাজত যি তীব্ৰ ঘৃণা আৰু বিদ্বেষ সোমাই গ'ল, সেয়া একেদিনেই নাইকিয়া হোৱাৰ সম্ভাবনা নাই। বিশেষকৈ বৰ্তমান যিটো গতিৰে ৰাজনীতিয়ে মোৰ্টলৈছে, সেইটো গতিৰে পৰিস্থিতি উন্নত নহ'ব। সেয়েহে অচিৰেই চৰকাৰ আৰু আন্দোলনৰ নেতৃত্ব উভয়ে আন্তৰিকতাৰে আলোচনা কৰি সমস্যাটো সমাধান কৰিব লাগে। তাৰোপৰি ঘটনাত নিহত আৰু আহতসকলক সাহাৰ্য্য দিবলৈ তাৎক্ষণিক ব্যৱস্থা লোৱাৰ প্ৰয়োজন।

● *আশাৰ ৰেঙণি*

পৰিস্থিতিৰ ভয়াবহতা ক্ৰমবৰ্দ্ধমান ব্যৱধানৰ বাবে চাৰিওফালেই ধুৱলি-কুঁৱলি দেখা গৈছে। একাংশ বড়োলোকৰ মনত অসমীয়াভাষী বিদ্বেষে এনেকৈ ঠাই লৈছে যে সেইক্ষোভ ৰেপি ৰেপি হত্যা কৰিলেহে পাতলিব। ইয়াৰ বাবেই অসমীয়া ভাষীৰ সম্প্ৰসাৰণ বাদেই যে ঘাইকৈ দোষী তাক নকলেও হ'ব। এতিয়া আন এটা দিশো স্পষ্ট হৈ উঠিছে। সেয়া হ'ল বড়ো অধ্যুষিত বুলি দাবী কৰা এলেকাটো বঙালী ভাষী সংখ্যালঘু সম্প্ৰদায়ে খুটি পুতি আছে। সেয়েহে ৰাজনৈতিক মতাদৰ্শ থাকিলেও সাংস্কৃতিক ভিন্নতা নৰখাটো বাঞ্ছনীয়। আজি ৰাজনৈতিক খেলৰ হেতালি বন্ধ কৰিবলৈ সাংস্কৃতিক ঐক্যতাৰ প্ৰয়োজন আহি পৰিছে। বঙাইগাওঁ আৰু কোকৰাঝাৰ জিলা ভ্ৰমণকালত এই প্ৰতিনিধিয়ে অভয়াপুৰীৰ পৰা বঙাইগাঁৱলৈ আহোতে বাছত এটি আশাৰ ৰেঙণি দেখা পালে। সেয়া হ'ল বাছখনত বড়োজনজাতিৰ এটি বিশজনীয়া দলো আহিছিল। তেওঁলোকে আনন্দত মতলীয়াহৈ বাছৰ ভিতৰতে হৰিৰ নাম গালে। নামৰ পদবোৰত বড়ো শব্দ দুই এটা থাকিলেও অসমীয়া ভাষাতেই গাইছে। পাঁচজনীমান বুঢ়ীয়ে বাছৰ ভিতৰত নাচিছে। তেওঁলোকে হেনো ৰুক্মিনীৰ নাম গাইছে। এইখিনিতে আশাৰ ৰেঙণি এই যে বড়ো আৰু অসমীয়া ভাষী অভিন্ন সম্পৰ্ক। এই সম্পৰ্কই আমাক ইজনে সিজনক লগ লগাব পাৰে। দখল হৃদয়ক এখন কৰিব পাৰে।

বঙাইগাঁৱতো দিপান্বিতা উপলক্ষে বৰপাৰাত সাংস্কৃতিক সন্ধিয়া পাতিছে। তাত কেবাখনো গোৱালপৰীয়া ভাষাৰ নাট প্ৰদৰ্শিত হৈছে। সেই সাংস্কৃতিক সন্ধিয়াতে কোচ-ৰাজবংশীৰ অধিকাংশ শ্ৰোতা আছিল। অনুষ্ঠান পত্তা সমিতিখনৰ সম্পাদক নিৰোদ শৰ্মা। এয়া আশাৰ ৰেঙণি। উগ্ৰ জাতিপ্ৰেম, গোষ্ঠীপ্ৰেম, ভাষাপ্ৰেম পৰিহাৰ কৰি সঁচা অৰ্থত সমন্বয়ৰ ক্ষেত্ৰ ৰচনা কৰিব লাগিব। নিজৰটোক উচ্চ বুলি ভবাৰ লগতে আনৰটোকো উচ্চ আসন দি মৰ্যাদা দিয়াৰ চেষ্টা কৰক। অন্যথাই ক্ষুদ্ৰ ক্ষুদ্ৰ ভাগত বিভাজন নিশ্চিত আৰু তাৰেই আঁৰ লৈ অনাহক সংঘৰ্ষত জনসাধাৰণেই ক্ষতিগ্ৰস্ত হ'ব অধিক। এয়া শ্বাসৰুদ্ধ পৰিস্থিতিৰ মাজত কোকৰাঝাৰ আৰু বঙাইগাওঁ জিলা ভ্ৰমণৰ অভিজ্ঞতা।

(১০ নবেম্বৰ, ১৯৯৬)

হীৰকজ্যোতি নিহত



☐ গুৱাহাটী

অৱশেষত '৯১ চনৰ অন্তিম দিনটোতে আটাইতকৈ চাঞ্চল্যকৰ ঘটনাটো ঘটিল। শীতৰ ঠেঁটুৰিয়ে ধৰা জাৰত যেতিয়া মহানগৰীৰ সকলো ব্যস্ত আছিল নতুন বছৰক আদৰি লোৱা বং বহইচত, ঠিক তেতিয়াই মহানগৰীৰ এমুৰে থকা পূব গীতানগৰ অঞ্চলত আলফাৰ উপমুখ্য সেনাধিনায়ক হীৰকজ্যোতি মহন্ত ওৰফে নবেন ডেকাক গ্ৰেপ্তাৰ কৰিবলৈ সেনাবাহিনীয়ে আৰম্ভ কৰিছিল তেওঁলোকৰ বিশেষ অভিযান। তাৰ পাছত অতি কম সময়তে এই বিশেষ অভিযানৰ অন্ত পৰিছিল। এটা চাঞ্চল্যক'ৰ বাতৰিৰে। অপাৰেচন বাইনোৰদীৰ্ঘদিনীয়া সময় ছোৱাত সেনাৰ গুলীত ধৰাশায়ী হৈছিল আলফাৰ কেন্দ্ৰীয় সমিতিৰ শীৰ্ষ নেতা হীৰক জ্যোতি মহন্ত। ইয়াৰ লগতে সেই সময়ত সেনা বাহিনীয়ে আটক কৰিছিল আন দুগৰাকী দুৰ্ধৰ্ষ আলফা সদস্য ধ্ৰুৱ তালুকদাৰ আৰু অৰুণ বৈশ্য

● *ঘটনাটোৰ পটভূমিঃ*

জু-নাৰেঙ্গী ৰোডৰে নুনমাটি শোধানগৰৰ পিনে প্ৰায় আঢ়ৈ কিলোমিটাৰ অহাৰ পিছতে পোৱা যায় পূব গীতানগৰ পেট্ৰল পাম্পটো। এই পেট্ৰল পাম্পটোৰ পৰা অলপ দূৰ আগবাঢ়ি যোৱাৰ পাছতে বাওহাতে সোমাই গৈছে এটা সৰু কেঁচা আলি। এই আলিটোৰ এমূৰতে আছে গুৱাহাটীৰ উদীয়মান ব্যৱসায়ী শ্ৰীনৃপেন বৰুৱাৰ ঘৰ। এই ঘৰটোত ৩১ ডিচেম্বৰৰ সন্ধিয়া সংঘটিত হৈছিল হীৰকজ্যোতি মহন্তক আটক কৰাৰ সেই চাঞ্চল্যকৰ ঘটনাটো। ঘটনাৰ দিনা শ্ৰীনৃপেন বৰুৱা ঘৰত নাছিল। শ্ৰীবৰুৱা তেওঁৰ পত্নীৰ ককাদেউতাকৰ বছৰেকীয়া শ্ৰাদ্ধ অনুষ্ঠানৰ বাবে নলবাৰীৰ কমাৰকুছিলৈ গৈছিল। তেওঁৰ পত্নী শ্ৰীনিভা বৰুৱা, তেওঁলোকৰ দুগৰাকী সৰু সৰু কন্যা আৰু শ্ৰী বৰুৱাৰ খুলশালীযেক এগৰাকীহে সেইদিনা ঘৰত আছিল। ঘটনাটোৰ প্ৰত্যক্ষ সাক্ষী শ্ৰীমতী নিভা বৰুৱাৰ সৈতে কথা বতৰা পাতোতে তেওঁ কয়, '৩১ ডিচেম্বৰৰ দিনা দিনৰ ঠিক ১২মান বজাত তিনিজন যুৱক অকস্মাতে আমাৰ ঘৰলৈ আহে আৰু তাৰ মাজৰে ওখ, জোঙা নাকৰ ল'ৰাজনক ঘৰত থাকিবলৈ দিব লাগে বুলি তেওঁলোকে কয়। মই তেওঁলোকক চিনি নোপোৱাত অচিনাকি ল'ৰাকেইজনৰ কথাত অসন্মত হওঁ আৰু তেতিয়া তেওঁলোকে মোক বিপদৰ সন্মুখীন হ'ব লাগিব বুলি ভাবুকি দিয়ে। মই মহিলা মানুহ, ডেকা ল'ৰা কেইজনৰ তেনেকুৱা কথাত মই মনে মনে ভয় খাওঁ আৰু তেওঁলোকক থাকিবলৈ দিওঁ। আমাৰ ঘৰত কিছু সময় থকাৰ পিছত ওখ, জোঙা নাকৰ ল'ৰাজনৰ বাহিৰে বাকীদুজন ল'ৰা যায়গৈ। যোৱাৰ আগতে তেওঁলোক ঘূৰি আহি এই ল'ৰাজনকো ঘৰৰ পৰা লৈ যাব। ঘৰত থকা ল'ৰাজনে দিনত আমাৰ ঘৰতে ভাত খায় আৰু তাৰ পাছত তেওঁ এটি কমত অকলে বহি থাকেগৈ।

দিনটো তেওঁ আমাৰ লগত কোনো ধৰণৰে কথা-বতৰা পতা নাছিল। আমিও কোনোমতেই ধাৰণা কৰিব পৰা নাছিলো যে এইজনেই হীৰকজ্যোতি মহন্ত।' ইয়াৰ পাছৰ ঘটনাৰ বৰ্ণনা দি শ্ৰীমতী বৰুৱাই কয়, "সন্ধিয়া ঠিক পাঁচমান বজাত আগবেলা অহা ল'ৰা দুজন পুনৰ আমাৰ ঘৰলৈ আহে। তেওঁলোকে হীৰকজ্যোতি মহন্তৰ লগত কথা-বতৰা পাতে। এই সময়তে মই তেওঁলোকৰ কাৰণে চাহ-সুচি বনাই দিওঁ। ল'ৰা তিনিজনে চাহ-সুচি খাই থাকোঁতেই আগফালৰ দুৱাৰত কোনোবাই টুকুৰিয়াই আছে আৰু জোৰে-জোৰে চিঞৰি দুৱাৰ খুলি দিবলৈ কয়। মই দুৱাৰৰ পিনে আগবাঢ়ি যাব বিচাৰোঁতে ল'ৰা তিনিজনে মোক বাধা দিয়ে। তেওঁলোকে মোক দুৱাৰ কোনোমতেই খুলি নিদিবলৈ কৈ ঘৰটোৰ কোনফালে ওলাই যাব পৰা যায়, সেই চেষ্টা কৰে। কিন্তু তেওঁলোকে কোনোফালেই ওলাই যাব নোৱাৰি লাইটৰ মেইন চুইচটোকে বন্ধ কৰি দিয়ে। তেতিয়া সময় প্ৰায় চাৰে-ছয়মান বাজিছিল কিজানি।

ঘৰটো এন্ধাৰ হৈ পৰাৰ লগে-লগে বাহিৰত থকা মানুহ বিলাকেও চিঞৰ-বাখৰ আৰম্ভ কৰি দিয়ে আৰু গুলিয়াবলৈ আৰম্ভ কৰে।" প্ৰত্যক্ষদৰ্শী শ্ৰীমতী বৰুৱাই জনোৱামতে, সেনাবাহিনীৰ লোকে গুলীয়াবলৈ ধৰাত ভিতৰত থকা তেওঁলোকৰ অৱস্থা শোচনীয় হৈ পৰে। তেওঁ চিঞৰি-চিঞৰি তেতিয়া সেনা বাহিনীৰ লোকক গুলী চালনা বন্ধ কৰিবলৈ অনুৰোধ জনায় আৰু আলফাৰ সদস্য তিনিজনকো মেইন চুইচটো পুনৰ অন কৰি দিবলৈ কয়। সেইমতে আলফাৰ এজন সদস্যই পুনৰ বিদ্যুৎ সৰবহাৰ সংযোগ কৰি দিয়ে। শ্ৰীমতী বৰুৱাই কয়, 'মোৰ সৰু-সৰু ছোৱালী দুজনীৰ কথা ভাবিয়েই মই দুৱাৰ খুলি দিবলৈ সিদ্ধান্ত লওঁ আৰু সেইমতে ঘৰৰ পাছ ফালৰ দুৱাৰখন খুলি দিওঁ।' তেওঁ জনোৱামতে, দুৱাৰ খুলি দিয়াৰ তৎমূহুৰ্ত্ততে প্ৰায় ত্ৰিশজনমান সেনাবাহিনীৰ লোক ঘৰৰ ভিতৰলৈ সোমাই আহে আৰু তেওঁলোকে আলফাৰ সদস্য কেইগৰাকীক কৰায়ত্ব কৰি পিছফালে হাত বান্ধি চকুতো ক'লা কাপোৰ মেৰিয়াই দিয়ে। সেনা বাহিনীৰ লোকসকলে সোমাই আহোঁতে আলফাৰ সদস্য তিনিজনে আক্ৰমণৰ কোনো ধৰণৰ প্ৰচেষ্টা নলৈ আত্মসমৰ্পণৰ ভংগীত ওপৰলৈ হাত তুলি থৈহে আছিল। তেওঁলোকক আটক কৰাৰ সময়ছোৱাত সেনাই আলফা সদস্যকেইজনক শাৰীৰিক ভাৱে অত্যাচাৰ কৰা নাছিল যদিও এজন সদস্যক জোৰে-জোৰে পেটত ঘুচিয়াইছিল বুলি প্ৰত্যক্ষদৰ্শী গৰাকীয়ে কয়। এই ঘটনাটো সংঘটিত হোৱাৰ মাত্ৰ কিছুসময়ৰ আগতেহে অহা ওচৰৰে ডিম্বেশ্বৰ কলিতা নামৰ ৰাজ্যিক সংগ্ৰাহালয়ৰ কৰ্মচাৰী এগৰাকীকো সেনাই লৈ যায়। সেনাই ওচৰৰ আন দুঘৰ মানতোতালাচী চলায়।

অনুসন্ধানৰ সময়ছোৱাত ঘৰৰ মূল মানুহ শ্ৰী নৃপেন বৰুৱাকো লগ পাই কথা-বতৰা হওঁতে শ্ৰীবৰুৱাই কয়, 'এনেকুৱা এটা ঘটনাই মোক যথেষ্ট চিন্তিত কৰি তুলিছে। শ্ৰীৰুকজ্যোতি মহন্তক মই আৰ্য্যবিদ্যাপীঠ কলেজত '৭৮ চনত পঢ়ি থাকোতেই দেখা পাইছিলো, তাৰ পাছ আৰু কোনোদিনেই আমাৰ মাজত যোগসূত্ৰ স্থাপন হোৱা নাছিল। কিন্তু এই ঘটনাৰ পাছত মই এনেয়ে লটি ঘটিৰ সন্মুখীন হ'বলগীয়া হ'ব যেন পাইছো।' শ্ৰীবৰুৱা ঘটনাৰ দিনা কমাৰকুছিত থকাত তেওঁক সবিশেষ একো জনাব নোৱাৰিলে। মাত্ৰ ঘটনাৰ দিনা সেনা বাহিনীৰ গুলীত ছিন্ন ভিন্ন হৈ পৰা খিৰিকিৰ আইনা আৰু ড্ৰইংৰুমৰ বেৰত লগা গুলীৰ আঘাতহে তেওঁ দেখুৱায়। আসাম বেঙেল মেনুফেকচাৰি ইণ্ডাষ্ট্ৰিজ নামৰ প্ৰতিষ্ঠান এটাৰ অন্যতম স্বত্বাধিকাৰী শ্ৰীবৰুৱা অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ পুলকেশ বৰুৱাৰ সম্পৰ্কীয় লোক বুলি জনা যায়।

আটক কৰাৰ পাছত এখন কলা এম্বেছাদৰত তিনিও গৰাকী আলফাৰ সদস্যকে সেনাই কোনো অজ্ঞাত স্থানলৈ লৈ যায়। চৰকাৰী

সূত্ৰৰ পৰা জনামতে, হীৰকজ্যোতিয়ে সেনাবাহিনীক চন্দ্ৰপুৰ অঞ্চলত লুকুৱাই থোৱা আলফাৰ অস্ত্ৰ শস্ত্ৰৰ ভাণ্ডাৰ এটা দেখুৱাই দিবলৈ বুলি চন্দ্ৰপুৰলৈ নিয়ে। চন্দ্ৰপুৰৰ বিশেষ ঠাই টুকুৰাত সেনাবাহিনীৰ লোকে হীৰকজ্যোতিক মুকলি কৰি দি আচল ঠাই ডোখৰ দেখুৱাই দিবলৈ কওঁতেই তেওঁ পলাবলৈ চেষ্টা কৰি দৌৰ মাৰে আৰু সেই ঠাইত আগৰে পৰা থকা আলফা সদস্যসকলক গুলীয়াবলৈ নিৰ্দেশ আৰম্ভ কৰাত সেনাবাহিনীৰ লোকেও তাৰ প্ৰত্যুত্তৰ দিয়ে। ফলত হীৰকজ্যোতি মহন্ত গুৰুতৰ ভাৱে আহত হয়। তেওঁক চিকিৎসাৰ বাবে ততাতৈয়াকৈ বশিষ্ঠৰ সামৰিক চিকিৎসা-লয়লৈ অনা হয় যদিও তেওঁ আধাবাটতে শেষ নিশ্বাস ত্যাগ কৰে। আনহাতে অইন এক বেচৰকাৰী সূত্ৰই কয় যে, ক'লা এম্বেছাদৰ খনেৰে হীৰকজ্যোতি আৰু আন দুজন আলফা সদস্যক জু-তিনি আলিৰ ফালে কিছুদূৰ অনাৰ পিছত গাড়ীৰ পৰা নমায় আৰু তাতে হীৰকজ্যোতি মহন্তক গুলীয়াই নিহত কৰে। আন দুজন সদস্য শ্ৰীধ্ৰুৱ তালুকদাৰ আৰু শ্ৰীঅৰুণ বৈশ্য এই পৰ্যন্ত সেনাবাহিনীৰ চাউনীতে আছে বুলি জানিব পৰা গৈছে। আটকাধীন সময়ত আলফা সদস্য তিনিগৰাকীৰ পৰা সেনাই দুটা পিষ্টল আৰু এটা গ্ৰেণেডো উদ্ধাৰ কৰে।

● *হীৰকজ্যোতিৰ খবৰ সেনাই কেনেকৈ পালে?*

হীৰকজ্যোতি মহন্ত আৰু তেওঁৰ আন দুগৰাকী সতীৰ্থক গ্ৰেপ্তাৰ কৰাৰ প্ৰায় দুঘণ্টা মানৰ পূৰ্বে গুৱাহাটীৰ ফাঁচী বজাৰ অঞ্চলত আন এখন নাটকৰ সৃষ্টি হয়। ফাঁচী বজাৰৰ অন্যতম বিলাসী হোটেল কুবেৰলৈ এগৰাকী ছোৱালীৰ সৈতে নতুন বছৰৰ 'পাৰ্টি'ত যোগ দিবলৈ আহিছিল আলফাৰ দুৰ্ধৰ্ষ সদস্য ইমৰাণ আলি ওৰফে মুন আলি। আলফাৰ সদস্যজনে ছোৱালী গৰাকীৰ সৈতে তেওঁৰ নিজা মাৰুতিখনৰ পৰা হোটেলৰ সন্মুখত নামিছিলহে লগে লগে তেওঁলোকক আগুৰি ধৰিলে অসামৰিক পোছাকত থকা গাড়োৱাল ৰেজিমেণ্টৰ সাতজন সশস্ত্ৰ সেনাই। সময় তেতিয়া আবেলি ঠিক চাৰে চাৰি মান বাজিছিল। এগৰাকী মেজৰৰ নেতৃত্বত অহা অসামৰিক পোছাক পৰিহিত সশস্ত্ৰ জোৱান কেইজনে অৰ্থাৎ যুৱক গৰাকী আৰু ছোৱালীজনীক আটক কৰি নিয়াত ফাঁচী বজাৰৰ ভিতৰত তুমুল উত্তেজনাৰ সৃষ্টি হয়। ঘটনাৰ আতিগুৰি নেপাই সকলোৱে ধাৰণা কৰে যে, আলফাৰ সদস্যইহে যুৱক গৰাকীক অপহৰণ কৰি নিয়ে। জনামতে ইমৰাণ আলিক সেনাই গ্ৰেপ্তাৰ কৰাৰ পাছত তেওঁ নাৰেংগীত থকা সেনাবাহিনীৰ চাউনিলৈ লৈ অহা হয় আৰু তাতে তেওঁক সোধ-পোচ কৰা হয়। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই মুন আলিয়ে দিয়া তথ্যৰ পৰাই আলফাৰ উপ-মুখ্যসেনাধিনায়ক হীৰকজ্যোতি মহন্তই আত্মগোপন কৰি থকা ঠাই টুকুৰাৰ সন্ধান সেনাবাহিনীয়ে পায় আৰু মাত্ৰ বিশ মিনিট মানৰ ভিতৰতে তেওঁলোকৰ

অভিযান চলাই তেওঁক গ্ৰেপ্তাৰ কৰে। আনহাতে অইন এক সূত্ৰই জনোৱা মতে, হীৰকজ্যোতি মহন্ত লুকাই থকা অঞ্চলটোৰ ওপৰত সেনাবাহিনীৰ চোৰাংচোৱাই ভালেমান দিনৰ আগৰে পৰাই বিশেষ সতৰ্ক দৃষ্টি ৰাখিছিল। ঘটনাৰ দিনাও আবেলি সময়ত চোৰাংচোৱাৰ সূত্ৰৰ পৰা আলফাৰ নেতা গৰাকীয়ে আন দুজন সংগঠনটোৰ সদস্যৰ সৈতে লুকাই থকা বুলি জানিব পাৰে আৰু আৰু সন্ধিয়া চাৰে পাঁচ মান বজাত তেওঁলোকৰ অভিযান আৰম্ভ কৰে। এগৰাকী স্থানীয় লোকে এই প্ৰতিনিধিক জনোৱা মতে, সন্ধিয়া ৬ মান বজাৰ ভিতৰত প্ৰায় পাঁচশৰো অধিক সেনা বাহিনীৰ জোৱানে নিৰ্দিষ্ট ঘৰটোক লক্ষ্য কৰি গোটেই অঞ্চলটো ঘেৰি পেলায় আৰু মানুহৰ আহ যাহ বন্ধ কৰি দিয়ে। যিটো ঘৰত আলফাৰ সদস্য তিনি গৰাকী লুকাই আছিল সেইঘৰটোৰ আশে পাশে সেনাৰ জোৱান সকলে অধিক কটকটীয়া পহৰাৰ ব্যৱস্থা কৰে। নিৰ্দিষ্ট ঘৰটোৰ সামান্য আঁতৰতে থকা অৰ্দ্ধনিৰ্মিত ঘৰ এটাৰ চাদৰ ওপৰতো জোৱান কেইজনমান উঠি থকা দেখা গৈছিল বুলি লোকজনে কয়। এই গোটেই অভিযানতো জোৱান সকলে ইমান নিঃশব্দে কৰিছিল যে, কোন মুহূৰ্তত্তনে তেওঁলোক কেউপিনে সিঁচৰিত হৈ পৰিছিল, সেইকথা কোনোৱাই ধাৰণা কৰিব পৰা নাছিল। মূল ঘটনাটোৰ প্ৰত্যক্ষদৰ্শী শ্ৰীমতী নিভা বৰুৱায়ো আমাক জনোৱা মতে, সেনাবাহিনীৰ লোক সকলে কেতিয়া, কোন মুহূৰ্তত তেওঁলোকৰ ঘৰটো ঘেৰি ধৰিছিল, সেই বিষয়ে একো উমান তেওঁলোকে নাপালে। পাছত জোৰে জোৰে চিঞৰি দুৱাৰ খুলি দিবলৈ কওঁতেহে তেওঁলোকে প্ৰথম গম পায় যে কিছুমান মানুহে ঘৰটোৰ চাৰিওপিনে পহৰা দি আছে। ভিতৰত থকা আলফা সদস্য তিনিজনে সেই মুহূৰ্তত যথেষ্ট অসহায়বোধ কৰা যেন লাগিছিল বুলি তেওঁ কয়। গভীৰ উত্তেজনাৰে তেওঁলোকে ঘৰটোৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰিছিল।

আটকাধীন ইমৰাণ আলি ওৰফে মুন আলিয়ে দিয়া স্বীকাৰোক্তিৰ ভিত্তিতে হীৰকজ্যোতি মহন্তৰ সন্ধান উলিয়াবলৈ সেনা বাহিনী সফল হৈছিল বুলি কোনো মহলত প্ৰচাৰ হৈছে যদিও, এক নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা জনামতে, প্ৰকৃততে সেই ৩১ ডিচেম্বৰৰ দিনাই বেলতলা অঞ্চলত আলফাৰ কেন্দ্ৰীয় প্ৰচাৰ সচিব সিদ্ধাৰ্থ ফুকন আৰু কামৰূপ জিলাৰ আলফা সচিব শৈলেন দত্ত কোঁৱৰ ওৰফে মুন্নাকণ দত্তকহে ইমৰাণ আলিয়ে দিয়া স্বীকাৰোক্তিৰ ভিত্তিত সেনাবাহিনীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

● *হীৰকজ্যোতিক উদ্ধাৰ কৰিবলৈ শেষ প্ৰচেষ্টা ?*

শ্ৰীনৃপেন বৰুৱাৰ ঘৰৰ পৰা সেনাবাহিনীয়ে হীৰকজ্যোতি প্ৰমুখ্যে আন দুজন আলফা সদস্যক ধৰি নিয়াৰ পাছত সেই পূৰ গীতানগৰ অঞ্চলত আন এটা দৃশ্যপটৰ সৃষ্টি হয়। এক নিৰ্ভযোগ্য সূত্ৰই জনায় যে,

সেনাৰ বিশেষ অভিযানটো শেষ হোৱাৰ পাছত কিছু আলফা সদস্য অস্ত্র-শস্ত্রৰে সজ্জিত হৈ নিশা দহমান বজাত সেই ঠাই ডোখৰলৈ আহে। অত্যাধুনিক অস্ত্রেৰে সজ্জিত দলটোৱে হীৰকজ্যোতি মহন্তক সেনা বাহিনীয়ে ঘেৰি থকা বুলি খবৰ পায়েই তেওঁক উদ্ধাৰ কৰিবৰ কাৰণে আহিছিল। কিন্তু আচল ঘটনাটো কেইবাঘণ্টা আগেয়েই ঘটি যোৱাত তেওঁলোক বিফল মনোৰথেৰে ঘূৰি যাবলগীয়া হয়। যদি সেইদিনা সেনাবাহিনীৰ দলটোৰ সৈতে আলফাৰ সংঘৰ্ষৰ সৃষ্টি হ'লহেঁতেন, তেনেহ'লে ঘটনাই অধিক গুৰুতৰ ৰূপ পালেহেঁতেন বুলি সূত্ৰটোৱে কয়। উল্লেখযোগ্য যে, যোৱা মাহত গুৱাহাটীৰ জ্যোতিনগৰ অঞ্চলত আলফা আৰু সেনাবাহিনীৰ মাজত সংঘৰ্ষ হৈছিল।

— শেহতীয়াকৈ জনামতে, সেই সংঘৰ্ষত আলফাৰ নেতৃত্ব দিছিল হীৰকজ্যোতি মহন্তই।

হীৰকজ্যোতি মহন্তৰ মৃত্যুত আলফা সংগঠনৰ সন্মুখত যে বিৰাট প্ৰত্যাহ্বানৰ সৃষ্টি হৈছে, সেই সম্পৰ্কে সকলো নিঃসন্দেহ। ইতিমধ্যে চক্ৰ গোহাঁইক উপ-মুখ্যধিনায়ক পতাৰ প্ৰচেষ্টা চলিছে বুলি জনা গৈছে।

আনহাতে হীৰকজ্যোতিৰ মৃত্যুৰ পাছত যোৱা ২ জানুৱাৰীত নতুন দিল্লীৰ পৰা কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ৰ উচ্চবিষয়া পি পি শ্ৰী বাস্তৱ পৰিস্থিতিৰ বুজ লবলৈ গুৱাহাটীলৈ আহিছে।

(সহকৰ্মী শান্তনু বৰগোহাঞিৰ পূৰ্ণ সহযোগত) (৫ জানুৱাৰী,১৯৯২)

ডুলীয়াজান আৰক্ষী চকীৰ অৰ্ন্তগত টেঙাঘাটত ১৯৯১ চনৰ এঁকৈশ জানুৱাৰীৰ দিনা সন্দেহযুক্ত আলফা সদস্যই ডিব্ৰুগড়ত জিলা কংগ্ৰেছ (ই) ৰ অন্যতম সম্পাদক ফাইজুদ্দিন আহমেদক গুলিয়াই হত্যা কৰে। ২৩ জানুৱাৰীৰ ৰাতিপুৱা সাত বাজি পাচঁ মিটিত হৈ যোৱাৰ লগে লগে অইল ইণ্ডিয়াৰ ড্ৰিলিং অভিযন্তা প্ৰদীপ শইকীয়াক আবাসিক অঞ্চলৰ বাসগৃহৰ সন্মুখতে গুলিয়াই হত্যা কৰে।

নলবাৰী জিলাৰ আলফাৰ প্ৰাক্তন সেনাধিনায়ক জয়ন্ত তালুকদাৰ ওৰফে তপন হালৈয়ে (বৰভাগ) ১৯৯১ চনৰ ২৭ মে তাৰিখে আবেঙ্গি বিএছ এফে খেদি থাকোতেই এঘৰত গ্ৰেনেড বিস্ফোৰণ কৰি আত্মহত্যা কৰে।

১৯৯১ চনৰ এক জুনৰ দিনা চৈধ্যজন জ্যেষ্ঠ কেন্দ্ৰীয় ৰাজ্য চৰকাৰৰ বিষযাক অপহৰণ কৰি নিয়ে। অপহৃত বিষযা সকলৰ ভিতৰত আলফাৰ জিম্মাত যোৱা পাচঁ জুলাইত টিপং কলিয়াখাদত কৰ্তব্যৰত ৰুছদেশীয় অভিযন্তা গ্ৰীটছাংকে ছাৰ্গেক হত্যা কৰে। নাজিৰাৰ পৰা অপহৰণ কৰা ও এন জি চিৰ সহকাৰী কাৰ্যবাহী অভিযন্তা অন্ধ্ৰপ্ৰদেশৰ বাসিন্দা টি এছ ৰাজুক শিমলুগুৰিত সাত ছেপ্টেম্বৰৰ দিনা গুলিবিদ্ধ মৃতদেহ উদ্ধাৰ কৰা হ'য়।

সন্ত্ৰাস সৃষ্টিয়েই ওদালগুৰিৰ হত্যাৰ লক্ষ্য



☐ *গোলণ্ডীহাবি*

ওদালগুৰিত সংঘটিত হত্যাকাণ্ডই আকৌ এবাৰ হত্যাৰ বিভিষিকাৰে আবৃত্ত আতংকিত অসমখনলৈ মনত পেলাই দিলে। ওদালগুৰি নগৰৰ পৰা স্থানীয় কাৰাগাৰ অতিক্ৰম কৰি কালাইগাঁৱলৈ যোৱা পথ আৰু ওদালগুৰিৰ পৰা পানেৰীলৈ যোৱা পথ দুটাৰ মাজেৰে ছন্দনা জুৰিটোৰ দুয়োপাৰে অৱস্থিত গাঁৱখনেই ঘটনাস্থলী। বৰ্তমান পানী শুকুৱা জুৰিটোৰ এফালে "গোলণ্ডী হাবি" আৰু আনটো পাৰক "দুই নম্বৰ সাপেখাইটী" নামেৰে জনা যায়। যোৱা ১৯ জুলাইৰ নিশা ৮-৩০ বজাত অতৰ্কিতে এটি দুৰ্বৃত্তৰ দলে এই সৰু গাওঁখনত আক্ৰমণ কৰি অধে-মধে গুলীবৰ্ষণ কৰে। নিষ্ঠুৰ নৃশংস আৰু নিৰ্মমতাৰ প্ৰতীকলৈ পৰিণত হোৱা এই নিৰ্বিচাৰ হত্যাকাণ্ডই পৈশাচিক কামনাকে উদঙাই দেখুৱালে। তিনিবছৰীয়া শিশু গৰ্ভৱতী মহিলাকে ধৰি মুঠ আঠটা প্ৰাণীৰ বিনাদোষত প্ৰাণ হানি হ'ল। এই ঘটনাক মানৰ আক্ৰমণতকৈও বৰ্বৰ আৰু জঘণ্য বুলি অভিহিত কৰিব পাৰি। আজি অসমৰ জনজীৱনত হত্যাকাণ্ড পৰিচিত হ'লেও পঞ্জাবৰ দৰে নিষ্পাপ-নিৰীহ আৰু অসহায় লোকক হত্যা কৰা ঘটনাই জনসাধাৰণক স্তম্ভিত কৰি তুলিছে। আইন-শৃংখলাজনিত এক নতুন বাতাবৰণ গঢ়িবলৈ প্ৰচেষ্টা চলোৱাৰ সময়ত এনে হত্যাকাণ্ড চৰকাৰখনৰ বাবেও এক প্ৰচণ্ড প্ৰত্যাহ্বান।

দুই নং সাপেখ্যাইটি আৰু গোলগুী হাবিত অজনজাতিয় লোক বিশেষকৈ মিএগ সম্প্ৰদায়ৰ লোক বসবাস কৰি থাকে। এওঁলোকে দিনহাজিৰা, ৰিক্সাচালক, ঠেলাচালক হিচাপে কোনোমতে পেটৰ ভাতমুঠি মোকলাই জীয়াই আছে। নিজা সম্পত্তি বুলিবলৈ একো নাই। জুৰিটোৰ দুয়োপাৰে চৰকাৰী মাটিত এওঁলোকে প্ৰায় পোন্ধৰ বছৰ আগৰে পৰা অস্থায়ী জুপুৰী সাজি বাস কৰি আছে। নিহত আঠ গৰাকীকে নহয়, চুবুৰীটোৰ প্ৰায় ৪২ টা পৰিয়ালক হত্যা কৰিবলৈ বন্দুক ব্যৱহাৰ কৰাৰ প্ৰয়োজন নাই। কিয়নো এওঁলোকে "দিনভিক্ষা-প্ৰাণ ৰক্ষা" ধৰণেৰে জীয়াই আছে।

প্ৰত্যক্ষদৰ্শীৰ বিবৰণী মতে এটি দুৰ্বৃত্তৰ দলে গোলগুী হাবিত উপস্থিত হৈ জধে-মধে গুলি বৰ্ষণ কৰে। আব্দুল ৰছিদৰ জুপুৰীটোত জুইও লগাই দিয়ে। ৰাম চৰণ চৌহানৰ মতে তেওঁ ভাত খাই থাকোতে ঘটনাটো ঘটে। গুলীৰ শব্দ শুনি ভয়তে জুপুৰীটোত সোমাই থাকে। দধিবল চৌহানে কয় যে তেওঁলোকক ইয়াৰ পৰা খেদি দিয়াৰ উদ্দেশ্যে এই ঘটনা সংঘটিত কৰে। গুলীবৰ্ষণৰ সময়ত এন্ধাৰ নিশা হেতুকে দুৰ্বৃত্তৰ দলটোক চিনি পোৱা নগ'ল। আন এজন প্ৰত্যক্ষদৰ্শীৰ মতে প্ৰায় ২০ জনীয়া দলটোৰ কেইজন মানে ক'লা হাফপেণ্ট আৰু চোলা পিন্ধাৰ উপৰিও মুখত ক'লা কাপোৰ পিন্ধিছিল। দুৰ্বৃত্তৰ দলটোৱে গুলীবৰ্ষণ কৰি লগে লগে জুৰিটো অতিক্ৰম কৰি দুই নং সাপেখাইটীৰ এঘৰত আক্ৰমণ কৰি পলায় যায়। দলটোৱে খোজকাঢ়ি আহিছিল। আনকি দুৰ্বৃত্তৰ দলটোৱে গাঁৱৰ সাধাৰণ আলিবাটত থিয় হৈ গুলীবৰ্ষণ কৰে। ফলত জুপুৰীৰ বেৰৰ মাজেদি গুলীবিলাক ঘৰৰ ভিতৰত সোমায়। গুলীৰ শব্দত মতা মানুহখিনি দৌৰি আঁতৰি যায়। ফলত ঘৰত থকা শিশু আৰু মহিলাই দুৰ্বৃত্তৰ দলটোৰ আক্ৰণৰ বলি হয়। গোলগুী হাবিৰ গৰ্ভৱতী মহিলা হনুফা বিবি (২০) আৰু তেওঁৰ তিনিবছৰীয়া সন্তান জাবেদ আলিক হত্যা কৰে। বৰ্তমান মৃত হনুফা বিবিৰ স্বামী আব্দুল ৰছিদ আৰু একমাত্ৰ ল'ৰাটো আছে।

ছয় বছৰীয়া কন্যা খাটুন নামৰ নিহত ছোৱালীজনীৰ পৰিয়ালত বৰ্তমান তিনিটা প্ৰাণী আছে।

গোলগুী হাবিত লালু চৌহান (৩৫) আৰু চলিলুৰ ৰবি দাস (২২)ৰ মৃত্যু হয়। আনহাতে দুই নম্বৰ সাপেখাইটীৰ শাঙৰেক-বোৱাৰী চিবাৰা খাতুন অ৫ আকালিমা বেগমৰ মৃত্যু হয়। এওঁলোকৰ পৰিয়ালত বৰ্তমান নিহত মহিলা গৰাকীৰ গিৰীয়েক আৰু সৰু ছোৱালী এজনী আছে। ঘটনাটোৰ ফলত ছয়টা পৰিয়াল আঠগৰাকী ব্যক্তিৰ মৃত্যু হয়। তদুপৰি ফাইজুদ্দিন আহমেদ (৩০), চাবিয়া খাতুন (২১), ৰাজেন্দ্ৰ ৰবিদাস (৩০), জৱাহৰলাল চৌহান (৪১), আচিয়া খাতুন (৩০), গুটি ভানু (২৫), মনোৱাৰ বেগম (৫), চাকিনা বিবি (২), সুলেখা খাতুনকে ধৰি মুঠ ১১ জন আহত হয়। ঘটনাৰ পিছতো কিছুসময় বাৰুদৰ

ধোঁৱাৰে ধুঁৱলী-কুঁৱলী হৈ পৰে। সেই সময়তে সময় অপখ্যায় নকৰি দুৰ্বৃত্তৰ দলটো পলাই যায়। উল্লেখযোগ্য যে ঘটনাস্থলীৰ পৰা ওদালগুৰি থানাৰ পৰা দুই কিলোমিটাৰৰ দূৰত্ব আৰু এক কিলোমিটৰ দূৰত সৈন্য বাহিনীৰ শিবিৰটো আছিল।

ঘটনাটোৰ পিছৰে পৰা আৰক্ষী আৰু সৈন্য বাহিনীয়ে যৌথভাবে আৰু নিজাববীয়াকৈ তালাচী অভিযান অব্যাহত ৰাখিছে। আৰক্ষীয়ে জনোৱা মতে দুৰ্বৃত্তৰ দলটোৱে প্ৰায় ৫০ জাই গুলী ব্যৱহাৰ কৰিছিল। ঘটনাস্থলীত ৩৫ টা খালি কাটাজ পোৱা যায়। এই কাটাজৰ পৰা "ইউ-এছ-কাৰ্বাইন", ৯-এম-এম পিষ্টল, ষ্টেন গান, ৩০৩ ৰাইফল, এ-কে-৪৭ আদি অত্যাধুনিক স্বয়ংক্রিয় অস্ত্র ব্যৱহাৰ কৰে বুলি অনুমান কৰা হয়। গুলীবৰ্ষণৰ এই হত্যাকাণ্ডৰ কাৰণ এতিয়াও নিৰ্দ্ধাৰণ কৰিব পৰা নাই। গাওঁবাসীয়ে হত্যাকাণ্ডৰ কাৰণ সম্পৰ্কতো নিৰ্লিপ্ততা প্ৰকাশ কৰিছে। আৰক্ষীৰ অনুসন্ধান মৰ্মে এই হত্যাকাণ্ড "বড়ো চিকিউৰিটী ফৰ্চ" (বি-এছ-এফ)ৰ দ্বাৰা সংঘটিত হোৱা বুলি ধাৰণা কৰা হৈছে। ইতিমধ্যে "কামাণ্ডো" প্ৰশিক্ষণপ্ৰাপ্ত বি-এছ-এফৰ সদস্য ৰতন দৈমাৰীক গ্ৰেপ্তাৰ কৰাৰ ক্ষেত্ৰত উল্লেখিত অঞ্চলৰ লোকৰ সহযোগিতা থকা বুলি সন্দেহ বশতঃ এই হত্যাকাণ্ড ঘটোৱা বুলি অনুমান কৰা হৈছে।

আৰক্ষীৰ মতে ১৯৯১ চনৰ ডিচেম্বৰ মাহত লাউদুং গাঁৱৰ আবু ছানাৰ হত্যাকাণ্ডৰ সৈতে ৰতন দৈমাৰী জড়িত। এই ঘটনাৰ সতে জড়িত বুলি শ্ৰীদৈমাৰীয়ে পুলিচৰ আগত স্বীকাৰ কৰিছে। শ্ৰীদৈমাৰীয়ে প্ৰায় এবছৰ আগতে এজন লগৰীয়াৰ সতে মদ খাই হুলস্থূল কৰিছিল। তাৰ বাবে গাওঁবাসীয়ে তেওঁলোকক বান্ধি থৈ দিছিল।

ইয়াৰ উপৰি গ্ৰেপ্তাৰৰ দহ দিন মান পূৰ্বে বজাৰত তামোল বেপাৰী হুছেইনৰ সৈতে কাজিয়া কৰিছিল। বজাৰত ৰতন দৈমাৰীয়ে হুছেইনৰ তামোল কাটি আছিল। তেতিয়া হুছেইনে তামোল কটাত বাধা দিয়ে। সেয়েহে খঙতে ৰতনে তামোল কটা চুৰিখনেৰে মাৰি দিয়ে। সেইখনক বাধা দিবলৈ যাওতে হুছেইনৰ হাতত আঘাত লাগে। এনেবোৰ ঘটনাৰ পিছতে যোৱা ১ জুলাইত ৰতন দৈমাৰীক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰৰ ক্ষেত্ৰত গোলগুী হাবিৰ লোকক জড়িত বুলি সন্দেহ কৰি এই আক্ৰমণ কৰা বুলি আৰক্ষীয়ে অনুমান কৰিছে।

প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে বৌতাৰ ধনশিৰি বি-এছ-এফৰ সদস্য নিৰিলা স্বৰ্গীয়াৰীক গ্ৰেপ্তাৰ কৰা হৈছিল। তাতো এই গ্ৰেপ্তাৰৰ কাৰণেই পঞ্চায়ত নিৰ্বাচনৰ (২২ ফেব্ৰুৱাৰী) দিনা ছয়গৰাকী ব্যক্তিক হত্যা কৰা হয়। সেই হত্যাকাণ্ডতো হত্যাকাৰীয়ে প্ৰচাৰপত্ৰযোগে নিৰিলা স্বৰ্গীয়াৰীৰ গ্ৰেপ্তাৰৰ বাবেই সংঘটিত কৰা বুলি জনায়। সদৃশ ঘটনাৰ পুনৰাবৃত্তি হেতুকে এনেকৈ এই হত্যাকাণ্ড ৰতনৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত "বি-এছ-এফ"ৰ দ্বাৰা হোৱা বুলি ধাৰণা কৰিছে।

ঘটনাস্থলী পৰিদৰ্শন কৰি "সন্ত্ৰাস সৃষ্টিয়েই এই হত্যাকাণ্ডৰ উদ্দেশ্য"

বুলিছে ধাৰণা হয়। হত্যাকাণ্ডৰ উল্লেখিত কাৰণটোৰ উপৰিও আন এটা গুৰুত্বপূৰ্ণ কাৰণ দৃষ্টিগোচৰ হয়। ওদালগুৰিৰ প্ৰশাসনিক বিষয়া এগৰাকীৰ পৰা জানিব পৰা মতে ঘটনাস্থলী সংলগ্ন অঞ্চলটো "কালাইগাওঁ জনজাতি বেল্টৰ" অন্তৰ্ভুক্ত। এই জনজাতীয় বেল্টৰ এলেকাটোৱে কালাইগাওঁ, হৰিশিঙা, মেৰাবাৰী, ওদালগুৰি, মাজবাটকে ধৰি পাঁচোটা ৰাজহ চক্ৰক সামৰিছে। জনজাতীয় বেল্টটোত অজনজাতি লোকৰ সংখ্যাই অধিক। সেয়েহে বড়ো জনগোষ্ঠীৰ লোকসকল অসন্তুষ্ট। অৱশ্যে তাত গাৰো-ৰাভা জনগোষ্ঠীৰ লোকো আছে। বড়ো গোষ্ঠীৰ লোক সকলে বেল্টৰ ভিতৰত অজনজাতিৰ সংস্থাপনৰ সমৰ্থক নহয়। সেয়েহে অন্যান্য অজনজাতিসংল আঁতৰি যোৱাটো বা খেদি পঠিয়াবলৈ একাংশ বড়োলোকে ইচ্ছা প্ৰকাশ কৰে। জনামতে জুৰিটোৰ দুয়োপাৰে বাস কৰা লোকসকলৰ ম্যাদী পট্টা নাই। সেয়েহে দিন মজুৰি কৰি জীৱিকা নিৰ্বাহ কৰিলেও এওঁলোকক খেদাৰ উদ্দেশ্যেই এই আক্ৰমণৰ অন্যতম কাৰণ হ'ব পাৰে।

সেয়া যি কি নহওক, নিৰীহ জনসাধাৰণক নিৰ্বিচাৰে কৰা বৰ্বৰোচিত হত্যাকাণ্ডক সকলো গণতন্ত্ৰপ্ৰেমী লোকে গৰিহণা দিছে। কিন্তু এইটো ঠিক যে এই ঘটনাৰ চেলু লৈ একাংশই সাম্প্ৰদায়িক সংঘৰ্ষ লগাবলৈ অপচেষ্টা অব্যাহত ৰাখিছে। আক্ৰমণৰ বলি হোৱা সকলে ঘটনাৰ প্ৰতিশোধ লবলৈ উত্তেজিত আৰু আবেগ প্ৰৱণ হোৱা পৰিলক্ষিত হৈছে। কিন্তু অস্ত্ৰহীন তথা আৰ্থিক দুৰ্বলতাৰ কাৰণে সকলো সহ্য কৰি আছে। আনহাতে প্ৰশাসনিক দিশৰ পৰাও এনেধৰণৰ ঘটনা সংঘটিত নহবৰ বাবে প্ৰচেষ্টা চলাই আছে। অসম চৰকাৰৰ তৰফৰ পৰা নিহতসকলক তিনিহাজাৰ আৰু আহতসকলক এক হাজাৰ টকা দিছে।

১৯৯৪ চনৰ ছয় জানুৱাৰীত তেজপুৰ সদৰ আৰক্ষী চকীত উগ্ৰপন্থীয়ে বোমা বিস্ফোৰণ কৰে।

১৯৯৪ চনৰ ৭ ফেব্ৰুৱাৰীৰ নিশা বাৰ বজাত গহপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ত্ৰৈলোক্য দাধৰাৰ বাসগৃহত নিদ্ৰামগ্ন অৱস্থাত এক বোমা বিস্ফোৰণ হয় আৰু বিষয়াগৰাকীৰ দেহটো খণ্ড-বিখণ্ড মাংস পিণ্ডত পৰিণত হয়।

ভৈয়াম জনজাতি পৰিষদৰ, অসমৰ সভাপতি প্ৰাক্তন সাংসদ তথা প্ৰাক্তন বিধায়ক সমৰব্ৰহ্ম চৌধুৰী আৰু তেওঁৰ পুত্ৰ কিংব্ৰহ্ম চৌধুৰীক যোৱা ২৬ আগষ্টৰ (১৯৯১) দিনা কোকৰাঝাৰৰ নিজ বাসগৃহত বোমা নিক্ষেপ আৰু গুলিয়াই উগ্ৰপন্থীয়ে হত্যা কৰে।

বিশিষ্ট ব্যৱসায়ী গজেন কলিতাক ১৯৯১ চনৰ ৩০ আগষ্টৰ নিশা এ-এছ-কে-১২১১ নং গাড়ীৰে পলাশবাৰীৰ নিজা বাসভৱন হনুমপুৰৰ পৰা গুৱাহাটীৰ কুমাৰ পাৰাৰ বাসভৱন অভিমুখে আহি থাকোতে আলফাৰ সদস্যই গুলিয়াই হত্যা কৰে।

ই হত্যাকাণ্ডৰ প্ৰতিবাদত আমছুৰ দৰং জিলা সমিতিয়ে ২২ জুলাইত দৰং জিলা বন্ধ ঘোষণা কৰিছিল। বন্ধৰ প্ৰভাৱ মঙ্গলদৈ, ওদালগুৰিত অকণো পেলাব পৰা নাই। সেইদিনাই ওদালগুৰিত নেপালী ভাষা সংৰক্ষণ পৰিষদৰ দ্বাৰা ভানু জয়ন্তী উৎসব পালন কৰা হয়। অৱশ্যে চৰকাৰ চ'ক, ধুলা, খাৰুপেটীয়া, দলগাঁও, চিকনমাটি, লালপুৰ আদিত দোকান পোহাৰ বন্ধ থাকে। পুলিচে নিৰাপত্তা দি বাছ-ট্ৰাক চলোৱা দেখা যায়। এনেদৰে চলোৱা ট্ৰাকলৈ লালপুৰত শিলগুটি দলিওৱা হয়। ফলত কলিকতামুখী এ-এছ ০১/এ-১৩০৯ নম্বৰ ট্ৰাকখনৰ সন্মুখৰ গ্লাছ চূৰ্ণ-বিচূৰ্ণ হয়। তদুপৰি এ-এম-এ/৮০৪৮ আৰু ডি-এল/৪১৮৭ নম্বৰ ট্ৰাক দুখনৰো সাধাৰণ ক্ষতি হয়। স্থানীয় বিধায়ক জনম সিং ব্ৰহ্মাই এই ঘটনাক কাপুৰুষালিৰ নিদৰ্শন বুলি আখ্যা দিয়ে। এই হত্যাকাণ্ডক আবছু-বিপিএচি, অগপ, জনতা, ছাত্ৰ সন্থা আদিয়ে তীব্ৰ গৰিহণা দিছে।

ওদালগুৰিৰ ঘটনাটো বিশ্লেষণ কৰিলে সন্ত্ৰাস সৃষ্টিৰ উদ্দেশ্য উপলব্ধি কৰিব পাৰি। অনুমান কৰাৰ দৰে যদি এই ঘটনা বি-এছ-এফৰ দ্বাৰা সংঘটিত হৈছে, তেন্তে সংগঠনটো ৰাজনীতিবিহীন এক সন্ত্ৰাসবাদী সংগঠনলৈ পৰিণত হোৱা বুলি অভিমত কৰিব পাৰি। এই সন্ত্ৰাস সৃষ্টিৰ দ্বাৰা দুই ধৰণৰ ভাবুকি দিয়া হৈছে। এফালেদি বি-এছ-এফৰ সদস্যক গ্ৰেপ্তাৰ কৰাত সহায় কৰা সকলক ভাবুকি দিয়া হ'ল। আন পিনেদি জনজাতি বেল্টৰ ভিতৰত থকা অজনজাতিসকলক উচ্ছেদৰ জাননী দিলে। গতিকে ইয়াৰ পৰাই প্ৰমাণ হ'ল যে উগ্ৰজাতীয়তাবাদৰ ভিত্তিত এওঁলোকে সন্ত্ৰাস সৃষ্টি কৰিছে। ইপিনে ওদালগুৰিৰ আশে-পাশে থকা পি-টি-চি-এৰ সমৰ্থক বড়ো গাঁৱত আশ্ৰয় গ্ৰহণ কৰি বি-এছ-এফে নিজৰ কাৰ্য কলাপ চলাই নিয়াৰ প্ৰচেষ্টা চলাইছে। পি-টি-চি-এও নিজৰ ৰাজনৈতিক অস্তিত্বৰ বাবে এনে উগ্ৰপন্থাক সাহায্য দিয়া বুলি অভিযোগ উঠিছে।

আৰক্ষী সূত্ৰৰ মতে বি-এছ-এফৰ সদস্যই ইতিমধ্যে ভূটানৰ সমীপৱৰ্তী এলেকাত "কমাণ্ডো" প্ৰশিক্ষণ লৈছে। গ্ৰেপ্তাৰ হোৱা ৰতন দৈমাৰী পঞ্চম বেটচ্‌ৰ প্ৰশিক্ষাৰ্থী। একোটা বেটচ্‌ত প্ৰায় ২৭ৰ পৰা ৪৭ জন সদস্যই প্ৰশিক্ষণ লয়। এই প্ৰশিক্ষণ শিবিৰৰ পৰা পলায়ন কৰা লিম্বু ওৰফে দীপক বসুমতাৰীয়ে পঞ্জাৱত আশ্ৰয় লৈ আছে। ইপিনে বি-এছ-এফৰ সদস্যই এওঁক বিচাৰি আছে। মুঠতে ওদালগুৰিত বি-এছ-এফক কেন্দ্ৰ কৰি এক উত্তেজনাপূৰ্ণ, আতংকিত পৰিৱেশ সৃষ্টি হৈ থাকে। অৱশ্যে এই পৰিৱেশৰ সৈতে স্থানীয় জনসাধাৰণে সহাৱস্থান কৰিবলৈ বাধ্য হৈ পৰিছে। এই ঘটনা সংক্ৰান্তত আৰক্ষীয়ে অনুসন্ধান চলাইছে যদিও এতিয়ালৈকে কাকো গ্ৰেপ্তাৰ কৰা নাই। দুৰ্বৃত্তৰ দলটোৱে ১৮ কিলোমিটাৰৰ ওচৰতে প্ৰাপ্ত ভূটানৰ সীমান্তৰে পলায়ন কৰা বুলি সন্দেহ প্ৰকাশ কৰিছে। (২৬ জুলাই, ১৯৯২)

মৰ্মান্তিক হত্যাৰ বাবেই উত্তেজিত আত্মসমৰ্পণকাৰীৰ দল

আলফাৰ গুলীত নিহত যোগেশ ডেকা

❑ *গুৱাহাটী*

জীৱনৰ এতিয়া কেনো দাম নাই! সমগ্ৰ ৰাজ্যখনতেই মূল্যহীন হৈ পৰিছে জীৱন। স্বাধীন অসমৰ দাবীদাৰ আলফা সংগঠনটোৱেই আহি আহি এইবাৰ ভাতৃঘাতী ৰণাঙ্গণত উপস্থিত হৈছে। ৰাজ্যখনৰ কেবাখনো জিলাত এই ৰণত ধ্বংসলীলাৰ সৃষ্টি হ'লেও তাৰ তেজৰ চেকুৰাই কামৰূপক স্পৰ্শ কৰিব পৰা নাছিল। কিন্তু বাইহাটা চাৰিআলিত ঘটা হত্যাকাণ্ডই কালসন্ধি ক্ষণক মাতি আনিলে। এই সন্ধিক্ষণতে আলফাৰ আলোচনা বিৰোধী আৰু আত্মসমৰ্পণকাৰীৰ মাজত প্ৰত্যক্ষ আৰু মুখামুখি ৰণৰ সূচনা হ'ল।

ঘটনাৰ বিৱৰণিত প্ৰকাশ যে যোৱা এক ছেপ্তেম্বৰত বাইহাটা চাৰিআলিৰ যোগেশ চন্দ্ৰ ডেকাক হত্যা কৰা হ'ল। সিদিনা কিনকিনিয়া বৰষুণ। কামৰূপৰ বাইহাটা চাৰিআলিৰ পৰা গোৰেশ্বৰলৈ যোৱা পথটোতে ঘটনাটো ঘটিল। ঘটনাৰ স্থানঃ বলি চ'ক। বাইহাটা চাৰিআলিৰ পৰা বগল চ'ক হৈ গ'লেই "পানাৰা" অঞ্চলটো পোৱা যায়। বগল চ'কৰ পৰা অলপ আগুৱাই গ'লেই যোগেশ চন্দ্ৰ ডেকাৰ ঘৰটো। কিছুদূৰ আগুৱালে বলি চ'ক পোৱা যায়। এসময়ত আলফাৰ বাইহাটা চাৰিআলি সমিতিৰ সম্পাদক যোগেশ চন্দ্ৰ ডেকাৰ পৰিশ্ৰমী-কষ্টসহিষ্ণু গুণেই আছিল জনপ্ৰিয়তাৰ আধাৰ।

সেইদিনা যোগেশে নিজৰ চুবুৰীৰে জনৈক প্ৰফুল্ল ডেকাৰ বাসগৃহত বহি কথা পাতি আছিল। চাহ খাও বুলি সন্ধিয়া মানুহঘৰত সোমাইছিল। তেনেতে বাহিৰত শুনা গ'ল– 'যোগেশদা শুনকচোন'। যোগেশ ওলাই আহিল। এজন হাফপেণ্ট পিন্ধা যুৱকে ক'লে, "আপোনাৰ লগত কথা আছে। ব'লক, মোৰ ঘৰলৈ যাওঁ" বুলি সহৃদয়তাৰে যোগেশক ক'লে।

পদুলি মুখত দুখন চাইকেল লৈ দুজন যুৱক থিয় হৈ আছে। হাফপেণ্ট পিন্ধা যুৱকজন আৰু যোগেশ পদুলিলৈ আহিল। তাৰ পিছত দুজন যুৱকে যোগেশক পেলাই ল'লে আৰু আনজনে বুকুত এটা গুলি কৰিলে। গুলিয়ে বুকু ভেদ কৰি পিঠিৰে ওলাই আহিল। ৰাস্তাতো গুলি লগাৰ চিন সুস্পষ্ট। থিতাতে মৃত্যু হ'ল যোগেশ ডেকাৰ। তেজেৰে ৰাঙলী হ'ল বলি চ'ক। ঘটনাস্থলীৰ ওচৰলৈ আহিব খোজা সকলক সাৱধানবাণী শুনোৱা হ'ল।

হত্যাকাণ্ডৰ পিছতেই স্কুটাৰেৰে আঁতৰি গৈ হত্যাকাৰীয়ে আত্মগোপন কৰিলে। পূৰ্বৰ পৰিকল্পনা অনুযায়ী তিনিজন যুৱকে আগৰে পৰা সেই স্থানত থিয় হৈ আছিল। দুজনে স্কুটাৰত বহি আছিল। আন এজনে চ'কটোত ঘূৰি আছিল। চাইকেলেৰে অহা যুৱক তিনিজনে আগতেই সেই স্থান ত্যাগ কৰিছিল।

মৃতদেহটো নিশা ডেৰ বজালৈ তাতেই পৰি আছিল। ঘটনাস্থলীত পৰিত্যক্ত বন্দুকৰ খোলাৰ পৰা বুজা গৈছে যে হত্যাকাৰীয়ে আমেৰিকাত নিৰ্মিত কাৰ্বাইন ব্যৱহাৰ কৰিছিল। আৰক্ষীয়ে হত্যাকাৰীক প্ৰতিবেদন লিখা পৰলৈকে ধৰিব পৰা নাই। যোগেশ চন্দ্ৰ ডেকা এসময়ত আলফাৰ সংগঠক হ'লেও বৰ্তমান কামৰূপ বহুমুখী সমবায় সমিতিৰ সদস্য আছিল। চাৰিআলিৰ সমবায় সমিতিৰ কৃষি পামৰ দায়িত্বত আছিল, যোগেশ ডেকা। সহজ-সৰল ৰাজনীতিৰ পাক বুজি নোপোৱা যোগেশে হ'ব বিচাৰিছিল এজন সফল কৃষক। জানিব পৰা মতে যোগেশৰ হত্যাৰ দিনাই বহুমুখী সমবায় সমিতিয়ে বাইহাটাত এখন নাৰ্ছিংহোম খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। চাৰি ছেপ্তেম্বৰত বাইহাটাত মুৰ্গী ফাৰ্ম উদ্বোধন কৰাৰ আঁচনি আছিল। সেয়েহে বহুমুখী সমবায় সমিতিয়ে মৰণোত্তৰ ভাবে সন্মান জনাবলৈ যোগেশৰ নামেৰে নাৰ্ছিং হোমৰ নামাকৰণ কৰাৰ সিদ্ধান্ত কৰিছে।

আত্মসমৰ্পণকাৰী আলফাৰ ঘাটি বুলি জনাজাত বাইহাটা চাৰিআলিত প্ৰাক্তন ছাত্ৰসন্থাৰ নেতা আৰু বৰ্তমান নঅগপৰ সদস্য দীনেশ্বৰ ডেকাক অপহৰণ কৰি নি হত্যা কৰা হয়। এই হত্যাকাণ্ডৰ দায়িত্ব কোনোৱে গ্ৰহণ নকৰিলেও বহুমুখী সমবায় সমিতিয়ে আলফাৰ দ্বাৰা সংঘটিত হোৱা বুলি ধাৰণা কৰে। দীনেশ্বৰ ডেকাইও বহুমুখী সমবায় সমিতিৰ সৈতে জড়িত হৈছিল আৰু অপহৰণৰ দিনা কৃষি বিষয়ক কামত কোচ বিহাৰত যোৱাৰ পৰিকল্পনা কৰিছিল। এওঁ ৫০ বিঘা মাটি সমিতিক খেতি কৰিবলৈ দিয়া কথা আছিল। অকল সেয়ে নহয়, যোৱা ছেপ্তেম্বৰত ব্যৱসায়ী ৰামঅৱতাৰ আগৰৱালাক অপহৰণ কৰে। শস্য কিনিবলৈ তেওঁ মুক্তাপুৰলৈ ট্ৰাকেৰে মইনা আলিৰ ঘৰলৈ গৈছিল। শস্য উঠাই থাকোতে বন্দুকধাৰী দুজন অচিনাক্ত যুৱকে আগৰৱালাক অপহৰণ কৰে। এইদৰে এটাৰ পিছত এটাকৈ বাইহাটা চাৰিআলিত অপহৰণ আৰু হত্যাৰ ঘটনা ঘটিব ধৰিছে। সন্ত্ৰাসিত হৈ পৰিছে স্থানীয় ৰাইজ।

(৮ ছেপ্টেম্বৰ, ১৯৯৩)

সুৰেন্দ্ৰ পালৰ হত্যাকাৰী দেৱজিৎ হয়নে?

অভিযুক্ত চাৰিজনৰ ভিতৰত দেৱজিতৰ নাম নাছিল কিয়?
আত্মসমৰ্পণৰ পাছত আত্মহত্যা কিয়?



❑ *তিনিচুকীয়া*

প্ৰখ্যাত উদ্যোগপতি সুৰেন্দ্ৰ পালৰ হত্যাকাৰী বুলি নিজকে পৰিচয় দিয়া এগৰাকী যুৱকৰ থানাত আত্মহত্যাৰ অভাৱনীয় বাৰ্তাই সমগ্ৰ অসমবাসীকে স্তম্ভিত কৰি তুলিছে। এই ঘটনাৰ বিৱৰণি দি তিনিচুকীয়াৰ আৰক্ষী অধীক্ষক শৰৎ ফুকনে কয় যে যোৱা ১২ চেপ্তেম্বৰত তিনিচুকীয়াৰ পানীতোলা গাঁৱৰ ওচৰত দেৱজিত কুমাৰ দাস নামৰ যুৱক এজনে আত্মসমপৰ্ণ কৰে। কেনেকৈ আত্মসমৰ্পণ কৰে বুলি সোধাত জনায় যে পূৰ্বৰ বুজাবুজি মৰ্মে নিৰ্দিষ্ট স্থানত আৰক্ষীৰ সন্মুখত আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণ কৰা যুৱকজনে অকপটে নিজকে সুৰেন্দ্ৰ পালৰ হত্যাকাৰী বুলি প্ৰকাশ কৰে। যুৱকজনক আৰক্ষী অধীক্ষকে স্বীকাৰোক্তি দিব পাৰিব নে নোৱাৰে বুলি সোধাত "পাৰিম" বুলি মন্তব্য দিয়ে। অৱশ্যে যুৱকজনে মুক্তিৰ বাবে জামিনৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰে। দেৱজিতক যোৱা ১২ চেপ্তেম্বৰত গ্ৰেপ্তাৰ কৰি তিনিচুকীয়া থানাত ৰখা হয়। এই প্ৰসঙ্গত আৰক্ষী অধীক্ষক গৰাকীয়ে কয় যে থানাত যুৱকজনক গ্ৰেপ্তাৰ কৰিলেও "হেণ্ড-কাপ" লগোৱা হোৱা নাছিল আৰু থানাৰ "লক-আপতো" অন্যান্য অপৰাধীৰে সৈতে ৰখা নাছিল। দেৱজিতক এটা সুকীয়া কোঠাত ৰখা হয়। এই কোঠাটোৰ সন্মুখত যুৱকজনৰ নিৰাপত্তাৰ বাবে দুজন পহৰাদাৰী উদয়

ভাও পাণ্ডে আৰু ডিম্বেশ্বৰ গগৈক দায়িত্ব দিয়া হয়। গ্ৰেপ্তাৰ কৰি ৰাখিলেও যুৱকজনক থানাৰ ভিতৰত অবাধে অহা-যোৱা কৰিবলৈ সুবিধা দিছিল আৰু পেচাব-শৌচ কৰিবলে হ'লে পহৰাদাৰী যুৱকজনৰ লগে লগে আছিল। আত্মসমৰ্পণ কৰা যুৱকজনক কিয় গ্ৰেপ্তাৰ কৰি থানাত ৰখা হ'ল বুলি সোধাত আৰক্ষী অধীক্ষকে কয় যে যুৱকজনৰ নিৰাপত্তাৰ বাবেই তেনে ব্যৱস্থা লোৱা হৈছিল। আৰক্ষী অধীক্ষক গৰাকীয়ে কোৱা মতে অসমৰেই নহয়, উত্তৰ পূৰ্বাঞ্চলৰ শত্ৰু বুলিহে সুৰেন্দ্ৰ পালক হত্যা কৰা হৈছিল।

উল্লেখযোগ্য যে আলফাৰ সদস্য বুলি পৰিচয় দিয়া দেৱজিৎ দাস ওৰফে "দেবুৰ" ঘৰ ডুলীয়াজানত। প্ৰায় ৩০ বছৰীয়া এই যুৱকজনে নগালেণ্ডৰ এগৰাকী গাভৰুক বিয়া কৰাইছিল আৰু তেওঁলোকৰ এটি পুত্ৰ সন্তান আছে বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। "দেবু" ডুলীয়াজানৰ ভাষিক সূত্ৰে বঙালী পৰিয়ালৰ জলধ ৰঞ্জন দাসৰ পুত্ৰ। তেওঁ হোমিওপেথিক চিকিৎসক। জনামতে খাৰজান চাহ বাগিচাত দেবুৱে 'ফাৰ্মাচিষ্ট' হিচাপে কাম কৰিছিল। খাৰজান চাহ বাগিচাখন "অসম ফ্ৰনটিয়াৰ টি কোম্পানী"ৰ আৰু এই কোম্পানীটোৰ মালিক সুৰেন্দ্ৰ পাল আছিল।

বাৰ ছেপ্তেম্বৰত গ্ৰেপ্তাৰ হোৱাৰ কেইদিনমান পিছত অৰ্থাৎ ১৫ ছেপ্তেম্বৰৰ দিনা ৰাতিপুৱা ৬-১০ বজাত অভাবনীয় ঘটনাটো ঘটে। সেইদিনা অন্যান্য দিনৰ দৰে চিপাহীসকলে গতানুগতিকভাৱে কছৰৎ কৰি আছিল। থানাৰ ও-চি প্ৰবীণ দত্তই ৰাতিপুৱা ৫-৩০ বজাত থানাত প্ৰবেশ কৰে। সেই সময়ত দেৱজিতে "গুড-মৰ্ণিং" বুলি ও-চিক সম্ভাষণ জনায়। তাৰ পিছত ও-চি কছৰৎ কৰাৰ বাবে ওলাই যায়।

এনে এক সুযোগৰে সম্পূৰ্ণ সদব্যৱহাৰ কৰিলে দেবুৱে। শৌচ কৰিবলৈ যাব বুলি নিৰাপত্তাৰক্ষী উদয় ভাও পাণ্ডেক ক'লে দেবুৱে। শ্ৰী পাণ্ডেই থানাৰ গাতে লাগি থকা শৌচাগাৰলৈ লৈ গ'ল। যুৱকজনে শৌচাগাৰৰ দুৱাৰত ভিতৰ পিনেদি "খিলী" লগালে আৰু বাহিৰত পহৰাদাৰীজন ৰৈ থাকিল। কিন্তু প্ৰায় পোন্ধৰ মিনিট পিচতো ওলাই নহাত সন্দেহ বৃদ্ধি পালে। ইপিনে ও-চিয়ে আহি ঘটনাৰ বুজ লৈ সন্দেহ বশতঃ শৌচাগাৰৰ দুৱাৰৰ ওপৰৰ সামান্য ফাঁকেদি উঠি চাবলৈ দিলে। চিপাহীয়ে উঠি চাই দেখে যে যুৱকজনে পিছমুৱা হৈ থিয় দি আছে। লগে লগে দুৱাৰখন ভাঙি দিয়া হ'ল। তাৰ পাছতেই দেখা গ'ল— সেই সকৰুণ দৃশ্যটো। "দেবুৱে" বৈদ্যুতিক তাঁৰ (মোটা কেবুল) এডালৰে চিপজৰী লৈ আত্মহত্যা কৰিছে। আত্মহত্যাৰ সুবিধাৰ্থে শৌচগাৰৰ বাল্টিটোও ব্যৱহাৰ কৰিছিল। ইয়াৰ পাছত যথাৰীতি কাম সমাপন কৰি ডুলীয়াজানলৈ মৃতদেহটো পঠাই দিয়া হয়। উল্লেখযোগ্য যে পহৰাদাৰী শ্ৰীউদয় ভাও পাণ্ডেক নিলম্বিত কৰা হয়।

আত্মহত্যাৰ সন্দৰ্ভত বিষয়া পৰ্যায়ৰ তদন্ত কৰিবলৈ স্থানীয় মেজিষ্ট্ৰেট ৰাতুল দুৱৰাক দায়িত্ব দিয়া হৈছে। আৰক্ষী অধীক্ষকেও অতিৰিক্ত আৰক্ষী অধীক্ষকক তদন্তৰ পৰামৰ্শ দিছে। আনহাতে মৃতদেহটো আৰু আত্মহত্যাৰ স্থান সেই সময়ত স্থানীয় সংবাদসেৱীক দৰ্শন কৰিবলৈ নিদিলে।

এই আত্মহত্যাৰ নেপথ্যৰ দিশটোও লক্ষ্যণীয়। কিয়নো আত্মহত্যাকাৰী "দেবু" যে সুৰেন্দ্ৰ পালৰ হত্যাকাৰী সেই বিষয়েই কোনো তথ্য প্ৰকাশ হোৱা নাই। প্ৰাপ্ত তথ্য মতে ১৯৯০ চনৰ এপ্ৰিল মাহত হত্যা কৰা সুৰেন্দ্ৰ পালৰ ১২৮/৯০ নম্বৰ কেছ মতে চাৰিগৰাকী আলফাৰ সদস্যক সন্দেহ কৰা হৈছিল। পাছত অনুসন্ধান কৰি ১৯৯২ চনৰ ২ ফেব্ৰুৱাৰীত দিয়া "চাৰ্জ-চিত" মৰ্মে অভিযুক্ত চাৰিগৰাকীৰ দুগৰাকীয়ে আত্মসমৰ্পণ কৰে আন দুগৰাকী পলাতক বুলি ঘোষণা কৰে। আশ্চৰ্যজনক বিষয় এই যে দেৱজিৎ, ওৰফে দেবুৰ নাম উক্ত চাৰিজনীয়া তালিকাত নাই অৰ্থাৎ দেবজিৎ সুৰেন্দ্ৰ পালৰ হত্যাৰ বাবে আৰক্ষীৰ মতেই অভিযুক্ত নহয়। আনহাতে আত্মসমৰ্পণ কৰা অভিযুক্ত দুগৰাকী আলফাৰ সদস্যই স্বীকাৰোক্তিত দেৱজিৎৰ নাম নোকোৱা বুলি অনুমান কৰিব পাৰি। কিয়নো স্বীকাৰোক্তিত "দেবুৰ" নাম প্ৰকাশ কৰিলেও, তেওঁকো পলাতক অপৰাধী বুলি ঘোষণা কৰিলেহেঁতেন। সেয়েহে "দেবু" সুৰেন্দ্ৰ পালৰ হত্যাকাৰী হয়নে নহয়, সেই বিষয়ে স্পষ্ট নহয। আনকি "দেবু" আলফাৰ সদস্য হয়নে নহয়, তাকো জানিব পৰা হোৱা নাই।

"দেবুৱে" নিজকে আলফাৰ সদস্য বুলি পৰিচয় দিয়াতকৈ "অগপৰ" সদস্য বুলি পৰিচয দিয়াৰহে প্ৰমাণ পোৱা গৈছে। তিনিচুকীয়াৰ "ভাৰতী জলপান"ৰ মালিক হনুমান প্ৰসাদ শৰ্মাই দিয়া এক এজাহাৰ মৰ্মে ১৯৮৬ চনৰ ১১ জানুৱাৰীৰ দিনৰ ৯ বজাত দুজন অচিনাক্ত যুৱকে চাহ খাই ৫০০ টকা দাবী কৰে। আনকি দুয়োজন যুৱকে "বিশেষ-চেকিং' কৰিবলৈ অগপই পঠোৱা বুলি জনায়। টকা দিবলৈ অমান্তি হোৱাত যুৱক দুজনৰ সতে হেঁচা-ঠেলা হয় বুলিও অভিযোগকাৰীয়ে উল্লেখ কৰে। এই অভিযোগ মৰ্মে যুৱক দুয়ৰ এজন দেবজিৎ দাস। উক্ত অভিযোগ মৰ্মে "জে-আৰ ৮৯/৮৬ নম্বৰ কেছটো ভাৰতীয় দণ্ডবিধি আইনৰ ৪৪৮, ৩৮৪, ৫১১, ৩৪ ধাৰাৰ অধীনত বিচাৰ চলি আছে। অভিযুক্ত এইগৰাকী "দেৱজিৎ দাসেই" আত্মহত্যা কৰা "দেবজিৎ দাস" নামৰ যুৱকজন একেজনেই বুলি অধিবক্তা বজিত বৰঠাকুৰে মত প্ৰকাশ কৰে। অধিবক্তা শ্ৰীঠাকুৰে এই প্ৰতিবেদকক কয় যে—"১৯৮৬ চনৰ পৰাই দেবজিৎ মোৰ মক্কেল। যুৱকজনৰ আত্মহত্যাৰ আগদিনা নিশা প্ৰায় ৮ বজাত লগ পাওঁ। তেতিয়া সুৰেন্দ্ৰ পালৰ হত্যাৰ কেছটোৰ বাবে আত্মসমৰ্পণ কৰা বুলি জনায়। সেই সময়ত যুৱকজনৰ মানসিক অৱস্থা ভাল যেন লাগে। অৱশ্যে যুৱকজন

ইমানেই মার্জিত আছিল যে হত্যাৰ লগে ঘটনাত দেৱজিৎ জড়িত হ'ব বুলি নাভাবিছিলো।"

পূৰ্বৰ কেছটোৰ প্ৰসঙ্গ এই কাৰণেই অনা হ'ল যে বিচাৰাধীন অভিযোগটোৰ সন্দৰ্ভত অধিবক্তা গৰাকীয়ে দেবুৰ বন্ধুৰ কথা মতে ১৯৯১ ৰ ২৭ ছেপ্তেম্বৰত আদালতত "দেবু"ৰ মৃত্যু হোৱা বুলি "পিটিচন" দিয়ে। দেবুৰ মৃত্যু সন্দৰ্ভত আদালতে আৰক্ষীৰ পৰা প্ৰতিবেদন বিচাৰে। প্ৰতিবেদন নিদিয়াৰ বাবে আদালতত বিচাৰ বন্ধ আছে যদিও, অহা ১৮/১২/৯২ তাৰিখে পুনৰ বিচাৰ হ'ব। দেবুৰ মৃত্যু হোৱা বুলি জনোৱাৰ আগতেও অধিবক্তা গৰাকীয়ে ১৯৯০ চনৰ ১৫ ডিচেম্বৰত তেওঁৰ ঘৈণীয়েক দুৰ্ঘটনাত পতিত হয় বুলি জনায়। তাৰ তিনিমাহমান পাছত "দেবুৱে" ঘৈণীয়েকৰ চিকিৎসাৰ বাবে ভেলোৰলৈ গৈছিল বুলি জনায়। আদালতত ১৯৯০ চনৰ ১৫ জুন, ১৯৯১ চনৰ ১৮ জানুৱাৰী, ১৫ ফেব্ৰুৱাৰীত অনুপস্থিত আছিল যদিও, ১৯৯১ চনৰ ১৮ মে'ত উপস্থিত হয়। আনহাতে সুৰেন্দ্ৰ পালৰ হত্যাকাণ্ডটো ঘটে ১৯৯০ চনৰ এপ্ৰিল মাহত। গতিকে স্বাভাৱিকতে প্ৰশ্ন উঠে যে পলাতক হত্যাকাৰী দেবুৱে পুনৰ ১৯৯১ চনৰ ১৮ মে'ত আদালতত কিয় উপস্থিত হ'ল? সেই সময়তো আৰক্ষীয়ে "দেবুক" গ্ৰেপ্তাৰ কৰা নাছিল, অৰ্থাৎ তেতিয়ালৈ "দেবু"ক সুৰেন্দ্ৰ পালৰ হত্যাকাৰী ৰূপে অভিযুক্ত কৰা নাছিল।

সাধাৰণতে দুধৰ্ষ হত্যাকাৰী একোজনক অথবা আলফাৰ দুধৰ্ষ সদস্যক কাৰাগাৰত আবদ্ধ কৰি ৰখা হয়। আত্মসমৰ্পণকাৰী সদস্যক মুকলি কৰি দিয়া হৈছে। কিন্তু তিনিচুকীয়াত প্ৰথমবাৰৰ বাবে আত্মসমৰ্পণ কৰা সদস্য এগৰাকীক গ্ৰেপ্তাৰ কৰি অবাধ বিচৰণৰ সুবিধা দিয়া হৈছিল। এইখিনিতে প্ৰশ্ন উঠে নিৰাপত্তাজনিত কাৰণত থানাত থাকিব দিয়া যুৱকজনক সাধাৰণভাবে ঘুৰি ফুৰিবলৈ দিয়া হৈছিল কিয়? ইপিনে মুক্তভাবে থানাত ফুৰা-চকা কৰিবলৈ দিয়া যুৱকজনৰ স্বীকাৰোক্তি তিনিচুকীয়াৰ ডাক বঙলাত কাৰ্যবাহী মেজিষ্ট্ৰেট পি কে গোস্বামী'ৰ উপস্থিতিত লোৱা হ'ল। নিয়মানুসাৰে সুকীয়াকৈ "ষ্টেটমেণ্ট" লোৱাত বাধা নাই। কিন্তু স্বীকাৰোক্তিৰ বাবে নিৰাপত্তাজনিত কাৰণত আদালতত হাজিৰ নকৰা যুৱকজনক থানাত সাধাৰণভাৱে বিচৰণৰ সুবিধা কিয় দিয়া হ'ল? থানাৰ বাহিৰেদি যোৱা শৌচাগাৰৰ পৰিবৰ্তে লক-আপৰ ভিতৰৰ শৌচাগাৰটো ব্যৱহাৰ কৰিব নিদিলে কিয়?

এনে সন্দেহ উদ্ৰেক কৰা প্ৰশ্নবোৰ ভুমুকি মাৰিলেও যুৱকজনে যে আত্মহত্যা কৰিছিল, ই খাটাং। কিন্তু দেৱজিৎ নামৰ বঙালী পৰিয়ালৰ যুৱকজন যে আলফাৰ সদস্য অথবা সুৰেন্দ্ৰ পালৰ হত্যাকাৰী, তাক প্ৰমাণ কৰাৰ দায়িত্ব আৰক্ষী বিভাগৰ। সুৰেন্দ্ৰ পালৰ হত্যাকাৰী হিচাপে অভিযুক্ত পূৰ্বৰ আলফাৰ সদস্যৰ নামত তালিকাত "দেবুৰ" নামটো নথকা বিষয়টো আৰক্ষী অধীক্ষক আঙুলিয়াই দিয়াত ক'লে যে দেৱজিৎ

নামৰ যুৱকজনে নিজে সুৰেন্দ্ৰ পালৰ হত্যাৰ লগত জড়িত বুলি স্বীকাৰ কৰিছে। সেয়েহে গোটেই কেছটো পুনৰ অনুসন্ধান কৰিব লাগিব।

তিনিচুকীয়াত এক বিশ্বস্ত সূত্ৰই জনাইছে যে প্ৰকৃততে দেৱজিতে ডুলীয়াজানৰ স্থানীয় বিধায়িকা অমিয়া গগৈৰ বাসগৃহত আত্মসমৰ্পণ কৰিছে। এই বিষয়ে জানিবলৈ বিচৰাত বিধায়িকা শ্ৰীগগৈয়ে তেওঁৰ জৰিয়তে আত্মসমৰ্পণ কৰা বুলি থোৰতে জনায়। মুঠতে দেবুৰ আত্মসমৰ্পণে চৰকাৰৰ সাফল্য সগৰ্বে ঘোষিত হ'লেও আত্মহত্যাৰ ঘটনাটোৱে বিয়োগান্ত নাটৰ দৃশ্যৰহে অৱতাৰণা কৰিলে। বিশেষকৈ মৃত্যুৰ আগদিনা বাৰম্বাৰ অধিবক্তাক লগ পাব বিচৰা কাৰ্যৰ দ্বাৰাইও "দেবুৱে" যে কিবা গোপন কথা প্ৰকাশ কৰিব বিচাৰিছিল, সেইয়া নিশ্চিত। সেয়েহে আত্মসমৰ্পণ আৰু আত্মহত্যাৰ ঘটনাটো যে এতিয়াও ৰহস্যাবৃত হৈ আছে, তাক বিক্ষিপ্ত কাৰ্যাবলীয়ে প্ৰমাণ কৰে। এই ৰহস্য উদ্ঘাটনৰ বাবেই উচ্চ পৰ্যায়ৰ নিৰপেক্ষ তদন্তৰ আৱশ্যক। বিশেষকৈ কাৰোবাৰ ভাবুকিৰ বাবে আত্মসমৰ্পণ কৰি, দেবুৱে কিয় আত্মহত্যা কৰিলে?

● *শেহতীয়া পৰিস্থিতিঃ*

দুগৰাকী ব্যৱসায়ী আৰু দেবজিতৰ হত্যাৰ পিছত তিনিচুকীয়াত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। এই নিৰাপত্তামূলক পৰিস্থিতিৰ মাজতো তিনিচুকীয়াত তুঁহ জুই জ্বলি আছে। কোন সময়ত কি ঘটে, তাৰ ঠিকনা নাই। জিলাখনত এতিয়াও আলফাৰ নামত ধন সংগ্ৰহ অব্যাহত আছে। জানিব পৰা মতে তিনিচুকীয়াৰ একাংশ ব্যৱসায়ীয়ে আলফাৰ পুঁজিৰ বাবে ধন সংগ্ৰহ কৰাৰ কামত মধ্যস্থতাকাৰীৰ ভূমিকাত অৱতীৰ্ণ হৈছিল। আৰক্ষীৰ সূত্ৰ মতে তিনিচুকীয়াৰ প্ৰায় এক হাজাৰজন ব্যৱসায়ীৰ ভিতৰত ধন সংগ্ৰহৰ এনে মধ্যস্থতাকাৰী ৩৬ জনক চিনাক্ত কৰা হৈছে। এওঁলোকৰ ৭৫% ব্যৱসায়ীয়ে আলফাৰ হৈ ধন সংগ্ৰহ কৰি ৩০% আলফাক দি ৭০% নিজৰ ব্যৱসায়ত বিনিয়োগ কৰিছিল। এনেদৰে ধন বিনিয়োগ কৰা বুলি স্বীকাৰ কৰিছে, দুগৰাকী ব্যৱসায়ী কেণ্টৰ দোকানী ৰমেশ শৰ্মা আৰু কাপোৰ ব্যৱসায়ী ৰাজু আগৰৱালাই।

তিনিচুকীয়াৰ সাময়িক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আৰক্ষী অধীক্ষক শৰৎ ফুকনে কয় যে সংঘাতৰ জৰিয়তে নহয়, জনসাধাৰণৰ সহযোগিতাৰ দ্বাৰাহে সমাজৰ শৃংখলা ৰক্ষা কৰাটো সম্ভৱ হ'ব। অৱশ্যে শ্ৰীফুকনে অসামাজিক কাৰ্য বোধ কৰিবলৈ প্ৰয়োজন সাপেক্ষে কঠোৰ ব্যৱস্থা ল'বলৈ বাধ্য হ'ব বুলি কয়। উঠি অহা যুৱকচামক যদি অৰ্থনৈতিক আৰু সামাজিকভাৱে অৰ্হতা অনুযায়ী সংস্থাপনৰ ব্যৱস্থা কৰা নাযায়, তেতিয়াহ'লে আইন-শৃংখলাৰ পৰিস্থিতি কটকটীয়া কৰিলেও অসুবিধাৰ সৃষ্টি হ'ব পাৰে। বৃহৎ উদ্যোগপতি, ব্যৱসায়ী, অনুষ্ঠান, প্ৰতিষ্ঠানৰ সৈতে জড়িত সকলোকো সমতা ৰক্ষাৰ বাবে সমাজৰ জনকল্যাণমূলক আঁচনিত সহযোগ কৰিবলৈও শ্ৰীফুকনে অনুৰোধ জনায়।

(২৩ চেপ্টেম্বৰ, ১৯৯২)

বিধান সভাৰ শীতকালীন অধিবেশনতেই চৰকাৰৰ পতন ঘটাবলৈ বোমা বিস্ফোৰণ

বিস্ফোৰণত ছিন্ন-ভিন্ন হৈ পৰা এটি মৃতদেহ।

গুৱাহাটী

নিতৌ বোমা উদ্ধাৰৰ বাতৰিয়ে কাকতৰ শিৰোণামা দখল কৰিছে। আতঙ্ক আৰু সন্ত্ৰাসে অসমৰ আকাশ আৱৰি ধৰিছে। ভীতিগ্ৰস্ততাত গুৱাহাটী বাসীয়ে সন্ধিয়াৰ লগে লগে বাসভৱনত সোমাইছে। সন্ধিয়াৰ পাছৰে পৰা গুৱাহাটীত দেখা দিয়ে নিৰৱতা। বোমা বিস্ফোৰণ সংক্ৰান্তত যেনেদৰে নতুন নতুন তথ্য প্ৰকাশ হ'বলৈ ধৰিছে, তেনেদৰে ৰাজ্যখনৰ বিভিন্ন স্থানত বোমা উদ্ধাৰৰ বাতৰি বৃদ্ধি পাবলৈ ধৰিছে। বোমা বিস্ফোৰণৰ বাতৰিয়ে বিগত ১৯৯০ চনত গণেশগুৰিত ঘটা, ১৯৯১ চনত উজান বজাৰত ঘটা বোমা বিস্ফোৰণৰো যোগসূত্ৰ আনি দিছে। শেহতীয়াভাৱে পাগলাদিয়া নদীৰ দলঙৰ কাষৰ পৰা উদ্ধাৰ কৰা বোমা তিনিটাৰ লগত দহ লিটাৰৰ ১২টা গেলেনত প্ৰায় ৮০ লিটাৰ ছুপাৰ ডায়িং আৰু যথেষ্ট পৰিমানে জিলেটিন, এমনিয়াম নাইট্ৰেট বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰা হৈছে। যোৱা ২৯ নবেম্বৰত মহানগৰীৰ লখৰা চাৰিআলিৰ নিকটবৰ্তী এলেকাত পাঁচটাকৈ শক্তিশালী বোমা আৰু বহু পৰিমাণে অন্যান্য সামগ্ৰী উদ্ধাৰ কৰা হয়। ১৩২ কেঃভিঃ ক্ষমতা সম্পন্ন ছাগেকাটিৰ পৰা কাহিলীপাৰালৈ থকা বিদ্যুৎ লাইনটোৰ ৭ নম্বৰ স্তম্ভটোত বান্ধি

থোৱা বোমাটো বিস্ফোৰণ হ'লে মহানগৰীত অভাৱনীয় ধ্বংসকাণ্ড ঘটিলহেঁতেন। পাঁচোটা বোমাৰ লগতে প্ৰায় ২৫০ গজ দৈৰ্ঘ্যৰ সংযোগী তাঁৰ, প্ৰায় পঞ্চাশ কিলোগ্ৰাম পৰিমানৰ জিলেটিন, ১২ টা ডিট্‌নেটৰ আৰু ১৬ টা টৰ্চৰ বেটাৰী উদ্ধাৰ কৰে। নগাওঁ জিলাৰ বৰহাত অচিনাক্ত বন্দুকধাৰীয়ে স্থানীয় কংগ্ৰেছ (ই) নেতা এগৰাকীলৈ গুলীচালনা কৰে। গুলীচালনাত কংগ্ৰেছ(ই) নেতা গৰাকী আৰু দেহৰক্ষী হাবিলদাৰ গনেশ বৰা নিহত হয়। ডিব্ৰুগড়তো বোমা বিস্ফোৰণৰ ফলত এজন ল'ৰাৰ মৃত্যু হয়। নলবাৰী জিলাৰ ঘগ্ৰাপাৰাতো আঠোটা বোমা, দহটা ডিটনেটৰ, দহ কেজি জিলেটিন আৰু চাৰিটা ড্ৰাইচেল উদ্ধাৰ কৰে। মুঠতে এনেধৰনৰ অভাবনীয়ভাবে বোমাৰ আবিৰ্ভাবে জনসাধাৰণৰ মাজত এক সন্ত্ৰাসৰ সৃষ্টি কৰিছে।

বোমাৰ আতঙ্কৰ লগে লগে আৰক্ষী বিভাগেও পূৰ্ণ গতিত অনুসন্ধান চলাইছে। এতিয়ালৈকে বোমা বিস্ফোৰণ সংক্ৰান্তত তিনি গৰাকী বিধায়ককে ধৰি ২৩ জন সন্দেহজনক ব্যক্তিক আৰক্ষীয়ে আটক কৰিছে । আটক কৰা ব্যক্তি সকলক জেৰা কৰি আছে । ব্যাপক অনুসন্ধানৰ বাবে গুৱাহাটীৰ চিটি আৰক্ষী অধীক্ষক অসীম ৰায় আৰু চিটি পুলিচে যৎপৰোনাস্তি চেষ্টা চলাইছে। জেৰাত আটকাধীন ব্যক্তিৰ পৰা মহানগৰখনত বিস্ফোৰিত ছয়টা বোমাৰ গুৰুত্বপূৰ্ণ তথ্য পোৱা গৈছে। আৰক্ষী সঞ্চালক প্ৰধান এছ-ভি সুব্ৰমণিয়মৰ মতে (১) পল্টন বজাৰ, (২) দিছপুৰৰ বিধায়ক আবাস (৩) উজান বজাৰত যোৱা বছৰ, (৪) গুৱাহাটী ৰেল ষ্টেছনত উদ্ধাৰ হোৱা বোমাৰ ঘটনা (৫) ১৯৯০ চনৰ গণেশগুৰি চাৰিআলিত বোমা বিস্ফোৰণ আৰু (৬) বিস্ফোৰণ সামগ্ৰী উদ্ধাৰৰ ঘটনাৰ আঁত বিচাৰি পোৱা গৈছে।

ইয়াৰ উপৰি বোমা বিস্ফোৰণৰ সন্দৰ্ভত চাঞ্চল্যকৰ তথ্য প্ৰকাশ হৈছে। বোমা বিস্ফোৰণটো ২১ নৱেম্বৰত ঘটিছিল যদিও প্ৰকৃততে এই ঘটনা ২০ নৱেম্বৰত সংঘটিত কৰাৰ পৰিকল্পনা আছিল। যোৱা দহ নৱেম্বৰত দেৱৰগাঁৱত অনুষ্ঠিত এখনি গোপন বৈঠকত ৰাজ্যখনত বোমা বিস্ফোৰণ ঘটোৱাৰ বাবে কৌশল ৰচনা কৰিছিল। আবছু আৰু বড়ো স্বেচ্ছাসেৱক বাহিনীৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ যুটীয়া উদ্যোগত সভাখন অনুষ্ঠিত হৈছিল। বড়ো বিধায়িনী দলৰ বিধায়কসকলে আবছু আৰু স্বেচ্ছাসেৱক বাহিনীৰ উপদেষ্টা পদত থকা হেতুকে কেবাগৰাকী বিধায়ক গোপন সভাখনত উপস্থিত আছিল। সভাত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক তীব্ৰ সমালোচনা কৰা হয়। কিয়নো, আন্দোলনটোৰ নেতৃবৰ্গৰ মনত "বড়োলেণ্ড" কেন্দ্ৰীয় চৰকাৰে দিব বিচাৰে যদিও, বড়োলেণ্ড প্ৰদানত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই সন্মতি দিব বিচৰা নাই। অৰ্থাৎ "বড়োলেণ্ড" লাভ কৰাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী শইকীয়া বাধাৰ প্ৰাচীৰ বুলি নেতৃবৃন্দই মত পোষণ কৰে। সেয়েহে যিকোনো প্ৰকাৰে মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক ক্ষমতাচ্যুত কৰিবলৈ গোপন বৈঠকত সিদ্ধান্ত লোৱা

হয়। বড়ো অধ্যুষিত দুখন-তিনিখনকৈ জিলাত বোমা বিস্ফোৰণ আৰু অন্যান্য অন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ একোজন বিধায়কক দায়িত্ব অৰ্পণ কৰা হৈছিল। বিধায়কৰ আৱাসত বোমা বিস্ফোৰণৰ উদ্দেশ্য আছিল এয়ে যে বিধায়ক আৱাসত বোমা বিস্ফোৰণ হ'লে, অন্ততঃ বিৰোধীদলৰ বিধায়কসকলে নিৰাপত্তা নাইকিয়া হোৱা বুলি অভিযোগ কৰিব। বিৰোধী দলত বিধায়কসকলে হৈ-চৈ কৰিলে এক অশান্তিকৰ পৰিবেশৰ সৃষ্টি হোৱাৰ লগতে ৰাজনৈতিকভাবে শীতকালীন অধিবেশনত শইকীয়া চৰকাৰক ধাৰাশায়ী কৰাৰ বাবে সুবিধা হ'ব বুলি আন্দোলনৰ নেতৃবৃন্দই ভাবিছিল। তদুপৰি, পল্টন বজাৰৰ বোমা বিস্ফোৰণত বঙালী, মুছলিম, হিন্দু আৰু অনা-অসমীয়া মানুহৰ মৃত্যু হ'লে ৰাজ্যখনৰ বিভিন্ন স্তৰৰ লোকে চৰকাৰৰ বিৰুদ্ধে বিক্ষোভ প্ৰকাশ কৰিব বুলিও ভাবিছিল। আনকি জনসাধাৰণৰ স্বতঃস্ফূৰ্ত বিক্ষোভক

● থেবেলা বসুমতাৰীৰ খেদ ●

বোমা বিস্ফোৰণৰ পিছত কোকৰাঝাৰ মহাবিদ্যালয়ৰ ছাত্ৰ থেবেলা বসুমতাৰীয়ে মালিগাঁওৰ ওচৰতে পলাতক অৱস্থাত আশ্ৰয় লৈ আছিল। বোমা বিস্ফোৰণৰ পৰবৰ্তী পৰ্যায়ত অনিশ্চিত ভৱিষ্যতৰ আশংকাত থেবেলা বসুমতাৰী শংকিত হয়। তেতিয়া থেবেলাই ডাঃ বসুমতাৰীৰ জৰিয়তে বিধাযক পৰমেশ্বৰ ব্ৰহ্ম আৰু বিধায়িকা প্ৰমীলা ৰাণী ব্ৰহ্মাক মালিগাঁৱত লগ কৰিবলৈ খবৰ দিয়ে। কিন্তু বিস্ফোৰণৰ পিছত বিধায়ক আবাসত কোনো ব্যক্তিকে সোমাব নিদিয়া বাবে ডাঃ বসুমতাৰীয়ে নিৰ্দিষ্ট বিধায়ক দুগৰাকীক সাক্ষাৎ কৰিব নোৱাৰিলে। এই কথা জানি থেবেলাৰ খং উঠে; কিয়নো বিস্ফোৰণৰ পিছত থেবেলাই বিধায়কৰ বাসভৱনতে নিৰাপদে লুকাই থকাৰ পৰিকল্পনা কৰিছিল। পিছত ডাঃ বসুমতাৰীয়ে থেবেলাক যোৰাবাটলৈ লৈ যায়। তাৰ পৰা থেবেলাই ২৩ নবেম্বৰত চিলং পায় আৰু ২৬ নবেম্বৰত চিলঙত আৰক্ষীয়ে তেওঁক আটক কৰে।

বিৰোধী ৰাজনৈতিক দলৰ নেতবৃন্দৰ জৰিয়তে ব্যাপক কৰি অস্থিৰ অৱস্থাৰ সৃষ্টি কৰাৰ পৰিকল্পনা উক্ত গোপন সভাতে কৰা হৈছিল। এই তথ্য আটক কৰা বড়ো আন্দোলনৰ নেতাৰ স্বীকাৰোক্তিৰ পৰা জনা গৈছে।

বোমা বিস্ফোৰণৰ লগত ওতঃপ্ৰোতভাবে জড়িত থকাৰ অভিযোগত অভিযুক্ত থেবেলা বসুমতাৰীক এই প্ৰতিনিধিয়ে সাক্ষাৎ কৰে। কোকৰাঝাৰ মহাবিদ্যালয়ৰ স্নাতক ২য় বাৰ্ষিকৰ ছাত্ৰ শ্ৰীবসুমতাৰীয়ে বোমা বিস্ফোৰণৰ ঘটনাৰ লগত জড়িত থকাৰ বিষয়ে স্বীকাৰ কৰে। আনকি তেওঁ ইয়াকো কয় যে বোমা বিস্ফোৰণত বিভিন্ন কামত সহায় কৰি দিয়া বাবে বড়ো স্বেচ্ছাসেৱক বাহিনীৰ সভাপতি সোণাৰাম বাগলাৰী আৰু বড়ো বিধায়িনী দলৰ বিধায়কে টকা দিছিল। যোৱা ১৫ নবেম্বৰত স্বেচ্ছাসেৱক বাহিনীৰ সভাপতি শ্ৰীবাগলাৰীয়ে 'আঠ হেজাৰ টকা দিয়াৰ পাছত বিধায়ক ৰাজেন্দ্ৰ নাৰ্জাৰীয়ে ১৮ নবেম্বৰত ৫০ হাজাৰ টকা আৰু ২০ নৱেম্বৰত দহ হাজাৰ টকা থেবেলা বসুমতাৰীক দিছিল। থেবেলা বসুমতাৰীৰ মতে সুবেৰাম নাৰ্জাৰী

ডাঃ ভাৰত বসুমতাৰীৰ স্বীকাৰোক্তি

বোমা বিস্ফোৰণৰ অন্যতম নায়ক ডাঃ ভাৰত বসুমতাৰীয়ে যোৱা ৩০ নবেম্বৰত চাঞ্চল্যকৰ স্বীকাৰোক্তি প্ৰকাশ কৰে। আৰক্ষীৰ আগত জেৰাত প্ৰকাশ কৰা মতে ডাঃ বসুমতাৰীয়ে বোমা বিস্ফোৰণৰ লগত সম্পূৰ্ণ ভাৱে জড়িত। পল্টন বজাৰ আৰু দিছপুৰ বিধায়ক আবাসত সংঘটিত বোমা বিস্ফোৰণৰ সৈতে জড়িত থকাৰ বিষয়ে তেওঁ স্বীকাৰ কৰে। তদুপৰি এই বোমা বিস্ফোৰণ কোকৰাঝাৰ জিলাৰ সেৰফাংগুৰিত বহা গোপন সভাখনৰ সিদ্ধান্ত অনুসৰি আবছুৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশত কৰা বুলি কয়। আনকি ডাঃ বসুমতাৰীয়ে ইয়াকো স্বীকাৰ কৰে যে গুৱাহাটী ৰেল ষ্টেচনত থোৱা বোমাটো গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ আবাসতে বনোৱা হৈছিল। ডাঃ ভাৰত বসুমতাৰীয়ে স্বীকাৰোক্তিত তেওঁৰ আন এগৰাকী সহযোগী সাগৰ বসুমতাৰীৰ বিষয়েও তথ্য প্ৰকাশ কৰিছে। সাগৰ বসুমতাৰীক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰিছে।

আৰু বিজয়ে বোমা দুটা বিধায়িকা প্ৰমীলা ৰাণী ব্ৰহ্মৰ চৰকাৰী বাসভৱনত প্ৰস্তুত কৰিছিল। বোমাটো যথাস্থানত থোৱাৰ পাছত "অমৃত" নামৰ পৰিবহন প্ৰতিষ্ঠানৰ গাড়ীত টিকট কাটি বোমা বিশেষজ্ঞ দুগৰাকীক কোকৰাঝাৰলৈ পঠাই দিয়ে। আন এটি সূত্ৰৰ পৰা জনামতে "বড়োলেণ্ড" দাবী সম্পৰ্কীয় আন্দোলনটোৰ নামত সংঘটিত হিংসাত্মক কাৰ্যকলাপৰ মূল বিস্ফোৰক সামগ্ৰীৰ ভঁড়াল হ'ল— "কাজলগাওঁ।" কজলগাঁৱৰ কেন্দ্ৰবিন্দুৰ পৰাই ৰাজ্যখনৰ বিভিন্ন ঠাইত বোমা বিস্ফোৰণকে ধৰি কুটাঘাতমূলক কাৰ্যবোৰ সংঘটিত হয়। কাজলগাওঁলৈ বোমা প্ৰস্তুত কৰাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীখিনি ভূটান আৰু বাংলাদেশৰ পৰা যাইকে আছে। মাজে মাজে চিলং পথেৰেও আন দেশৰ পৰা বিস্ফোৰক

সামগ্ৰী কাজলগাঁৱলৈ আহে।

বিধায়ক তাজেন্দ্ৰ নাৰ্জাৰীয়েও আৰক্ষীৰ জেৰাত প্ৰকাশ কৰে যে ৰাজ্যৰ বিভিন্ন স্থানলৈ বিস্ফোৰক সামগ্ৰী কঢ়িয়াওঁতে তেওঁৰ গাড়ীখন ব্যৱহাৰ কৰা হৈছিল। শ্ৰীনাৰ্জাৰীয়ে ভৱিষ্যতে বোমা বিস্ফোৰণ কৰাৰ পৰিকল্পনাৰ বিষয়েও সদৰি কৰে। অন্যহাতে আটকাধীন ব্যক্তি বিশেষকৈ থেৱেলা বসুমতাৰীয়ে তাজেন্দ্ৰ নাৰ্জাৰী জড়িত থকাৰ বিষয়ে প্ৰকাশ কৰে। আন এটি সূত্ৰৰ পৰা জানিব পৰা মতে ১৮ নৱেম্বৰতে বিধায়ক তাজেন্দ্ৰৰ গাড়ীখনেৰে দুই বস্তা প্লাষ্টিক বিস্ফোৰক সামগ্ৰী আৰু এক বস্তা জিলেটিন জনজাতি জিৰণি আবাসৰ ১৫ নম্বৰ কোঠালৈ আনে। গুৱাহাটীৰ পল্টন বজাৰ আৰু বিধায়কৰ আবাসৰ বোমাৰ বাবে জেলেটিনেই যথেষ্ট বাবে, প্লাষ্টিক-বিস্ফোৰক দুই বস্তা পুনৰ ঘূৰাই পঠায়। এই সামগ্ৰীৰে বনোৱা বোমাৰে গৌৰাঙ্গ দলংখন উৰাই দিয়া হৈছিল। ২০ নৱেম্বৰতো বিধায়ক তাজেন্দ্ৰ নাৰ্জাৰীয়ে থেৱেলাক লগ পায়। সেইসময়ত থেৱেলা বসুমতাৰীয়ে প্ৰমীলা ৰাণী ব্ৰহ্মৰ কোঠাত আছিল।

বিধায়ক গ্ৰেপ্তাৰৰ সবিশেষ অগ্ৰদূতৰ যোৱা সংখ্যাত প্ৰকাশ পাইছে। সদ্যহতে বিধায়িকা প্ৰমীলা ৰাণী ব্ৰহ্মযো বোমা বিস্ফোৰণৰ ঘটনাৰ বিষয়ে জাত বুলি জেৰাত আৰক্ষীৰ আগত প্ৰকাশ কৰিছে। পূৰ্বতে ২০ নৱেম্বৰত বোমা বিস্ফোৰণ হোৱাৰ কথা আছিল বাবেই শ্ৰীমতী ব্ৰহ্মই সিদিনা বিধায়ক আৱাসত অনুপস্থিত আছিল। পিছদিনা ২১ নৱেম্বৰৰ ৰাতিপুৱা দিছপুৰলৈ আহি শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্মই জানিলে যে বোমাটো সেইদিনাহে বিস্ফোৰণ কৰা হ'ব। ২০ নৱেম্বৰত প্ৰমীলা ৰাণী ব্ৰহ্মৰ কোঠাত বোমা দুটা বনোৱা হৈছিল। বোমা বনোৱাৰ বাবে বিধায়িকা গৰাকীৰ চৰকাৰী বাসভৱনৰ চাবি ১০২ নম্বৰ কোঠাৰ বিধায়ক কমল ব্ৰহ্মৰ ৰান্ধনী জিনাৰামৰ হাতৰ পৰা সংগ্ৰহ কৰা হৈছিল। অতিৰিক্ত দুই বস্তা প্লাষ্টিক বিস্ফোৰক সামগ্ৰী শ্ৰীমতী ব্ৰহ্মৰ গাড়ীতে ঘূৰাই পঠোৱা হৈছিল। এইখন গাড়ী সাধাৰণতে শ্ৰীমতী ব্ৰহ্মই ভাড়া দি ব্যৱহাৰ কৰে।

পুলিচ সূত্ৰ অনুসৰি ১৯৮৮ চনৰ পৰা ১৯৯০ চনলৈকে কোকৰাঝাৰ জিলাৰ গোসাইগাঁও থানাত নৰহত্যাৰ ভালেমান গোচৰত অভিযুক্ত বিধায়ক তাজেন্দ্ৰ নাৰ্জাৰী আৰু বিধায়িকা প্ৰমীলা ৰাণী ব্ৰহ্মই বোমা বিস্ফোৰণৰ ঘটনাৰ লগত জড়িত থকাৰ বিষয়ে স্বীকাৰ কৰিছে। আনহাতে আৰক্ষীয়ে বড়ো বিধায়িনী দলৰ নেতা পৰমেশ্বৰ ব্ৰহ্মক কোনো ধৰণৰ সোধ-পোছ কৰা নাই। বাতৰি লিখা পৰলৈকে জানিব পৰা মতে পৰমেশ্বৰ ব্ৰহ্ম বোমা বিস্ফোৰণৰ ঘটনাৰ লগত প্ৰত্যক্ষ যোগাযোগৰ তথ্য উদ্ঘাটিত হোৱা নাই। অৱশ্যে বোমা বিস্ফোৰণৰ পৰিকল্পনা কৰা গোপন সভাখন পৰমেশ্বৰ ব্ৰহ্মৰ নিৰ্দেশতে অনুষ্ঠিত হোৱা বুলি জনা যায়। তদুপৰি শ্ৰীব্ৰহ্মই বোমা বিস্ফোৰণৰ বিষয়ে আগতীয়াকৈ জনা

বুলি আৰক্ষী সূত্ৰই কয়। সেয়েহে নৃশংস হত্যাৰ বিভীষিকাৰ সৃষ্টি কৰা বোমা বিস্ফোৰণৰ ষড়যন্ত্ৰৰ সৈতে জড়িত থকাৰ অভিযোগত পৰমেশ্বৰ ব্ৰহ্মক আটক কৰা হৈছে।

গ্ৰেপ্তাৰ কৰা বিধায়ক তিনিজনৰ হৈ এখনি ৰীট আবেদন গুৱাহাটী উচ্চ ন্যায়লয়ত দাখিল কৰা হৈছে। এই বিষয়ে বিচাৰ চলি আছে। আনহাতে বিধায়ক তিনিজনক ২৫ দিনৰ বাবে আৰু থেবেলা বসুমতাৰীক ৩০ দিনলৈ আৰক্ষী জিম্মাত ৰখাৰ ব্যৱস্থা কৰিছে। বিৰোধী ৰাজনৈতিক দলৰ এখনি বৈঠকত বিধায়ক তিনিজনক গ্ৰেপ্তাৰ কৰাৰ পদ্ধতিৰ বাবে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। অৱশ্যে বোমা বিস্ফোৰণত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা বিধায়কৰ হৈ বিৰোধী ৰাজনৈতিক দলে লোৱা ভূমিকাক ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থতে সমালোচনা কৰা দেখা গৈছে। ইপিনে আৰক্ষী সঞ্চালক শ্ৰীসুব্ৰমণিয়ম আৰু আৰক্ষী অধীক্ষক অসীম ৰায়ে উপযুক্ত প্ৰমাণৰ ভিত্তিতে বিধায়কক "টাডা" আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা বুলি প্ৰকাশ কৰিছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে পঞ্জাবৰ ডি-জি শ্ৰীগিলে টেলিফোন যোগে অসম পুলিচৰ সাফল্যৰ বাবে আৰক্ষী অধীক্ষক অসীম ৰায়ক অভিনন্দন জনায়।

প্ৰমীলাৰাণী ব্ৰহ্ম এতিয়াও দৃঢ়

হাতত তিনিটা আঙঠি আৰু ডিঙিত সোণৰ হাৰ পিন্ধি বিধায়িকা প্ৰমীলা ৰাণী ব্ৰহ্মই ক'লা ৰঙৰ শ্'লখন উৰি বহি আছে। যোৱা ৩০ নবেম্বৰৰ গধূলি, তেনেতে সোধা হ'লঃ

ঃ বাইদেউ, আপোনাক ক'ত ৰাখিছে?

— অসম পুলিচ বেটেলিয়নৰ কাহিলিপাৰাৰ শিবিৰত।

ঃ আৰক্ষীয়ে আপোনাক মাৰ-ধৰ কৰিছে নেকি?

— নাই, মাৰ-ধৰ কৰা নাই।

ঃ ভাবুকি দিছে নেকি?

— "ষ্টেটমেণ্ট লওঁতে ভাবুকি দিয়াতো স্বাভাৱিক।

ঃ বোমা বিস্ফোৰণৰ সময়ত আপুনি ক'ত আছিল?

— বিধায়ক তাজেন্দ্ৰ নাৰ্জাৰীৰ বাসভৱনত।

ঃ আপুনি আগতে জানিছিল নে যে বিধায়ক আবাসত বোমা বিস্ফোৰণ ঘটিব?

— নাই, নাজানো।
: আপুনি কোকৰাঝাৰৰ পৰা দিছপুৰলৈ কেতিয়া আহিছে?
— ১৯ নবেম্বৰত মই কোকৰাঝাৰলৈ যাওঁ আৰু ২১ নবেম্বৰৰ দিনা ৰাতি পুৱা প্ৰায় দহবজাত দিছপুৰৰ বিধায়ক আবাসলৈ আহোঁ।
: আপোনাৰ বাসভৱনৰ তলাটো নিজে খুলিছিল নে?
— হয়। মই নিজে খোলো। মই অহা দেখি থেবেলাই চাবিপাত বিধায়ক কমল ব্ৰহ্মৰ কোঠাৰ পৰা আনি মোৰ হাতত দিয়ে।
: থেবেলাৰ লগত আপোনাৰ কি সম্পৰ্ক?
— মোৰ মামাৰ ল'ৰা। মই তাক খুব মৰম কৰোঁ।

: চাবিপাত আপুনি কিয় এৰি গৈছিল?
— মোৰ কোঠাত দুজন আলহী আছিল। সংগঠনৰ কামত তেওঁলোক মই যোৱাৰ পিছদিনা কোকৰাঝাৰলৈ যোৱাৰ কথা আছিল।
: আলহী দুজন কোন?
— আবদুৰ গহপুৰ নিবাসী সাংস্কৃতিক সম্পাদক ৰাজীব বসুমতাৰী আৰু আনজনক "গৱাৰ" বুলি মাতো। তেওঁলোকে চাবিপাত বিধায়ক কমল ব্ৰহ্মৰ ৰান্ধনি জিনাৰামক দি যায়।
: বাসভৱনত সোমাই কিবা ব্যতিক্ৰম দেখিছিল নেকি?
— সকলো ঠিকেই আছিল। মাথো আপোনাকহে কওঁ— ৰান্ধনী ঘৰত কেইটমান কণী আছিল। সেইকেইটা দেখা পোৱা নাছিলো।
: কণী কেইটা কোনে খোৱা বুলি ভাবে?
— ৰান্ধনি জিনাৰামে। সি আগে-পিছেও তেনেকুৱা কৰে। তাক সোধাত আগদিনা খোৱা বুলি কয়।
: কোঠাটোত থেবেলাও সোমাই নেকি?
— সোমায়। তাৰ অসুখ আছিল। তথাপিও সি ভাত খাব খোজে। মই, কোকৰাঝাৰৰ পৰা অনা গাহৰিৰ মাংসও খাব বিচাৰে। বিচনাখন ঠিক-ঠাক কৰি মই ৰান্ধনী ঘৰত সোমাও।
: তেতিয়া থেবেলা ক'ত আছিল?
— থেবেলাই গাড়ীৰ চালক থকা কোঠাটোত কাৰোবাৰ লগত কিবা আলোচনা কৰি আছিল।
: তেতিয়া বোমা বনোৱা বুলি সন্দেহ হোৱা নাছিলনে?
— নাই।
: থেবেলাই যে বোমা বনাব জানে, সেই কথা আপুনি নাজানে নেকি?
— নাজানো। তেনে কাৰ্যত জড়িত হ'ব বুলি মই কেতিয়াও ভবা নাই।
: আপোনাৰ কোঠাত বোমা বনোৱা বুলি এতিয়া ভাবেনে?
— তেওঁলোকে দিয়া "ষ্টেটমেণ্ট"ৰ পৰা সেই ধাৰণাই হৈছে। কিন্তু মই সেই বিষয়ে অজ্ঞ।
: তেওঁলোকে আপোনাক ফচোৱা বুলি ভাবে নেকি?

— ফচালে বুলি বাধ্যত ক'ব লাগিব। যিহেতু তেওঁলোকে "ষ্টেটমেণ্ট" দিছে, গতিকে তাৰ ওপৰত ভিত্তি কৰি মই ক'বলৈ বাধ্য হৈছো।

ঃ আৰক্ষীয়ে নিশা তালাচী কৰাৰ সময়ত আপুনি ক'ত আছিল?

— মই বাহিৰত আছিলো। আৰক্ষীয়ে মোক ভিতৰলৈ যাব অনুৰোধ কৰাত ভিতৰলৈ যাওঁ।

ঃ আৰক্ষীয়ে কোঠাত কিবা পালেনে?

— ক'লা পীঘল তাঁৰ, সৰু সৰু কিবা টুকুৰা আৰু কিবা-বস্তু পাইছে। সেইবোৰৰ নাম মই নাজানো।

ঃ সেইবোৰ কেনেকৈ কোঠালৈ আহিল? আপুনি নেভাবে নে যে বোমা বনোৱাৰ পিছত থকা অতিৰিক্ত সামগ্ৰীখিনি থেবেলাই এৰি থৈ গৈছিল?

— এই বিষয়ে মই নাজানো। কিন্তু এতিয়া তেনে ধাৰণাই হৈছে।

ঃ সেইদিনা আবেলি বোমা বিস্ফোৰণ হোৱাৰ সময়ত আপোনাৰ কেনে অনুভৱ হৈছিল।

— বৰ ভয় লাগিছিল।

এনেদৰে দৃঢ়তাৰে কথা কোৱা বিধায়িকা প্ৰমীলা ৰাণী ব্ৰহ্মই আৰক্ষীৰ আগত থেবেলা বসুমতাৰীৰ লগত থকা সম্পৰ্কৰ বিষয়ে স্বীকাৰ কৰে। মাজে মাজে থেবেলা বসুমতাৰী আৰু ডাঃ ভাৰত বসুমতাৰীয়েও তেওঁৰ চৰকাৰী বাসভৱনত থকা বুলি প্ৰকাশ কৰে।

বিঃ দ্ৰঃ গুৱাহাটীৰ পল্টন বজাৰত একুৰিৰো অধিক আৰু ৰাজধানীৰ পুৰণি বিধায়ক আবাসত দুজনৰ বিস্ফোৰণৰ ফলত মৃত্যু হয়। ইয়াৰে ১৮ জনক চিনাক্ত কৰিছে। (২ ডিচেম্বৰ, ১৯৯২)

টিহু আঞ্চলিক ছাত্ৰসন্থাৰ সভাপতিকে ধৰি কেবাটাও বিষয়-বাবত কেবা বছৰ কাৰ্যনিৰ্বাহ কৰি থকা পৰিয়ালটোৰ একমাত্ৰ পুত্ৰ বীৰাজ ডেকাৰ(৩০) কৃপানৰ আঘাতত মৃত্যু হয়। সমাজকল্যাণ বিভাগৰ কৰ্মচাৰী বীৰাজ ডেকা গুৱাহাটীৰ নুনমাটিত দুই দল যুৱকৰ মাজত বাদানুবাদৰ ফলতেই ১৯৯৩ চনৰ ১৪ জানুৱাৰীত এই হত্যাকাণ্ড সংঘটিত হয়।

অসমত ধ্বংস যজ্ঞৰ খতিয়ান

ধ্বংসহোৱা সম্পত্তিৰ পৰিমান ডেৰকোটি

❑ *ডবকা*

সমন্বয়ৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ ঈৰ্ষাৰ স্থলী অসমতো সাম্প্ৰদায়িক সংঘৰ্ষৰ জুই দাউ-দাউকৈ জ্বলি উঠিল। হিংস্ৰতাই আকৌ মনত পেলাই দিলে জীৱশ্ৰেষ্ঠ মানুহৰ পাশৱিক চৰিত্ৰৰ ভয়াবহতা কিমান নিকৃষ্টতৰৰ হ'ব পাৰে। মানুহে মানুহক হত্যা কৰিয়েই ক্ষান্ত থকা নাই, এবছৰীয়া শিশুৰ পৰা আশী বছৰীয়া বৃদ্ধকো জুইৰ মাজলৈ দলিয়াই দিয়া হৈছে। আনকি ডেৰমহীয়া শিশুকো মাকৰ কোলাৰ পৰা টানি আনি ট্ৰাঙ্কত ভৰাই জীৱন্তে অগ্নিসংযোগ কৰা ঘৰৰ ওপৰত পেলাই দিয়া হৈছে। মানৱ অমানৱীয় আক্ৰমণৰ পিছত, নেলীৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ উন্মত্ততা পুনৰ প্ৰকাশ পালে — হোজাই আৰু ডবকাত। উত্তৰ প্ৰদেশৰ অযোধ্যাৰ মন্দিৰ ভঙা ৰাজনৈতিক মিস্ত্ৰী আৰু ত্ৰাণকৰ্ত্তাৰ ভূমিকাত অৱতীৰ্ণ দিল্লীস্থ ৰাজনৈতিক প্ৰবক্তা সকলৰ কাৰ্য আৰু বক্তব্যৰ প্ৰতিক্ৰিয়া এনেদৰে ধ্বংসাত্মক ৰূপত অসমতো প্ৰকাশ হ'ল। ধৰ্মীয় উন্মাদনাত নিহত হ'ল নিৰীহ ব্যক্তি। এই উন্মাদনাত সংযুক্ত হৈ পৰা ৰাজনীতিৰ পাকচক্ৰত ৰাজ্যখনতো আতঙ্ক আৰু ভীতিবিহ্বলতা বিৰাজমান।

নগাওঁ জিলাৰ ডবকা নাহাৰ গাওঁ, নমাটি, বিবেকানন্দ কলনী, বালুৰা, মিকিৰদেবী, হুগাওঁ, নিজ ডবকা, ৰাংমাজী, মাদাৰতলী গাওঁ, পুৰণা বজাৰ আৰু হোজাইৰ গোপাল নগৰ, গীতাশ্ৰম, পূব যোগীজান, পশ্চিম যোগীজান, কান্ধলীমাৰী, বাৰফুটা, যোগীজান বজাৰ আদিত অগ্নি সংযোগ কৰি ঘৰ আৰু দোকান ভস্মীভূত কৰা হয়। প্ৰত্যক্ষদৰ্শী প্ৰমোদ ৰঞ্জন দাসে কয় যে ডবকাত যোৱা ৭ ডিচেম্বৰৰ নিশা মন্দিৰ এটি আক্ৰান্ত হয়। তাৰ পিছতেই দুৰ্বৃত্তৰ দলটোৱে নাহাৰগাওঁ আক্ৰমণ কৰে। তাত মহিলাকো আক্ৰমণ কৰে। সেইদিনাই গধূলি সৈন্যবাহিনী উঠাই নিয়াত হিংসাত্মক কাৰ্য বৃদ্ধি পায়। মাদাৰতলা আৰু মিকিৰগাঁৱতে প্ৰায় ৪০ জনক হত্যা কৰা হয়। এজন মুছলিম ধৰ্মাৱলম্বী খৰত প্ৰায় ৫০ জন লোকে আশ্ৰয় লৈছিল। দুৰ্বৃত্তৰ দলে এজন এজনকৈ মানুহ উলিয়াই আনি অমানুষিক অত্যাচাৰ কৰে। যোগীজান, ডবকা, যমুনামুখৰ পৰা অহা লোকে ধৰ্মীয় সংখ্যালঘুৰ ওপৰত আক্ৰমণ কৰে। উপায়ুক্তৰ সন্মুখতে অগ্নিসংযোগ কৰাৰ ঘটনাও ঘটে। ৮ ডিচেম্বৰত সৈন্যবাহিনী আহে। পূব যোগীজান কেন্দ্ৰগুৰি, পশ্চিম যোগীজান আদি এলেকাত

মৃতদেহ এতিয়াও পৰি আছে। শ্ৰীদাসে কোৱা মতে সৈন্য গৈ নাপালে ভাষিক সংখ্যালঘু জীয়াই নাথাকিলহেঁতেন। তেওঁ অভিযোগ কৰে যে যোৱা আঠ ডিচেম্বৰত যমুনামুখৰ কংগ্ৰেছ (ই)ৰ বিধায়ক আব্দুল জলিল ৰাগবীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰা নাছিল। বাংলাদেশী মুছলিম বহিস্কাৰ কৰক বুলি পোষ্টাৰ লগোৱা সত্ত্বেও প্ৰশাসনে কোনো ব্যৱস্থা লোৱা নাছিল। প্ৰত্যক্ষদৰ্শী গৰাকীয়ে দুখ প্ৰকাশ কৰি কয়— আমাক ৰক্ষাৰ দায়িত্ব ভগবানৰ ওপৰত এৰি দিয়ক। আমাক প্ৰশাসনে ৰক্ষা কৰিব পৰা নাই। আমি প্ৰশাসনৰ ওচৰলৈ নাযাওঁ, ঈশ্বৰৰ ওচৰলৈহে যাম। নুৰাজুদ্দিন আহমেদে প্ৰকাশ কৰে এই ধ্বংসাত্মক কাৰ্যৰ বাবে সকলোৱে দায়ী। ইয়াত মুছলমান বা হিন্দুৰ প্ৰশ্ন নাই। দুৰ্বৃত্তসকল মানুহ নহয়? অমানুহ। অঞ্চলটোৰ কোনো মানুহে শান্তি ৰক্ষাৰ চেষ্টা কৰা নাই।

হত্যালীলাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মৌলবী হুছেইন আহমেদ আৰু আজমল আলিয়ে কয়— মানুহ মৰিলে সমস্যাৰ সমাধান নহয়। ইয়াতেই ল'ৰা-ছোৱালী আৰু আমি জীয়াই থাকিব লাগিব। এই বিপদ অতিক্ৰম কৰিবলৈ সকলোৱে চেষ্টা কৰিব লাগিব। মাৰোৱাৰী পঞ্চায়তৰ সভাপতি গীৰিধাৰী চাওচিৰিয়াই অভিযোগ কৰে যে ডিমৰু পাৰৰ পেট্ৰোল পাম্পৰ কাষত ভূতনাথ মন্দিৰটো দুৰ্বৃত্তই ধ্বংস কৰে। আঠ ডিচেম্বৰৰ নিশা সান্ধ্য আইন চলি থকা অৱস্থাতে বাছেৰে মানুহ আহি মন্দিৰটো ধ্বংস কৰে। মন্দিৰৰ সামগ্ৰী থকা দুটি গুদামো ধ্বংস কৰে। আন এগৰাকী প্ৰত্যক্ষদৰ্শীয়ে কোৱা মৰ্মে হোজাইৰ পশ্চিম ৰেল গেটেৰে গৈ থকা কেইজনমান ভাষিক সংখ্যালঘুৰ লোকৰ ওপৰতো আক্ৰমণ

১৯৯৩ চনৰ ২৭ নবেম্বৰৰ নিশা মৰিগাঁও জিলা কংগ্ৰেছ(ই)ৰ সভাপতি বিশিষ্ট সমাজকৰ্মী ক্ষীৰোদ বৰুৱাৰ নিজ বাসগৃহৰ নাতিদূৰত সন্দেহযুক্ত আলফা সদস্যৰ উপৰ্যপুৰি গুলিৰ আঘাতত মৃত্যু হয়।



নৱ ঠাকুৰীয়া

কৰে। ফলত দুজন নিহত হয়। তাৰে এজন পল্টণ বজাৰৰ ব্যৱসায়ী আছিল। ব্যৱসায়ৰ উদ্দেশ্যে প্ৰায়েই তেওঁ হোজাইলৈ গৈছিল। হোজাই থানাত জনৈক বক্তিশ পণ্ডিতে দিয়া অভিযোগ মৰ্মে তেওঁৰ সন্মুখতে পিতৃ-মাতৃক চোকা অস্ত্ৰেৰে আঘাত কৰি হত্যা কৰে।

জানিব পৰা মতে ডবকাত কুকুৰবস্তি, মিকিৰ গাওঁ, নয়াবস্তি আদি এলেকা বিশেষভাবে ক্ষতিগ্ৰস্ত হয়। ডবকাত আঠ ডিচেম্বৰৰ ৰাতিপুৱা দহ বজাৰ পৰা সংঘৰ্ষ আৰম্ভ হয়। এই সংঘৰ্ষত ১৫০ টা ঘৰত অগ্নিসংযোগ কৰে। দলীয় সংঘৰ্ষৰ ফলত ৬০ জন আহত হয় আৰু ২২ টা মৃতদেহ ৰাতৰি লিখা পৰলৈকে উদ্ধাৰ কৰা হয়। আৰক্ষীৰ দ্বাৰা পাঁচ ৰাইণ্ড গুলী চলোৱা হয়। তাৰ ফলত তিনিজনৰ মৃত্যু হয়। আন এগৰাকী প্ৰত্যক্ষদৰ্শীৰ মতে ডবকাত তেওঁ দেখা পোৱা মৃতদেহৰ সংখ্যা ৪৩। যমুনামুখত সেইদিনা আবেলি তিনি বজাৰ পৰা সংঘৰ্ষ আৰম্ভ হয়। তাত ৭০টা ঘৰত অগ্নিসংযোগ কৰে। যমুনামুখত পাঁচজন নিহত আৰু পাঁচজন আহত হয়। নিহত পাঁচজনৰ তিনিজনৰ আৰক্ষীৰ দ্বাৰা আৰু দুজন দলীয় সংঘৰ্ষত মৃত্যু হয়। আঠ ডিচেম্বৰৰ আবেলি দুই বজাৰ পৰা হোজাইৰ যোগীজান আৰু কাকুলীমাৰীত সংঘৰ্ষৰ সৃষ্টি হয়। এই এলেকাত এশটা ঘৰ অগ্নিসংযোগ কৰা হয়। সংঘৰ্ষত তিনিজন আৰু আৰক্ষীৰ গুলীত ২ জনৰ মৃত্যু হয় বুলি চৰকাৰীভাবে কোৱা হৈছে। আন এটি সূত্ৰৰ মতে ৰাতৰি লিখা পৰলৈকে আঠোটা মৃতদেহ উদ্ধাৰ কৰা হয়। এই বৃহৎ অঞ্চলটোত পাঁচটা শৰণাৰ্থী; শিবিৰ স্থাপন কৰা হৈছে। শিবিৰবোৰত অকল্পনীয় কাৰুণ্যতা বিৰাজমান। হোজাইৰ বিধায়ক তথা যোগান মন্ত্ৰী ডাঃ অৰ্দ্ধেন্দু দেৱে কয় যে আটাইকেইটা শিবিৰত পাঁচ হাজাৰতো অধিক লোকে আশ্ৰয় গ্ৰহণ কৰি আছে। প্ৰায় দহ হাজাৰলোক গৃহহীন হৈ আছে। অনেকে হোজাই, ডবকা পৰিত্যাগ কৰিছে।

অনুসন্ধান কৰি জানিব পৰা মতে ছয় ডিচেম্বৰৰ মছজিদ ভঙাৰ প্ৰতিক্ৰিয়া অঞ্চলটোত ৭ ডিচেম্বৰতে প্ৰকাশ পায়। সেই দিনাই নিশা এঘাৰ বজাত সৈন্য বাহিনীৰ এটা কলম (৭৫ জন) ডবকাত উপস্থিত হয়। সৈন্যৰ এই কলমটোৱে একগোট হৈ থকা বাবে সৈন্য নথকা এলেকাত বাধাহীনভাবে উত্তেজনাৰ সৃষ্টি হয়। তৎসত্ত্বেও পিছদিনা অৰ্থাৎ আঠ ডিচেম্বৰৰ ৰাতিপুৱা আঠবজাত সৈন্যৰ দলটো গুচি যায়। সৈন্যৰ অনুপস্থিতিৰ সুযোগ গ্ৰহণ কৰে— দুৰ্বৃত্তৰ দলটোৱে। কিয়নো সেই সময়ত হোজাই থানাত আছিল মাত্ৰ আঠজন পুলিচ। উত্তেজনাপূৰ্ণ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষী প্ৰশাসন ক্ষুদ্ৰ শক্তিৰ বাবে সমৰ্থ নহ'ল। ইপিনে সৈন্যবাহিনী আহি নোপোৱাত পৰিকল্পিতভাবে দুৰ্বৃত্তৰ দলে আক্ৰমণ চলায়। আঠ ডিচেম্বৰত অখিলোপি দলে আহ্বান দিয়া ভাৰতত বৰ্বৰ সময়ছোৱাত ঘটনাটো ঘটে। দুৰ্গাবাৰীত দুই দিনৰ পৰা অহা দুটা ধৰ্মীয় সংখ্যালঘুৰ উন্মত্ত দলে এল কে আদৱানিৰ মূৰ্তি

জ্বলাই দিয়ে। ৰাতিপুৱা ৯ বজাত ঘটা এই ঘটনাৰ পিচত তীব্ৰ উত্তেজনা বৃদ্ধি পায়। প্ৰায় ৯-৩০ বজাৰ পৰাই হোজাই চহৰত ধৰ্মীয় ধ্বনি শুনা যায়। দিনজোৰা বিভিন্ন স্থানৰ পৰা 'আল্লা হো আকবৰ" আৰু "বন্দে মাতৰম" ধ্বনি দিয়া শুনা যায়।

এই ধ্বনিৰ পৰিণতি স্বৰূপে আবেলি প্ৰায় সংঘৰ্ষৰ সৃষ্টি হয়। দা, যাঠি, ডেগাৰ জাতীয় চোকা অস্ত্ৰ আনকি গুলীও দূৰ্বৃত্তৰ দলে ব্যৱহাৰ কৰে, ফলস্বৰূপে পূৰ্বতে উল্লেখ কৰা ধৰণে নৃশংস ঘটনাবোৰ ঘটে। তাৰ পিছতহে নিশা প্ৰায় এক বজাত সৈন্য আহে। জানিব পৰা মতে সেই নিশা ৯-৩০ বজাৰ পৰা অঞ্চলটোত সান্ধ্য আইন জাৰি কৰে আৰু দেখা মাত্ৰেই গুলী কৰাৰ নিৰ্দেশ দিয়ে। পৰিস্থিতিৰ বিষয়ে জানিব পাৰি মুখ্যমন্ত্ৰীয়ে দিনৰ বাৰ বজাতে প্ৰধান মন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰীক টেলিফোন যোগে সৈন্য নিয়োগ কৰিবলৈ অনুৰোধ জনায়। কিন্তু মুখ্য কাৰ্যালয় ৰঙিয়াৰ পৰা সৈন্য যোৱাত পলম হোৱা বাবেহে ঘটনাই ভয়ানক ৰূপ লবলৈ পালে। প্ৰকৃততে ৰঙিয়াৰ পৰা হোজাইলৈ এখন গাড়ী যাবলৈ পাঁচ ঘণ্টা সময় লাগে। কিন্তু সেইদিনা সৈন্য বাহিনী গৈ পাওতে প্ৰায় আঠ ঘণ্টা সময় বেটিকৈ লয়। সৈন্য বাহিনীৰ এই বিলম্বৰ ৰহস্য এতিয়াও অবুজ সাঁথৰ হৈয়ে আছে। বৰ্তমান সান্ধ্যআইন অব্যাহত আছে আৰু নতুন ঘটনা ঘটাৰ বাতৰি পোৱা নাই।

চৰকাৰীভাবে হোজাই ডবকাত ৪৮ টা মৃতদেহ উদ্ধাৰ কৰা হৈছে বুলি ঘোষণা কৰিছে। অৱশ্যে মৃতকৰ সংখ্যা ৬০ৰ ওচৰ পাব বুলি স্থানীয় মহলে ক'ব খোজে। ৰাজ্যখনৰ ভিতৰতেই হোজাই ডবকা অঞ্চলটো আটাইতকৈ বেছি স্পৰ্শকাতৰ হৈ পৰিছে। এই এলেকাৰ লগতে ধুবুৰী, গোৱালপাৰা, তেজপুৰ, তিনিচুকীয়া আৰু বৰাক উপত্যকাত সৈন্য নিয়োগ কৰাত পৰিস্থিতিয়ে ভয়াবহ ৰূপ ল'ব নোৱাৰিলে। প্ৰাপ্ত সংবাদ মতে ধুবুৰীত ৭ জন লোকৰ মৃত্যু হৈছে। ইয়াৰে তিনিজন আৰক্ষীৰ গুলীত নিহত হয়। তিনিচুকীয়াত ভাৰতীয় জনতা পাৰ্টি আৰু বজৰং দলৰ সমৰ্থকক ছত্ৰভঙ্গ দিয়াবলৈ আৰক্ষীয়ে শূণ্যলৈ গুলীচালনা কৰাত দুজন আহত হয়। তেজপুৰৰ পাঁচ মাইলতো মন্দিৰ ভাঙিবলৈ অহা এটা দলৰ মাজত সংঘৰ্ষ হয়। ঢেকিয়াজুলিতো উত্তেজনা অব্যাহত আছে। তেজপুৰত এজন যুৱকৰ মৃত্যু হয়।

গুৱাহাটীত অ-বিজেপি আৰু বিজেপি দুয়োটা বন্ধৰে প্ৰভাৱ পৰে। বন্ধৰ সময়ছোৱাত খানাপাৰা, দীঘলীপুখুৰী পাৰ, মাছখোৱা, ভৰলুমুখ, জালুকবাৰী, মালিগাওঁ, ফটাশীল আমবাৰী আদিত যুৱকৰ দলে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰে। দুই সম্প্ৰদায়ৰ মাজত ঠায়ে ঠায়ে হতাহতি হয়। আনহাতে ৮ ডিচেম্বৰ ৯-৩০ বজাত কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচ ফৰ্চ আৰু সামৰিক বাহিনীয়ে ৰেল ষ্টেচনত তাণ্ডৱ লীলা চলায়। আৰক্ষীৰ এই দলটোৱে ৰেলগাড়ী নচলোৱাৰ বাবে ষ্টেচনৰ টিকট

কাউণ্টাৰ, তথ্যকেন্দ্ৰ, অনুসন্ধানকেন্দ্ৰ আদি ভাঙি পেলায়। মহানগৰীৰ লগতে ৰাজ্যখনৰ কেবাখনো জিলাত সমাজ বিৰোধী লোকে সুযোগ গ্ৰহণ কৰি লুটপাত কৰে। হোজাই-ডবকাকে ধৰি বিচ্ছিন্ন স্থানত সংঘটিত ধ্বংস কাৰ্য আৰু লুটপাত কৰাৰ ফলত প্ৰায় এক কোটিৰো অধিক টকা ক্ষতি হৈছে।

জানিব পৰা মতে ৰাজ্যখনৰ ১২ খন নগৰত বৰ্তমান সান্ধ্য আইন জাৰি কৰা হৈছে। বিশেষকৈ হোজাই, ডবকা, নগাওঁ, তেজপুৰ, ঢেকীয়াজুলি, ৰূপসী, বগৰীবাৰী, গোলকগঞ্জ, গৌৰীপুৰ, শিলচৰ, হাইলাকান্দি, গোৱালপাৰা, ধুবুৰী আদিত সান্ধ্য আইন দিয়া হৈছে। তেজপুৰৰ সান্ধ্য আইনৰ কবলত ছোলাবাৰী, চতাই চাপৰি, ওৰিয়ামগুৰি, তিনি মাইল, চাৰি মাইল, পাঁচ মাইল, আলি চিগা, পুৰণি আলিমুখ, টেঙাখুটি, টেঙাবস্তি, নপাম আদি এলেকাও পৰিছে। মুঠতে ৰাজ্যখনত দলীয় সংঘৰ্ষ আৰু আৰক্ষীৰ গুলীত প্ৰায় ১০৩ জন লোকৰ মৃত্যু হৈছে।

ইয়াৰোপৰি ৰাজ্যখনত প্ৰায় এক হেজাৰ সন্দেহজনক লোকক গ্ৰেপ্তাৰ কৰা হৈছে। সান্ধ্য আইন ভঙ্গ কৰাৰ অপৰাধত ৭৫ জন আৰু হাইলাকান্দিত ১৩৯ জনক কালি গ্ৰেপ্তাৰ কৰা হয়। সেনা বাহিনীয়ে কৰিমগঞ্জ আৰু বদৰপুৰত ফ্লেগ মাৰ্চ কৰে। হোজাই আৰু ডবকাৰ পৰা ৬০ জন গ্ৰেপ্তাৰ কৰা হৈছে। হোজাইত দুষ্কাৰ্যত জড়িত বাবে ১৫ জন আৰু সান্ধ্য আইন ভঙ্গ কৰাৰ বাবে ১২ জনক গ্ৰেপ্তাৰ কৰা হয়। ডবকাতো বাতৰি লিখা পৰলৈকে ১৬ জন লোকক গ্ৰেপ্তাৰ কৰা হয়। হোজাই আৰু ডবকাত ৩২০ টা ঘৰত অগ্নিসংযোগ কৰে। ইয়াৰোপৰি ৰাজ্যখনৰ অন্যান্য অঞ্চলত অগ্নিসংযোগ কৰা ঘটনাক ধৰিলে প্ৰায় ৪০০ টা ঘৰ ভস্মীভূত হোৱা বুলি ক'ব পাৰি। সৈন্য বাহিনীয়ে স্পৰ্শকাতৰ এলেকাত ফ্লেগমাৰ্চ কৰাত সংঘৰ্ষ হ্ৰাস পাইছে। অৱশ্যে আতঙ্ক আৰু উত্তেজনা অব্যাহত আছে। ইতিমধ্যে ডবকা, যমুনামুখ আৰু নগাঁৱত ৭৫ জনীয়া সৈন্যৰ এটা কলম আৰু হোজাইত দুটা কলম মোতায়েন কৰা হৈছে।

(১৩ ডিচেম্বৰ, ১৯৯২)



১৯৯১ চনৰ ২২ ফেব্ৰুৱাৰীৰ ৰাতিপুৱা ৰাজপথৰ ওপৰত অসম প্ৰদেশ কংগ্ৰেছ (ই) সমিতিৰ সাধাৰণ সম্পাদক মানবেন্দ্ৰ শৰ্মাক সন্দেহযুক্ত আলফাৰ সদস্যই গুলিয়াই হত্যা কৰে।

আল্লাহু আকবৰ আৰু জয়শ্ৰীৰাম ধ্বনিৰ মাজতেই হত্যা-লুটপাত

ধুবুৰীৰ সংঘৰ্ষত তেৰজনৰ মৃত্যু

সান্ধ্য আইনৰ কবলত ধুবুৰী চহৰ

❑ *ধুবুৰী*

"এটি বিশেষ ঘোষণা। আজি ৰাতিপুৱা আঠ বজাৰ পৰা দুই বজালৈ ধুবুৰী আৰু গৌৰীপুৰত বলবৎ থকা সান্ধ্য আইন শিথিল কৰি দিয়া হ'ল। এই সময়ছোৱাত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ কাৰ্যালয সমূহ খোলা থাকিব। অভ্যন্তৰীণ জল পৰিবহণো চলিব। ১৪৪ ধাৰা বলবৎ থকা হেতুকে পাঁচজন বা তাতোধিক ব্যক্তি ঘূৰি ফুৰিব নোৱাৰিব। উদ্দেশ্যবিহীন আৰু সন্দেহজনক ব্যক্তিৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱা হ'ব। অহা সাত দিনৰ বাবে জিলা দণ্ডাধীশে শিক্ষানুষ্ঠান সমূহ বন্ধৰ নিৰ্দেশ দিছে।" এইয়া ধুবুৰী জিলা প্ৰশাসনে মাইকযোগে বিগত ১৬ ডিচেম্বৰত কাহিলি পুৱাতে কৰা ঘোষণা। আঠ ডিচেম্বৰৰ বিয়লি এঘাৰ বজাৰ পৰা সান্ধ্য আইন বলবৎ কৰাৰ পাছত এঘাৰ ডিচেম্বৰৰ পৰা দিনৰ ভাগত কেইঘণ্টামানৰ বাবে শিথিল কৰি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

মাইকৰ ঘোষণাৰ পাছৰ পৰাই ধুবুৰী নগৰত সন্তৰ্পণে এজন দুজনকৈ মানুহ ৰাজপথলৈ ওলাই আহিছে। চিন্তাক্লিষ্ট মুখ মণ্ডল। পদে পদে বিপদৰ আশংকা। কাৰণ, সাম্প্ৰদায়িক সংঘৰ্ষৰ জুই নুমালেও

ধোঁৱা উৰি আছে। তীব্ৰ উত্তেজনা অব্যাহত। ধুবুৰী জিলা ভ্ৰমণ কৰাৰ সময়তো এই উত্তেজনাৰ উমান পোৱা গ'ল। কিয়নো, অগ্নিদাহৰ ফলত ভস্মীভূত হৈছে কেইবাখনো গাওঁ। সাম্প্ৰদায়িক সংঘৰ্ষৰ নামত দোকান আৰু পৰিয়ালৰ সৰ্বস্ব লুট কৰি নিছে। এই লুট ইমানেই দয়াহীন আৰু নৃশংস যে অন্ধ ভি খাৰীৰ পঁজাটোও আক্ৰমণ কৰি লুট কৰি নিছে। আনকি ছোৱালী বিয়া দিবলৈ ৰাখি থোৱা পোহনীয়া গৰু-ছাগলীও লৈ গৈছে। অগ্নিদাহ কৰা জুপুৰি কেইটাৰ পৰাও কেৰাহিকে ধৰি ভাত ৰন্ধা বাচন বৰ্তন আদিও লৈ গৈছে। এতিয়া ভস্মীভূত জুপুৰী স্থলিত মাটিৰ ভেটিটোৰ বাহিৰে একো নাই। দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা আক্ৰমণৰ বলি হোৱা এইসকল লোক এতিয়া ৰিক্ত, নিঃস্ব।

ধুবুৰী নগৰৰ সংঘৰ্ষৰ সূত্ৰপাত ঘটে আঠ ডিচেম্বৰত। কংগ্ৰেছ (আই) আৰু বাওপন্থী অৰ্থাৎ অ-বিজেপি ৰাজনৈতিক দলসমূহে দিয়া বন্ধৰ দিনাই সংঘৰ্ষৰ পাতনি মেলে। সেইদিনা বাবৰি মছজিদ একচন কমিটীয়ে "ক'লা দিৱস" পালন কৰা লৈয়ে আক্ৰমণৰ ঘটনা সংঘটিত হয়। ক'লা পতাকা উৰুৱা আৰু দোকান বন্ধক লৈ হোৱা বাদানুবাদৰ অজুহাতত আক্ৰমণৰ নামত ডকাইতি আৰু লুণ্ঠনৰ আৰম্ভণি হয়। পূৰ্ব পৰিকল্পিতভাবে নগৰখনৰ বিভিন্ন স্থানত ব্যাপক লুট আৰু অগ্নিসংযোগ ঘটনা ঘটে। নগৰখনত প্ৰথম আক্ৰমণটো হয় বজাৰ নগৰ আৰক্ষী চকীত। আৰক্ষী চকীত আক্ৰমণ কৰাৰ লগে লগে আৰক্ষীৰ লোক সকলে প্ৰতিৰোধ কৰাৰ সলনি পলাই পত্ৰং দিয়ে। সেই সময়ত দণ্ডাধীশ এন চক্ৰবৰ্তীও উপস্থিত আছিল। এঘাৰজন আৰক্ষীৰ লোক থকা নগৰ আৰক্ষী চকীত আধুনিক অস্ত্ৰ-শস্ত্ৰ নাই। ধুবুৰীৰ জুইশলা কাৰখানাৰ ওচৰতে অৱস্থিত আৰক্ষী চকীত এই আক্ৰমণৰ সময়ত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনে কৰ্তব্য পালনৰ বাবে বাহিৰলৈ ওলাই গৈছিল। দণ্ডাধীশে আৰক্ষী চকীৰ পৰা ওলাই আহি বিষয়া গৰাকীক ঘটনাৰ বিষয়ে অৱগত কৰে আৰু বিষয়াগৰাকীয়ে থানালৈ গৈ সশস্ত্ৰ আৰক্ষী দল এটা লৈ আহে। আৰক্ষীৰ দলে গুলী চালনা কৰাত আক্ৰমণকাৰীৰ দলটোৰ চুলেমান আলি নিহত আৰু এজন আহত হয়। আক্ৰমণকাৰী দলটোৱে আৰক্ষী চকীৰ ক্ষতিসাধন কৰে। ভাৰপ্ৰাপ্ত বিষয়াগৰাকীৰ মতে আক্ৰমণৰ সময়ত চাৰিওফালৰ পৰা হৈ-চৈৰ শব্দ শুনা যায়। আক্ৰমণটো সংঘটিত হয় ৰাতিপুৱা প্ৰায় ৭ বজাত। থানাৰ পৰা দলটো ওলাই আহি এ-এম-কোঃ পথৰ দাঁতিকাষৰীয়া দোকানসমূহত লুট কৰে। সোণাৰিৰ দোকানত লুট পাট কৰাৰ উপৰিও পথৰ কাষতে থকা কেইবাটাও পৰিয়ালৰ কাপোৰ আৰু অন্যান্য সামগ্ৰী লৈ যায়। ছয়টা কোঠাৰ এটি ডাঙৰ ঘৰো দলটোৱে পেট্ৰোল ঢালি ভস্মীভূত কৰে। ঘৰটোৰ গৰাকী বিশেশ্বৰ বজাকে কয় যে আঠ ডিচেম্বৰৰ দিনা প্ৰায় আঠ বজাত ঘৰটো জ্বলাই দিয়ে। অধীৰ কুণ্ডুৱে জনাই যে তেওঁৰ পৰিয়ালটোৰ ঘৰুৱা ব্যৱহৃত সামগ্ৰীবোৰ লৈ যায়। কেবাগৰাকী

প্ৰত্যক্ষদৰ্শীয়ে অভিযোগ কৰে যে এই আক্ৰমণকাৰী দলটোৰ লগত ৰাজ্যিক বিদ্যুৎ মন্ত্ৰী মহিবুল হকৰ ভাতৃ বাহাদুৰ হক আৰু খুলশালীয়েক কৰ্মীও জড়িত আছিল। আন এটি অভিযোগ মতে ৰাজ্যিক মন্ত্ৰী মহিবুল হকে ধুবুৰীত ৭ ডিচেম্বৰত উপস্থিত থাকি সাম্প্ৰদায়িক আক্ৰমণৰ বাবে উচটনি দিয়ে। উল্লেখযোগ্য যে শ্ৰীহকৰ বাসগৃহ এ-এম-কোঃ পথত ঘটা ঘটনাৰ সময়তে নগৰৰে নুনীয়া পট্টিতো আক্ৰমণ হয় তাতো মন্দিৰ আৰু দোকান জ্বলাই দিয়ে। ঠিক তেনেদৰে ৰাতিপুৱাৰ ভাগতে গাৰ্ড কলনীৰ বিশটা ঘৰত লুট-পাট কৰে। তাত থকা ৰেলৱেৰ কৰ্মচাৰীৰ চৰকাৰী আবাসতো ডকাইতি কৰে। নিউ গাৰ্ড কলনীৰ কাষতে থকা নিউ ঘাটতো এটি দলে চোকা অস্ত্ৰৰে আক্ৰমণ কৰে। আক্ৰমণৰ ফলত চাৰিজন লোকৰ মৃত্যু হয়। নিহত গঙ্গা নামৰ যুৱকজনে জুইশলা কাৰখানাটোত, বিচুৱা চৌহানে ভাৰতীয় খাদ্য নিগমত কাম কৰি আৰু নবল কিশোৰ শৰ্মাই টিউচন কৰি জীৱন নিৰ্বাহ কৰিছিল। শ্ৰীশৰ্মাই জুইশলা কাৰখানাৰ কৰ্মচাৰীৰ আবাসত টিউচন কৰি থাকোতে হত্যা কৰে। প্ৰত্যক্ষদৰ্শী কেবাগৰাকীয়ে অভিযোগ কৰে যে আক্ৰমণকাৰী দলটোত মানিক খান, হাৰুন খান, ৰতন খান, আকল বেপাৰী, ইয়াচিন মাষ্টৰ আদি লোকক দেখা যায়। আক্ৰমণকাৰী দলটো যোৱাৰ পাছতহে আৰক্ষীৰ দলটো উপস্থিত হয়। লুট-পাতৰ উপৰিও গোপাল ঘোষ আৰু মহাদেৱ সৰকাৰ গুৰুতৰভাবে আহত হয়। এ-এম-কোঃ পথত পৰ্কী শিৱ মন্দিৰটো ক্ষতি সাধন কৰাৰ লগতে নিউ ঘাটৰ মন্দিৰটোও ভস্মীভূত কৰে। নাথপাৰা-জগাপাৰাতো মন্দিৰ ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰে। তাৰ মাজতে জিলা কংগ্ৰেছ (ই)ৰ সভাপতি নাজিমুল ওমৰৰ ঘৰতো ধৰ্মীয় সংখ্যালঘুৰ দলটোৱে শিলগুটি দলিয়াই ক্ষতি সাধন কৰে।

নগৰখনত সংঘটিত এই বিক্ষিপ্ত ঘটনাবোৰ নিয়ন্ত্ৰণত জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসন সম্পূৰ্ণ ব্যৰ্থ হৈছে। আৰক্ষীৰ সূত্ৰ মতে এনে আক্ৰমণৰ কোনোধৰণৰ গুংসূত্ৰ চোৰাংচোৱা বিভাগে আগতীয়াকৈ পোৱা নাই। বিক্ষিপ্তভাবে আক্ৰমণ কৰা দলকেইটাত প্ৰায় পাঁচশৰ পৰা এহেজাৰজন ব্যক্তি থাকে। দলটো হাৱৰাপাৰাৰ দিশৰ পৰা আহে। আক্ৰমণৰ ধৰণৰ পৰা বুজা যায় যে দলটোৱে এই আক্ৰমণ পূৰ্ব পৰিকল্পিতভাবে কৰিছিল। ঘটনা সংক্ৰান্তত এতিয়ালৈকে ৪৫ জনক গ্ৰেপ্তাৰ কৰা হৈছে।

নগৰৰ উপৰি ধুবুৰী সমষ্টিৰ বিভিন্ন গ্ৰামাঞ্চলত আক্ৰমণ চলে। এটি উন্মত্ত দলে মহামায়া মন্দিৰ ধ্বংস কৰিবলৈ আহোতে সংঘৰ্ষৰ সৃষ্টি হয়। আক্ৰমণকাৰীৰ দলটোৱে স্থানীয় সাওতাল আৰু জনজাতি লোকে বাধা দিয়াত সংঘৰ্ষৰ সৃষ্টি হয়। প্ৰতিৰোধকাৰী দলে ধেনু কাঁড় মৰাৰ ফলত উন্মত্ত দলটো পলাই যায়।

সমষ্টিটোৰ কালাহাট বজাৰ, কচুয়াৰখাছ, বাজকাটলী আদি অঞ্চলত ব্যাপক হাৰত অগ্নিসংযোগ আৰু লুট-পাট হয়। প্ৰত্যক্ষদৰ্শীৰ বিবৰণি

মতে আৰেলিৰ পৰাই চাৰিওপিনৰ পৰা ধৰ্মীয় শ্লোগান শুনা বুলি জানিব পৰা যায়। এফালে আল্লাহু আকবৰ আৰু আনফালে বন্দে মাতৰম, জয় শ্ৰীৰাম ধ্বনি দিয়ে। তেতিয়া জনসাধাৰণ ভয়তে ত্ৰাসিত হৈ পৰে। কালাহাট বজাৰৰ অৱস্থাৰ বুজ লওঁতে দোকান আৰু পৰিয়ালৰ সা-সম্পত্তি লুট কৰা বুলি জানিব পৰা যায়। প্ৰত্যক্ষ কৰা মতে সুবল পালৰ মনোহাৰী আৰু পান দোকান, সুকুমাৰ, সৰকাৰৰ কাপোৰৰ দোকান, ৰাজেশ্বৰ ৰায়ৰ চাহ মিঠাইৰ দোকান, বিকাশ চন্দ্ৰ ৰায়ৰ বৈদুত্যিক আহিলা-পাণ দোকান, ৰাজেশ্বৰ ৰায়ৰ পান বিস্কুতৰ দোকান সম্পূৰ্ণৰূপে লুট কৰে। কালাহাট দূৰ্গা মন্দিৰ আৰু শিৱ মন্দিৰ আৰু কালাহাত সৎসঙ্গ কেন্দ্ৰত অগ্নিসংযোগ কৰি মূৰ্ত্তি আৰু সম্পদসমূহ লৈ যায়। তাতোকৈও চৰম পৰ্যায়ত উপনিত হৈ দলটোৱে গেলা মালৰ দোকান আৰু গৃহ লুট কৰি গৰাকী কাশীনাথ সৰকাৰক হত্যা কৰে। নিহত ব্যক্তিগৰাকীৰ ককায়েক নাৰায়ণ চন্দ্ৰ সৰকাৰে বৰ্ণনা দিয়ে এনেদৰে — "উৎকট চিঞৰ শুনি মই ভয় খাওঁ। তাৰ পাছত ঘৰৰ পৰা কিছু দূৰত ধোঁৱা দেখা পাও। তেতিয়াই পৰিয়াল সহ আমি আঁতৰলৈ পলাই যাওঁ। কিন্তু মোৰ ভাতৃ ঘৰৰ ভিতৰত থকাত দলটোৱে অস্ত্ৰেৰে আঘাত কৰে। এই কথা জানিব পাৰি ভাতৃ গৰাকীক গাঁৱলীয়া ঔষধ দিওঁ। ওচৰত চিকিৎসালয়ো নাই। তাৰ পাছত মহানন্দ ৰায়ৰ ঘৰলৈ নিয়া হয় আৰু তাতেই মৃত্যু হয়। দৰঙৰ হাসদহ চতুৰ্থ খণ্ডৰ ৰাজহ এলেকাত সংঘটিত এই ঘটনাৰ ফলত দুই লাখৰো অধিক টকাৰ ক্ষতি হয়।

কচুৱাৰখাছ প্ৰথম খণ্ডত ১৩ টা ঘৰত আৰু ৰাজকাটলীত ছয়টা পৰিয়ালৰ ঘৰত অগ্নিসংযোগ কৰে। জানিব পৰা মতে অমূল্য চন্দ্ৰ ৰায়, প্ৰভাত চন্দ্ৰ ৰায়, ললিতচন্দ্ৰ ৰায়, বিশ্বেশ্বৰ ৰায়, বঙ্কিম ৰায়, শঙ্কৰ ৰায়, ৰবীন্দ্ৰ নাথ ৰায়, প্ৰফুল্ল চন্দ্ৰ ৰায়, বিবেকানন্দ ৰায়, নলিনী কুমাৰ ৰায়, লাড্ড ৰায়, যোগেশ চন্দ্ৰৰায়, মুকুন্দ বৈষ্ণৱ, তীৰ্থবালা ৰায়, হলধৰ ৰায়, কৃষ্ণকান্ত ৰায়, শশধৰ ৰায়, খগেন ৰায়, সাবুৰাম ৰায়, কাবুৰাম ৰায়, বাবুৰাম ৰায়, তিও বালাৰায়, ভোলানাথ ৰায়, ৰমানাথ ৰায়, শিবুৰাম ৰায, ননীবালা ৰায়, খেদুৰাম ৰায়, সৰ্বানন্দ ৰায়, সূৰ্যকান্ত ৰায়, চৰকমমী বালাৰায়ৰ ঘৰত ব্যাপক হাৰত ডকাইতি হয়। ভাত ৰন্ধা বাচন-বৰ্তন, কাপোৰ, চিলাই মেচিন, কাঁহী-বাতি, ধান-চাউল, ঘড়ী, ৰেডিঅ' কিতাপ-পত্ৰ পৰ্যন্ত দলটোৱে লৈ যায়। এই আক্ৰমণত প্ৰায় দুই লাখ টকাৰ সম্পত্তিৰ ক্ষতি হয়।

গাওঁ পঞ্চায়তৰ সভাপতি মমিনুদ্দিন প্ৰধানীৰ বিৱৰণি মতে কচুৱাখাছাত শান্তি-সম্প্ৰীতিৰ বৈঠক বহি থাকোতেই অগ্নিসংযোগৰ ঘটনা ঘটে। আঠ ডিচেম্বৰৰ দিনা দিনৰ ১০-৩০ বজাত ধৰ্মশালা ব্লকৰ কাৰ্যালয়ত মৈঠক বহি আছিল। সেই সময়ত উন্মত্ত দল এটি ধৰ্মশালা বজাৰলৈ আহি থকা বুলি খবৰ পোৱা বাবে সভাখন সম্পূৰ্ণ নকৰি

সকলো গুলাই আছিল। হাওৰাপাৰ, আদাবাৰী আদি এলেকাৰ পৰা অহা উন্মত্ত দলটোক চিফ কাউন্সিলাৰে কাকুতি-মিনতি কৰি ঘূৰাই পঠিয়ায়। তাৰ পাছতে স্থানীয় ৰাইজ পুনৰ বৈঠকত মিলিত হয়। সেই সময়তে প্ৰায় হাজাৰজনীয়া দলটোৱে উভতি যাওঁতে চান্দখোলা বিল মীন সমবায় সমিতিৰ মূল কাৰ্যালয়ত অগ্নিসংযোগ কৰি বয়-বস্তু লৈ যায়। সমিতিখনৰ প্ৰায় দুই লাখ টকাৰ সম্পত্তি নষ্ট হয় বুলি সমিতিৰ সভাপতি সদানন্দ চৌধুৰীয়ে জানিবলৈ দিয়ে । এই ঘটনাৰ পাছত সন্ধিয়া প্ৰায় সাত বজাত উল্লেখিত লোকৰ ঘৰত অগ্নিসংযোগ আৰু ডকাইতি কৰে। দুৰ্বৃত্তৰ দলটোৰ সৈতে গাওঁৰক্ষী বাহিনীৰ লোক আৰু ধৰ্মশালা নিৰীক্ষণ চকীৰ বিষয়াৰ সৈতে মুখামুখিও হৈছিল। সেই সময়ত গাওঁৰক্ষী বাহিনীৰ লোকে গুলী কৰাৰ বাবে আৰক্ষীক অনুৰোধ জনায়। কিন্তু আৰক্ষীয়ে গুলী কৰাৰ অনুমতি নাই বুলি ৰাইজক সাৱধানে থাকিবলৈ কৈ পলায়ন কৰে। তেতিয়া ৰাইজেও ঘৰ-বাৰী এৰি পলাই যায। এই সময়তে দুৰ্বৃত্তৰ দলটোৱে অগ্নিসংযোগ আৰু লুট কৰে।

বিলাসীপাৰাৰ বগৰিবাৰীত উন্মত্ত জনতাৰ ভয়ত ৰাজ্যিক বিত্তমন্ত্ৰী আনোৱাৰ হুছেইনে পলাযন কৰে। ৯ ডিচেম্বৰত সংঘটিত সংঘৰ্ষৰ ফলত ১০৪টা ঘৰ ভস্মীভূত হয। আশীখন দোকান আৰু এটি ভৰ্‌ৰাল লুট হয়। ঘটনাৰ বিৱৰণিত প্ৰকাশ যে বগৰিবাৰীৰ ঘটনাসমূহ ৰাজ্যিক পৰিকল্পনা আৰু বিত্তমন্ত্ৰী আনোৱাৰ হুছেইনৰ সন্মুখতে সংঘটিত হয। ৯ ডিচেম্বৰৰ দিনা দিনৰ এঘাৰ বজাত মন্ত্ৰী গৰাকীয়ে বৈদ্যনাথ হোটেলত শান্তি-সম্প্ৰীতিৰ বাবে আলোচনা কৰি আছিল। তেনেতে প্ৰায তিনি হাজাৰলোকৰ এটি উন্মত্ত দল তীব্ৰ বেগে আগুৱাই আহে। এনে অৱস্থাত মন্ত্ৰী গৰাকীয়ে দলটোৰ মুখামুখি হয় আৰু বুজাবলৈ যত্ন কৰে। কিন্তু দলটোকে 'বলিয়ালি কৰি লাভ নাই' বুলিকৈ মন্ত্ৰীক অশালীন ব্যৱহাৰ কৰে। আনকি মন্ত্ৰীৰ লগত থকা প্ৰাক্তন বিধায়ক ইউচুফ আলিকো মাৰধৰ কৰে। মন্ত্ৰীৰ ভাগিনীয়েক নজৰুল ইছলামকো মাৰে। পশ্চিম পিনৰ পৰা মহামযা ধামলৈ অহা দলটোক মন্ত্ৰীয়ে বাধা দিবলৈ যত্ন কৰোঁতে পূব পিনৰ পৰা অহা দলটোৱে অগ্নিসংযোগ কৰে। জুই দেখি মন্ত্ৰীয়ে ভয় খায়। পৰিস্থিতি নিয়ন্ত্ৰণাধীন নেহোৱা দেখি মন্ত্ৰীয়ে দেহৰক্ষী সমন্বিতে সেই ঠাইৰ পৰা পলায়ন্ কৰ্ং হয়। উন্মত্ত দলটোৱে ব্যাপক হাৰত লুণ্ঠন চলি থকা সময়তে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, দণ্ডাধীশ ৰাজমহচক্ৰ বিষয়া আৰু বগৰিবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াও উপস্থিত আছিল। কিন্তু আৰক্ষীৰ শক্তিহীনতাৰ বাবে দলটোক নিয়ন্ত্ৰণ কৰাত লাজ লগাকৈ ব্যৰ্থ হয়। মন্ত্ৰী যোৱাৰ পাছত আৰক্ষীয়ে গুলীচালনা কৰাত এজনৰ মৃত্যু হয়।

ঘটনাৰ বিষয়ে চৰ আৰক্ষী নিৰীক্ষণ কেন্দ্ৰৰ পৰা ১১-৪৫ বজাতে দুৰ্বৃত্তৰ দলটোৰ আক্ৰমণৰ সম্ভাৱনাৰ বিষয়ে থানাক জনাইছিল।

তৎসত্ত্বেও কোনো ব্যৱস্থা প্ৰশাসনে ল'ব নোৱাৰিলে। স্থানীয় সূত্ৰ মতে ৭ ডিচেম্বৰতে আমবাৰীত ধৰ্মীয় সংখ্যালঘু লোকৰ দ্বাৰা শান্তি-সম্প্ৰীতিৰ এখনি বৈঠক বহে। তাতেই এই আক্ৰমণৰ বিষয়ে আলোচনা হোৱা বুলি অভিযোগ উঠিছে। দুষ্কৃতিকাৰী দলটোৱে বিশেষকৈ আবাহি আনী, আণ্ডাৰকাটা, চাতাগুৰি, মণিপুৰ, জকৰাবন্দিহানা আদি এলেকাত আক্ৰমণ কৰে। আবাইআনী কালী মন্দিৰটো জ্বলাই দিয়াৰ লগতে ইটাৰ ভাটা, মৰাপাটৰ গুদাম আদিত অগ্নিসংযোগ কৰে । আনকি ভাতবন্ধা বাচন আৰু পোচক-পৰিচ্ছদো লৈ যায়।

গোলোকগঞ্জতো দোকান-ঘৰত অগ্নিসংযোগ কৰে। বিলাসীপাৰা থানা এলেকাত ৮ ডিচেম্বৰত বন্ধ পালন হয় আৰু ৯ ডিচেম্বৰতে এই বন্ধ পালন হোৱাৰ সময়তে হুলস্থুল হয়। ৯ ডিচেম্বৰত বিদ্যালয়ৰ পৰীক্ষা বন্ধ নোহোৱালৈ দুটা দলৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। সংঘৰ্ষত পাঁচজন আহত হয়। দক্ষিণ গেৰামাৰীৰ সংঘৰ্ষৰ ফলত খুদিৰাম বিশ্বাস নামৰ এজন লোক গুৰুতৰ ভাবে আহত হয়।

এনেদৰে সংঘটিত সংঘৰ্ষৰ মাজতে দুটি মৃতদেহ উদ্ধাৰ কৰা হয়। প্ৰত্যক্ষদৰ্শীৰ মতে বি-এন মহাবিদ্যালয়ৰ দিলৱাৰ হুছেইন (আগমণি) আৰু আব্দুল ছাত্তাৰ (ফকিৰাগ্ৰাম) নামৰ দুজন ছাত্ৰৰ মৃতদেহ পোৱা হয়। আন এজন এঘাৰ বছৰীয়া কিশোৰৰ মৃতদেহ পোৱা যায়। আখিৰু জামানকে ধৰি আবাইআনীৰ যুৱতী বৰ্ণালী মণ্ডল আৰু ভেকোলা বৰ্মনৰ গাভৰু জীয়ৰী এজনী সন্ধানহীন হৈ আছে। প্ৰাপ্ত সংবাদ মতে এতিয়ালৈ ধুবুৰী সমষ্টিত ১৩ গৰাকী ব্যক্তিৰ মৃত্যু হৈছে। ইয়াৰ উপৰি ধুবুৰী-বাংলাদেশ সীমান্তত উত্তেজনাপূৰ্ণ পৰিস্থিতি অব্যাহত আছে। যোৱা ১৫ ডিচেম্বৰত সীমান্ত নিৰাপত্তা বাহিনীয়ে সীমান্তত গুলী চালনা কৰে বুলিও জানিব পৰা গৈছে। সীমান্তবৰ্তী স্পৰ্শকাতৰ অঞ্চলত এনে প্ৰশাসনহীন পৰিবেশৰ সৃষ্টি হৈ থাকিলে; ৰাজ্যখনৰেই স্থিৰতা সন্দৰ্ভত অনিশ্চয়তাই দেখা দিব।

শেহতীয়াভাবে ধুবুৰী সমষ্টিত ৰাজনৈতিক নেতা আৰু মন্ত্ৰীৰ হেতা-ওপৰা দেখা গৈছে। ৬০ শতাংশৰো অধিক ধৰ্মীয় সংখ্যালঘুৰ বসতিস্থলী বাবে ৰাজনৈতিকভাবে সমষ্টিটোত আটাইকেইটা দল বিশেষকৈ কংগ্ৰেছ (ই) আৰু বিজেপিৰ লক্ষ্য হৈ পৰিছে। আনহাতে, স্বাধীনোত্তৰ কালছোৱাৰ ভিতৰত প্ৰথমবাৰৰ বাবে ধুবুৰী সমষ্টিত (সংখ্যালঘু ৬০ শতাংশ সত্ত্বেও) এগৰাকী ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ ব্যক্তি বিধায়ক হিচাপে নিৰ্বাচিত হৈছে। সেয়েহে বিজেপিৰ ধুবুৰীৰ বিধায়ক ধ্ৰুৱকুমাৰ সেন আৰু বিজেপিৰ অন্যান্য বিষয়ববীয়া সকল ব্যস্ত হৈ পৰিছে। আনহাতে মন্ত্ৰী জেহিৰুল ইছলাম, আফজালুৰ ৰহমান, নগেন নেওগ আৰু ইছমাইল হুছেইনে ধুবুৰী আৱৰ্ত ভৱনত বাহৰ পাতি আছে। ধৰ্মীয় সংখ্যালঘু অধ্যুষিত সমষ্টিটোত কংগ্ৰেছ (আই)

যেনেদৰে ব্যস্ত হৈ পৰিছে, বিজেপিৰ সভাপতি সম্পাদকৰ নেতৃত্বত ভ্ৰমণ কৰা দলেও সহানুভূতি জনাই ফুৰিছে। এই প্ৰতিবেদনকেই সমষ্টিটো বুলি সাম্প্ৰদায়িক জুই নুমুৱা দেখিলেও ধোঁৱা উৰি থকা অৰ্থাৎ উত্তেজনা অব্যাহত থকা বুলি ধাৰণা কৰে। সংসদ সদস্য সন্তোষ মোহন দেৱেও ঘটনাৰ বুজ লৈ গৈছে। হোজাই-ডবকা আৰু ধুবুৰীৰ ঘটনাৰ বৈশিষ্টপূৰ্ণ পাৰ্থক্য এয়ে যে হোজাইত আক্ৰমণকাৰীয়ে মানুহ হত্যা কৰিছে আৰু ধুবুৰীত ব্যাপক হাৰত লুণ্ঠন কাৰ্য চলাইছে। কিন্তু প্ৰশ্নটো হ'ল যে ৰাজনৈতিক কুচ-কাৱাজে সংঘৰ্ষত জৰ্জৰিত সকলোৰে শান্তি আৰু নিৰাপত্তা কাঢ়িয়াই আনিবনে? উন্মত্ত জনতাৰ দলে যেনেদৰে নিঃস্ব পৰিয়ালকেই আক্ৰমণ আৰু লুট কৰিলে ঠিক তেনেদৰে ৰাজনৈতিক ঘটনাৰ প্ৰতিক্ৰিয়াক নিজৰ পিনে ব্যৱহাৰ কৰাৰ সুযোগ উলিয়াব। সেয়েহে এই কথাই মনত ৰখা উচিত যে মন্দিৰ-মছজিদৰ ৰাজনীতিৰ সৈতে জড়িত নথকা সকলেহে সকলো দিশতে সকলো পক্ষৰে পৰা আক্ৰমণৰ সন্মুখীন হৈছে। (২০ ডিচেম্বৰ, ১৯৯২)

টিঙৰ পৰা অপহৰণ কৰি নিয়া এন-এছ-ইউ-আইৰ প্ৰচাৰ সম্পাদক প্ৰদীপ ঠাকুৰীয়া, কনক ডেকা, আৰু দীপক পাঠকক আলফাই হত্যা কৰে। ২৭ জুলাইৰ দিনা (১৯৯১) পশ্চিম উপৰ বৰভাগ মণ্ডল কংগ্ৰেছ (ই) ৰ সভাপতি ইছলাম শইকীয়াক হত্যা কৰে। সাত জুলাইৰ দিনা নলবাৰীৰ ধমধমাৰ পৰা অপহৰণ কৰা মধ্যম বাস্কা যুবক কংগ্ৰেছ (ই) সমিতিৰ সভাপতি নকুল দাস আৰু ৩নং মধ্যম বাস্কা মণ্ডল কংগ্ৰেছ (ই) সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক ইয়াচুদ আলিৰ মৃতদেহ উদ্ধাৰ কৰা হয়। দুলোজনকে চোৰাংচোৱাগিৰি কৰাৰ অভিযোগত আলফাই হত্যা কৰে।

১৯৯৪ চনৰ পোন্ধৰ জুলাইৰ দিনা আলফাৰ সদস্য তৌফিল আহমেদ, স্থানীয় যুৱক ছাত্তাৰ বৰভূঞাক নিৰ্মমভাবে মাৰধৰ কৰে। অভিযোগ অনুসৰি কামপুৰৰ তৌফিল আহমেদ আৰু ডবকাৰ চন্দনপুৰ আত্মসমৰ্পণকাৰী আলফা আৰু সেনাই ২৬ জুলাইত হত্যা কৰে। দলটোৱে চন্দনপুৰৰ-নুৰুদ্দিন লস্কৰ নামৰ ছাত্ৰ এজনক গোলামাৰ দোকানৰ পৰা চোঁচৰাই ৰাস্তাত গুলিয়াই হত্যা কৰে।

শোণিতপুৰ জিলাৰ আৰক্ষী অধীক্ষকৰ আমন্ত্ৰণক্ৰমে চৰকাৰী বাসভৱনত ১৯৯৪ চনৰ ১৭ জুলাইত উপস্থিত হয় যুৱ ব্যৱসায়ী বিশ্বজিৎ ৰৰা। সেই দিনাৰ পৰা নিৰুদ্দেশ হৈ থকা বিশ্বজিৎ ৰৰাৰ (৩২) গলিত মৃতদেহ বাইশ জুলাইৰ দিনা কলিয়াভোমোৰা দলঙৰ ৮ আৰু ৯ নং খুটাৰ মাজৰ অংশত ব্ৰহ্মপুত্ৰৰ বালিচৰত পৰিত্যক্ত অৱস্থাত পোৱা হয়।

বাইহাটাক কেন্দ্ৰ কৰি খণ্ডযুদ্ধ



❑ *ক'লাজল*

নম্বৰ প্লেটহীন বগা মাৰুতীৰ সঘন যাতায়তে বাইহাটাবাসীক আতংকিত কৰি তুলিছে। ত্ৰাস আৰু শংকাই জনজীৱনৰ স্বাভাৱিক গতি ব্যাহত কৰিছে । বিগত ১ ছেপ্তেম্বৰত জনপ্ৰিয় আত্মসমৰ্পণকাৰী আলফা সদস্য যোগেশ ডেকাৰ হত্যাকাণ্ডৰ পিছৰে পৰাই উত্তেজনাই চৰম বিন্দু লাভ কৰে। প্ৰতিশোধৰ জ্বালাত কামৰূপ বহুমুখী সমবায় সমিতিৰ সৈতে জড়িত আত্মসমৰ্পণকাৰী আলফাৰ সদস্যসকল জাঙুৰ খাই উঠিল। ঘোষিত হ'ল, শেষ সময়-সীমা বাৰ ছেপ্তেম্বৰ। আৰম্ভ হ'ল— আলফা আৰু আলফাৰ উগ্ৰসমৰ্থক অতিবিপ্লৱী কেইজনৰ বিৰুদ্ধে প্ৰতিশোধ অভিযান।

অথচ "শেষ-সময়সীমা" অতিক্ৰম নোহোৱা সত্বেও হত্যাৰ সংবাদে পুনৰ আতংকিত কৰি তুলিলে। শ্বাসৰুদ্ধ হৈ পৰিল "ক'লাজল" নামৰ বাইহাটাৰ গাঁৱখনি। যোৱা আঠ ছেপ্তেম্বৰৰ দিনা দিনৰ পোহৰত মুকলিভাবে নিৰীহ যুৱক কেশৱ বৈশ্যক হত্যা কৰিলে। আলফা-চালফাৰ যুদ্ধখনত বলি হ'ল, ক'লাজলৰ সাংস্কৃতিক ক্ষেত্ৰৰ যুৱকৰ্মী কেশৱ বৈশ্য। এনেদৰে দুই ম'হৰ যুঁজত বিৰিণা মৰাৰ লেখীয়া কেশৱ বৈশ্যৰ থিতাতে মৃত্যু হ'ল।

কামৰূপ জিলাৰ বাইহাটা চাৰিআলি যাতায়তৰ এক সংযোগ স্থল। বাইহাটা আৰু বাইহাটা চাৰিআলিৰ দূৰত্ব প্ৰায় তিনি কিলোমিটাৰ। প্ৰায় মধ্য স্থানত ক'লাজল গাঁৱখনি। ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথটোৰ পৰা সোঁহাতে প্ৰবেশ কৰিলেই ক'লাজল। ৰাষ্ট্ৰীয় পথটোৰ পৰা ক'লাজললৈ প্ৰবেশ কৰা পথটোৰ সংযোগস্থলক "ক'লাজল চ'ক" নামে জনাজাত। তাৰ পৰা প্ৰায় ডেৰ কিলোমিটাৰ গ'লে কেশৱ বৈশ্যৰ বাসগৃহ বৰহাটাৰ "বৈশ্য-চুবুৰী" পোৱা যায়। ক'লাজলৰ পৰা এই হৰদত্ত-বীৰদত্ত পথটোৰে "গড়মৌ"লৈ যাব পাৰি।

ঘটনাৰ বিবৰণি দি নিহত কেশৱ বৈশ্যৰ ভাতৃ লক্ষ্যধৰ বৈশ্যই ঘটনাৰ বিবৰণি দিয়ে এনেধৰণে, "আগনিশা অৰ্থাৎ সাত ছেপ্তেম্বৰৰ নিশা মইও গাঁৱত পহৰা দিছিলো। ব্যৱসায়ী শংকৰ মালীৰ ঘৰত ভাত খাইছিলো। আবেলি ৩-১৫ বজাত আহি চাইকেলখন শংকৰৰ ঘৰৰ পকী বাৰান্দাত থ'লো। তাৰ পিছত নিজৰ দোকান "হেমন্ত বস্ত্ৰালয়"ত থ'লো। পেটৰ অসুখ বাবে দোকানত সোমায়েই তলা মাৰিলো। তেনেতে সৰু ভাই কেশৱ আহিল। সিও চাইকেল থ'লে। খঙৰ টেমা এটা কিনিবলৈ বজাৰলৈ আহিছিল। কাৰবৰ চাহ দোকানত চাহ খাও বুলি সোমালো। তাৰ পিছত কি হ'ল একো গম নাপালো। মোৰ মগজুটো

পথম হৈছে। কি কওঁ ঠিকনা নাই। আপুনি আমক সোধক। মোৰ ভাতৃক হত্যা কৰিলে। চাৰিবছৰীয়া শিশু এটা আছে। মোৰো আছে। সিহঁতে মোকো হত্যা কৰিব। মোক হত্যা কৰিলে ঘৰখন কেনেকৈ চলিব?"

চকুৰ আগতে নিজৰ ভাতৃক হত্যা কৰা বাবে লক্ষ্যধৰ বৈশ্যও বাকৰুদ্ধ হৈ পৰিছে। অস্থিৰ হৈ পৰিছে। শাৰীৰিক আৰু মানসিকভাবে আতংকত ভাগি পৰিছে।

ঘটনাস্থলৰ সন্মুখৰ চন্দ্ৰমা চাইকেল ষ্টোৰৰ ককণা ডেকাই কয়, "তেওঁলোকে 'চিনাকি হোটেল'ত চাহখাই আছিল। হুৰ-মুৰকৈ তিনিখন মাৰুতী আহিল। তিনিফালে তিনিখন বৈ গ'ল। এখন হোটেলৰ সন্মুখতে ৰ'ল। যাতে কোনোৱে ওলাই যাব নোৱাৰে। গাড়ীৰ পৰা নামিয়েই ধৰ-ধৰ, মাৰ-মাৰ বুলি চিঞৰি উঠে। আতংকত চ'কটোৰ মানুহ কঁপি উঠিল। প্ৰায় ১৫ জন মান যুৱকে অসামৰিক পোছাকত আক্ৰমণ কৰে। হাতে হাতে ৰিভলভাৰ। ওচৰৰ মানুহক যিয়ে য'ত আছে তাতেই লৰ-চৰ নকৰাকৈ থাকিবলৈ নিৰ্দেশ দিয়ে। শব্দ শুনি চাব অহা বাবে হাফিজ আলিকো মাৰধৰ কৰে। ভয়ত চাহ দোকানৰ গিলাচ ধোৱা খিৰিকিখনেৰে কেশব বৈশ্য আৰু দোকানৰ দহ বছৰীয়া কৰ্মচাৰী টংকেশ্বৰ মালিয়ে জাপ মাৰি আত্মৰক্ষাৰ চেষ্টা কৰে। চাহ দোকানৰ পিছফালে এটা পুখুৰী থকা বাবে দুয়ো তাতেই পৰে। অভাবনীয় পৰিস্থিতিত সকলোৱে স্তব্ধ হৈ পৰে। উকা গুলিৰ শব্দ শুনা যায়। পুখুৰীৰ পৰা দুয়োকে উঠি আহিবলৈ নিৰ্দেশ দিয়ে। কিন্তু ভয়তে উঠি নাহিল। পিছত তিনিজাই গুলিৰ শব্দ শুনা যায। আমি দূৰৰ পৰা পুখুৰীৰ পানীত ঢৌ দেখা পাও। আৰক্ষীৰ পোচাকতো দুজনক দেখা পাওঁ। কেশবৰ গুলিত মৃত্যু হয। টংকেশ্বৰক টানি তুলি নি থানাত চমজাই দিয়ে।

প্ৰত্যক্ষদৰ্শীৰ মতে ঘটনাস্থলীৰ পৰা টংকেশ্বৰ বৈশ্য, সতীশ বৈশ্য, সুৰেণ বৈশ্য, লক্ষ্য ডেকা, হিতেশ বৈশ্যক আত্মসমৰ্পণকাৰী আলফা সদস্যই ধৰি লৈ যায। ঘটনাটো ঘটে আবেলি প্ৰায় ৩-৩০ বজাত।

ধনজ্যোতি ষ্টোৰৰ ৰামচন্দ্ৰ দাসে কয় যে, যোৱা পাঁচ ছেপ্তেম্বৰৰ নিশা ৯-৪৫ বজাত আত্মসমৰ্পণকাৰী আলফা সদস্য ক'লাজললৈ আহে। চ'কত থকা এজুম যুৱকক মাৰধৰ কৰে আৰু কাণত ধৰি উঠা বহা কৰায়।

সেই নিশা 'চিনাকি হোটেল''খন খুলিবলৈ প্ৰোপাইটৰ ধ্ৰুবজ্যোতি দাসক নিৰ্দেশ দিছিল। কিন্তু ভয়তে তেওঁ দোকান নুখুলিলে। আনকি সেইনিশাৰ পৰা ধ্ৰুবজ্যোতি দোকানত উপস্থিত নাই। দোকানখন তেওঁৰ বন্ধু লক্ষ্য ডেকা আৰু ঘৰত কাম কৰা বাপন দাস নামৰ যুৱকজনেহে খোলে। এই দোকানখন পূৰ্বতে আলফাৰ যোগাযোগৰ কেন্দ্ৰ আছিল বুলি সন্দেহ কৰা হয়।

কৃষক ৰমেশ বৈশ্যৰ বৰ্ণনা এনেধৰণৰ, মোৰ ল'ৰা মণি বৈশ্যই বহুমুখী সমবায় সমিতিত কাম কৰিছিল। তাকো যোগেশ ডেকাৰ হত্যাকাণ্ডত জড়িত বুলি গ্ৰেপ্তাৰ কৰিছে। আঠ ছেপ্তেম্বৰৰ দিনা ৰাতিপুৱাই

নলবাৰীলৈ যাব আহিলো। ক'লাজলৰ হেমন্ত বস্ত্ৰালয়ত কেশৱ বৈশ্য আছিল। এশ টকীয়া নোটখন খুচুৰা কৰি পঞ্চাশ টকা কেশৱৰ হাতত থৈ নলবাৰীলৈ গ'লো। তাৰ পৰা আহি হেমন্ত বস্ত্ৰালয়ত লগ পালো কেশৱৰ ককায়েক লক্ষ্য বৈশ্যক। লক্ষ্যই মোক পঞ্চাশ টকা দিলে। কাৰণ কেশৱে টকা পঞ্চাশটা লক্ষ্যক দিব কৈ গৈছিল। টকা লোৱাৰ সময়লৈ ঘটনাটো ঘটা নাছিল। তাৰ কন্তেক পিছতেই অভাবনীয় ঘটনাটো ঘটে।

এনেদৰে নিহত হ'ল কেশৱ বৈশ্য। যিদিনাখনৰ পৰা নাটৰ আখৰা আৰম্ভ কৰা কথা আছিল; সেইদিনাই বলি হ'ল অভিনয়প্ৰিয় কেশৱ বৈশ্য। ২৭ বছৰীয়া যুৱকজনে গুৱাহাটীৰ চান্দমাৰীস্থ গড়কাপ্তানি বিভাগত "চকিদাৰ" হিচাপে চাকৰি কৰিছিল। মৃত্যুৰ সময়ত পত্নী অনিমা বৈশ্য আৰু চাৰিবছৰীয়া পুত্ৰ হিমাংশু বৈশ্যক এৰি থৈ যায়। বাসগৃহত এক কৰুণ পৰিবেশ বিৰাজমান। পত্নীয়ে ভাত খাব পৰা নাই। ক্ৰন্দনত বাউলি হৈ পৰিছে। ঔষধ খুৱাইও শৰীৰৰ অৱস্থা সুস্থ কৰিব পৰা নাই। শিৰৰ সেন্দুৰ মচ যোৱা অনিমা শুকাই হাড়-ছালত লাগিছে। একমাত্ৰ পুত্ৰ হিমাংশুৱে কৌতুহলেৰে উপস্থিত মানুহক চাইছে। একো বুজিব পৰা নাই। অবোধ এই বালকজন আৰু দুৰ্ভগীয়া পত্নী গৰাকীৰ দায়িত্ব এতিয়া কোনে ল'ব? পৰিয়ালৰ এই প্ৰশ্নটোৰ উত্তৰ কিন্তু কোনোৱে দিব পৰা নাই।

এই প্ৰতিবেদকৰ সন্মুখত নিহত কেশৱ বৈশ্যৰ মাতৃয়ে কান্দি কান্দি কয়— "মই সকলোকে নমস্কাৰ জনাইছো। এটা ল'ৰা মৰিলে। আনটোক যাতে নামাৰে। কেশৱৰ ফটোখন মই কাকো দিয়া নাই। ফটোখনতেই মুখখন চাই থাকিম।" ৫৮ বছৰ বয়সীয়া পিতৃয়ে কয়, "মই শাস্ত্ৰত বিশ্বাস কৰো। পুত্ৰক হত্যাৰ ঘটনাটোৱে মোক চৰম আঘাত দিছে। ভগবানক বিচাৰৰ বাবে কৈছো। দিন কাল বেয়া হ'ল। শাস্ত্ৰৰ মতে কলি যুগত এইবোৰ হ'বই। অমানুহ মানুহ হ'ব। অৰাজকতা, কটা-কটি, মৰামৰি হ'ব। ভগবানে ৰক্ষা . কৰিলে আমাক ৰক্ষা কৰোতা নাই।"

বাইহাটা চাৰিআলিৰ যোগেশ ডেকাৰ হত্যাকাণ্ডৰ দৰে কেশৱ বৈশ্যৰ হত্যাকাণ্ডত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আত্মসমৰ্পণকাৰী আলফা সদস্যৰ গুলিত নিহত হোৱা এই ঘটনাটোৱে বিতৰ্কৰ সৃষ্টি কৰিছে। আত্মসমৰ্পণকাৰী আলফা সদস্য সুনীল নাথ আৰু কমলজ্যোতি নেওগৰ বিবৃতি মতে তেওঁলোকে কমলপুৰ অভিমুখে আহি থাকোতে ক'লাজল চ'কত কিছু সংখ্যক আলফা সদস্যই আক্ৰমণ কৰে। তেতিয়া আত্মসমৰ্পণকাৰীৰ দেহৰক্ষীয়ে গুলি চালনা কৰে। সেইমতে জ্যেষ্ঠ আৰক্ষী বিষয়া উপস্থিত হোৱাত আলফা সদস্য কেইজন পলাই যায়। বিবৃতিটোত তেওঁলোকৰ হাতত কোনো অস্ত্ৰ নাছিল বুলি জনায়। আৰক্ষীৰ পৰাহে কেশৱ বৈশ্যৰ মৃতদেহ পুখুৰীত পোৱা বুলি জানিব পাৰে। জ্যেষ্ঠ আৰক্ষীৰ বিষয়া গৰাকীৰ মতে তেওঁৰ দেহৰক্ষীৰ গুলিত কেশৱ

বৈশ্যৰ মৃত্যু হয়। এনে পৰস্পৰ বিৰোধী মন্তব্যৰ প্ৰতি লক্ষ্য ৰাখি তিনিওটা হত্যাকাণ্ডৰ তদন্ত আৱশ্যক হৈ পৰিছে।

প্ৰত্যক্ষদৰ্শীৰ মতে হত্যাকাণ্ড আত্মসমৰ্পণকাৰী আলফা সদস্যৰ দ্বাৰা সংঘটিত হৈছে। জীয়াই থকাৰ তাড়ণাত পুখুৰীত জাপ মৰা কেশৱ বৈশ্যক পুখুৰীত হত্যা কৰা হয়। এই ঘটনাৰ পিছত আত্মসমৰ্পণকাৰী আলফা সদস্যই নম্বৰ প্লেটহীন গাড়ীৰে সঘনে ৰাইহাটা ভ্ৰমণ কৰি আছে। পূৰ্বতে সদস্যসকলে আশ্ৰয় গ্ৰহণ কৰা পৰিয়ালসমূহলৈ গৈ সোধ-পোছ কৰি আছে। যোগেশ ডেকাৰ হত্যাকাৰীক ধৰিবলৈ যধেমধে সন্দেহযুক্ত ব্যক্তিক হাৰাশাস্তি কৰি আছে। গোপন সূত্ৰৰ মতে আলফাৰ সদস্যসকলেও আত্মসমৰ্পকাৰীক হত্যা কৰিবলৈ কৌশল ৰচনা কৰিছে। তাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল, দুয়োপক্ষই দুয়োপক্ষৰ কৌশল আৰু অভিযানৰ বতৰা পাই থাকে। ইয়াৰ অৰ্থ এয়ে যে দুয়োপক্ষতে এনে কেতবোৰ সদস্য আছে, যিসকলে দুয়োপক্ষৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি আছে। ফলত কোন মুহূৰ্তত ৰক্তাক্ত পৰিস্থিতিৰ পুনৰাবৃত্তি ঘটে তাৰ ঠিকনা নাই।

ৰাইহাটাৰ যোগেশ ডেকাৰ হত্যা আলফাৰ দ্বাৰা কৰা হৈছে বুলি সমবায় সমিতিৰ সুনীল নাথ আৰু কমলজ্যোতি নেওগে অভিযোগ কৰিছে। সেই অভিযোগ আলফাই নাকচ কৰে। তাৰ পিছতেই আত্মসমৰ্পণকাৰী নেতাদ্বয়ে পুনৰ প্ৰত্যাহ্বান জনাই কৈছে যে, অমূল্য কলিতা, দীপক ভৰালী, যোগেশ্বৰ ডেকা ওৰফে অশান্ত হাজৰিকা ওৰফে সাগৰ কলিতা, দিবাকৰ দাস ওৰফে কবুল হাজৰিকা আৰু প্ৰদীপ দাস নামৰ আলফা সদস্যকেইজনে আত্মসমৰ্পকাৰী আলফা সদস্য তথা কামৰূপ বহুমুখী সমবায়ৰ ৰাইহাটা চাৰিআলিৰ বিষয়ববীয়া যোগেশ ডেকাক হত্যা কৰিছে। ইতিমধ্যে আত্মসমৰ্পণকাৰীৰ ওচৰত চাৰিজন সদস্যই আত্মসমৰ্পণ কৰা বুলি বাতৰি প্ৰচাৰ হৈছে। কিন্তু এই আত্মসমৰ্পণকাৰীসকল অভিযুক্ত হত্যাকাৰী নহয়।

আৰক্ষীৰ সূত্ৰ মতে কেশৱ বৈশ্যৰ হত্যাৰ সময়ত আটক কৰা যুৱকৰ স্বীকাৰোক্তিৰ পৰাই অপহৃত ৰাম অৱতাৰ আগৰৱালাক উদ্ধাৰ কৰে। আগৰৱালাক আটক কৰি ৰখা আলফা সদস্য দুৰ্গেশ্বৰ ৰাজবংশী ওৰফে দিগন্ত চৌধুৰী আৰু আনন্দৰাম ডেকাক গ্ৰেপ্তাৰ কৰে। উদ্ধাৰ কাৰ্যত ইউ-এছ-এ কাৰ্বাইন, ২২ ৰাউণ্ড গুলি আৰু এটা দেশীয় গ্ৰেণেড উদ্ধাৰ কৰে।

যোগেশ ডেকাৰ আদ্য শ্ৰাদ্ধ ১৩ ছেপ্তেম্বৰত হৈ যায়। আৰু কেশৱ বৈশ্যৰ আদ্যশ্ৰাদ্ধ ১৯ ছেপ্তেম্বৰত হ'ব। অঞ্চলটোত সৃষ্টি হোৱা নিৰাপত্তাহীনতাত বিধায়ক হিতেশ ডেকা আৰু প্ৰাক্তন বিধায়ক মফিদুল ইছলাম বৰাই উদ্বেগ প্ৰকাশ কৰে আৰু হত্যাকাণ্ডক গৰিহণা দিয়ে। অগপৰ বিষয়ববীয়া কৃষ্ণ পাটোৱাৰীয়ে শান্তিৰ স্বাৰ্থত সন্ত্ৰাসৰ বিৰুদ্ধে ৰাইজে প্ৰতিৰোধৰ ব্যৱস্থা লোৱাৰ সম্ভাৱনীয়তা ব্যক্ত কৰে।

ৰাইহাটাৰ ঘটনাসমূহ আথৰাহে। আথৰাৰ এই সূচনাৰ পিছত শাৰদীয় উৎসৱৰ পৰা সমগ্ৰ ৰাজ্যতে খণ্ড-যুদ্ধৰ সম্ভাৱনাই দেখা দিছে।

(১৫ ছেপ্টেম্বৰ, ১৯৯৩)

এক লক্ষ গৃহত্যাগ ঃ নিহত ৯০ জন

বৰ্বৰ আক্ৰমণৰ পৰা অবোধ শিশুও সাৰি যোৱা নাই।

❑ *আমটেকা*

শোকবিহ্বল হৈ পৰিছে ঘটনাস্থলী আৰু আৰু দাঁতিকাষৰীয়া অঞ্চল। বঙাইগাঁও আৰু কোকৰাঝাৰ জিলাৰ সীমাই বিভক্ত কৰিলেও আক্ৰমণৰ ঘটনা সংঘটিত হৈছে দুয়োখন জিলাতে। প্ৰশাসনিক সীমাই ঘটনাৰ স্থলী আৰু বৈশিষ্টৰ বিভাজন কৰিব পৰা নাই। বড়ো সম্প্ৰদায়ৰ একাংশ সংগঠিত উগ্ৰপন্থীৰ আক্ৰমণৰ ফলত সৃষ্টি হৈছে এক অভাবনীয় আতংক। ভীতিগ্ৰস্ত হৈ নিজৰ প্ৰাণৰ মমতাত দশোদিশে পলায়ন কৰিছে। সমগ্ৰ অঞ্চলটোৱে এক ত্ৰাসত ডুব গৈছে। ছেদেলি-ভেদেলি হৈ পৰিছে ভয়াৰ্ত জনগণ। শৰণাৰ্থী শিবিৰলৈ মানুহ ঢাপলি মেলিছে। প্ৰায় এক লক্ষ লোকে নিজ গৃহ ত্যাগ কৰি প্ৰাণটো বচাইছে। দাউ-দাউকৈ জ্বলা জুইৰ ধোঁৱা দেখিও অনেকে পলাইছে। উগ্ৰপন্থীয়ে নিঃকিন পৰিয়াল কেইটাৰ বাসগৃহত অগ্নি সংযোগ কৰিয়েই ক্ষান্ত থকা নাই; যথাসৰ্বস্ব সম্পত্তিও লুট কৰে। প্ৰায এক হাজাৰ ঘৰত অগ্নি সংযোগ কৰে। ঘটনাৰ ফলত প্ৰায ১৫ জনৰ মৃত্যু চৰকাৰীভাবে স্বীকৃত হৈছে। ইয়াৰে এতিয়ালৈকে সাতোটা মৃতদেহ চিনাক্ত কৰা হৈছে। নিহতৰ সংখ্যা প্ৰায় ৯০ জনলৈ বৃদ্ধি হোৱাৰ সম্ভাবনা আছে।

অৱশ্যে জীৱনৰ তাড়ণাত পলায়ণ কৰা বাবে শতাধিক লোক নিৰুদ্দেশ হৈ আছে। যোগাযোগৰ বিচ্ছিন্নতাৰ বাবেই স্থানীয় প্ৰশাসনে ঘটনাস্থলী ঢুকি পোৱা নাই। পৰিস্থিতিৰ উত্তেজনা নিয়ন্ত্ৰণৰ বাবে প্ৰচেষ্টা চলালেও সম্পূৰ্ণ; সফল হ'ব পৰা নাই।

● *কি ঘটিছে?*

কোকৰাঝাৰ আৰু বঙাইগাওঁ জিলাৰ সীমান্তৱৰ্তী এলেকাত অতৰ্কিতে সন্দেহযুক্ত বড়ো উগ্ৰপন্থীয়ে আক্ৰমণ চলায় আৰু বয়-বস্তু লুট কৰে। বিজনীৰ পৰা প্ৰায় ৩০ কিলোমিটাৰ দূৰত্বত অৱস্থিত আমগুৰি বজাৰ আৰু তাৰ আশে-পাশে থকা গাওঁসমূহ ক্ষতিগ্ৰস্ত হয়। আমগুৰি পাৰ হৈ প্ৰায় ২০ কিঃমিঃ অতিক্ৰম কৰিলে "আমটেকা" নামৰ অখ্যাত গাওঁখন পোৱা যায়। তাৰ পৰা ছয় কিঃমিঃ মান আগুৱালে মিলনপুৰ পোৱা যায়। বড়ো আন্দোলনৰ কালছোৱাত দলংসমূহ ধ্বংস কৰাৰ বাবে যোগাযোগ বিচ্ছিন্ন হৈ থাকে। গাড়ী-মটৰ নিয়াৰ উপায় নাই।

বাঁহৰ দলং অতিক্ৰম কৰি খালী জীপচীহে কোনোমতে নিব পাৰি। স্থানীয় ৰাইজে কোনো গুৰুত্বপূৰ্ণ কামতহে বিজনীলৈ আহে আৰু এনিশা বিজনীতে কটাব লগা হয়। ফায়াৰ বীগ্ৰেডৰ সুবিধা থকাৰ প্ৰশ্নই নুঠে। সেয়েহে কোনো এটা ঘৰত জুই লাগিলে বিস্তৃত অঞ্চল ভস্মীভূত হোৱাটো অৱধাৰিত। তাৰেই সুযোগ গ্ৰহণ কৰি উগ্ৰপন্থীসকলে অগ্নিসংযোগেৰে সমগ্ৰ অঞ্চলটোত ত্ৰাসৰ সৃষ্টি কৰিছে। জানিব পৰা মতে বিজনী মহকুমাৰ অন্তৰ্গত মানাহ ৰেঞ্জ (কুক্লং) বন বিভাগৰ কাৰ্যালয় আৰু আবাস গৃহ, গড়কাপ্তানী বিভাগৰ আবাসগৃহ, আমগুৰি আৰক্ষী চকীৰ অন্তৰ্গত মিলন বজাৰ, আনন্দ বজাৰ, যমুনাগুৰি, শিগুবাৰী, ঠেকাৰকুছি, ভাউৰাগুৰি, বাঘমাৰা, ইছলামপুৰ, ৰচিদপুৰ, পাটাবাৰী, টাইগাৰগুৰি, বালঝৰা, শিমলাতলী, বেতেনী, গণেশপুৰ, দুৰ্গাপুৰ, কয়লা-ময়লা, ঔগুৰি, নাৰায়ণপুৰ আদি গাওঁসমূহত বড়ো উগ্ৰপন্থীৰ দলে অগ্নিসংযোগ কৰে। আনহাতে বাঘমাৰা, পূৰ্বদমগাওঁ, মালিভিটা বজাৰ, গোবিন্দপুৰ, গণেশপুৰ, পশ্চিম ডিয়াবাৰী, পূব ডিয়াবাৰী, শিমলাগাওঁ, যমুনাগুৰি। বিক্ৰমপুৰ, দুৰ্গাপুৰ, মাতালপুৰ, দীঘলদঙ্গা, জয়পুৰ আদিত অগ্নিসংযোগ কৰাৰ বাতৰি পোৱা গৈছে। বিগত ছয় অক্টোবৰৰ পৰা দহ অক্টোবৰলৈ বিক্ষিপ্তভাবে অগ্নিসংযোগৰ ঘটনা ঘটে।

● *ভুক্তভোগীৰ বিবৰণি*

বিজনীৰ পৰা প্ৰায় ৩৫ কিঃমিঃ দূৰত্বত অৱস্থিত আমগুৰি শিবিৰ শৰণাৰ্থীৰে ভৰি পৰিছে। শিবিৰত লগ পোৱা নয়াগাঁৱৰ আব্দুল ৰহমানে কয়, "সিহঁতে আহি আমাক বাহিৰ কৰি দিয়ে। ঘৰ জ্বলায়। বস্তু লুট কৰে। মানুহ মাৰিছে। ছোৱালী বহুত হেৰাইছে। আমাৰ বস্তিতে পাঁচজনী নিৰুদ্দেশ। পাটাবাৰী, মিলন বজাৰ, ভাড়ৰাগুৰিতো অত্যাচাৰ কৰিছে। কানামাক্ৰা নদীৰ পৰা কেইজনমান ল'ৰা আহি থাকোতে বোমাৰ শব্দ হয়। এজন আহত হৈছে।"

ভাউৰাগুৰিৰ মহম্মদ আছিৰুদ্দিনে আবেগিকভাবে কৈ যায়, "যোৱা

ছয় অক্টোবৰৰ নিশা ঘৰ জ্বলাই দিয়ে। মই কোনোমতে পলাই সাৰো। ১৭ জনীয়া পৰিয়ালটোৰ কোনো খবৰ পোৱা নাই। মোৰ মা, ছয়জন ভাই, ছয়জনী ৰোৱাৰী, আৰু ৭ জন শিশু আছে। আমাৰ গাৱঁত প্ৰায় ৪০০ টা পৰিয়াল আছে। সকলোৱে পলাইছে।"

আমটেকা বজাৰৰ প্ৰত্যক্ষদৰ্শীৰ বিৱৰণী এনে ধৰণৰ; যোৱা অক্টোবৰৰ পৰাই আক্ৰমণ কৰিছে। তেওঁলোকে ক'লা পোছাক আৰু সৈন্য বাহিনীৰ পোছাক পিন্ধি আহে। কিছুমানে চচমা, কিছুমানে প্লাষ্টিকৰ মুখা আৰু কিছুমানে ক'লা কাপোৰ পিন্ধি আহে। ভয়াৰ্ত হজৰুত আলিয়ে দুই নং পাটাবাৰীৰ পৰা পলাই আহিছে। শ্ৰী আলিয়ে কয়, "তীৰ-বন্দুক-লাঠী-ডেগাৰ আদি লৈ ঘৰবোৰ খেদি আহি জুই লগাই দিয়ে। মোৰ ল'ৰা দুজন আৰু ভাই দুজনৰ কোনো শুংসুত্ৰ পোৱা নাই।"

যোৱা ছয় অক্টোবৰৰ ঘটনাৰ বিৱৰণি দি এইছ বাছাকে কয়, "আমি নিশা আমটেকা বজাৰত সাতজনীয়া গাঁৱৰক্ষী বাহিনী এটিয়ে ঘূৰি আছো৷ তেনেতে কেইজন মান যুৱকে আব্দুল হুছেইনৰ দোকানত শিল দলিয়াই। লগে লগে আমি ধমকি দিওঁ। তেওঁলোকৰ চাৰিজনে আমালৈ টৰ্চ মাৰে। তেওঁলোকে হাত বোমা দলিয়াই। দেৱালীত মৰা বোমা মাৰে। আমি চিঞৰি চিঞৰি মানুহক জগাই দিও। তেতিয়া তেওঁলোকে দোকান লুট কৰি পলায়। তাৰ পিছত কাহিলিপুৰা জুইৰ পোহৰ চাৰিওপিনে দেখা পাওঁ। টাইকাৰ কুছি, ইছলামপুৰ, ৰচিদনগৰ, মিলন বজাৰ, যমুনাগুৰি, বেতেনী, পাটাবাৰী আদিত জুই লাগে। আনন্দ বজাৰত নিশা ছয় বজাৰ পৰা সাত বজালৈ জুই জ্বলে। আমাৰ ইয়ালৈ কেতবোৰ লোকে খেদি অহাত আমি প'লাওঁ।"

আমটেকা বজাৰৰ মহম্মদ আনোৱাৰ হুছেইনে কয় যে তেওঁক হত্যা কৰিব বিচাৰিছিল। তেতিয়া দৌৰি পলায়। দোকানৰ সামগ্ৰী লুট কৰে।

ঢালিগাওঁ চৰকাৰী হাইস্কুল শিবিৰত লগ পোৱা তুলসী ডেঙীৰ ইছব আলিয়ে অভিযোগ কৰে যে তেওঁ ঘৰত থকা সময়তেই ক'লা পোছাক পিন্ধা বড়ো ল'ৰাই জুই লগাই দিয়ে। তেওঁলোকৰ হাতত মেচিন গানো আছে। দুজন ল'ৰা জীৰ ছোৱালীক কাটে। আছীৰন বিবিৰ পৰিয়ালৰ ৩ জন, বাহাজুদ্দিনৰ ২ আৰু আফাজুদ্দিনৰ ১ জনক হত্যা কৰে বুলি অভিযোগ কৰে। চাৰি নম্বৰ পাটাবাৰীৰ মহম্মদ আব্দুল হাইয়ে কয় যে, তেওঁৰ সন্মুখতে ভনী জোৱায়েকক ঘপিয়াইছে। আৰু শিশুটো পুখুৰীত পেলাই দিছে। বেতেনীৰ মহম্মদ ইছমান গণিয়াৰ বিৱৰণী এনে ধৰণৰ, চিনাকী তিনিজন বন্দুকধাৰী যুৱকে ঘৰৰ পৰা ওলাবলৈ নিৰ্দেশ দিয়ে। তাৰ পিছত গামোছা পিন্ধা তিনিওজন যুৱকে জুই লগাই দিয়ে। চাৰিনম্বৰ পাটাবাৰীৰ পদম আলিয়ে কয় যে যোৱা বৃহস্পতিবাৰে দহ বজাত সাতবছৰীয়া ল'ৰা আৰু সৰু ভায়েকক কাটি

জুইত পেলাই দিছে। আজ্জাহ আলিয়ে পৰিয়ালৰ লোকৰ মৃত্যুৰ সংবাদ পোৱা বুলি কয়। দুই নম্বৰ পাটাবাৰীৰ মহম্মদ তইবুৰ ৰহমানে জনায় যে তেওঁলোকলৈ তীৰ মাৰিছিল। তেতিয়া পলাবলৈ যত্ন কৰোঁতে তালকাই নদীত পৰে। তেওঁ ভনীয়েক আৰু শিশুৰ হত্যাৰো অভিযোগ তুলিছে।

শিবিৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাজাহান আলি আহমেদ, হজৰত আলি আৰু নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ চৰবাৰ ইছলামে আশ্ৰয় লৈ আছে। যুৱককেইজনে কোৱা মতে, যোৱা বুধবাৰে নিশা দুই বজাত মিলন বজাৰত জুই লগাই দিয়ে। চাৰিওপিনে "বড়ো হাড়িনী কি জয়" ধ্বনি শুনা যায়। অভিযোগ মতে দুই নম্বৰ পাটাবাৰীৰ আব্দুল মতলিব তালুকদাৰৰ পৰিয়ালৰ ৬ জন, সুৰুয জামানৰ ১১, চুকুৰ আলি ৪, মঃ হালিমৰ ৭, চাৰিনম্বৰ পাটাবাৰীৰ জলিল মিঞা আৰু আনন্দ বজাৰৰ হালিম আলিৰ পৰিয়ালৰ এজন নিৰুদ্দেশ হৈছে।

বঙাইগাওঁ মহাবিদ্যালয়ৰ শিবিৰত বাঘমৰা বজাৰৰ মঃ খয়াৰ উদ্দিন আহমেদৰ বিৱৰণী "যোৱা বৃহস্পতিবাৰে জুই লাগে। সম্পত্তি আনিবলৈ যাওতে মাৰিবলৈ খেদে। তেতিয়া মই তিনি কিলোমিটাৰ দূৰত থকা ভূটানলৈ পলাও। প্ৰায় দহ হাজাৰ মান মানুহে মোৰ লগতে পলোৱা দেখা পাইছিলো। ভূটানৰ আৰক্ষীৰ সহায়ত এনিশা তাতেই থাকো। শুক্ৰবাৰে গেলেমপুৰলৈ আহো। বড়ো উগ্ৰপন্থীয়ে ভূটানৰ আৰক্ষীক ধমকি দিয়া বুলি শুনো। তেতিয়া ভূটানৰ আৰক্ষীয়ে আহিব নিবিচৰা সকলকো মাৰ-পিট কৰি খেদি পঠায়। তাৰ পৰা দাকাগিৰিলৈ আহে। তাত থকা জংঘলৰ ভিতৰত সোমাবলৈ কেইজনমানে কয়; কিন্তু আমি মুকলি পথাৰত আশ্ৰয় লওঁ। কণিখাটাৰ আৰক্ষীয়েহে তাৰ পৰা আমাক আনে। শুক্ৰবাৰে কণিখাটাত থাকো আৰু শনিবাৰে বঙাইগাওঁ মহাবিদ্যালয়লৈ আহো।" দেৱালগুৰিৰ মঃ ইয়াজুদ্দিনে অভিযোগ কৰে, তেওঁৰ পৰিয়ালৰ চাৰিজন মানুহ নাই। বেংতল থানাক জনোৱা সত্বেও কোনো ব্যৱস্থা লোৱা নাছিল।

কাচিকটাৰা শিবিৰত বড়ো সম্প্ৰদায়ৰ লোকে শৰণাৰ্থী হৈ আশ্ৰয় গ্ৰহণ কৰিছে। শিবিৰস্থ জয়পুৰৰ (বাঘমাৰা) বীৰেণ বসুমতাৰীয়ে জনায়, যোৱা ৪ অক্টোবৰৰ দিনা নিশা ৩ বজাত যমুনাগুৰিত হুলস্থুল হয়। বাঘমাৰা, যমুনাগুৰি, ইছলামপুৰ, জিয়াবাৰীত জুই লাগে। প্ৰায় এহাজাৰ লোক ভূটানলৈ পলায়। বহু বড়ো লোকে জংঘলৰ ভিতৰত শিবিৰ পাতি আছে। এনেদৰে কিছুমে নৱবলি সৈন্য শিবিৰত আশ্ৰয় লৈ গেলেমপুৰলৈ গ'ল। দাকাগিৰিত শিবিৰ পতাত স্থানীয় মানুহে খুৱালে। প্ৰায় ১২ খন গাঁৱৰ মানুহ পলাইছে।

কণীখাটা হাইস্কুলৰ শিবিৰত মহম্মদ ছান্দ মিঞাই ক'লে, "মই ধান খেতিৰ তলত পৰি আছিলো। বহু মানুহ পলাবলৈ ধৰে। কেইজনমান

যুবকে গুলী কৰা আৰু জুই লগাই দিয়া বাবে এই ঘটনা ঘটে। দুই শখৰ যমুনাগুৰিৰ শিশু দুজনে আশ্ৰয় লৈছে। এওঁলোকৰ মাকৰ মৃত্যু হৈছে আৰু পিতৃ চিকিৎসাধীন। আমিনা খাতুন সন্ধানহীন হৈ আছে। শিবিৰত মমতাজ নামৰ একজনী শিশুৰ মৃত্যু হৈছে। মুনাৰ হুছেইন আৰু মঃ হানিফ আলিৰ পৰিয়ালৰ লোককো হত্যা কৰা বুলি অভিযোগ তুলিছে। আছমা খাতুনে কয়, তেওঁৰ স্বামী ল'ৰা দুটা আৰু শাহুৱেকক মাৰিছে। জয়পুৰৰ নুৰীয়া খাতুনে কয়, যোৱা দহ অক্টোবৰৰ দিনা ৰাতিপুৱা কেইজন মানে শান্তি সমিতি গঠন কৰিব বুলি মাতি আনি তেওঁৰ স্বামী জালালউদ্দিনক হত্যা কৰে।

বৰপথাৰ বৰতোলা মধ্য ইংৰাজী বিদ্যালয়ৰ শিবিৰৰ মোঃ আব্দুল কাদেৰে বেংতলা থানাই সহযোগিতা নকৰা বুলি অভিযোগ কৰে। থানাই হেনো "ৰক্ষা কৰিব নোৱাৰো" বুলি কয়। এই শিবিৰতে দুটা শিশুৰ জন্ম হৈছে।

শিবিৰবোৰত উগ্ৰপন্থীয়ে নাৰী নিৰ্যাতন আৰু ধৰ্ষণৰো অভিযোগ কৰিছে। পূৰ্বদম গাঁৱৰ জব্বৰ আলিয়ে কয় যে তেওঁৰ জীয়েক নুৰজাহানক ৩ অক্টোবৰত লৈ যায়। বহুতো কাকুতি-মিনতি কৰাত ৬ অক্টোবৰত ঘূৰাই দিয়ে। ছোৱালীজনীক ধৰ্ষণ কৰাৰ অভিযোগ আছে। একেই গাঁৱৰে জাহীৰণ বিবিয়ে কয় যে, তেওঁৰ ছোৱালীজনী নিৰৱলে কেবাদিনো চেষ্টা কৰে। পানীয়া গাঁৱৰ চামাদ আলিৰ মতে তেওঁৰ ভায়েক দুজনক খপিয়াইছে আৰু দুৰ্গাপুৰৰ মঃ ছহিদ আলিৰ মতে তেওঁৰ ঘৰত জুই লগাই দি ১৮ বছৰীয়া ছোৱালীজনীক হত্যা কৰে।

● *শিবিৰ আৰু শৰণাৰ্থীৰ সংখ্যা ঃ*

দুয়ো জিলাতে মুঠ শিবিৰৰ সংখ্যা ২১ টা আৰু শৰণাৰ্থীৰ পৰিমাণ প্ৰায় ৫০ হাজাৰ জন। এই প্ৰতিবেদকে দুদিন শিবিৰে শিবিৰে ঘূৰি পোৱা তথ্য এনেধৰণৰ ঃ বঙাইগাওঁ মহাবিদ্যালয়ত ৩০০০, আই-টি-আইত ৭০০, কে-আৰ-জি বিদ্যালয়ত ৭০০, উত্তৰ বঙাইগাওঁ মজলীয়া বিদ্যালয়ত ৬০০, বঙাইগাওঁ এম-ই- স্কুলত ৫০০, বৰপথাৰ হাইস্কুলত ৪০০০, বিবেকানন্দ উচ্চতৰ মাধ্যমিক হাইস্কুলত ৬৫০, বৰতোলা এম-ই-বিদ্যালয়ত ৫০০, কালিবাৰীত ৫০০, হাৰ্বৰাৰী বজাৰত ৩০০০, হাতীসূতা হাইস্কুলত ২৫০০, হাতীসূতা প্ৰাথমিক বিদ্যালয়ত ৪০০০, মধ্য ছাটিপুৰ হাইস্কুলত ২০০, পূব ছাটিপুৰ হাইস্কুলত ২০০, বঙাইগাওঁ হাইস্কুলত ৬০০, আমগুৰি শিবিৰত ২১০০, আমটেকাত ৩০০৪, হাতীপুতাত ১৫০০০, ফণীখাটাত ৭৫৪, বালজাৰত ১৫০০, কাটিকটবাত ১৪০০ শৰণাৰ্থী আছে। ইয়াৰ উপৰি ভূটানৰ সীমান্তৱৰ্তী এলেকাত প্ৰায় ২৫ হাজাৰ আৰু সাঁতিকাষৰীয়া অঞ্চল, অৰণ্য, আত্মীয়স্বজনৰ ঘৰলৈ গৈ হাজাৰ হাজাৰ লোকে আশ্ৰয় লৈছে। বৰ্তমানো নিৰাপত্তাহীনতাৰ বাবে ব্যাপক হাৰত সাঁতিকাষৰীয়া অঞ্চলৰ লোকে

নিজ গৃহ ত্যাগ কৰিছে। সেয়েহে আতংকত গৃহ ত্যাগ কৰা লোকৰ সংখ্যা প্ৰায় এক লক্ষৰ ওচৰ পাব।

● *প্ৰশাসনে কি কৰিছে?*

অভৰ্থিতে ঘটনাটো ঘটা বাবে প্ৰশাসনে লগে লগে বিশেষ ব্যৱস্থা ল'ব নোৱাৰিলে বুলি প্ৰকাশ। এনেধৰণৰ উন্মাদনাৰ সত্তেও আগতীয়াকৈ নোপোৱাতো প্ৰশাসনৰ চূড়ান্ত ব্যৰ্থতা। আনহাতে অশান্ত অঞ্চলটোৰ প্ৰশাসনিক সীমা কোকৰাঝাৰ আৰু বঙাইগাওঁক কেন্দ্ৰ কৰিও গা এৰা দিয়া পৰিলক্ষিত হয়। যথোপযুক্ত চিপাহী নোহোৱা হেতুকে পৰিস্থিতিও নিয়ন্ত্ৰণ কৰিব পৰা নাই। মাত্ৰ দুই কলম (এটি কলমত ত্ৰিশ জন সৈন্য থাকে) সৈন্যৰে পহৰা দিলেও প্ৰতিৰোধ শক্তিশালী কৰিব পৰা নাই। যোৱা ছয় অক্টোবৰতেই ঘটনাৰ সূত্ৰপাত হ'লেও কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচ ফ'ৰ্চ আহি পায় দহ অক্টোবৰতহে। বহু পলমকৈ ফ্লেগ মাৰ্চ কৰে। ছয়টা ৰিজাৰ্ভ পুলিচৰ কোম্পানীহে ব্যৱহাৰ কৰা বুলি জনা যায়। আৰক্ষী বিভাগৰ উচ্চ পদস্থ বিষয়া এগৰাকীৰ মতে মাত্ৰ ছয় জাই গুলী ব্যৱহাৰ কৰে আৰু আন এগৰাকীৰ বিষয়াৰ মতে ১৫০ জাইৰো অধিক গুলী ব্যৱহাৰ কৰে। তাৰ বিপৰীতে গুলী কৰাৰ নিৰ্দেশ নোপোৱা বুলিও দুজনমান বিষয়াই জনায়। গতিকে এনে পৰস্পৰবিৰোধী বক্তব্যৰ মাজত দৃঢ় পদক্ষেপ সম্ভৱ নহ'ল।

স্মৰ্তব্য যে নবঘোষিত বঙাইগাওঁ জিলাত এছ-ডি-ও সদৰ, ডি-এছ—পি (মুখ্য কাৰ্যালয়), সহকাৰী আৰু উপ যোগান বিষয়া, চি-আইৰ পদবীসমূহ অসম্পূৰ্ণ হৈ আছে। মাত্ৰ এ-ডি-ছি দুজন আৰু দণ্ডাধীশ দুগৰাকীৰে জিলা প্ৰশাসন চলাইছে।

শেহতীয়াভাৱে বিজনীৰ জয়পুৰত সত্তৰটাৰো অধিক অনাবড়োৰ ঘৰ মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰত সময়তে অগ্নি সংযোগ কৰাৰ সংবাদ পোৱা গৈছে। ৰাজ্য চৰকাৰে এই ঘটনাৰ লগে লগে যোৱা এঘাৰ অক্টোবৰত দুৰ্বৃত্তক দেখিলেই গুলি কৰাৰ নিৰ্দেশ দিছে।

● *সংঘৰ্ষৰ সূত্ৰপাত :*

প্ৰায় এমাহ পূৰ্বে বালাজাৰ আৰু শান্তিপুৰ গাঁৱৰ সংখ্যালঘু লোকৰ ঘৰত বড়ো লোকে শিল দলিওৱাৰ ঘটনা এটা ঘটে। ফলত প্ৰায় ৩৫ টা পৰিয়ালৰ লোকে বঙাইগাওঁ জিলাৰ শিবিৰত আশ্ৰয় গ্ৰহণ কৰে। আন এটা সূত্ৰমতে সংখ্যালঘুৰ এজনী ছোৱালীক ধৰ্ষণ কৰা বাবে ক্ৰৈধৰমান বড়োলোকৰ ঘৰত জুই লগাই দিয়া হয়। তেতিয়াৰ পৰাই সংঘৰ্ষৰ সূত্ৰপাত হয়। পিছে, ধৰ্ষিতা ছোৱালীজনীৰ সন্ধান পোৱা নগ'ল। সেয়েহে এন ধৰ্ষণৰ ঘটনাৰ সত্যতা বিচাৰ কৰিবলৈ তদন্তৰ আৱশ্যক। ইপিনে কোকৰাঝাৰৰ উপায়ুক্তৰ মতেও এই ঘটনাৰ পৰাই গোষ্ঠীগত সংঘৰ্ষ হ'ব পাৰে বুলি প্ৰশাসনে ভৱা নাছিল। তেনেদৰে আশ্ৰয়লোৱা শৰণাৰ্থীয়ে বড়ো লোকৰ ভয়তে স্বস্থানলৈ ঘূৰি যাবলৈ

জয় কৰে বুলি জনায়।

আন এটি গোপন সূত্ৰৰ মতে আমটেকাৰ কৃষ্ণপুৰ বিদ্যালয়ত যোৱা দুই অক্টোবৰত আমছুৰ (ছামাদ গোষ্ঠী) এখনি সভা অনুষ্ঠিত কৰে। সভাত কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদকো উপস্থিত আছিল। সভাত ধৰ্ষণৰ ঘটনাটোক লৈ বড়ো সম্প্ৰদায়ক সমালোচনা কৰা বুলি জনা যায়। তাৰ ফলত হোৱা প্ৰতিক্ৰিয়াৰে এই পৰিণতি বুলি একাংশই ক'ব বিচাৰে। আন এটা অংশই অবড়ো সুৰক্ষা সমিতি গঠনত ক্ষুণ্ণ হোৱা ক্ষোভৰ বহিঃপ্ৰকাশ বুলি অভিহিত কৰে।

● *তেন্তে প্ৰকৃত উৎস কি?*

পিছপৰা আওহতীয়া ঘটনাস্থলী প্ৰকৃততে বনবিভাগৰহে ভূমি। যিকোনো লোকৰে এই সাৰুৱাভূমিৰ প্ৰতি চকু পৰিবই। শহপহীয়া শস্যপূৰ্ণ সেউজ পথাৰখনেই তাৰ প্ৰমাণ। সেয়েহে ভূমিপুত্ৰ বুলি দাবী কৰা একাংশ বড়োৱে এই ভূমিত যিকোনো প্ৰকাৰে অধিকাৰ সাব্যস্ত কৰিব বিচাৰে। এই কাৰণেই বড়োলেণ্ডৰ সীমা নিৰ্দ্ধাৰণ আৰু ভোটাৰ তালিকাত বিতৰ্কিত সময়তে আতংক সৃষ্টি কৰিবলৈ অগ্নিসংযোগৰ দৰে ঘটনাৰ সৃষ্টি কৰিছে। ঘটনাৰ সূত্ৰপাত যিকাৰণেই নহওক, সি এক চেলুহে। মূল কাৰণ হ'ল— সাৰুৱা ভূমি দখলেৰে অনাবড়োক আঁতৰোৱা।

● *উগ্ৰপন্থীসকল কোন?*

উগ্ৰপন্থীসকলো দূৰৰ যুৱক নহয়। ওচৰে-পাজৰে বসবাস কৰা বড়ো আন্দোলনৰ কৰ্মী বুলি জনা গৈছে। আনকি সংগঠিত ৰূপত নিজকে প্ৰস্তুত কৰিবলৈ "বড়োলেণ্ড টাইগাৰছ" নামৰ এটা সংগঠন গঠনো কৰা হৈছে। ইয়াত বড়ো আন্দোলনৰ উগ্ৰপন্থীৰো আশীৰ্বাদ থাকিব পাৰে বুলি এটা সূত্ৰত প্ৰকাশ।

● *সমস্যাটো কি?*

ঘটনাস্থলী পৰিদৰ্শন কৰে, অসম বিধান সভাৰ সৰ্বদলীয় প্ৰতিনিধি দল এটাই। চৰকাৰৰ তৰফৰ পৰা সাতজনীয়া মন্ত্ৰীৰ দলেও পৰিভ্ৰমণ কৰিলে। বিধানসভাৰ প্ৰতিনিধি দলটোৰ নেতৃত্ব দিয়া অধ্যক্ষ দেবেশ চক্ৰবৰ্তীক সোধা হ'ল এটি প্ৰশ্ন— সমস্যাটো আইন-শৃংখলাৰ নে ৰাজনৈতিক? বিৰোধী দলৰ দলপতিকো প্ৰশ্ন কৰা হ'ল।

প্ৰশ্নটোৰ প্ৰত্যক্ষ উত্তৰ নিদিলেও, ই স্পষ্ট যে সমস্যাটো ৰাজনৈতিক। বড়োলেণ্ড পৰিষদৰ সীমা নিৰ্দ্ধাৰণৰ প্ৰাক-মুহূৰ্তত এনে সৰ্বজনগ্ৰাহ্য স্থায়ী সিদ্ধান্তৰ প্ৰয়োজন। ৰাজনৈতিক সমস্যা ৰাজনৈতিক উপায় আৰু সিদ্ধান্তৰে সমাধান কৰাতো আৱশ্যক, শাৰীৰিক বল প্ৰয়োগেৰে নহয়।

(১৩ অক্টোবৰ, ১৯৯৩)

দৰং জিলা আলফাৰ সেনাধ্যক্ষ

হত্যা নে আত্মহত্যা

❑ *ভকতপাৰা*

ছিপাঝাৰ দক্ষিণ চুবুৰী গাঁৱৰ ভকতপাৰাত দিন দুপৰতে দৰং জিলাৰ আলফাৰ নেতা শংকৰ বৰুৱা ওৰফে জ্যোতি প্ৰসাদ শইকীয়াক ২৪ অক্টোবৰত গুলীয়াই হত্যা কৰা ঘটনাত চাঞ্চল্যকৰ সৃষ্টি হৈছে। আৰক্ষীৰ মতে জ্যোতি প্ৰসাদ শইকীয়াই আলফাৰ দৰং জিলাৰ সেনাধ্যক্ষ আছিল আৰু তেওঁৰ মৃত্যুৰ লগে লগে জিলাখনত পৰিবৰ্তন সূচনা হ'ল।

ঘটনাৰ বিৱৰণীত প্ৰকাশ যে ভকতপাৰাৰ সুৰেন্দ্ৰ মোহন নাথৰ বাসগৃহত সাতজনীয়া এটা যুৱকৰ দল আলোচনাত মগ্ন আছিল। সেই সময়তে অতৰ্কিতে আৰক্ষীৰ দলটো আহি পোৱাত তিনিজন যুৱকে দৌৰি পলায়। তেনেতে আৰক্ষীয়ে বাকী কেইজনক আত্মসমৰ্পণ কৰিবলৈ নিৰ্দশ দিয়ে। তৎসত্ত্বেও আৰক্ষীৰ নিৰ্দেশ অমান্য কৰি পলাবলৈ চেষ্টা কৰোতে গুলি কৰে। গুলিত আলফাৰ সদস্য কিৰণ নাথ (ডিমাকুছি) আহত আৰু জ্যোতি শইকীয়া নিহত হয়।

সেইদিনা আছিল ২৪ অক্টোবৰ। ছিপাঝাৰৰ পৰা কন্তেক গ'লেই "ঘোৰাবন্ধা"ৰ চ'ক। ঘোৰাবন্ধা চ'কৰ পৰা এক কিলোমিটাৰ গ'লেই দক্ষিণ চুবুৰী গাওঁখনি। এইখন গাঁৱৰে ভকতপাৰা চুবুৰীত কৃতি শিক্ষক সুৰেন্দ্ৰ মোহন দেবনাথৰ বাসগৃহ। ভেৰগাঁও এম-ভি চৰকাৰী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শ্ৰীদেবনাথৰ ঘৰতেই যুৱক সাতজনে আলোচনাত ব্যস্ত আছিল। শ্ৰীদেবনাথৰ বিৱৰণি মতে ঘটনাটো এনেধৰণৰ— "যুৱককেইজনে দুপৰীয়া ঘৰলৈ আহি আলোচনা কৰি আছিল। তেওঁলোকৰ দুজনে স্কুটাৰত আৰু আনকেইজনে চাইকেলেৰে আহে। যুৱককেইজন হ'ল— জ্যোতি শইকীয়া, জগন্নাথ শৰ্মা, কুশল চহৰীয়া, কিৰণ নাথ, কন্দৰ্প কলিতা, শুক্ৰেশ্বৰ শৰ্মা আৰু আন কেইজনৰ নাম নাজানো। আলোচনা কৰি থাকোতেই এজনে ক'লে, আৰক্ষী আহিছে। আৰক্ষী অহা বুলি খবৰ পায়েই কিৰণ নাথ, জগন্নাথ শৰ্মা আৰু জ্যোতি শইকীয়া দৌৰি পলায়। ঘৰৰ দক্ষিণ ফালেদি পথাৰৰ মাজলৈ দৌৰে। আৰক্ষীয়ে তেওঁলোকক ৰ'বলৈ কয়। তেওঁলোকে আৰক্ষীৰ বাধা নুশুনি দৌৰি পলাবলৈ চেষ্টা কৰে। তেতিয়া আৰক্ষীয়ে আঁওৰাই গৈ ধুপগছৰ তলৰ পৰা গুলীয়াই। গুলীবিদ্ধ কিৰণ নাথক আৰক্ষীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতাললৈ স্থানান্তৰিত কৰে।" শিক্ষক গৰাকীয়ে নিজ চকুৰে জ্যোতিয়ে পথাৰৰ ধাননিৰ মাজত লুকাবলৈ চেষ্টা কৰা দেখা পায়। তাতেই আৰক্ষীয়ে গুলী কৰি হত্যা কৰে। জগন্নাথ শৰ্মাই দৌৰি পলায়। আনহাতে কোঠাত বহি থকা

চাৰিজন যুৱকে লাহে লাহে আঁতৰি যায়। তেওঁলোকৰ দুজনে ফুটাবেৰে আৰু দুজনে চাইকেলেৰে যায়।

কন্তেক পিছতেই অসম পুলিচ বেটেলিয়ান আৰু সৈন্য বাহিনীৰে অঞ্চলটো ভৰি পৰে। এগৰাকী জোৱানে শিক্ষকগৰাকীৰ পুত্ৰ গৌতম মাথকো মাৰধৰ কৰে বুলি কয়। লাঠীৰে কোবায় আৰু যুৱতো ঘুচিয়ায়। শিক্ষকগৰাকীকো মাৰিবলৈ উদ্যত হোৱা বুলি কয়। কোন কোন আছিল বুলি সোধ-পোছ কৰি ধমকি দিয়ে। আৰক্ষীৰ সৈতে আত্মসমৰ্পণকাৰী সদস্য কেবাজনকো দেখা পায়।

শিক্ষক সুৰেন্দ্ৰ মোহন দেবনাথৰ ঘৰৰ সন্মুখতে কমলা শইকীয়াৰ বাসগৃহ। প্ৰত্যক্ষদৰ্শী শ্ৰী শইকীয়াই কয়— "কোঠাটোত যুৱককেইজনমানে কথা পাতি আছিল। আলোচনাত দৰং জিলাৰ ছাত্ৰসন্থাৰ সভাপতি কন্দৰ্প কলিতাও আছিল। এখন ফুটবেৰে তেওঁ আহে। অলপমান সময় পিছতে ঘটনাটো ঘটে। তেনেতে এখন অটো আৰু এখন জীপ আহে। তাত আৰক্ষীৰ লোক আছিল। কোনোবাই আৰক্ষী অহা বুলি কোৱাত জ্যোতিয়ে দৌৰি পলায়। আৰক্ষীয়ে ৰ'বলৈ দিয়ে; কিন্তু তেওঁ নৰ'ল। জ্যোতিয়ে ধাননিৰ মাজত বহা দেখা পাওঁ। যুৱকজনে ভাঙৰক সন্মান কৰিব জানে। সেয়েহে জ্যোতিৰ মৃত্যুত বেয়া লাগিছে। ঘটনাই সময়ত চাৰিটা গুলিৰ শব্দ শুনিছিলো।" জ্যোতি প্ৰসাদ শইকীয়াৰ মৃতদেহ প্ৰথমতে চিনাক্ত কৰে সুৰেন্দ্ৰ মোহন দেবনাথে। ছিপাঝাৰ থানাৰ অ'-চিয়ে শ্ৰীদেবনাথক পথাৰলৈ মাতি নিয়ে। চিনাক্তকৰণৰ সময়ত মৃতদেহত জিনচ্‌ৰ পেণ্ট আৰু গেঞ্জী এটা আছিল। ভৰিত একো নাছিল।

চিনাক্তকৰণৰ পিছৰে পৰা সংবাদটো সমগ্ৰ ছিপাঝাৰ অঞ্চলত বিয়পি পৰে। প্ৰায় তিনিবজাত মৃতকৰ খুৰাক জয়ৰাম শইকীয়া ঘটনাস্থলীলৈ যায়। খুৰাক গৈ পোৱাৰ আগতেই মৃতদেহটো ধাননি পথাৰৰ পৰা আৰক্ষীয়ে উঠাই আনে।

মৃতকৰ ৰবদেউতাকৰ ল'ৰা দিলীপ শইকীয়াৰ বিবৰণি মতে পৰিয়ালৰ লোকে ছিপাঝাৰ থানালৈ যায়। থানাত কাকো সোমাব নিদিলে। থানাৰ বাহিৰত এজন হাবিলদাৰে ক'লে যে, যুৱকজনে আত্মহত্যা কৰিছে।

মৃতকৰ ভাতৃ ননী শইকীয়া মঙ্গলদৈ লৈ গৈ আৰক্ষী অধীক্ষকক লগ ধৰাত ক'লে যে ছিপাঝাৰত মৃতদেহটো দেখুৱা হ'ব। মৃতদেহটো সৎকাৰ কৰাৰো ব্যৱস্থা কৰা হ'ব। পিছে মৃতদেহটো ছিপাঝাৰত নাৰাখি মঙ্গলদৈলৈহে লৈ যায়। সেয়েহে নিশা প্ৰায় সাতমান বজাত ভেৰশমান লোক মঙ্গলদৈ পায়গৈ। তাতো তেওঁলোকক মঙ্গলদৈৰ থানালৈ যাব নিদিলে। ৰাস্তাতে বাধা দি ৰাখিলে। ভাতৃ ননী শইকীয়াই আৰক্ষী অধীক্ষকক লগ ধৰাত অধীক্ষকে অহা কালি মৃতদেহ সৎকাৰ কৰা হ'ব বুলি কৈ পঠায়। তাৰপিছত নিশা প্ৰায় ১২-১৫ বজাত এগৰাকী ডি-এছ-পি মঙ্গদৈৰ পৰা আহে আৰু সৎকাৰৰ বাবে পৰিয়ালৰ লোকক

লৈ যায়। পৰিয়ালৰ লোকৰ লগতে প্ৰায় ৪০ জন ওচৰ-চুবুৰীয়াও যায়। পৰিয়াল আৰু ওচৰ-চুবুৰীয়াৰ উপস্থিতিত মঙ্গলদৈৰ শ্বহীদ উদ্যানত মৃতদেহটো সংকাৰ কৰে।

শংকৰ বৰুৱা ওৰফে জ্যোতি প্ৰসাদ শইকীয়াৰ যোৱা দুবছৰ ঘৰৰ লগত সম্পৰ্কই নাছিল। ২৭ বছৰীয়া এই যুৱকজনে ১৯৮৩ চনত ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰাই প্ৰথম বিভাগত হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৮৫ চনত সেইখন বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৮৫ বৰ্ষত অসম অভিযান্ত্রিক প্ৰতিষ্ঠানৰ পৰা ব্যৱহাৰিক শাখাত তিনিবছৰীয়া ডিপ্লমা পাঠ্যক্ৰমৰ সফল সামৰণি কৰে। শিক্ষা জীৱনৰ সমাপ্তিৰ পিছতেই নগালেণ্ডত আলফাৰ সদস্যৰূপে প্ৰশিক্ষণ গ্ৰহণ কৰে।প্ৰশিক্ষণ সমাপ্ত কৰি আলফাৰ দৰং জিলা সমিতিৰ প্ৰচাৰ সম্পাদক আৰু পিছলৈ জিলাৰ সচিবৰ দায়িত্ব গ্ৰহণ কৰে বুলি স্থানীয় লোকে জনায়। আৰক্ষীয়ে সেনাধ্যক্ষ বুলি প্ৰকাশ কৰে যদিও স্থানীয় লোকে অজ্ঞতা প্ৰকাশ কৰে; বৰং ইয়াকো কয় যে তেওঁ এসপ্তাহমান পূৰ্বে অসুস্থতা হেতুকে আলফাৰ দায়িত্বৰ পৰা অব্যাহতি লৈছিল বুলি ঘুনুক-ঘানাককৈ শুনিবলৈ পাইছিল। স্থানীয় লোকে জ্যোতি প্ৰসাদ শইকীয়াক অমায়িক আৰু মৃদুভাষী বুলি জানিবলৈ দিয়ে। পিতৃ অৱসৰ প্ৰাপ্ত শিক্ষক নবীন চন্দ্ৰ শইকীয়া আৰু মাতৃ গোলাপী শইকীয়াৰ জ্যোতি আছিল দ্বিতীয় পুত্ৰ। অন্যান্য ভাতৃকেইজন হ'ল সৰ্বশ্ৰী ৰমনী শইকীয়া, ননী শইকীয়া আৰু হেমন্ত শইকীয়া। ঘটনাৰ পিছদিনা অৰ্থাৎ ২৫ অক্টোবৰৰ দিনা দুপৰীয়াৰ পৰা ছিপাঝাৰ অঞ্চলত দোকান-পোহাৰ জ্যোতিৰ মৃত্যুৰ বাবে বন্ধ ৰখা দেখা যায়। মঙ্গলদৈতো বন্ধ পালন কৰে। আৰক্ষীৰ সূত্ৰমতে নিহত শংকৰ বৰুৱাৰ পৰা চাৰিজাই গুলি, দুটা হেণ্ড গ্ৰেণেড আৰু ৯ এম-এমৰ বিদেশত নিৰ্মিত পিষ্টল পোৱা যায়। তাৰে এটা গ্ৰেণেড চীনত নিৰ্মিত। আহত কিৰণ নাথ ওৰফে অনিৰ্বাণ চেতিয়াৰ পৰা এটা ষ্টেনগান আৰু গুলি জব্দ কৰে। কিৰণ নাথৰ সোঁবাহু আৰু বুকুৰ সোঁফালে গুলি লাগে। শংকৰ বৰুৱা ওৰফে জ্যোতি শইকীয়াই ১৯৯০ চনত মঙ্গলদৈ চিকিৎসালয়ৰ পৰা আৰু যোৱা চাৰি এপ্ৰিলত আহত কিৰণ নাথে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা পলায়ন কৰিছিল। আৰক্ষীৰ অভিযোগমতে নিহত জ্যোতি শইকীয়াই কেবাটাও হত্যাকাণ্ড, অপহৰণ আৰু নিৰ্মম অত্যাচাৰৰ ঘটনাৰ সৈতে জড়িত।

ঘটনাক কেন্দ্ৰ কৰি উত্থাপিত প্ৰশ্নটো হৈছে যে এয়া হত্যা নে আত্মহত্যা। জ্যোতিৰ ভাতৃ ননী শইকীয়াই মৃতদেহৰ মূৰত থকা আঘাতৰ চিনৰ পৰা আত্মহত্যা বুলি কব বিচাৰে। আৰক্ষীয়ে আওপকীয়াকৈ আত্মহত্যা কৰা বুলি ধাৰণা দিব বিচাৰে। প্ৰকৃতাৰ্থত আৰক্ষীৰ গুলিতহে জ্যোতিৰ মৃত্যু হয়। সুৰেন্দ্ৰ দেবনাথৰ পৰিয়াল আৰু প্ৰত্যক্ষদৰ্শীয়েও তাকেই কয়। শ্ৰীদেবনাথৰ পুত্ৰ বকুল নাথ আলফাৰ এজন কৰ্মী বুলি প্ৰকাশ। ঘটনাটো গতি প্ৰকৃতিৰ পৰা এক ষড়যন্ত্ৰৰ ফল বুলি বহুতে ক'ব বিচাৰে।

(২৭ অক্টোবৰ, ১৯৯৩)।

শিক্ষানুষ্ঠানত এনে নৃসংশ হত্যা নজিৰ বিহীন

অন্তৰালত স্বাধীন বড়োলেণ্ডৰ দাবীদাৰ

[illegible] পত্নী আৰু একমাত্ৰ কন্যাৰ [illegible]

❑ *ওদালগুৰি*

স্বাভাৱিকভাবে পাঠদান চলি থকা মহাবিদ্যালয়খনত অস্বাভাৱিক ঘটনাটো ঘটিল। বিগত ওঠৰ নবেম্বৰৰ দিন দুপৰতে মাত্ৰ এজন উগ্ৰপন্থীয়ে ৯ এম-এম কাৰ্বাইনেৰে সৃষ্টি কৰিলে সন্ত্ৰাস। দুগৰাকী ব্যক্তিক হত্যা কৰি চৌদিশে সৃষ্টি কৰিলে ভযাবহ আতংক। ওদালগুৰি মহাবিদ্যালয়ত সংঘটিত হত্যাকাণ্ডটোৱে এহাতে যেনেদৰে চৰকাৰী শান্তি স্থাপনৰ ঘোষণাক ভেঙুচালি কৰিলে, আনহাতে জগতত আৰু এটা অপৰাধৰ অভিনব সংযোজন হ'ল। নিশা বিশ্ববিদ্যালযত হত্যাকাণ্ড ঘটনাৰ ইতিহাস থাকিলেও, ম[illegible]বিদ্যালযত এনেদৰে ৰাজহুৱা ভাবে নিৰ্বিঘ্নে উগ্ৰপন্থীৰ নৃশংস অভিযানৰ ঘটনাটো ৰাজ্যখনত প্ৰথম বুলিযেই বিবেচিত হ'ব।

আলফাৰ দ্বাৰা গ্ৰীটছাংকে ছাৰ্গেৰ হত্যাকাণ্ডৰ লেখীয়া ওদালগুৰিৰ ঘটনাটো সমানেই মৰ্মান্তিক। দেৰবছৰীযা শিশু আৰু গৰ্ভৱতী পত্নীক এৰি থৈ যোৱা শোকাকুল পৰিয়ালৰ দুৰৱস্থাত স্থানীয় ৰাইজ সহানুভূতিশীল। অথচ জীৱনৰ মমতাত আতংকগ্ৰস্ত ৰাইজ মুকৈহে পৰাৰ বাহিৰে উপায় নোহোৱা হৈছে। সেয়েহে এতিয়া সন্ধিয়াতে ওদালগুৰিলৈ নামি আহে, মৰিশালিৰ নীৰৱতা।

● *আচলতে ঘটনাটো কি?*

সিদিনা আছিল ১৮ নবেম্বৰ। ওদালগুৰি মহাবিদ্যালয়ত পাঠদান চলি আছে। ১৯৯২ চনত ঘাটি মঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয়খনত অধ্যক্ষৰ

কোঠাৰ গাতে লাগি থকা কোঠাটোতো পাঠদান চলি আছিল। ৰাজনৈতিক বিজ্ঞানৰ শ্ৰেণী। এই কোঠাটোৰ গাতে লাগি আছে আন এটা কোঠা। এইটো কাৰ্যালয়। কাৰ্যালয়ৰ গাতে লাগি থকা কোঠাটোত ইংৰাজী বিভাগৰ পাঠদান কৰি আছে, উপাধ্যক্ষ প্ৰফুল্ল বসুমতাৰীয়ে।

ত্ৰিশ নবেম্বৰৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ টেষ্ট পৰীক্ষা হোৱাৰ কথা। কাৰ্যালয়ত কেৰাণী কৃষ্ণ বাহাদুৰ সিঙে পৰীক্ষাৰ মাচুল লৈ আছে। অধ্যক্ষৰ কোঠাটোত প্ৰবক্তা পাণ্ডে, অৰবিন্দ চৌধুৰী, দিলীপ দত্ত, পূৰণ নাথ আৰু ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ৰেবতী চাবকতাই প্ৰশ্ন কাকত সম্পৰ্কীয় কামত আহিছিল। অধ্যক্ষৰ কোঠাত অৰবিন্দ চৌধুৰীয়ে প্ৰবক্তা হিচাবে যোগদান কৰিব আহিছিল।

শ্ৰীচৌধুৰীয়ে "কামত যোগদান কৰা বাৰ্তা" লিখি অধ্যক্ষ শৈলেন্দ্ৰ ব্ৰহ্মৰ হাতত দাখিল কৰিলে। বাৰ্তাটো (ৰিপোৰ্ট) লিখাত শুদ্ধ নোহোৱাৰ বাবে ঘূৰাই দি পুনৰ লিখিব দিলে। প্ৰবক্তা পাণ্ডে কেনেকৈ লিখিব লাগে বুজাই দিলে। সেই সময়তে পূৰন নাথ সোমাই আহিল। দিলীপ দত্তও আছে। এওঁলোকে চাকৰী সংক্ৰান্তীয় কামত আহিছিল। দিলীপ দত্তক পৰীক্ষাৰ দায়িত্ব দিয়া হৈছে।

তেনেতে তিনিটা শব্দ শুনা গ'ল। শব্দ শুনিলেও অধ্যক্ষ আৰু প্ৰবক্তাসকলে গুলিৰ শব্দ বুলি ভবা নাছিল। পিছে, অধ্যক্ষৰ কোঠাৰ সন্মুখৰ দুৱাৰৰ পৰ্দাখন আঁতৰাই এজন বন্দুকধাৰী যুৱকে দেখা দিলে। যুৱকজন দেখা মাত্ৰকেই অধ্যক্ষই অতৰ্কিতে চিঞৰি দিলে। বিকট চিঞৰটোৰ লগে লগে প্ৰবক্তাসকলৰ মাজত হৈ চৈ লাগিল। প্ৰবক্তা পূৰন নাথে অধ্যক্ষৰ কোঠাৰ পিছফালৰ দুৱাৰখন খুলি পলায়ন কৰে। পিছে পিছে বাকী সকলেও দৌৰে। শেষত অধ্যক্ষই দৌৰি পিছফালৰ দুৱাৰেদি কাৰ্যালয়ত প্ৰবেশ কৰে।

কাৰ্যালয়ত প্ৰবেশৰ খটখটীত প্ৰথম খোজটো দি অধ্যক্ষই ঘূৰি চালে। চাই দেখে যে বন্দুকধাৰীজনে নিৰবিচ্ছিন্নভাৱে গুলি মাৰি আছে। জীৱনৰ তাড়ণাত কাৰ্যালয়ৰ পৰা আলমাৰিৰ ভিতৰত লুকুৱাবলৈ যত্ন কৰে। কিন্তু আলমাৰিৰ ফাঁক কম হোৱা বাবে সোমাব নোৱাৰিলে। তেতিয়া কাৰ্যালয়ৰ ভিতৰত হেণ্ডেল নোহোৱা চকীখনত বহি আছিল কৃষ্ণ বাহাদুৰ সিং। চকীত মূৰটো হালি থকাৰ বাহিৰে কোঠাটোত কোনো নাই। সিঙেও ভয়তে মূৰ হলাই দিয়া বুলি ভাবি অধ্যক্ষই নিজে লুকাবলৈ চেষ্টা কৰিলে। কাৰ্যালয়ৰ উত্তৰ ফালেদি থকা দৰ্জা খনেদি কেইজনমান ছাত্ৰক অধ্যক্ষই দেখা পালে। কি হ'ল বুলি ইংগিতেৰে সুধিলে। বোধহয় দেখা নোপোৱাৰ বাবে সঁহাৰি নিদিলে। উপায়ন্তৰ হৈ অধ্যক্ষই দৰ্জাৰ কাষলৈ আহিল। তাৰ পৰা কিছু দূৰত প্ৰফুল্ল বসুমতাৰী, দিলীপ দত্ত আৰু মিস্ত্ৰী এজনক দেখা পালে। ততাতৈয়াকৈ অধ্যক্ষই বাহিৰলৈ ওলাই আহিল। দৰ্জাৰ কাষতে থকা চাইকেলখন লৈ অধ্যক্ষই

পলায়ন কৰিলে। চেণ্ডেল আৰু চশমা থিতাতে এৰি অধ্যক্ষই ঘৰ পালে।

আনহাতে পূৰণ নাথ আৰু অৰবিন্দ চৌধুৰীয়ে পাণ্ডে আৰু ৰেৱতী ৰমন চাবকতাৰ আগে আগে দৌৰিবলৈ সক্ষম হৈছিল। দৌৰি মহাবিদ্যালয়ৰ পিছফালেদি পুখিউঁৰালৰ কাষেৰে দৌৰে। পিছফালে খেতি পথাৰ আছে। অৰবিন্দ চৌধুৰীয়ে পানীত পৰে। পূৰণ নাথে শ্ৰীচৌধুৰীক উঠাই দিয়ে। ছাত্ৰ-ছাত্ৰীসকলেও পলাই পত্ৰং দিয়ে। আতংকগ্ৰস্ত ছাত্ৰ-ছাত্ৰী দেখি মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক ভেটচুংমা বসুমতাৰীয়ে ঘটনাৰ উৱাদিহ নাপাই উভতি দৌৰিলেহে। সম্পাদকজনে গৰমাৰাৰ পাবাৰ পৰা আহি গৰৈমাৰী চ'কৰ পৰা উভতি দৌৰে।

উপায়হীন হৈ পৰা অধ্যক্ষৰ হঠাৎ মনত পৰি গ'ল থানালৈ। কিংকৰ্তব্যবিমূঢ় হৈ ঘৰৰ পৰা চাইকেলখন লৈ ফোন কৰো বুলি উচ্চতৰ মাধ্যমিক ল'ৰাৰ বিদ্যালয়লৈ গ'ল। বিদ্যালয়খনৰ ফোনটো বেয়া হৈ আছে। পিছত বজাৰৰ মাৰোৱাৰী এজনৰ পৰা থানাক টেলিফোনত জনালে।

তাৰ পিছত দিলীপ দত্ত আৰু অধ্যক্ষই বি-এছ-এফৰ শিবিৰলৈ গ'ল। ঘটনাটো কোৱাত বি-এছ-এফে ক'লে, যে তেওঁলোকৰ গাড়ী নাই। ওলোটাইহে বি-এছ-এফে খবৰ দিওতাক গাড়ী আছেনে নাই সুধিলে। অৱশেষত কেইজনমান বি-এছ-এফৰ জোৱানে দৌৰি দৌৰি আহিল।

অধ্যক্ষই পুনৰ মহাবিদ্যালয়লৈ আহিল। অহাৰ পথত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পিয়নজনে ক'লে যে, সিং শেষ, পাণ্ডে শেষ। পুখিউঁড়ালৰ কাষতে পাণ্ডেৰ মৃতদেহ পৰি আছে। ইপিনে কৃষ্ণ বাহাদুৰ সিঙৰ থিতাতে মৃত্যু হৈছিল। উগ্ৰপন্থীজনে প্ৰবেশ কৰিয়েই প্ৰথমে গুলিয়াই হত্যা কৰে সিঙক। আহত ৰেৱতী ৰমন চাবকতাক মঙ্গলদৈ অসামৰিক চিকিৎসালয়লৈ নিয়া হয়। তাৰ পৰা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ স্থানান্তৰিত কৰা হয়।

● হত্যা কৰিলে কোনে?

আৰক্ষীয়ে ব্যাপক তালাচী আৰু সোধ-পোছ কৰিছে যদিও হত্যাকাৰীক চিনাক্ত কৰিব পৰা নাই। আনকি হত্যা সম্পৰ্কত আজিলৈ কাকো গ্ৰেপ্তাৰ কৰিব পৰা নাই। অধ্যক্ষৰ মতে উগ্ৰপন্থীজনে কাৰ্বাইন ব্যৱহাৰ কৰিছিল। আৰু ছাই ৰঙৰ জেকেট পিন্ধিছিল। আৰক্ষীয়ে খেতি পথাৰত কাম কৰি থকা লোকক ধৰি আনি জেৰা কৰিছে। তেওঁলোকৰ মতে দুজন লোক চাইকেলেৰে দুখন চাইকেলত আহিছিল। এজনে চাইকেল ৰখি থাকে আৰু আনজনে মহাবিদ্যালয়ৰ পিনে যায়। প্ৰত্যক্ষদৰ্শীসকলেও উগ্ৰপন্থী এজনকে দেখা বুলি কয়। আৰক্ষীপ্ৰশাসনে ঘটনাস্থলীত ১২টা খালী কাটিজ পায়। হত্যাকাণ্ডটো বি-এছ-এফৰ দ্বাৰা সংঘটিত বুলি ধাৰণা কৰা হৈছে।

● *হত্যাৰ কাৰণ কি?*

হত্যাকাণ্ডৰ গতি-প্ৰকৃতি লক্ষ্য কৰিলে, প্ৰত্যক্ষভাৱে ঘটনাটোত ৰাজনৈতিক লাভা-লাভৰ প্ৰশ্ন জড়িত নাই। অৱশ্যে এক ৰাজনৈতিক লক্ষ্যৰ উমান পোৱা যায়। হত্যাৰ উদ্দেশ্য হত্যাকাৰীয়ে প্ৰকাশ নকৰিলেও অনাবড়োলোকক উদ্দেশ্যিয়েই যে এই ঘটনা সংঘটিত কৰিছে, তাক নকলেও হ'ব। বহুতৰ ধাৰণা যে অনাবড়োৰ নিযুক্তিক কেন্দ্ৰ কৰিয়েই হত্যাৰ জৰিয়তে ভাবুকিৰ সৃষ্টি কৰিছে।

শেহতীয়াভাৱে অৰবিন্দ সিঙো (উৰিব্যাৰ) কামত যোগদান কৰিবলৈ আছে ১৮ নবেম্বৰত। সেইদিনাই নৃশংস হত্যাকাণ্ডটো সংঘটিত হয়। এইবোৰ ঘটনাৰপৰা বুজা যায় যে অনাবড়োৰ নিযুক্তিক কেন্দ্ৰ কৰি ক্ষুব্ধ হৈ হত্যাকাণ্ড সংঘটিত কৰে। এইখিনিতে প্ৰশ্ন উঠে যে নিশাৈকে বজাৰত ঘূৰি ফুৰা অনাবড়ো লোককেইজন ৰাজপথত হত্যা নকৰি, মহাবিদ্যালয়ত হত্যা কৰিলে কিয়? ইয়াৰ সহজ উত্তৰ হ'ল যে, হত্যাৰ জৰিয়তে ভৱিষ্যতৰ বাবে সাবধানবাণী শুনালে। বিশেষকৈ মহাবিদ্যালয়ত!

● *বোমা বিস্ফোৰণৰ ঘটনাটো :*

মহাবিদ্যালয়ত সংঘটিত এই ঘটনাটেৰে পূৰ্বৰ আন এটা ঘটনালৈ মনত পেলাই দিয়ে। সেয়া আছিল, ১৯৮৯ চনৰ দহ মাৰ্চৰ নিশাৰ ঘটনা। আবছুৰ আন্দোলন তেতিয়া তুঙ্গত। মহাবিদ্যালয়ত পৰীক্ষা অনুষ্ঠিত কৰিলেও আন্দোলনকাৰীৰ পৰা বাধা আহে। এই বাধা নেমানি পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবেই পৰিস্থিতি অশান্ত হৈ পৰে। সেই নিশাই কাৰ্যালয়ৰ ভিতৰতেই বোমা বিস্ফাৰণ হয়। তাৰ আগতেও ৮ মাৰ্চৰ দিনা অধ্যক্ষৰ বাসগৃহৰ কাষতেই বোমা বিস্ফোৰণ হৈছিল। জনামতে সেই নিশা অধ্যক্ষক অপহৰণ কৰাৰ কথা আছিল; কিন্তু পহৰাদাৰী থকাৰ বাবে বোমা পেলাই থৈ যায়। পেলাই যোৱা দুটা বোমাৰ এটা বিস্ফোৰণ হৈছিল।

● *পাণ্ডেৰ শোকাকুল পৰিয়ালৰ সৈতে?*

শশীভূষণ পাণ্ডেৰ (৪০) পত্নী মীৰামনি দাস পাণ্ডে (২৮) আৰু একমাত্ৰ কন্যা কৱিতা পাণ্ডে (১৫ মাহ) ওদালগুৰিৰ শান্তিপথৰ দেউতাকৰ বাসগৃহত বৰ্তমান আছে। নিহত পাণ্ডে প্ৰথমতে অসমৰ বাগিচাৰ মেনেজাৰ হিচাপে কামত যোগদান কৰে। তাৰ পিছত ১৯৮৭ চনত ওদালগুৰি মহাবিদ্যালয়ত যোগদান কৰে। তেতিয়াৰ পৰাই পাণ্ডে কনক চন্দ্ৰ দাসৰ ঘৰত ভাড়া কৰি থাকে। তাতেই শ্ৰীদাসৰ দুহিতা মীৰা দাসৰ সৈতে প্ৰেম পাশত আবদ্ধ হয় আৰু ১৯৮৯ চনৰ ২২ নবেম্বৰৰ দিনা বিবাহ সম্পন্ন হয়। বিবাহৰপিছৰে পৰা আন ঠাইত ভাড়া কৰি থাকে।

পত্নীৰ বিৱৰণি অনুযায়ী ওঠৰ নবেম্বৰৰ দিনা প্ৰৱক্তা হিচাবে

যোগদান কৰিবলৈ অৰবিন্দ চৌধুৰী আহে। বাতিপুৱা চাহৰ সাত বজাত শ্ৰীচৌধুৰীয়ে তেওঁলোকৰ ঘৰলৈ আহে। তেতিয়া পত্নীয়ে খালি চাহ দিয়ে। চাহ খাই বাহিৰলৈ ওলাই যায়। পাছে গা-পা ধুই একেবাৰে মহাবিদ্যালয়লৈ ওলাই গৈছিল। মীৰা দাসে হোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰে। তেওঁ মাকৰ লগত স্কুললৈ ওলাই যোৱা সময়ত ষ্টেচনৰ ওচৰত সোণাৰীৰ দোকানত পুনৰ দেখা দেখি হয়। এয়েই শেষ দেখা। পাছেয়ে বিহাৰত ১৯৭৯ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা, ১৯৮৪ চনত স্নাতক আৰু ১৯৮৭ চনত এম-এ পৰীক্ষাত উত্তীৰ্ণ হয়।

পত্নী মীৰা দাসে আবেগিকভাৱে কয়, দোষীক শাস্তি দিব লাগে। কোনোবাই যদি তেনে দোষীক উলিয়াই মোৰ আত্মাই শান্তি পালেহেঁতেন। পাছে নিৰপৰাধী। কাকো একো কৰিব যোৱা নাই। মীৰাৰ পিতৃ কনক চন্দ্ৰ দাসে কয়, কি কাৰণে গুলিয়াই হত্যা কৰিলে নাজনো। দুৰ্বৃত্তক ধৰি চৰকাৰে শাস্তি দিব লাগে। পাছেৰ অৰবিন্দ চৌধুৰীৰ সৈতে পূৰ্বৰ পৰাই চিনাকী আছিল।

● *নিহত কৃষ্ণ বাহাদুৰ সিঙৰ পৰিয়ালৰ সৈতে?*

বিগত ১৬ নবেম্বৰত বিহাৰৰ পৰা কৃষ্ণ বাহাদুৰ সিঙে পত্নী ইন্দু সিঙক লৈ (২৪) আহে। ১৮ নবেম্বৰত নিহত কৃষ্ণ বাহাদুৰ সিঙে একমাত্ৰ ১৯ মহীয়া কন্যা পূজা সিঙক এৰি থৈ যায়। পূজাৰ জন্ম গুৱাহাটীতেই। ১৯৮৫ চনত বিবাহ পাশত আবদ্ধ হোৱা ইন্দু এতিয়া গৰ্ভৱতী।

সিঙে দহ বছৰ পূৰ্বৰ পৰাই "গুৰুজী পাণ দোকান" এখন পৰিচালনা কৰিছিল। সেয়েহে তেওঁ জনসাধাৰণৰ মাজত "গুৰুজী" নামেৰে জনপ্ৰিয়। প্ৰায় তিনিশ টকাত অস্থায়ীভাৱে কেৰাণীগিৰি কৰা সিঙৰ চাকৰি ১৯৯২ চনতহে নিয়মীয়াকৰণ হয়। ঘটনাৰ এমাহমান পূৰ্বে পূৰ্বৰ দোকানখন এৰি নিজা ৰবীয়াকৈ সৰু পাণ দোকান এখন দিছিল।

ঘৈণীয়েক ইন্দুৱে বিহাৰলৈ যাব বিচাৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ইন্দুৱে অসমত চাকৰি পালে থাকিব নে বুলি সোধাত কয়, চাকৰি কৰি কি হ'ব? চাকৰি কৰা জন গুছি গ'ল।

আশ্ৰয়দাতা পৰিয়ালটোৱে জানিব দিয়া মতে বিহাৰৰ বিশ্বাসকল সামাজিকভাৱে লাঞ্ছিত হ'ব লগা হয়। সেয়েহে সতী দাহ প্ৰথাৰ প্ৰচলন হৈছিল। অসমতো নিজাৰ বুলিবলৈ কোনো নাই ফলত ইন্দুৰ সৈতে কন্যাজনীৰ এক আলৈ আথানি অৱস্থাৰ সৃষ্টি হৈছে।

● *চাৰুকতাৰ অৱস্থা?*

আহত ৰেবতী ৰমন চাৰুকতাৰ অৱস্থা উন্নত হৈছে। চিকিৎসালয়ৰ সূত্ৰ মতে তেওঁ বিপদমুক্ত। তেওঁৰ দেহত দুটা গুলি লাগে। জনামতে

ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক চাবকতাই মহাবিদ্যালয়ত নিৰ্দিষ্ট সময়ত পাঠদান কৰিছিল। এতিয়াও মহাবিদ্যালয়ৰ পৰা আনুষ্ঠানিকভাৱে এৰি দিয়া নাই। বৰং কৰ্তৃপক্ষই চাবকতাক মহাবিদ্যালয়ত নিযুক্তি দিয়াৰ বাবেহে লাগি আছে।

● *অধ্যক্ষৰ মতামত?*

মহাবিদ্যালয়খন ওঠৰ নবেম্বৰৰ পৰা অঘোষিতভাৱে বন্ধ হৈ আছে। ত্ৰাসেই ইয়াৰ মূল কাৰণ। মহাবিদ্যালয়ৰ নিৰাপত্তাৰ বিষয়ে সোধাত অধ্যক্ষ শৈলেন্দ্ৰ ব্ৰহ্মাই কয়, “নিৰাপত্তা বিচৰা হৈছে, কিন্তু আৰক্ষীৰ পৰা নহয়। জনসাধাৰণৰ পৰা নিৰাপত্তা বিচৰা হৈছে। বাইজৰ হাততেই মহাবিদ্যালয় খোলা আৰু নিৰাপত্তাৰ দায়িত্ব অৰ্পণ কৰিছো। বাইজে উদ্যোগ লওক, যাতে এনে ঘটনা নঘটে। প্ৰবক্তাসকল গুছি গ'লে মহাবিদ্যালয়ৰ ক্ষতি হ'ব। বাইজৰ ল'ৰা-ছোৱালীৰ ক্ষতি হ'ব। পঢ়া নহব। গতিকে বাইজে নিৰাপত্তা দিয়ক। বাইজৰ নিৰাপত্তা নহ'লে, কোনো কাম কৰিব নোৱাৰে। আৰক্ষীৰ নিৰাপত্তা লোৱা নোলোৱা একে কথা।”

● *সদৃশ ঘটনা ঃ*

ওদালগুৰি অঞ্চলটো হিংসাৰ চিকমিকনি চমকিত হৈ উঠিছে। স্পৰ্শকাতৰ এই অঞ্চলটোৰ ভৈৰবকুণ্ডত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চিৰাজুল ইছলাম বৰা (৩৫)ক হত্যা কৰে। ঘটনাৰ বিবৰণি মতে ১৫ নবেম্বৰৰ দিনা আবেলি পাঁচ মান বজাত “কমলা মেডিকেল ষ্টোৰচ”ত ধাৰাসাৰে দুৰ্বৃত্তই কৰা গুলিৰ আঘাতত খিতাতে মৃত্যু হয়। ঘটনাস্থলীত ১২টা খালি কাৰ্টিজ আৰু এখন চাইকেল পোৱা যায়। এই হত্যাকাণ্ডও সন্দেহযুক্ত বড়ো চিকুৰিটি ফৰ্চৰ দ্বাৰা কৰা বুলি সন্দেহ কৰা হৈছে। একাংশৰ মতে বিষয়াগৰাকীক চোৰাং কাঠ ব্যৱসায়ীয়ে হত্যা কৰে।

টংলাৰ নিকটবৰ্তী পানীশেলীত হোৱা এক ঘটনাত ছয়জন বিশেষ সম্প্ৰদায়ৰ লোকৰ মৃত্যু হয়। নিহত সকল হ'ল, সূৰ্যকান্ত বৰ্মন (৭২), ৰজনী বিশ্বাস (৬৫), বিৰজা দেবনাথ (৫৫), সুনীল নাথ (৬০), নৰেন্দ্ৰ নমোদাস (৬০) আৰু সুৰেন্দ্ৰ নমোদাস।

ওদালগুৰিক ঘাটি ৰূপে লোৱা বি-এছ-এফৰ সদস্য প্ৰায় দুশ বুলি আৰক্ষীৰ সন্দেহ। বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদৰ নেতৃবৃন্দৰ মতানৈক্যৰ লগে লগে বি-এছ-এফো সক্ৰিয় হৈ উঠিছে। এক সুকীয়া স্বাধীন বড়োলেণ্ডৰ দাবীৰ সমৰ্থনত বি-এছ-এফে হিংসাত্মক কাৰ্য-কলাপ চলাই আছে। তাৰেই সুযোগ গ্ৰহণ কৰি “ধৰ্ম আৰু হিংসা”ৰ নিছাৰে আন্তৰ্জাতিক চক্ৰটোৱে অস্থিৰতা সৃষ্টি কৰিবলৈ বিচৰাটো স্বাভাৱিক। সেয়েহে নিষিদ্ধ ঘোষণা কৰিলেও চৰকাৰে বি-এছ-এফৰ সৈতে আলোচনা কৰি এক স্থায়ী সমাধান সূত্ৰ উদ্ভাৱন কৰাটো অপৰিহাৰ্য, অন্যথাই এনেদৰে হিংসাত্মক কাৰ্যৰে সন্ত্ৰাস সৃষ্টিৰ ঘটনা ঘটি থাকিব।

(২৪ ডিচেম্বৰ, ১৯৯৩)

জাজৰিৰ ঘটনাৰ অস্ত্ৰোপচাৰ! পৰৱৰ্তী লক্ষ্য গহপুৰ!

উগ্ৰপন্থীৰ অত্যাধুনিক অস্ত্ৰৰ বিপৰীতে আৰক্ষীৰ লাঠি!

ফটোত বাওঁফালৰ পৰা ক্ৰমে নিহত মগনীয়া বৰদলৈ এ এছ আই সুবিমল দাস, কেদাৰ ৰয় আৰু লোচন শৰ্মা আদিক দেখা গৈছে।

❑ *জাজৰি*

অসমত প্ৰথমবাৰৰ বাবে থানা আক্ৰমণৰ ঘটনাই আৰক্ষী প্ৰশাসনৰ নিকৰুণ ৰূপটোকে উদঙাই দিলে। উগ্ৰপন্থীৰ স্বয়ংক্ৰিয় অত্যাধুনিক আগ্নেয় অস্ত্ৰৰ বিপৰীতে আৰক্ষীৰ লাঠীদাল যে কোনো কামত নাহে তাৰেই আকৌ এবাৰ প্ৰমাণ হ'ল। আলফাৰ দ্বাৰা সংঘটিত এই ঘটনাৰ পিছতো আৰক্ষীক অত্যাধুনিক কৰি গঢ়ি তোলাৰ কোনো প্ৰচেষ্টা পৰিলক্ষিত হোৱা নাই। নগাঁওৰ জাজৰি থানা আক্ৰমণৰ পিছত এইবাৰ গহপুৰ থানা আক্ৰমণৰ আতংক শুনা গৈছে।

নগাঁওৰ পৰা প্ৰায় ১৮ কিলোমিটাৰ দূৰত্বত জাজৰি থানা অৱস্থিত। সেইদিনা আছিল ২৬ ডিচেম্বৰৰ কাহিলি পুৱা। ঘন কুঁৱলীয়ে ধোঁৱাৰ ৰহস্য সৃষ্টি কৰিছে। পোহৰ ওলোৱা নাই। এই কাল প্ৰভাতৰ সন্ধিক্ষণতে অতৰ্কিতে শুনা গ'ল— গুলিৰ শব্দ। আতংকত কঁপি উঠিল— জাজৰি। জাজৰি থানা।

সেই সময়ত থানাৰ পহৰাৰ দায়িত্ব ্ত আছিল চিপাহী পূৰ্ণ দত্ত আৰু একাদশ বেটেলিয়ানৰ ৰাইফলধাৰী ৰঞ্জিত তালুকদাৰ। জৰাজীৰ্ণ

থানাখনত একাদশ বেটেলিয়ানৰ ৬ জন, আৰু অসম আৰক্ষীৰ এগৰাকী ভাৰপ্ৰাপ্ত বিষয়া, উপ-পৰিদৰ্শক এজন, সহকাৰী উপ-পৰিদৰ্শক এজন, হোমগাৰ্ড তিনিজন আৰু চাৰিজন চিপাহী থাকে। সেইদিনা ভাৰপ্ৰাপ্ত বিষয়া আৰু পৰিদৰ্শকজনৰ বাহিৰে আটাইকেইজনে আছিল। ভাৰপ্ৰাপ্ত বিষয়া আৰু পৰিদৰ্শকজন নাতিদূৰৰ ভাড়াঘৰত আৰু অন্যান্যসকলে থানাত শুই আছিল। কৰ্তব্যৰত বেটেলিয়ানজন থানাৰ সন্মুখত আৰু আৰক্ষী বিভাগৰ চিপাহীজন থানাৰ ভিতৰত আচামীক পহৰা দি আছিল। থানাখন ইমানেই জৰাজীৰ্ণ যে, আচামী ৰাখিবলৈ "লক-আপ" নাই। আচামীক বাহিৰে খুঁটাত বান্ধি পহৰা দি থাকিব লগা হয়।

সন্তৰ্পণে অহা এজাক যুৱকৰ আগমনৰ উমান পায়— গুলীৰ শব্দত। লগে লগে থানাৰ সন্মুখৰ বেটেলিয়ান ৰঞ্জিত তালুকদাৰে গুলী কৰে। গুলীত আহত হয় কোনো যুৱক। তাৰ পিছৰ পৰা আৰু বোৱাৰ সময় নাই। কেৱল গুলী। এ-কে-৪৭ আৰু ষ্টেনগানৰ পৰা নিৰবিচ্ছিন্নভাৱে ওলোৱা গুলী। পহৰাদাৰীয়ে ব্যৱহাৰ কৰা ৰাইফলৰ এটা গুলী মাৰি আন এটা মাৰিবলৈ হ'লে, পুনৰ গুলী ভৰাই ল'ব লাগে। আনহাতে আক্ৰমণকাৰীৰ উপৰ্যপুৰি গুলী। তেনে অৱস্থাত আত্মগোপন কৰিবলৈ পহৰাদাৰী তালুকদাৰৰ ভিৰাই লৰ মৰাৰ বাহিৰে উপায় নাই। হাতত গুলী লগাত চিঞৰি তালুকদাৰে পলায়ন কৰে।

গুলীৰ শব্দত থানাৰ ভিতৰত থকা আৰক্ষী পহৰাদাৰী পূৰ্ণ দত্তই চিঞৰিবলৈ ধৰিলে। পহৰাদাৰী শ্ৰীদত্তই কয়, মই আচামীৰ লগত আছিলো, গুলী ফুটা শব্দ শুনি সজাগ হওঁ। শুই থকা সহকৰ্মীসকলে সাৰ পালে। সুবিমল দাস আৰু প্ৰমোদ নাথ খাটৰ তলত সোমায়। মহেন্দ্ৰ ৰাজখোৱাক উঠাই লৈ গ'ল। মই পিছফালে পথাৰে পথাৰে দৌৰো। দিলীপ শইকীয়াই পথাৰৰ পিনে দৌৰে।

হোমগাৰ্ড ভোগেশ্বৰ নাথে কয়, মই হাল্লা শুনি খাটৰ তলত সোমাও। পোন্ধৰ-বিশমিনিট গুলী চলে। গুলী কৰি থানাৰ পিছফালেৰে যুৱককেইজন ওলাই যায়। তাৰ পিছত এখন গাড়ীৰ শব্দ শুনো। লাহে লাহে খাটৰ পৰা ওলাই আহো আৰু পৰি থকা মৃতদেহ দেখি কান্দো। পহৰাদাৰী শ্ৰীদত্তৰ পিছতেই মোৰ ডিউটী আছিল। চাৰি বজাৰ পৰা। ঘটনাটো প্ৰায় ৩-৫৫ বজাত ঘটে।

পূৰ্ণ দত্তই পহৰা দিয়া কোঠাটোত চালক কেদাৰ ৰয়, সুবিমল দাস, প্ৰমোদ নাথ, ৰফিকুল ইচলামে শুই আছিল। শুই থকা অৱস্থাতে কেদাৰ ৰয়ক গুলী মাৰে। আন এটি কোঠাত মহেন্দ্ৰ ৰাজখোৱা, ভোগেশ্বৰ নাথ আৰু দিলীপ শইকীয়া আছিল। আন এটা কোঠাত বেটেলিয়ান কেইজন থাকে। যুৱক এজনে মহেন্দ্ৰ ৰাজখোৱাক চুলিত ধৰি টানি আনে আৰু ৰাইফল-গুলী ক'ত আছে সোধে। তাৰ পিছত ৰাজখোৱাক মাটিত শুৱ দিয়ে। তেতিয়া হাতযোৰ কৰি নেমাৰিবলৈ অনুৰোধ কৰে। সেইসময়তে বন্দুকেৰে একোৰ মাৰে। আলমাৰিটোও ভাঙে আৰু

কেতবোৰ নথি-পত্ৰ জ্বলাই দিয়ে। সেই সময়কণতেই দৌৰ মাৰি ৰাজখোৱাই কাষৰ এখন দৰ্জীৰ দোকানত সোমায়।

এই আক্ৰমণৰ ফলত সহকাৰী উপপৰিদৰ্শক সুবিমল দাস (৪৫), একাদশ বেটেলিয়ানৰ লেন্স নায়ক লোচন শৰ্মা (৪৫), কনিষ্টবল মগনীয়া বৰপলে (৩০) আৰু চালক কেদাৰ ৰয়ৰ মৃত্যু হয়। এওঁলোকৰ জন্মস্থান ক্ৰমে বিলাসীপাৰা, মৰিয়নী, মৰিগাঁও আৰু বিহাৰত। আহত হয় ক্ৰমে, প্ৰবোধ নাথ, কৃষ্ণ দুৱৰা, ৰঞ্জিত তালুকদাৰ, মহেন্দ্ৰ ৰাজখোৱা। আহত কেদাৰ ৰয়ৰ নগাওঁ চিকিৎসালয়ত মৃত্যু হয়। বৰ্তমান কৃষ্ণ দুৱৰা ডিব্ৰুগড় আৰু ৰঞ্জিত তালুকদাৰ, মহেন্দ্ৰ ৰাজখোৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। থানাৰ পৰা থ্ৰি নট থ্ৰিৰ ছয়টা ৰাইফল, এটা ভি-এইছ-এফ-চেট, চাৰ্জাৰ-বেটাৰী, এটা বাকচ আৰু আৰক্ষীৰ ১৫০ জাই আৰু বেটেলিয়ানৰ ১৪১ জাই মুঠ ২৯১ জাই গুলী নিয়ে। ঘটনাটোত প্ৰায় ১৫০ জাই গুলি ব্যৱহাৰ কৰে। লক্ষ্যহীন ভাবে চাৰিওপিনে গুলী মৰা বাবে টিনপাত, তামোল গছ, ঘৰৰ বেৰ আদি গুলীবিদ্ধ হয়। যুৱকসকলে এ-কে-৪৭, কাৰ্বাইন, ষ্টেনগান ব্যৱহাৰ কৰে, ঘটনাস্থলীত প্ৰায় ৪৬ টা খালি কাৰ্টিজ পোৱা গৈছে।

উল্লেখযোগ্য যে মৃত সুবিমল দাস ভাড়াঘৰত থাকে যদিও, সেইনিশা থানাত আছিল। কেইদিনমান আগতে তেওঁ ভেলোৰৰ পৰা আহি কামত যোগদান কৰিছিল।

যুৱককেইজনে এখন ট্ৰাকত আহিছিল। ট্ৰাকৰ নম্বৰ প্লেটত গোবৰ লগোৱা আছিল। ট্ৰাকৰ নম্বৰ (৬০৮ টাটা এ-এছ-০২-৩৮০৪)। পম খেদি আৰক্ষীয়ে জানিব পাৰে যে ট্ৰাকখন হাতীচুং সমবায় সমিতিৰ। সাধাৰণতে ট্ৰাকখন গেৰেজৰ ভিতৰত ৰাখি তলা মাৰে। গেৰেজত সমবায় সমিতিৰ টেক্টৰ আৰু পাৱাৰ টিলাৰো এখন থাকে। ঘটনাৰ আগদিনা পঁচিশ ডিচেম্বৰত ট্ৰাকখন চালকে সমবায়ৰ চৌহদৰ বাহিৰত ৰাখে আৰু চাবিপাতো ট্ৰাকতে এৰি থৈ যায়। সেইদিনা নিশা প্ৰায় ৭-৩০ বজাত দুজন ল'ৰা আহি ট্ৰাকখন লৈ যায়। আৰক্ষীয়ে ট্ৰাকখন স্পৰ্শ কৰি তেতিয়াও বনেট গৰম অৱস্থাত পায়। ট্ৰাকখনেৰে অহা প্ৰায় ১২ জন যুৱকে আক্ৰমণ চলালেও অভিযানটোত ৩০ জনমান যুৱক জড়িত থকা বুলি সন্দেহ কৰে। স্মৰ্তব্য যে ট্ৰাকখনে ২৫ ডিচেম্বৰৰ দিনা দিনৰ ভাগত নগাঁৱৰ পৰা হাতীচুঙলৈ চেনি কঢ়িয়াই নিছিল।

ট্ৰাক উদ্ধাৰৰ লগে লগে আৰক্ষীৰ ব্যাপক তালাচী চলে। কামপুৰ অভিমুখে আহি থকা এখন এম্বেছাদৰ পাৰলীগুৰিত আৰক্ষীয়ে জব্দ কৰে। এম্বেছাদৰৰ পিছৰ আসনত থকা তেজৰ চিনৰ পৰা সন্দেহ উদ্ৰেক হয়। অনুমান কৰা হৈছে যে ঘটনাত আহত যুৱকজনক নিৰাপদ স্থানত ৰখাই এম্বেচাদৰখন ঘূৰি আহিছিল। এম্বেছাদৰত (এ-এছ-এন-

৮০৩৫) থকা যুৱকদ্বয় প্রশান্ত গোস্বামী ওৰফে সাগৰ কলিতা আৰু পদুম শৰ্মা ওৰফে বাবা শৰ্মাক গ্ৰেপ্তাৰ কৰে। প্ৰশান্ত গোস্বামীয়ে বাংলাদেশৰ পৰা যোৱা জুলাই মাহত আহে আৰু পদুম শৰ্মা কে'বাটাও হত্যাৰ অভিযোগত অভিযুক্ত। এৰেচাদৰখনৰ গৰাকী ছাতীচুং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰামেশ্বৰ বৰা। এৰেছাদৰখন ৪-১৫ বজাত পুৱা অনা বুলি জনায়। এওঁলোকৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে তদন্ত কৰে। সোধ-পোছ কৰাৰ বাবে ৬০ জনমান লোকক থানালৈ আনে আৰু বাৰজনক গ্ৰেপ্তাৰ কৰে। টাডাত দিয়া লোকসকল হ'ল ক্ৰমে (১) প্ৰশান্ত গোস্বামী, (২) পদুম শৰ্মা, (৩) ললিত বৰা (সম্পাদক, সমবায় সমিতি), (৪) ললিত শইকীয়া, (৫) গণেশ বৰা (চালক), (৬) জয়ন্ত বৰা, (৭) সত্যজিত বৰা, (৮) বিন্টুবৰা, (৯) ৰাতুল শইকীয়া, (১০) ভব ৰাজখোৱা, (১১) ভদ্ৰ হাজৰিকা আৰু (১২) বাচ্ছা বৰা ওৰফে নিপু বৰা।

জাজৰি থানাৰ অৱস্থিতি আওঁহতীয়া হোৱাই নহয়, এক জৰাজীৰ্ণ ভাড়াঘৰত চলাই থকা হৈছে। জাজৰি চ'কটোৰ দোকান-পোহাৰ থানাৰ সন্মুখতেই আছে। থানাৰ পিছফাল মুকলি পথাৰ। জনসংখ্যা ৪৮১৩১ জনক সামৰা ২৫৩৮ বৰ্গ মাইলৰ একমাত্ৰ থানাখনৰ এই ৰূপটোৱে আৰক্ষী প্ৰশাসনৰ কৰুণ অৱস্থাটোকে ফুটাই তুলিছে। আক্ৰমণৰ ঘটনাৰ পিছতো উন্নীতকৰণৰ কোনো পদক্ষেপ লোৱা নাই।

ঘটনাৰ কাৰণ জানিব পৰা নাই যদিও এটি সূত্ৰৰ মতে নগাওঁ জিলাৰ সেনাধ্যক্ষ প্ৰভাত শইকীয়াৰ হত্যাৰ প্ৰতিশোধৰ বাবেই থানা আক্ৰমণ কৰা হৈছে। তদুপৰি প্ৰভাত শইকীয়াৰ মৃত্যু আৰু চালফাৰ বোকাখাটৰ অভিবৰ্তনে আলফাৰ সদস্যসকলক চিন্তিত কৰি তোলা বাবে এই আক্ৰমণ কৰা বুলি ধাৰণা কৰে। তথাপিও প্ৰশ্ন থাকি যায়, এই আক্ৰমণৰ লক্ষ্য "জাজৰি" কিয় হ'ল ? নগাঁৱৰে এটি সূত্ৰৰ মতে প্ৰভাত শইকীয়াক গোলাঘাটত হত্যা কৰা আৰক্ষী বিষয়া এজন জাজৰিলৈ বদলি হৈ আহিছিল। সেয়েহে প্ৰভাত শইকীয়াৰ হত্যাকাৰীক হত্যা কৰাৰ উদ্দেশ্যেই থানা আক্ৰমণ কৰিছিল। যিহেতু থানাত অস্ত্ৰ-শস্ত্ৰ বেছিকৈ নাথাকে, সেই হেতু সেইবোৰ লুট কৰাৰ বাবে থানা আক্ৰমণ কৰি প্ৰায় ১৫০ জাই গুলী ব্যৱহাৰ কৰাটো অস্বাভাৱিক। অৱশ্যে আৰক্ষী সূত্ৰে প্ৰভাত শইকীয়াৰ হত্যাকাৰী বিষয়া জাজৰি থানালৈ বদলি হোৱাতো অস্বীকাৰ কৰিছে। থানা আক্ৰমণৰ ঘটনা সংক্ৰান্তত ভাৰতীয় দণ্ডবিধি আইনৰ আধাৰত ৫৮/৯৩ নম্বৰৰ ৩৯৫, ৩৯৬, ৩৯৭ হত্যা-ডকাইতিৰ অভিযোগত গোচৰ ৰুজু কৰিছে। প্ৰতিৰোধ আইন টাডাৰ ৩/৪/৫/১৫ অবৈধ কাৰ্যৰ ১০/১৩ (পি) আৰু সশস্ত্ৰ আইনৰ ২৭ ধাৰাত গোচৰ পঞ্জীয়নভুক্ত কৰিছে।

জাজৰি থানা আক্ৰমণৰ আগতে প্ৰভাত শইকীয়াৰ আদ্যশ্ৰাদ্ধৰ আগদিনা ১৭ ডিচেম্বৰত কলিয়াবৰৰ নসত্ৰৰ ওচৰৰ এক পথেৰে

এখন মটৰ চাইকেলত তিনিজন যুৱক আহি আছিল। তেতিয়া পহৰাদাৰী আৰক্ষীয়ে ৰখাবলৈ নিৰ্দেশ দিয়ে। পহৰাদাৰী দলত এছ-ডি-পি-ও আছিল। মটৰ চাইকেলখন নৰখোৱাত আৰক্ষী খেদি যায় আৰু মটৰ চাইকেলখন অতিক্ৰম কৰি আগুৱাই যায়। তেতিয়া গুলীয়াবলৈ প্ৰচেষ্টা চলে। আৰক্ষীয়ে ওলোটাই আক্ৰমণ কৰে। ফলত আলফা সদস্য মইনা ৰৰা আহত, এজন গ্ৰেপ্তাৰ আৰু এজনে পলায়ন কৰে।

আহত, এজন গ্ৰেপ্তাৰ আৰু এজনে পলায়ন কৰে। গুৱাহাটী চিকিৎসালয়ত মইনা ৰৰাৰ মৃত্যু হয়।

এই ঘটনাৰ আগদিনাও লঙ্কা থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক গুলী কৰাৰ চেষ্টা কৰিছিল। বিষয়া গৰাকীয়ে হালি দিয়াত প্ৰাণ ৰক্ষা পৰে। হত্যাৰ প্ৰচেষ্টা চলোৱা যুৱকে পলায়ন কৰে।

এনেদৰে নগাওঁ জিলাত আলফাৰ দ্বাৰা ঘটনা সংঘটিত হৈ আছে। জিলাখনৰ পৰিস্থিতি সম্পৰ্কত সোধাত উপায়ুক্ত জ্যোতি প্ৰসাদ শইকীয়াই কয়, "ঘটনা সম্পৰ্কত তদন্ত অব্যাহত আছে। বাৰজনক গ্ৰেপ্তাৰ কৰিছে। সৈন্যবাহিনীয়ে বিশেষভাৱে তালাচী চলাই আছে। বৰ্তমান আৰক্ষীক সজাগ কৰি ৰখা হৈছে। নগাঁৱত এটা ৰাজপুত-২৫ বেটেলিয়ান আছে। নগাওঁৰ পৰিস্থিতি এতিয়া নিয়ন্ত্ৰণাধীন আৰু স্বাভাৱিক।" গ্ৰেপ্তাৰৰ সম্পৰ্কত ৫০ গৰাকী মহিলা আহিছিল যদিও তেওঁলোক উভতি যায়।

শেহতীয়াভাবে নগাঁওত স্বাভাৱিক জীৱন-যাত্ৰা অব্যাহত থাকিলেও এইবাৰ গহপুৰ উত্তপ্ত হৈ পৰিছে। আলফাৰ কলাবাৰী সমিতিৰ সাংগঠনিক সম্পাদক বাবুল বৰা ওৰফে লক্ষ্যধৰ বৰুৱাৰ মৃত্যুৰ ঘটনাক কেন্দ্ৰ কৰি পৰিস্থিতি উত্তেজনাপূৰ্ণ হৈ পৰিছে। গহপুৰৰ শিমলুগুৰিৰ ঢিঙালিবড়ী গাঁৱৰ জোনাৰাম নেওগৰ (তিনিছিয়েক) বাসগৃহৰ পৰা বাবুল বৰাক গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীয়ে কৃষক লীলাৰাম নেওগক নিশা দুই বজাত, জোনাৰাম নেওগৰ পুত্ৰ বিপুল নেওগ আৰু খুলশালিয়েক বাবুল বৰাক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ মতে টাডা/২৫১ আৰু সশস্ত্ৰ আইন/১২৩/৯৩ ৰ অধীনত বাবুল বৰাৰ বিৰুদ্ধে গোচৰ পঞ্জীভুক্ত আছে। তদুপৰি গ্ৰেপ্তাৰ কৰাৰ পিছত ২২ ডিচেম্বৰৰ দিনা কাহিলি পুৱাতেই গ্ৰেনেড উদ্ধাৰ সম্পৰ্কত গোচৰ ৰুজু কৰে। গহপুৰ থানাৰ লক-আপতেই বাবুল বৰাৰ ২২ ডিচেম্বৰত মৃত্যু হয়। এতিয়া বিবাদৰ সূত্ৰপাত হৈছে, মৃত্যুৰ ঘটনাক কেন্দ্ৰ কৰি। অভিযোগমৰ্মে আৰক্ষীৰ অত্যাচাৰত লক-আপত মৃত্যু হয়। আনহাতে আৰক্ষীৰ মতে ৰাতিপুৱা পাঁচ বজাৰ পৰা বাবুলে কঁপিব ধৰে আৰু ৫-২০ বজাত মাত বন্ধ হয়। চিকিৎসা কৰাৰ ব্যৱস্থা কৰা হয় যদিও বাবুল বৰাৰ ইতিমধ্যে মৃত্যু হয়। ঘটনাটোৰ তীব্ৰ প্ৰতিক্ৰিয়া স্থানীয় ৰাইজৰ মাজত দেখা গৈছে। উত্তেজনাপূৰ্ণ বিতৰ্কিত এই ঘটনাৰ বাবেও গহপুৰ থানা আক্ৰমণৰ আতংক অঞ্চলটোত সিঁচৰিত হৈ পৰিছে। ইতিমধ্যে বাবুল বৰাক শ্বহীদ ঘোষণা কৰি আলফাই ২৭ ডিচেম্বৰত শোণিতপুৰ জিলা বন্ধৰো আহ্বান দিছিল।

(৫ জানুৱাৰী, ১৯৯৪)

তপনৰ হত্যাৰ প্ৰতিবাদত বজালী বন্ধ

❑ *লোহিতপাৰা*

বৰপেটা জিলাৰ আলফাৰ সেনাধ্যক্ষ তপন চন্দ্ৰ শৰ্মাৰ হত্যাক কেন্দ্ৰ কৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। যোৱা পাঁচ জানুৱাৰীৰ কাহিলীপুৰাতে পাটাছাৰকুছি থানা এলেকাৰ অন্তৰ্গত "বৰুবাং" ৰাভাহ গাঁওখনৰ লোহিতপাৰাৰ চুবুৰীৰ কৃষক শৰৎ বৰ্মনৰ বাসগৃহত আৰক্ষীৰ গুলিত তপন শৰ্মাই মৃত্যু মুখত পৰে।

শৰৎ বৰ্মনৰ বাসগৃহত উপস্থিত হোৱাত জানিব পৰা গ'ল যে শ্ৰীবৰ্মন আৰু পৰিয়ালৰ অন্যান্য সদস্য সকল ৰামপুৰত কৃষি কাৰ্যৰ বাবে থাকে। ছমাহ ধৰি তেওঁলোক ৰামপুৰত আছে। লোহিতপাৰাৰ চুবুৰীস্থ বাসগৃহত পুত্ৰ বসন্ত বৰ্মন থাকে। মহাবিদ্যালয়ৰ উচ্চতৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ বসন্ত বৰ্মনে ওচৰৰে মিস্ত্ৰি ধনেশ্বৰ তালুকদাৰক সঙ্গী হিচাপে ঘৰতে ৰাখে। ঘৰখনত বৃদ্ধ বসন্তৰ আইতাক পৰনী বৰ্মনো থাকে।

সেই নিশা আছিল, চাৰি জানুৱাৰী। ঘৰখনত আটাইযে ভাত খাই শুইছে। তেতিয়া নিশা দহ বাজিছে। সেই সময়তে বৰপেটা জিলাৰ সেনাধ্যক্ষ তপন চন্দ্ৰ শৰ্মাই আশ্ৰয় বিচাৰি যায়। তেতিয়া সুকিয়াকৈ থকা ঘৰটোত তপনক থাকিবলৈ দিয়ে। বৃদ্ধা আৰু আন দুজন যুৱকে মূল ঘৰটোত থাকে। আৰক্ষীয়ে যুৱক দুজনক গ্ৰেপ্তাৰ কৰা বাবে বৃদ্ধাজনৰ বাহিৰে স্বাক্ষ্য সাক্ষী পাবলৈ নাই।

বৃদ্ধা পৰনী বৰ্মনে ঘটনাৰ বিবৰণি দি কয় ঃ "কোনোবাই বাহিৰত চিঞৰিছে। মই বুজি পোৱা নাই। কাণেৰে মই কম শুনো। চিঞৰি থকা সত্বেও কোনো উঠা নাছিল। চিঞৰ বেছি হোৱাত দৰ্জা খুলি ধনেশ্বৰ ওলাই আহে। সেই ঘৰটোত থকা ল'ৰাজনৰ বিষয়ে সোধে। তাৰ পিছত কুঠাৰ আনিবলৈ কয়। আমাৰ কুঠাৰ নাছিল। তেতিয়া ধনেশ্বৰে মোৰ বিচনাৰ পৰা দিয়াচলাই নি চাকি জ্বলাই। কুঠাৰ নাপালেও দাখনকে আনে। দা খনেৰে ঘৰৰ বেৰ কাটে। তাৰ পিছত গুলিৰ শব্দ হয়। মই বিচনাতে জাপ মাৰি উঠো।"

অনুসন্ধান কৰি জানিব পৰা গ'ল যে আৰক্ষীয়ে শৰৎ বৰ্মনৰ বাসগৃহত প্ৰৱেশ কৰাৰ আগতে ৰমেন বৰ্মনৰ ঘৰলৈ যায়। তেওঁলোকৰ ৰত্নেশ্বৰ বৰ্মনক লগত লৈ শৰত বৰ্মনৰ বাসগৃহলৈ আহে আৰু তাতেই বসন্ত আৰু ধনেশ্বৰক জগাই দিয়ে। সুকীয়া পঁজাটোৰ বেৰ কটা চিহ্ন, তিনিটা গুলিৰ চিহ্ন, আৰু মজিয়াতে তেজ দেখা যায়। ধাৰণা কৰা হয় যে, আৰক্ষীয়ে পঁজাটোৰ বাহিৰৰ পৰাই গুলি নিক্ষেপ কৰে।

পঁজাটোৰ ভিতৰৰ পৰা মৃতদেহটো আনিবলৈ ধনেশ্বৰ আৰু বসন্তক আৰক্ষীয়ে নিৰ্দেশ দিয়ে। ধনেশ্বৰ সোমাই যায় যদিও মৃতদেহ

উলিয়াই আনিব নোৱাৰিলে। তেতিয়া আৰক্ষীৰ দলটোৱে পঁজাৰ পৰা কাপোৰেৰে মেৰিয়াই তুলি ক্ষতবিক্ষত মৃতদেহ উলিয়াই আনি ট্ৰেকাৰত উঠায়।

পাঁচ জানুৱাৰীৰ এই হত্যাকাণ্ডৰ বাতৰি বিয়পি পৰাৰ লগে লগে বজালী অঞ্চলটোত স্বতঃস্ফূৰ্ত বন্ধ পালন হয়। মৃত্যুৰ সংবাদ পাঠশালা নিবাসী দেউতাক উমেশ চন্দ্ৰ শৰ্মালৈ প্ৰেৰণ কৰে বাতিপুৱা দহ বজাত। আৰক্ষী আৰু সামৰিক প্ৰশাসনে দিয়া সংবাদ অনুসৰি পিতৃ উমেশ চন্দ্ৰ শৰ্মাই দুপৰীয়া বাৰ বজাত বৰপেটা গৈ পায়। মৃতদেহ চোৱাৰ বাবে আবেদন জনালে। উপায়ুক্তই আবেদন অগ্ৰাহ্য কৰিলে। তেতিয়া নিশা দহ বজাত মৃতদেহ সংৰক্ষণৰ বাবে আবেদন জনালে। সেই বিষয়ত আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত শুনানী লয়। সেইদিনা সৎকাৰ কৰাৰ বাবে মৃতদেহ দিয়াটো দূৰৰ কথা, মাথো ভৰি দুখনহে চাব দিয়ে।

সেয়েহে ছয় জানুৱাৰীত উচ্চ ন্যায়ালয়ত আবেদন কৰিলে। এঘাৰ বজাত শুনানীও ললে। তেতিয়া চৰকাৰী উকীলে মৃতদেহৰ বিষয়ে জানিবলৈ সময় লয়। প্ৰায় ডেৰ ঘণ্টা এনেদৰে পিছুৱাই যায়। পিচত চৰকাৰী উকীলে জনালে যে, ছয় জানুৱাৰীৰ দিনা দিনৰ চাৰে দহ বজাত মৃতদেহ দাহন কৰা হয়। তেতিয়া আদালতে অস্থি দিয়াৰ বাবে নিৰ্দেশ দিয়ে। আদালতে নিৰ্দেশ দিলেও আঠ ডিচেম্বৰলৈ পৰিয়ালৰ লোকে অস্থি পোৱা নাই। আন এটা সূত্ৰৰ মতে মৃতদেহ বৰপেটাৰ মৰা নদীৰ পাৰত নখান্দাত পাঁচ ডিচেম্বৰৰ নিশা দুইমান বজাতে দাহন কৰে। তাৰ পৰাই পৰিয়ালৰ লোকে নিজাববীয়াকৈ অস্থি আনি ধৰ্মীয় কাৰ্য সম্পাদন কৰে।

তপন চন্দ্ৰ শৰ্মা ওৰফে প্ৰফুল্ল গোস্বামীয়ে (২৬) ১৯৮৬ চনত চৌখুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। তাৰ পিচত বজালী মহাবিদ্যালত ১৯৮৮ চনত উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হয়। পৰীক্ষা দিয়াৰ পিছৰে পৰা ছাত্ৰজন নাইকিয়া হয়। পিছত জনা গ'ল যে তপনে আলফাৰ প্ৰশিক্ষণ লবলৈ কাচিনলৈ গৈছে। কাচিনৰ পৰা ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহত অসমলৈ আহে। মৃত্যুৰ সময়ত পিতৃ-মাতৃ, চৰিজনী ভগ্নী আৰু এজন ভাতৃ এৰি থৈ যায়।

বৰপেটা জিলাৰ অকয়া সত্ৰৰ পৰা পৰিয়ালটো ১৯৭১ চনত পাঠশালালৈ আহি স্থায়ীভাৱে বসবাস কৰে। পিতৃ উমেশ চন্দ্ৰ শৰ্মাই জনাইছে যে, আত্মসমৰ্পণ কৰিব কোৱা সত্বেও তপনে নিজা স্থিতিৰ পৰা লৰ-চৰ কৰিব বিচৰা নাছিল। মৃত্যুৰ আগদিনা সন্ধিয়া ছয় বজাত পিতৃৰ শেষ দেখা।

পাঁচ জানুৱাৰীৰ দিনা স্বতস্ফূৰ্ত বন্ধ পালন কৰা হয়। ছয় ডিচেম্বৰৰ দিনা অবড়ো এলেকা অন্তৰ্ভুক্তিৰ বাবে প্ৰতিবাদ পালন কৰে। সাত জানুৱাৰীৰ দিনা আলফাৰ বৰপেটা জিলা সমিতিয়ে বন্ধৰ আহ্বান দিয়ে।

(১২ জানুৱাৰী, ১৯৯৪)

নগাঁৰৰ গণকবৰৰ নায়ক কোন?

আলফাৰ নিশংস হত্যাৰ নমুনা
নিমখ দি গাতত পুতি থোৱা কেইটামান গলিত মৃতদেহ

গুৱাহাটী

আকৌ উদ্ধাৰ হ'ল নগাঁৱত গণকবৰ। হিংস্রতা আৰু উন্মাদনাই এনে ৰূপ পাইছে গৈ যে বন্দুকে বন্দুক হত্যা কৰিয়েই ক্ষান্ত থকা নাই, মৃতদেহত নিমখ ঢালি গাঁতত পুতি থোৱা হৈছে। মাংস-ভাতেৰে ভাত খুৱাই পৰিকল্পিতভাবে অন্তর্বাস পিন্ধাই সাতজনক নির্মমভাবে গুলিয়াই হত্যা কৰা হ'ল। মৃতদেহৰ পৰা ঘড়ী-চেইন-আঙঠি-পোছক আদি হত্যাকাৰীয়ে কাঢ়ি নি পিন্ধি পৈশাচিক আনন্দ প্রকাশ কৰিলে। সহজ-সৰল অসমীয়া সমাজত ই এক নোহোৱা-নোপজা ঘটনা। নতুন প্রজন্মই উদ্ভাৱনী শক্তিৰে জনজীৱনৰ মানদণ্ড উন্নত কৰাৰ প্রচেষ্টাৰ পৰিবর্তে, খুচি খুচি নির্দয়ভাবে নৰহত্যা কৰিপৰিতৃপ্তি পোৱা হ'ল। সভ্যতাৰ শিখৰত আৰোহন কৰি অসমীয়া সমাজে আসুৰিক ঘটনাক জীৱন ধাৰাৰ সহচৰ কৰিবলৈ বাধ্য হৈ পৰিছে। লক্ষীপথাৰৰ গণ কবৰৰ পিছত পুনৰ নগাঁৱৰ নৈপামৰ বিভৎস গণকবৰে তাকেই পুনৰ খাৰ উদঙাই দেখুৱালে। তথাপিও সাময়িক উত্তেজনা-প্রতিক্রিয়া প্রকাশ কৰিলেও নিৰাময়ৰ স্থায়ী বন্দবস্ত নাই।

নগাঁৱৰ ঘটনাটোৰ তাৎপৰ্যপূৰ্ণ দিশ এয়ে যে যিসকলক আলফাৰ সদস্যই নিমন্ত্ৰণ কৰি নিছিল, সেই সকলে এসময়ত আলফাৰ সতীৰ্থ আছিল আৰু আলফা ত্যাগ কৰি আলোচনাপন্থীৰ আনুষ্ঠানিক সমিতিৰ লগতো চামিল হোৱা নাছিল; চৰকাৰৰ বহতীয়াও হোৱা নাছিল। স্বনিৰ্ভৰশীলতাৰ মানসেৰে সামাজিক কল্যাণমূলক কামত "যুৱ মঞ্চ" নামাকৰনেৰে এটি সংগঠন গাঢ়ি তুলিছিল। যুৱ মঞ্চই গাহৰি ফাৰ্ম, মূৰ্গী ফাৰ্ম আদি কৰি এক আদৰ্শনীয় প্ৰচেষ্টা হাতত লৈছিল। সেই কাৰণেই আলফাৰ নগাঁও জিলা সমিতিৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছিল। তৎসত্বেও সেই ঘনিষ্ঠ বন্ধুৰ হাততেই মৃত্যুবৰণ কৰিবলগীয়া হ'ল সাতজন বন্ধু।

জানিব পৰা মতে ১৭/১৮ ফেব্ৰুৱাৰীত আলফাই প্ৰেৰণ কৰা পত্ৰ অনুযায়ী "যুৱ মঞ্চ"ৰ সদস্যসকলে গোপনে আলোচনাত মিলিত হোৱাৰ সিদ্ধান্ত কৰে। আলফাৰ নগাঁও জিলা সমিতিৰ স্বাক্ষৰ বিহীন চিঠিখনত সংলগ্ন আছিল, তেৰজন যুৱকৰ নামৰ তালিকা। আমন্ত্ৰিত এই তালিকাত থকাসকল হ'ল—পুতুল দাস, হেমন্ত বৰা, বনমালি ডেকা, অৰূপজ্যোতি নেওগ, বিপুল লস্কৰ, ক্ষিৰোদ দাস, লক্ষী বৰা, নিৰ্মল বাত্তা, ত্ৰিদিপ বৰা, বিষ্ণু বৰা, প্ৰণৱ বৰা, উগ্ৰ আৰু হিৰণ্য মহন্ত। এওঁলোকৰ ৯ জনে আমন্ত্ৰণ গ্ৰহণ কৰি বাইছ ফেব্ৰুৱাৰীত যায় আৰু ৯ জনীয়া দলটোৱে বাটতে পাই পৰেশ দাসকো লৈ যায়। আলোচনাৰ শেষত তিনিজন ক্ৰমে পুৰণিগুদামৰ শিঙিয়া মাজগাঁৱৰ প্ৰাণজিত বৰা ওৰফে বুৰালী ওৰফে অৰূপজ্যোতি নেওগ আৰু কামপুৰ আহোম গাঁৱৰ বনমালি ডেকা ওৰফে বিজয় লস্কৰক মাতি আনি দিয়াৰ চৰ্তত ক্ৰমে মৰিকলঙৰ চেপাজানৰ পুতুল দাস ওৰফে অনিৰুদ্ধ চৌধুৰী আৰু মাজ জাজৰিৰ জিতু গোস্বামী ওৰফে ত্ৰিদিপ বৰাক এৰি দিয়ে। জনামতে প্ৰাণজিত আলফাৰ জিলা পৰ্যবেক্ষক/সহকাৰী বৈদেশিক সচিব, বনমালি সহকাৰী জিলা সেনাধ্যক্ষ, অনিৰুদ্ধ চিকিৎসা শিবিৰৰ উপসভাপতি, পুতুল আৰু জিতু সামৰিক শাখাৰ সদস্য আছিল। নিহত সদস্যকেইজন হ'ল (১) কামপুৰৰ বিপুল লস্কৰ, (২) উৰিয়া গাঁৱৰ হেমন্ত বৰা, (৩) ডিমৰুগুৰীৰ জয়ন্ত বৰা, (৪) ফৌজদাৰী পট্টিৰ ক্ষীৰোদ দাস, (৫) কামপুৰৰ পৰেশ দাস, (৬) হাতীচুং মেধিচুকৰ দিলীপ দাস আৰু (৭) মধুপুৰ (হাতীগড়)ৰ লক্ষী বৰা। সৌভাগ্যক্ৰমে মৃত্যুৰ হাত সৰা কেইজনে এই ৰক্তাক্ত আক্ৰমণৰ ঘটনাৰ বিষয়ে বৰ্ণনা দিছে এনেদৰে ঃ

● *পুতুল দাস ঃ*

মোৰ নাম পুতুল দাস। আমি আত্মসমৰ্পণ কৰাৰ পিছত নগাঁৱৰ জনকল্যাণমূলক কামত জড়িত আছিলো। আলফাৰ পৰা পত্ৰখন পাই নিৰ্দ্ধাৰিত তাৰিখ অনুসৰি বাইছ ফেব্ৰুৱাৰীত আলফাৰ আলোচনাৰ বাবে প্ৰস্তুত হ'লো। আমাৰ ঘৰতে লগহে যোৱাৰ কথা। আমাৰ দৃঢ়

বিশ্বাস আছিল যে, আমাক আলফাই একো নকৰে। কিয়নো তেওঁলোকৰ সৈতে আমাৰ সৌহাৰ্দপূৰ্ণ সম্পৰ্ক আছে। উগ্ৰ আৰু হিৰণ্য মহন্তক খবৰ দিব পৰা নগ'ল। বনমালি আৰু অৰূপে অসুবিধাৰ বাবে যাব নোৱাৰিলে। অন্যান্যসকল যাবলৈ সাজু হওঁ।

আমি নিৰ্দিষ্ট স্থানলৈ গ'লো। এখন বাঁহৰ দলং পাৰ হলো। তুলসী গাঁৱৰ পিচফালে নৈপাম গাওঁ। এখন "৪০৭" মিনিবাছত নৈপামলৈ গ'লো। তাত নগাঁৱৰ সেনাধ্যক্ষ লখু বৰা, সচিব প্ৰশান্ত বৰা, অমিয় বৰা, মনোজ বৰা, প্ৰশান্ত বৰা, ৰমেন বৰুৱা, ৰাজীব বসু, প্ৰাঞ্জল শইকীয়া, পলাশ ভূঞা, পিন্টু বৰা আদি আছিল। তেওঁলোকে ক'লে নগাঁও জিলা গোটৰ আলফাৰ সভাপতি পবিত্ৰ জমিদাৰ আহিলে আলোচনা আৰম্ভ হ'ব।

পবিত্ৰ জমিদাৰ নহাত আমি যাবলৈ অনুৰোধ কৰো। তেতিয়া প্ৰশান্ত বৰাই আলোচনা কৰে। যুৱমঞ্চৰ খ'তিয়ান লয়। শেষত মাংসৰে ভাত খুৱায়।

যোৱাৰ সময়ত ক'লে যে "৪০৭" মিনিবাচখন ম'থাউৰিৰ ওচৰলৈ আনিব দিয়া হৈছে। গতিকে দুজন দুজনকৈ সেইফালে যাব লাগিব। তেতিয়া দুজন দুজনকৈ গৈ থাকে। লখু বৰাই এম-২০ পিষ্টল এটা লগাই মোক ক'লে—তেওঁলোকক হত্যা কৰা হ'ব। কিন্তু বনমালি আৰু প্ৰাণজিতক আনি দিয়াৰ চৰ্তত এৰি দিয়া হ'ব; মই আচৰিত। আটাইকেইজনকে চকুত কাপোৰ বান্ধি হাত পিছফালে বান্ধি ম'থাউৰিটোৰ সিপাৰে আঠুকাঢ়ি পেলাই থয়। গুলি উলিয়াই পিষ্টল কপালত দি আমাৰ তিনিজনৰ ফটো লয়। যাতে পিছত ফটো পেপাৰত দি হত্যাকাৰী সাজিব পাৰি। তেতিয়া মোৰ মগজু সুস্থিৰ হৈ নাছিল। তেতিয়াও ভাবিছিলো, আমিতো একো ভুল কৰা নাই। আমাক মাৰিব কিয়?

নিশা চাৰে আঠ মান বজাত আমি মথাউৰিটোৰ এইটো পাৰত গুলিৰ শব্দ শুনি বুজি পালো, হত্যা কৰা হৈছে। তাৰপিছত দেখা পোৱা যুৱকসকলৰ হাতত সতীৰ্থকেইজনৰ কাপোৰ আছিল। আমি আলফাৰ সদস্যৰ নিৰ্দেশক্ৰমে পুনৰ চাইকেলেৰে গন্তব্যস্থানলৈ আহোঁ আৰু নিশা চাৰে বাৰ বজাত ঘৰলৈ ঘূৰি আহি নিশা ঘৰতে কটাওঁ। পিছদিনা আনন্দজনক খবৰ দি আমি গুৱাহাটীলৈ আহো।

● ***অমল বৰা :***

প্ৰথমতে আমি দুচকীয়া বাহনেৰে যাওঁ। বিপুল লস্কৰৰ "মামাহা"ত তিনিজন, নিৰ্মল ৰাভা ওৰফে দিলীপ দাসৰ বুলেটত তিনিজন, জয়ন্ত বৰাৰ স্কুটাৰত দুজন আৰু মই আৰু পুতুল দাস চাইকেলত। তাৰৰ ঘাটত এখৰত সোমালো। তাত বাহিৰেৰে গৈ এওঁলোক আগতে উপস্থিত হৈ আছিল। অমিয় বৰাও আছিল। সৈন্যৰ তালাচী চলা বুলি কৈ আমাক

দলং পাৰ হৈ বিষ্ণুচৰাবাৰী নামৰ গাঁৱখনলৈ লৈ গ'ল। যান-বাহন আগৰ ঠাইতে থাকিল। গাঁৱৰ এঘৰত বহি চাহ-ভুজিয়া খালো। তাৰ পৰা "৪০৭" মিনিবাচ এখনত আমাক নৈপামলৈ লৈ গ'ল। বাছখনত অমিয় বৰা, মনোজ বৰা আৰু প্ৰাঞ্জল শইকীয়া আছিল।

নৈপামত এটি পৰিয়ালত আশ্ৰয় ল'লো। তাত নিৰামিষ ভাত খালো। তিনিবজালৈ আমাৰ আলোচনা আৰম্ভ হোৱা নাছিল। অৱশেষত সচিব প্ৰশান্ত বৰাই আলোচনা কৰিলে। আলোচনা চলিল চাৰি বজাৰ পৰা চাৰেসাত বজালৈ। তাতেই মাংসৰে ভাত খাওঁ।

পিছত প্ৰশান্ত বৰাই অমিয় বৰাক ক'লে, আমাক ঘৰলৈ নিব লাগে। মাথাউৰিৰ পিছফালে মিনিবাছখন আছে বুলি কৈ দুজন দুজনকৈ যাব দিলে। তেনেকৈ যাত্ৰা আৰম্ভ হ'ল। জয়ন্ত আৰু মই শেষত গ'লো। প্ৰশান্তই ত্ৰিদিপক কথা আছে বুলি ক'লে। জোনাক নিশা যদি'ও বাঁহতল হোৱা বাবে এন্ধাৰ আছিল। দূৰত থিয় হৈ থকা মানুহ দেখিলো। মোৰ লগৰ জয়ন্তক ধৰি হাতত বান্ধি দিলে আৰু মোক লম্বুৱে ক'লে, 'তোক নেমাৰো তই পলা'। বন্দুক এটা লগাই দিয়াত কঁপি থাকো। লম্বুৱে আকৌ ক'লে, 'নপলাবি'।

তাৰ পিছত বান্ধি থোৱা ল'ৰাকেইজনক উলিয়াই আনিলে। মাথাউৰিত বহুৱাই দিলে। আমাৰ হাত খুলি দিলে। পুতুল মোক আৰু ত্ৰিদিপক বিভলভাৰ তেওঁলোকৰ কপালত লগাই দি ফটো উঠালে। আমাক মথাউৰিৰ সেইটো পাৰত ৰাখিলে। প্ৰায় ৪৫ মিনিট পাছত তেওঁলোক আহিল। হাতত সতীৰ্থসকলৰ কাপোৰ। তাৰ পৰাই বুজিলো তেওঁলোকক হত্যা কৰিছে। আমাক ভাতখোৱা ঘৰটোলৈ লৈ আহে। তাৰপৰা চাইকেলেৰে আহোঁ। আগতে চাইকেল কেইখন এৰিথৈ যোৱা স্থানত বৈ আমাৰ চাইকেলেৰে ঘৰলৈ আহো। উঠি অহা চাইকেলখন তাতেই এৰো।

● *বনমালি ডেকা ঃ*

মই'ও দলটোত যোৱা কথা আছিল। কিন্তু পত্নীৰ অসুখৰ বাবে যাব নোৱাৰিলো। ২৩ ফেব্ৰুৱাৰীত দুই বজাত "আলট্ৰা-চাউণ্ড" কৰি নাৰ্ছিংহ'ম পালো। তেনেতে ত্ৰিদিপ বৰাই আহি নাৰ্ছিং হ'মত ক'লে যে পুতুল দাসক লগ ধৰিব কৈছে। তিনিবজাত পত্নীক নাছিংহ'মৰ পৰা অনা হ'ল। তেওঁক ঘৰলৈ পঠাই নগাঁও নগৰলৈ আহিলো। নগৰত অৰূপক পালো। পুতুলক লগ পাবলৈ নিৰ্দ্দিষ্ট কৰি দিয়া স্থানত পুতুলক নেপাই অনল আৰু ত্ৰিদিপক পালো। তেওঁলোকে কয় যে মোক আৰু বুৰালি মানে অৰূপজ্যোতিক লৈ যাব দিছে। মই বুজি পালো যে গধুৰ দায়িত্ব দিয়াৰ বাবে নিবলৈ আহিছে। মই ক'লো, তেওঁলোক নাহিলে মই যাব নোৱাৰো। স্মৰ্তব্য যে বনমালি আৰু অৰূপক নিবলৈহে চৰ্ত হিচাপে বাকী তিনিজনক এৰি দিছিল।

● *অৰূপজ্যোতি নেওগঃ*

মই প্ৰস্তাবিত আলোচনালৈ যোৱাৰ কথা আছিল। গুৱাহাটীলৈ আহিব লগা বাবে সেইদিনা যোৱা নহ'ল। বাস্তিপুৰা গুৱাহাটীলৈ আহি সক্ৰিয়া নগাঁৱলৈ আহো। পিছদিনা অৰ্থাৎ ২৩ ফেব্ৰুৱাৰীত লগ পাই সুধিলো, তেওঁলোক ক'ত গ'ল? উত্তৰ দিলে, আমি একেলগে আছিলো। এতিয়া ঘৰাঘৰি গৈছে। নিশা লক্ষী ৰবাৰ ঘৰত থাকিলো। লক্ষী ক'ত গ'ল বুলি সুধিলে। মই, মিটিঙলৈ যোৱা বুলি কৈ ভতিজাকৰ লগত ওলাই আহিলো। পুতুলৰ ঘৰ পালো। তেওঁ মাতি পঠিয়াইছে বুলি কোৱাত মই নাযাও বুলি কওঁ।

● *হত্যাকাৰী কোন? ঃ*

নৃশংস হত্যাকাণ্ডৰ লগত জড়িতসকল কোন? ঘটনাস্থলীত উপস্থিত থকা অমল, ত্ৰিদিপ আৰু পুতুলৰ মতে হত্যাকাৰী আলফাৰ নগাঁও জিলা সমিতিৰ সদস্য। পুতুলৰ ভাষামতে, কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশক্ৰমে হত্যা কৰা হৈছে। এই ধাৰণাৰ ভিত্তি কি বুলি সোধাত কয় যে, উক্তটি অহাৰ পথত সচিব প্ৰশান্ত বৰাই লবুক কৈছিল যে জয়ন্তই লগ পাবলৈ খুব বিচাৰিছিল। তেতিয়া লবুৱে কৈছিল—"আমাৰ দিনতহে এইবিলাক নিদেৰ্শ আহিব লাগেনে?" এৰি দিয়া দুজনক হাতত বন্ধা থকা অৱস্থাত এজন আলফাৰ সদস্যই ক'লে, তোমালোক তিনিজনৰ একো নহয়। তেওঁলোকক বচাব পৰা নগ'ল। তেন্তে কিয় বাচিছে বুলি সোধাত কয় যে দেখুৱাবলৈ বন্ধা হৈছে। কথাৰ মাজতে কেন্দ্ৰীয় নেতৃবৃন্দৰ নিৰ্দেশ বুলি কোৱা শুনে। আনকি মৰিগাওঁ, কলিয়াবৰতো হত্যাকাণ্ড হ'ব বুলি কয়। সমগ্ৰ অসমতে এনে মৃত্যু তালিকা তৈয়াৰ কৰা হৈছে। প্ৰথম নগাঁৱত কাৰ্যকৰী হ'ল। এই ধৰণৰ কথা বতৰাৰ পৰা মুক্ত তিনিজন যুৱকে বুজি পায় যে আলফাৰ কেন্দ্ৰীয় নেতৃবৃন্দৰ নিৰ্দেশতেই হত্যাকাণ্ডটো সংঘটিত হ'ল। আলফাৰ কেন্দ্ৰীয় নেতৃবৃন্দৰ নিৰ্দেশত হত্যা কৰা বুলি এতিয়ালৈকে তথ্য নেপালেও, যুৱমঞ্চৰ সদস্যৰ মতে আলফাৰ নগাওঁ জিলা সমিতিৰ চিনাকি সদস্যই হত্যাকাণ্ডত জড়িত। হত্যাকাণ্ডটো প্ৰায় পঞ্চাশজন যুৱক জড়িত আছিল।

অসমৰ ভিতৰতে আলফাৰ সদস্যৰ সৈতে আত্মসমৰ্পণকাৰীৰ নগাঁৱত আটাইতকৈ বেছি ঘনিষ্ঠ আছিল। তথাপিও এই হত্যাকাণ্ড কিয় কৰিলে? এটা সূত্ৰৰ মতে জিলা সেনানায়ক প্ৰভাত শইকীয়াৰ মৃত্যুত আত্মসমৰ্পণকাৰীৰ হাত থকা বুলি সন্দেহ কৰা হৈছিল। তাৰ ভিত্তিতেই এই "প্ৰাণ কবৰ" খন্দা হ'ল বুলি ধাৰণা। আনহাতে আলফাৰ নগাঁও জিলা সমিতিয়ে এই হত্যাকাণ্ডৰ সৈতে জড়িত থকাৰ কথা অস্বীকাৰ কৰিছে।

● *চৰ্ত পূৰণ কৰিলে নেকি ঃ*

নাই। কৰা নাই। মুক্ত তিনিজন যুৱকৰ দায়িত্ব আছিল, প্ৰাণজিত

ৰবা আৰু বনমালী ভেকাক আলফাৰ সদস্যৰ হাতত চমজাই দিয়া। দুয়োজনকে ভানেক স্বৰূপ সিঙৰ ঘৰলৈ লৈ যাবলৈ নিৰ্দেশ দিছিল। কিন্তু সেয়া বাস্তৱ নহল। এই দুঃসহ সংবাদটি দিয়েই তিনিওজনে গুৱাহাটীলৈ গুছি আহে। অৱশ্যে স্বৰূপ সিঙক এখন চিঠিযোগে যুৱক দুজনক লগ নোপোৱা বুলি জনায়।

আনহাতে প্ৰাণজিত ৰবা আৰু বনমালি ভেকাই নগাওঁ জিলা উপায়ুক্তক লগ ধৰে, ২৩ ফেব্ৰুৱাৰী চাৰি বজাত। প্ৰাণজিতে কথা পাতিলে আৰু বনমালি ঘৰলৈ গ'ল। উপায়ুক্তৰ তত্বাৱধানত আৰক্ষী অধীক্ষকে নিৰাপত্তাৰ ব্যৱস্থা কৰিলে। আবেলি পাঁচ বজাৰ পৰা নিশা এঘাৰ বজালৈ টি-আৰ-পি-এফৰ শিবিৰত থাকে। পিচত অনুমান কৰি ঘটনাস্থলীলৈ যায়। কোনো গুংসূত্ৰ নাপায় দুই বজাত ঘুৰি আহে। নিশা তিনি বজাত এখন বাছত গুৱাহাটীলৈ আহে। ইপিনে অসম বন্ধ চলি আছিল। ২৫ ফেব্ৰুৱাৰীৰ দিনা নিশা ৯ বজাত লগ পালে। ২৬ তাৰিখে আবেলি ৩ বজাত পুনৰ নগাঁৱলৈ যায়। উপায়ুক্তই মৃতদেহ পোৱা বুলি জনায়। নিশা বাৰবজাত পুনৰ গুৱাহাটীলৈ আহে আৰু ২৭ ফেব্ৰুৱাৰীত সংবাদ মেলত গুৱাহাটীত ঘটনাৰ বৰ্ণনা দিয়ে।

● *সুনীল নাথৰ প্ৰতিক্ৰিয়া ঃ*

আলোচনাপন্থী গোটৰ প্ৰচাৰ সচিবৰূপে শ্ৰীনাথে কয়— "আমিও হিট লিষ্টত সদায় আছো। আলফাই দুৰ্বলকহে হত্যা কৰে। ১৯৮৯-৯০ চনত যি কাজ-কৰ্ম হৈছিল, তাৰ বাবেই আলফাৰ পৰা ওলাই আহিছিলো। নগাঁৱত আলফাৰ সদস্যৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছিল। তথাপিও নিৰ্মমভাবে সাতজন সদস্যক হত্যা কৰা হ'ল। কাপোৰ খুলি আঠু কঢ়াই হত্যা কৰি মৃতদেহ কেইটা নৈৰ পাৰৰ বোকাৰ মাজত পুতি দিয়া হ'ল। সেই ঠাইৰ পানী সিচি নিমখ পানী দিয়া হ'ল, যাতে মৃত দেহ কেইটা সোনকালে গলি যায়। এনে ঘটনা সমগ্ৰ অসমতে হৈ আছে। আৰো ঘটিব।

আলফাৰ বিপ্লৱৰ স্বৰূপ কেনেকুৱা, এই ঘটনাই উদঙাই দিলে। তথাকথিত সংশোধনী চৰিত্ৰ কেনেকুৱা, তাকো দেখুৱালে। আজি অসমত হত্যাৰ শ্ৰেণী বিভাজন কৰা হৈছে।

● *সামৰণি ঃ*

হত্যাকাৰী কোন, তাতোকৈ গুৰুত্বপূৰ্ণ বিষয় হ'ল হত্যাৰ ধৰণ। পৈশাচিক আনন্দৰে যদি হত্যা কৰে, তেতিয়াই বুজিব লাগিব যে "হত্যা" বিপ্লৱৰ স্বাৰ্থতেই ই এক বেমাৰত পৰিণত হৈছে। এনে বৰ্বৰোচিত ঘটনাই সমাজখনকেই আদিম যুগলৈ লৈ গৈছে। তদুপৰি ভাতৃঘাতী ৰণাঙ্গনে বিষবাস্পৰ পৰিৱৰ্তে সমাজত বিপ্লৱ সৃষ্টি নকৰে। তাৰ ফলত সংশ্লিষ্ট সংগঠনৰ লগতে জনগণকো আৰু হতাশ, আৰু বিৰক্ত আৰু উদাসীন কৰে।

(২ মাৰ্চ, ১৯৯৪)

পবিত্ৰ জমিদাৰৰ বিশ ঘণ্টীয়া সংঘৰ্ষত মৃত্যু

নিহত পবিত্ৰ জমিদাৰ

মোৰামাৰি

গুৰুম! আকাশ-বতাহ স্তব্ধ কৰি দিয়া এক বিস্ফোৰক শব্দ। সৰ-সৰকৈ নিৰ্গত হৈছে গুলী। মেচিন গানৰ ট্ৰিগাৰ কৌশলপূৰ্ণভাবে টিপিছে। উদ্দেশ্য, মেচিন গানৰ দ্বাৰা কেৰাজাই গুলী বৰ্ষণ কৰা। যাক কোৱা হয় "বাৰ্ষ্ট' কৰা বুলি। আৰক্ষীৰ গুলী ভৰিত লগাৰপিছত আত্মৰক্ষা কৰিবলৈ দৌৰি দৌৰিয়েই মেচিন গানটোৰে ওলোটা ফালে গুলী কৰে- আলফাৰ নগাঁও জিলাৰ সভাপতি পবিত্ৰ জমিজাৰে।

আলফাৰ সভাপতি গৰাকীৰ গুলীৰ প্ৰত্যুত্তৰ আৰক্ষীয়ে গুলীৰে দিয়ে। সভাপতি পবিত্ৰ জমিদাৰে পথাৰে পথাৰে দৌৰি ক্লান্ত হৈ পৰে। অৱশেষত বেঙেনা ভৰা পোৱাৰ মুহূৰ্ত্ততে বহি পৰে। এফালে গুলীবিদ্ধ ভৰিৰ অসহ্য যাত্ৰণা আৰু আনফালে প্ৰাণ ৰক্ষাৰ তাগিদাৰ মাজত মেচিন গানটোৰে পুনৰ গুলী কৰে। বেঙেনাৰ মাজতে অৱশ হৈ বাগৰি পৰে। তথাপিও মেচিন গানটো এৰি দিয়া নাই। আৰক্ষী আৰু কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচ ফৰ্চৰ চিপাহীৰনাতিদূৰত অৱস্থান। আত্মসমৰ্পণ নকৰি আলফাৰ জিলা সভাপতি পবিত্ৰ জমিদাৰে শেষ মুহূৰ্ত্তত প্ৰাণটো ৰক্ষা কৰিবলৈ দেহৰ সমস্ত শক্তিৰে মেচিন গানটোৰ ট্ৰিগাৰ টিপে। দেহত আৰক্ষীৰ দুজাই গুলী লগাৰ বাবে ক্ৰমশ দুৰ্বল হৈ আহে পবিত্ৰ জমিদাৰ। মেচিন গানৰ পৰা গুলী বৰ্ষিত হ'লেও চাৰিজাই বৈ যায়। আকৌ গুলী বৰ্ষণ কৰিবলৈ পবিত্ৰ জমিদাৰে ট্ৰিগাৰত আঙুলি থবলৈ শক্তি হেকৰাই

পেলালে। মৃত্যুৰ শেষ মুহূৰ্তলৈ যুঁজিও খিতাতে নিহত হয় পবিত্ৰ জমিদাৰ।

আলফাৰ নগাওঁ জিলাৰ সভাপতি পবিত্ৰ জমিদাৰৰ হত্যাৰ এই অপাৰেচনটোত সময় লৈছিল প্ৰায় বিশ ঘণ্টা। ঘটনাটো ঘটে নগাঁও জিলাৰ চামগুৰিৰ মূল কেন্দ্ৰৰ পৰা প্ৰায় সাত কিলোমিটাৰ দূৰত্বত অৱস্থিত "মোৰামাৰি" নামৰ গাঁওখনিত। আৰক্ষী মহলে পোৱা খবৰ মতে, নগাঁৱৰ কদমগুৰি আৰু ভাটিয়াখুলি নামৰ সংখ্যালঘুৰ বসতিপূৰ্ণ গাঁও দুখনৰ কাষৰাত আলফাৰ নগাঁও জিলা সমিতিৰ বৈঠক অনুষ্ঠিত হোৱাৰ কথা আছিল। খবৰ পোৱা মাত্ৰকেই প্ৰায় দহ কিলোমিটাৰ জোৰা ব্যাসাৰ্ধৰ এলেকাটো বিভিন্ন স্থানৰ পৰা আৰক্ষীয়ে ঘেৰাও কৰে। এই ঘেৰাও অভিযানত দুটি কেন্দ্ৰীয় বিজাৰ্ভ পুলিচ ফৰ্চো আছিল। নগাঁৱৰ আৰক্ষী অধীক্ষক আৰু চি-আৰ-পি-এফৰ কমাণ্ডাৰ দুটাৰ নেতৃত্বত ২৭ মাৰ্চৰ নিশা দহ বজাৰ পৰা এই অভিযান চলে। ব্যাপক হাৰত নিৰ্ধাৰিত অঞ্চলৰ পৰিয়াল সমূহ তালাচী চলায়। সম্ভাব্য আলফাৰ বৈঠকৰ প্ৰতি লক্ষ্য ৰাখি নগাঁৱৰ আঠাইকেইজন নেতাক কৰায়ত্ব কৰাৰ উদ্দেশ্যৰে এই অভিযান চলে। এই অভিযান সম্পৰ্কত ইমানেই গোপনীয়তা অৱলম্বন কৰা হৈছিল যে স্থানীয় মোৰামাৰি আৰক্ষী চকীটোৱে বিশেষ একো প্ৰথমতে জনা নাছিল।

নিশা দহ বজাৰ পৰা অভিযান চলালেও, আলফাৰ বিষয়-ববীয়া সকল কোন স্থানত আত্মগোপন কৰি আছে, তাক নজনা বাবে তৎক্ষণাত সন্ধান উলিয়াব পৰা নাছিল। কিন্তু কেইজনমান আলফাৰ সদস্য যে আৰক্ষী আবৃত এলেকাটোৰ ভিতৰত আছে, তাৰ নিশ্চয়তা পোৱা গৈছিল। যিমানেই তালাচী চলাইছে, সিমানেই আলফাৰ সদস্য সকলে স্থান পৰিবৰ্তন কৰি আছিল। সাতাইশ মাৰ্চৰ নিশাটোৱে নহয়, আঠাইশ মাৰ্চৰ দুপৰীয়ালৈকে একাধিক স্থানত আশ্ৰয় গ্ৰহণ কৰি আত্মগোপন কৰিব লগীয়া হৈছিল। এনে দৰে প্ৰাণৰ শংকা লৈ ঘূৰি ফুৰোতে আলফাৰ সদস্য কেইজন ভাগৰি পৰিছিল। আনকি তেওঁলোকে পথাৰে পথাৰে খোজ কাঢ়ি ঘূৰি ফুৰিব লগীয়া হোৱা বাবে অথবা নৈ অতিক্ৰম কৰিব লগা হোৱা বাবে জোতা চেণ্ডেল খুলি থব লগা হৈছিল। বিৰাট মুকলি পথাৰত এতিয়াও খালি ভৰিৰ অজস্ৰ খোজ আৰু আৰক্ষী, চি-আৰ-পিৰ জোতাৰ খোজৰ চিহ্ন সুস্পষ্ট হৈ আছে। স্মৰ্তব্য যে মৃত পবিত্ৰ জমিদাৰৰ ভৰিতো কোনো জোতা নাছিল।

এনেকৈ আৰক্ষীৰ ব্যাপক তালাচী আৰু আলফা সদস্যৰ আত্মগোপনৰ প্ৰচেষ্টাৰ মাজেৰে ২৭ মাৰ্চৰ নিশা দহ বজাৰ পৰা ২৮ মাৰ্চৰ দুপৰীয়া তিনি বজালৈ সময় অতিবাহিত হয়। আলফাৰ সদস্য সকলে আহি আহি মোৰামাৰি গাওঁখন পায়হি। এক বিস্তীৰ্ণ মুকলি পথাৰৰ মাজত মোৰামাৰি বিদ্যালয় আৰু বিলখন আছে। কেঁচা আলিৰ

কাষত পাতলীকৈ জৰাজীৰ্ণ দুই এটা ঘৰ। তাতেই অৱসৰপ্ৰাপ্ত অজগৰ মাষ্টৰ নামৰ ব্যক্তিগৰাকীৰ ঘৰত আলফাৰ তিনিজন সদস্যই প্ৰৱেশ কৰে। আশ্ৰয় গ্ৰহণ কৰাৰ লগতে কিবা খোৱাৰ ব্যৱস্থা কৰাৰ উদ্দেশ্য আছিল।

সেই সময়ত মোৱামাৰিৰ পাতলিয়াকৈ বসবাস কৰা ঘৰবোৰত পুৰুষ মানুহ নাছিল। কিয়নো সেইদিনা সোমবাৰ হোৱাৰ বাবে মোৱামাৰি বজাৰলৈ যায়। উল্লেখনীয় যে মোৱামাৰি হ'ল, কদমগুৰি আৰু ভাটিয়াখুলি নামৰ গাওঁ দুখনৰ মাজত অৱস্থিত। আৰক্ষীয়ে উক্ত গাওঁদুখনত আলফাৰ বৈঠক অনুষ্ঠিত কৰাৰ সম্ভাৱনাৰে অভিযান চলাইছিল। যেতিয়াই খবৰ পালে আলফাৰ সদস্যকেইজনে অজগৰ মাষ্টৰৰ ঘৰত প্ৰৱেশ কৰিছে, তেতিয়াই আৰক্ষীৰ বাহিনীয়ে চাৰিটা ভাগত বিভক্ত হৈ চাৰিদিশৰ পৰা গাওঁখন ঘেৰাও কৰি আনে।

আৰক্ষীৰ আগমনৰ সম্ভেদ পাই আলফাৰ সদস্য দলটোৱে পলায়ন কৰে। অজগৰ আলিৰ ঘৰৰ পশ্চিম দিশে মুকলি পথাৰ- কৰবাত বোকা, কৰবাত শুকান আৰু কৰবাত বেঙেনা-বিলাহীৰ ভৰা। আলফাৰ সদস্য কেইজনে পশ্চিম দিশে প্ৰথমতে দৌৰি ওলাই যায়। অজগৰ মাষ্টৰৰ ঘৰৰ সন্মুখত আৰক্ষীৰ উপস্থিতিৰ লগে লগে সদস্য কেইজনে প্ৰাণটাকি দৌৰে। এগৰাকী সদস্যই দক্ষিণ দিশে পলায়ন কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে সদস্যকেইজনক খেদি পথাৰ পোৱাৰ লগে লগে এজনে হাত দাঙি দিয়ে। তেতিয়া সদস্য গৰাকীক ততালিকে গ্ৰেপ্তাৰ কৰে। পথাৰৰ উত্তৰদিশে সদস্য এগৰাকীয়ে দৌৰাত আৰক্ষীয়ে ভৰিত গুলী কৰে। তাৰ পিছতেই দৌৰি দৌৰি সদস্য গৰাকীয়ে মেচিন গানটো পিচমুৰাকৈ লৈ গুলী চলায়। অৱশেষত মঃচিৰাজউদ্দিনৰ বাসগৃহৰ কাষৰ বেঙেনা ভৰাত ঢলি পৰে আৰু খিতাতে আৰক্ষীৰ গুলীত মৃত্যু হয়। তেতিয়া আবেলি তিনি বাজি প্ৰায় বিশ মিনিট উকলি গৈছিল। সেই সময়ত মঃ চিৰাজউদ্দিনৰ বাসগৃহৰ সন্মুখতো আৰক্ষী আছিল। প্ৰায় চাৰি বজাত আৰক্ষীয়ে অপাৰেচন বন্ধ কৰে।

পিছত মৃত সদস্যজন আলফাৰ নগাওঁ জিলা সমিতিৰ সভাপতি পবিত্ৰ জমিদাৰ বুলি চিনাক্ত কৰা হয়, আৰু গ্ৰেপ্তাৰ কৰা সদস্যগৰাকী জাজিলাৰৰ নেহৰুকী ধীৰেন বৰা বুলি জনা যায়। পলায়ন কৰিবলৈ সমৰ্থ হোৱা সদস্য গৰাকীও কোনো নেতা পৰ্যায়ৰ নহয় বুলি আৰক্ষী সূত্ৰে কয়। ইয়াৰ পৰা বুজা যায় যে আলফাৰ দলটোত মাত্ৰ এই তিনিজনেই সদস্য আছিল।

ঘটনাৰ সময়ত পথাৰত কাম কৰি থকা কুতুব আলীয়ে কয়, "মই খেতিৰ কাম কৰি আছিলো। প্ৰথমতে তিনিটাই গুলিৰ শব্দ শুনো। তাৰ পিছতেই দৌৰি আঁতৰি যাওঁ। শব্দ বহুত সময় শুনি থাকো। কোনে ক'ত কি কৰিলে মই একো দেখা নাই। পিছত শুনো যে আলফাৰ সদস্যৰ মৃত্যু হৈছে।" মৃত্যু হোৱা স্থানৰ কাষৰ পৰিয়ালটোৰ

মহিলা জামিলা খাতুনে কয়, "কলহ লৈ পানী আনিবলৈ ওলাই গৈছিলো। কিন্তু বাহিৰত পুলিচ দেখা পাওঁ আৰু পথাৰৰ পিনে গুলিৰ শব্দ শুনো। তেতিয়া কলহ এৰি দৌৰি পলাই যাওঁ। পিছদিনাও আৰক্ষী আহিছিল। তিনিওটা ঘৰতে আৰক্ষী সোমায়। বন্দুক দেখুৱাই আলফাৰ বিষয়ে সোধে আৰু ঘৰৰ ভিতৰত এখন টেবুল ভাঙি গাঁৱলীয়া যেংকৰ কাগজ পত্ৰ লৈ যায়।" স্থানীয় সংখ্যালঘু লোকসকলে আতংকিত হোৱা বাবে কোনো কথা ক'বলৈ ইচ্ছা নকৰে। অৱশ্যে ঘটনাৰ সময়ত মহিলা সকলহে থকা বাবে লুকাই থকাৰ বাহিৰে তেওঁলোকৰ উপায় নাছিল।

আলফাৰ জিলা সভাপতি পবিত্ৰ জমিদাৰৰ মৃতদেহটো ২৮ মাৰ্চৰ দিনাই চিনাক্ত কৰি আৰক্ষীৰ জিম্মাত ৰাখে। মৃতদেহটো ঘূৰাই দিবলৈ পৰিয়ালৰ লোক আৰু স্থানীয় লোকে অনুৰোধ কৰে। ২৯ মাৰ্চৰ দিনা ৰাতিপুৱা প্ৰায় তিনিশ মহিলাই জিলা উপায়ুক্তৰ বাসভৱনলৈ গৈ মৃতদেহ ঘূৰাই দিবলৈ দাবী জনায়। সেইদিনাই এখন আবেদনৰ ভিত্তিত আদালতে মৃতদেহটো ত্ৰিশ মাৰ্চলৈ সংকাৰ নকৰিবলৈ আৰক্ষীক নিৰ্দেশ দিয়াৰ লগতে "কিয় মৃতদেহটো পৰিয়ালক ঘূৰাই দিব নালাগে" তাৰ কাৰণ দৰ্শাবলৈ নিৰ্দেশ দিয়ে। পিছে জিলা প্ৰাশাসনে মৃতদেহটো ঘূৰাই দিয়া-নিদিয়াৰ ত্ৰিশ মাৰ্চৰ বিতৰ্কলৈ নগৈ, পৰিয়ালৰ হাতত মৃতদেহটো অৰ্পণ কৰে। আৰক্ষীয়ে মৃতদেহটো জ্বলাবলৈ জো-যা চলালেও, হঠাৎ মৃতদেহটো ঘূৰাই দিয়াত স্থানীয় ৰাইজৰ ক্ষোভ বহুখিনি প্ৰশমিত হয়। সেইদিনাই মৃতদেহটো জন্মস্থান ভোটাই গাঁৱতেই সংকাৰ কৰে। সংকাৰৰ সময়ত মাত্ৰ পঞ্চাশজনক উপস্থিত থাকিবলৈ অনুমতি দিয়ে।

মৃত পবিত্ৰ জমিদাৰ আলফাৰ জিলা সভাপতিৰ দায়িত্ব ১৯৯০ চনৰ পৰা গ্ৰহন কৰি আছিল। জিলা সভাপতি মণি শইকীয়াৰ মৃত্যুৰ পিছতেই পবিত্ৰ জমিদাৰে দায়িত্ব লৈছিল আৰু সুদক্ষতাৰে সংগঠনটো পৰিচালনা কৰিছিল। বিশেষকৈ যিকোনো ঘটনাৰ নিখুঁট পৰিকল্পনা কৰাত বিশেষ পাৰদৰ্শিতা আছিল। জিলা সেনাধ্যক্ষ প্ৰভাত শইকীয়াৰ মৃত্যুৰ পিছত সংগঠনটো দুৰ্বল হোৱাৰ আশংকা থকাৰ সময়তো সভাপতি পবিত্ৰ জমিদাৰে কৌশলেৰে সংগঠনটো পৰিচালনা কৰিছিল। গোপন ৰাতৰি সংগ্ৰহ, সদস্যৰ সংখ্যা বৃদ্ধি আৰু সংগঠন শক্তিশালী কৰাত এক বলিষ্ঠ ভূমিকা লৈছিল । জাজৰিৰ থানা আক্ৰমণ আৰু নৈপামৰ নৃশংস হত্যাকাণ্ডৰো পৰিকল্পনা পবিত্ৰ জমিদাৰৰ আছিল। আৰক্ষীৰ হাতত ৫১ টা গোচৰ পবিত্ৰ জমিদাৰৰ বিৰুদ্ধে থাকিলেও, কোনো ঘটনাতে তেওঁ প্ৰত্যক্ষভাৱে জড়িত নাছিল। পৰিকল্পনা আৰু নিৰ্দেশতেই আবদ্ধ থকা হেতুকে আৰক্ষী বা সেনাবাহিনীয়ে সভাপতি গৰাকীক সহজে গ্ৰেপ্তাৰ কৰিব পৰা নাছিল। ১৯৭৮ চনতে মণাৰ্বৰ উচ্চ বিদ্যালয়ৰ পৰা শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা পবিত্ৰ জমিদাৰে অসম আন্দোলনৰ সৈতে জড়িত আছিল। তাৰ পিছত আলফাৰ কৰ্মস্থলীত

জড়িত হয় আৰু সৰ্বশেষত সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে। ছাত্ৰাৱস্থাত তেওঁ হকী খেলুৱৈ আছিল। বজাবঙ্গ, ৰাইনো আদি অভিযানতো ধৰা নপৰা দুৰ্দ্ধৰ্ষ সদস্যগৰাকীয়ে মৃত্যুৰ মুহূৰ্ততো আপোচহীনভাৱে যুঁজি যায়।

ঘটনাৰ প্ৰতিক্ৰিয়া স্বৰূপে ২৯ মাৰ্চৰ দিনা পুৰণিগুদাম আৰু ডিমৌগুৰিত বন্ধ পালন হয়। ত্ৰিশ মাৰ্চৰ দিনাও পুৰণিগুদাম চামুগুৰি বন্ধ ৰাখে যদিও আৰক্ষীয়ে খুলি দিয়ে। ত্ৰিশ মাৰ্চৰ দিনা হত্যাৰ প্ৰতিবাদত আলফাই নগাওঁ বন্ধ দিয়া বুলি উৰা বাতৰি প্ৰচাৰ হোৱাত এক বিভ্ৰান্তিৰ সৃষ্টি হৈছিল। অনেকে হত্যাৰ ঘটনাটো জাজৰি থানা আক্ৰমণ আৰু নৈপামৰ নৃশংস হত্যাকাণ্ডৰ স্বাভাবিক প্ৰতিক্ৰিয়া বুলি ধৰি লৈছে। অধিকাংশই উদাসীন হৈ আছে। (৩ এপ্ৰিল, ১৯৯৪)



নগাঁৱৰ বেবেজীয়াৰ সমীপত বাঁহীত আৰক্ষীৰ গুলিত নগাওঁ জিলা আলফা গোটৰ সেনাধ্যক্ষ প্ৰমোদ বৰা ওৰফে লাবু বৰা নিহত হয়— ১৯৯৪ চনৰ তিনি মে'ত।

উগ্ৰপন্থীৰ হাতত নিহত চাহ বিষয়া	উগ্ৰপন্থীৰ দ্বাৰা অপহৃত বিষয়া
১। ডঃপি,এল,চৰকাৰিয়া (১৯৯০)	১। কে,কে, মিত্তাল (এডিয়াও বন্দী)
২। সুৰেন্দ্ৰ পাল (১৯৯০)	২। বাবা কুলদীপ সিং
৩। জৱাহৰ লাল টেলন (১৯৯০)	৩। সুধীৰ ৰয়
৪। দি,কে,চৌধুৰী (১৯৯১)	৪। জয়ন্ত চৌধুৰী
৫। চন্দ্ৰ শেখৰ চক্ৰৱৰ্তী (১৯৯২)	৫। মোহিনী কুমাৰ গগৈ
৬। ৰামেশ্বৰ সিং (১৯৯৪)	৬। বলীন বৰদলৈ

মুক্ত

গুলি-বাৰুদৰ বিভীষিকাৰে সন্ত্ৰস্ত বেলতলা

বাইহাটা হত্যাৰ কাহিনী

☐ *গুৱাহাটী*

"ব্লেক-ডায়মণ্ড"। অৰ্থাৎ ক'লা হীৰা। সৰ্বসাধাৰণৰ ভাষাত ই "কয়লা"। কয়লাও যে আজিৰ যুগত গুৰুত্বপূৰ্ণ হৈ থাকিব পাৰে তাক হয়তো অনেকৰ বাবে দুৰ্বোধ্য। মাথো কয়লা কঢ়িয়াই নিয়া বাবেই বেলতলাৰ পৰা বাইহাটা চাৰিআলি হৈ যোগীঘোপালৈ এইছোৱা পথ হৈ পৰিছে মাফিয়াৰ সেউজীয়া বিচৰণ ভূমি। শেহতীয়াভাৱে কয়লা পৰিবহণৰ ব্যৱসায়ৰ নামতেই সুদীৰ্ঘ পথটোতেই গুলি-বাৰুদ-তৰোৱালৰ তেজৰ বিভীষিকাৰ ভয়াবহভাৱে আতংকিত। ব্যৱসায়টো দীৰ্ঘদিন ধৰি অনা-অসমীয়া মাফিয়াৰ হাতত থকা বাবে বিশেষ প্ৰচাৰ হোৱা নাছিল; কিন্তু এই লাভজনক ব্যৱসায়টোত অসমীয়া যুৱকৰ প্ৰৱেশৰ পৰাই দ্বন্দ্ব আৰম্ভ হয়। বিশেষকৈ আলফাৰ আলোচনাপন্থী গোটৰ কেইজনমান যুৱকৰ নেতৃত্বত ব্যৱসায় সম্প্ৰসাৰণ কৰি থকা হেতুকে সংঘাতে চূড়ান্ত অৱস্থা পায়গৈ। অলপতে "দাদাগিৰি কৰ" আৰোপক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংঘাতে শেহতীয়া ভাবে হত্যাৰ দৃশ্যপটত উপনীত হয়। অভিযোগ অনুসৰি কয়লা পৰিবহণ ব্যৱসায়ৰ সৈতে ড্ৰাগছ, অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ, শিখ উগ্ৰপন্থীৰ আত্মগোপনৰ বাতিৰ উপৰিও অসমৰ মুষ্টিমেয় ৰাজনীতিবিদ, উচ্চ পদস্থ বিষয়া আৰু আৰক্ষী প্ৰশাসন জড়িত আছে।

● *হত্যাকাণ্ড ঃ*

বিগত সোতৰ এপ্ৰিলৰ ৰাতিপুৱা প্ৰায় আঠমান বজাত অচিনাক্ত বন্দুকধাৰীৰ হাতত নিহত হয়, ভুপিন্দৰ সিং (পাপ্পু), মোহনলাল গুপ্তা আৰু চালক ৰবী ওৰফে টিঙ্কিক আলি। ঘটনাৰ বিবৰণীত প্ৰকাশ যে

এ-এছ-৩১, ডি-২১২৮ নম্বৰৰ মাৰুতী কাৰ এখনত ভূপিন্দৰ আৰু মৌ·   পুৰণি বেলতলাৰ চাৰ্চৰ নিজ বাসস্থানৰ পৰা নিজৰ কয়লা-ডিপ' অভিমুখে বাহিৰাটা চাৰিআলিলৈ গৈ আছিল। মাৰুতীখন চলাইছিল লাখটকীয়াৰ চিন্দিকে। মাৰুতী খন, নীলা বৰণৰ মাৰুতী কাৰ আৰু বগা বৰণৰ টাটা মবাইল গাড়ীখনে অনুসৰণ কৰি গৈ আছিল। মাৰুতীখনে চাংসাৰিৰ ৰেলগেটৰ নিকটৱৰ্তী ধোপাতাৰিৰ কেঁকুৰিটো পোৱাৰ আগমুহূৰ্তত অনুসৰণকাৰী টাটা মবাইল খনে আগভেটা দি ধৰে। ফলত মাৰুতীখন ৰখাবলৈ বাধ্য হয়। সেই মুহূৰ্ততে তিনিজন যুৱকে মবাইলখনৰ পৰা নামি আহি গুলিবৰ্ষণ কৰে। মাৰুতীত থকা ব্যৱসায়ী দুজন আৰু চালকৰ খিতাতে মৃত্যু হয়। মাৰুতীখন গুলিৰে থকা সৰকা হয়। গুলি কৰিয়েই টাটা মবাইলখন অন্তৰ্ধান হয়।

প্ৰত্যক্ষদৰ্শীৰ মতেতিনিজন সশস্ত্ৰ যুৱকে হত্যা কৰিলেও, গাড়ীখনত পোন্ধৰ বিশজনীয়া যুৱকৰ এটি দল আছিল। আৰক্ষীৰ সন্দেহ অনুযায়ী হত্যাকাণ্ডটো আলোচনাপন্থী আলফাৰ দ্বাৰা সংঘটিত হয় আৰু যুৱককেইজনে এছ-এল-আৰ আৰু ৯ এম এম পিষ্টল ব্যৱহাৰ কৰিছিল। জনামতে ভূপিন্দৰ আৰু মৌচনলাল হ'ল, কয়লা ব্যৱসায়ী আৰ এছ গাল্কীৰ ঘনিষ্ঠ সহযোগী।

● *ঘটনাৰ উঁহ ঃ*

হত্যাকাণ্ডৰ নেপথ্যত কোন আছে, স্পষ্টকৈ ক'ব নোৱাৰিলেও ই যে দীৰ্ঘ দিন ধৰি চলি অহা ঘটনাৱলীৰে প্ৰতিফলন তাক ক'ব পাৰি। উত্তেজনাপূৰ্ণ সংঘৰ্ষৰ এই পৰিস্থিতিৰ সৃষ্টি কৰে, কয়লা ব্যৱসায়ী ৰাজেন্দ্ৰ সিং গাল্কীয়ে দিয়া এখন পত্ৰক কেন্দ্ৰ কৰি। গাল্কীয়ে ট্ৰেডাৰ্চ এণ্ড ট্ৰেন্সপৰ্ট এচোচিয়েচনৰ সভাপতি ৰূপে হিন্দী ভাষাৰে জাননী জাৰি কৰি প্ৰতিখন ট্ৰাক ওজন কৰাৰ বাবদ বিশ টকাৰ পৰা ত্ৰিশ টকা ল'বলৈ নিৰ্দেশ দিয়ে আৰু বৰ্ধিত দহ টকাৰ এক টকাকৈ গাল্কীক জমা দিবলৈ নিৰ্দেশ দিয়ে। এই নিৰ্দেশ এচোচিয়েচনৰ অন্তৰ্গত ব্যৱসায়ৰ মাজতেই আবদ্ধ নাথাকি বেলতলাৰ সকলো সংশ্লিষ্ট ব্যৱসায়ীলৈ প্ৰেৰণ কৰে। তেতিয়া এই জাননীখনে সংঘাতৰ সৃষ্টি কৰে।

জনামতে ট্ৰাক ওজন কৰা বেলতলাত চৈধ্যখন কাটা আছে। সেইসকল হ'ল, (১) গোপাল কাটা, (২) হাহিৰে কাটা, (৩) কামৰূপ কাটা, (৪) অসাম কাটা, (৫) হনুমান কাটা, (৬) জয় কামাখ্যা কাটা, (৭) পূৰ্বাঞ্চল সমবায় কাটা, (৮) এন-ই-কাটা, (৯) কিসাবা কাটা, (১০) শৰ্মা কাটা, (১১) আগৰৱালা কাটা, (১২) প্ৰকাশ কাটা, (১৩) ব্ৰহ্মপুত্ৰ কাটা, (১৪) নতুন অসাম কাটা। প্ৰতিদিনে তিনিহাজাৰৰ পৰা চাৰিহাজাৰ গাড়ী ওজন কৰা হয়। গতিকে প্ৰতিখন ট্ৰাকৰ পৰা এক টকাকৈ ললে দৈনিক প্ৰায় তিনি হাজাৰ টকা আৰু মাহে প্ৰায় একলাখ হয়গৈ। তাতোকৈ আচৰিত কথা যে গাল্কীয়ে দিয়া ত্ৰিশতকৈ সমূহ ট্ৰাকৰ পৰা টকা লোৱা হ'ব। ইয়াৰ দ্বাৰা সমস্ত ব্যৱসায় গাল্কীৰ অধিনস্থ হোৱাৰ

লগতে নিয়ন্ত্ৰণো গান্ধীৰেই থাকিব। এই ফন্দি বুজিব পাৰি একাংশ ব্যৱসায়ীয়ে আপত্তি কৰে। বিশেষকৈ বেলতলা ব্যৱসায় সংস্থা (বি-বি-এ) আৰু ট্ৰেডাৰ্চ এণ্ড ট্ৰেন্সপৰ্ট এচোচিয়েচনৰ মাজত সংঘাতে চূড়ান্ত অৱস্থা পায়।

● *২৪ মাৰ্চৰ বুজাবুজি ঃ*

বাইশ মাৰ্চৰ দিনা প্ৰেৰণ কৰা জাননীখনৰ ভিত্তিতেই বশিষ্ঠ থানাত এক আলোচনা হয়। আলোচনা কালত আৰক্ষী অধীক্ষক, আলোচনাপন্থী আলফাৰ নেতা সুনীল নাথ, কল্পজ্যোতি নেওগ, গান্ধী আদি উপস্থিত থাকে। তাত গান্ধীয়ে অন্যান্য ব্যৱসায়ীক "দাদাগিৰি কৰ" দিবলৈ বাধ্য নকৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

স্মৰ্তব্য যে বেলতলাৰ কাটাৰ স্বত্বাধিকাৰীসকলে দাম বৃদ্ধিৰ সুযোগ গ্ৰহণ কৰি, গান্ধীয়ে এচোচিয়েচনৰ নামত এই জাননী বলপূৰ্বকভাবে প্ৰেৰণ কৰিছিল।

● *প্ৰতিশ্ৰুতি ভঙ্গ ঃ*

গান্ধীয়ে প্ৰতিশ্ৰুতি ভঙ্গ কৰি পঁচিশ তাৰিখে দাদাগিৰি কৰৰ এটকাৰ বাবে শ্লিপ প্ৰেৰণ কৰে। কিন্তু এই শ্লিপ দি টকা সংগ্ৰহ কৰাত গান্ধীৰ অনুগামীসকলৰ সৈতে কাটাৰ মালিকৰ তৰ্কাতৰ্কি হয়। অভিযোগ অনুসৰি আসাম কাটাৰ মেনেজাৰক মাৰপিট কৰে। হনুমান আৰু কামৰূপ কাটাত ভাবুকি দিয়ে। আনকি চাৰি এপ্ৰিলৰ দিনা গান্ধীয়ে নিজে দলে-বলে গৈ দাবী ধমকি দি "দাদাগিৰি-কৰ" দিবলৈ বাধ্য কৰে। তাৰ প্ৰতিক্ৰিয়াৰূপে বেলতলা ব্যৱসায় সংস্থাৰ সদস্যসকলে গৈ গান্ধীয়ে দিয়া শ্লিপ ফালি টুকুৰা টুকুৰ কৰে। এনেদৰে চুৰ্চুৰীয়াকৈ লাগি থকা সংঘৰ্ষত দুই পক্ষই আঘাত প্ৰাপ্ত হয়।

ইপিনে গান্ধীয়ে তেওঁৰ সহযোগী ভূপিন্দৰ (পাপ্পু) সিঙক মাৰপিট কৰা বুলি এঘাৰ এপ্ৰিলৰ দিনা থানাত এজাহাৰ দিয়ে। তাৰ প্ৰতিবাদত বাৰ এপ্ৰিলৰ দিনা বেলতলা বন্ধ ঘোষণা কৰে। বন্ধৰ দিনাও উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। বেলতলা ব্যৱসায় সম্থাৰ সদস্যসকলৰ সহযোগত দোকান খুলিলে। আনকি ট্ৰাক সমূহৰ পৰা সামগ্ৰী নমোৱা কাম চলি থাকিল। বেলতলা বন্ধ সত্বেও কাম কৰাৰ অপৰাধত গান্ধীৰ সহযোগীয়ে ডিপোৰ মলিক/শ্ৰমিকক সেইনিশা মাৰপিট কৰে। বেলতলা ব্যৱসায় সম্থা আৰু ট্ৰেডাৰ্চ এচোচিয়েচনৰ মাজত সৃষ্টি হোৱা উতপ্ত পৰিস্থিতিৰ মাজত গান্ধীয়ে মাৰ খাই আঘাত পায়।

ফলত পুনৰ প্ৰতিক্ৰিয়া হয়। গান্ধীয়ে তেওঁৰ অনুগামীৰ সৈতে বৈঠক পাতে। বৈঠকত গান্ধীয়ে উত্তেজনাপূৰ্ণ ভাষণ দিয়ে। ভাষণ প্ৰসঙ্গত তেওঁ এইবুলিও কয় "পঞ্জাবকো খালিস্থান বানানে নেহী দেকা, লেকিন বেলতলাকো খালিস্থান বনায়েগা।" উত্তেজনাৰ মাজতে তেৰ এপ্ৰিলৰ পৰা অনিৰ্দিষ্ট কাললৈ বেলতলা বন্ধ ঘোষণা কৰে। ফলত উত্তেজনা আকৌ বৃদ্ধি হয়।

● *জ্বলা জুইত ঘিউ ঃ*

তেৰ এপ্ৰিলৰ বেলতলা বন্ধৰ সময়ছোৱাত একাংশ ব্যৱসায়ীয়ে দোকান খোলা ৰখাৰ বাবে আৰক্ষীৰ নিৰাপত্তা বিচাৰে। এনেধৰণৰ প্ৰায় বিশখন এজাহাৰ আবেদন পৰে। আৰক্ষী অধীক্ষকে এই ক্ষেত্ৰত দোকান খোলাৰ আশ্বাস দিয়ে। সেইমতে আৰক্ষীয়ে সেইদিনা দোকান খোলাত ব্যস্ত হয়।

সেই সময়তে অতৰ্কিতে ঘটনাটো ঘটে। হাইৱে কাটাত লোড হৈ থকা পঞ্জাৱৰ ট্ৰাক এখন (পি-বি-০৪-২০২০) গান্ধীৰ সহযোগী সকলে বলপূৰ্বকভাবে দিনৰ এক বজাত গান্ধীৰ কাৰ্যালয়স্থ কিনাৰা কাটালৈ লৈ যায়। দলটোৱে মাৰুতী কাৰ এ-এছ-০১, ডি-২১২৮ খন ব্যৱহাৰ কৰে। এই ঘটনাটোৱে উত্তেজনাপূৰ্ণ পৰিস্থিতিত জ্বলা জুইত ঘিউ ঢলাৰ দৰে কাম কৰে। বেলতলা ব্যৱসায় সন্থাৰ সদস্যসকলে ট্ৰাকখন আনিবলৈ গান্ধীৰ কিনাৰা কাটাত উপস্থিত হয়। সেই সময়ত গান্ধীয়ে তেওঁৰ অনুগামী শ্ৰমিকৰ সৈতে বৈঠকত ব্যস্ত আছিল। আৰু কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ লোক উপস্থিত আছিল। উত্তেজিত যুৱকদলৰ সৈতে অৰ্দ্ধ-সামৰিক বাহিনীৰ তৰ্কা-তৰ্কি হয়। আৰক্ষীয়ে বেলতলাত দোকান খোলাত ব্যস্ত হৈ থকাৰ সময়তে উত্তেজিত যুৱকৰ দলটোক নিয়ন্ত্ৰণ কৰিবলৈ লাঠী চালনা কৰে। যুৱকৰ দলটোৰ প্ৰায় এঘাৰজন আহত হয়। ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে চাৰিজন যুৱকক আটক কৰে আৰু দিছপুৰ থানাই আবেলি এৰি দিয়ে। ইপিনে ৰাজেন্দ্ৰ সিং গান্ধীক জালুকবাৰীৰ লক আপত আৰু ভূপিন্দৰ সিং (পাপ্পু) আৰু চালকজনক দিছপুৰ থানাত ৰাখি পিছদিনা এৰি দিয়ে। গান্ধীক গ্ৰেপ্তাৰৰ পিছতেই অনিৰ্দিষ্ট কাললৈ ঘোষণা কৰা "বেলতলা বন্ধ" ব্যৰ্থ হয়। পুনৰ স্বাভাৱিক জীৱন-যাত্ৰা আৰম্ভ হয়। আৰক্ষীয়ে চাৰিখন তৰোৱাল আৰু বিশডাল লোৰ ৰডো জব্দ কৰে।

● *আকৌ হত্যা কিয়?*

এক বুজাবুজিত উপনিত হৈ স্বাভাৱিক জীৱন-যাত্ৰা আৰম্ভ হোৱাৰ পিছত পুনৰ হত্যা কিয়? আৰক্ষীয়ে জামিনত চৈধ্য এপ্ৰিলত আটক কৰা তিনিজনক মুকলি কৰি দিয়াৰ পিছত, পোন্ধৰ এপ্ৰিলত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা ঘটা নাছিল। ষোল্ল এপ্ৰিলত পূৰ্বৰ "দাদাগিৰি কৰ" এটকাৰ বাবে গান্ধীৰ সহযোগীয়ে পুনৰ শ্লিপ দিয়ে। অৱশ্যে আবেলি উক্ত শ্লিপ লৈ যায় বুলি জনা যায়। কিন্তু গধূলি পুনৰ শ্লিপ দিয়ে। ফলত আকৌ সন্ত্ৰাসৰ সৃষ্টি হয়। নিশাৰ ভিতৰতে গান্ধীৰ দলৰ এই কাৰ্যৰ পুনৰ প্ৰচাৰ হয়। অৱশেষত ৰাতিপুৱা সংঘটিত হয় গান্ধীৰ দলৰ তিনিজন ব্যক্তিৰ হত্যা।

● *ইমানতেই শেষ নে?*

এই হত্যাকাণ্ডই আকৌ, হত্যাৰ বিভীষিকা সৃষ্টি কৰাৰ সম্ভাৱনা আছে। বৰং বেলতলাৰ পৰা ৰাইহাটালৈ এই পথছোৱাৰ দাদাগিৰি-ভাবুকিৰ পৰা গৈ, এতিয়া গুলি-বাৰুদ-তৰোৱালৰ বিভীষিকাহে মাফিয়াৰ স্বাভাৱিক পৰিণতি হৈ পৰিল।

(২০ এপ্ৰিল, ১৯৯৪)

উন্মুক্ত অসম-ভূটান সীমান্ত

বড়ো নিৰাপত্তা বাহিনীয়ে নৰহত্যাৰে তাৰ সুযোগ ললে



❑ *হেকাইপাৰা*

ৰাজনীতিৰ বলি হ'ল নিৰীহ জনগণ। বাৰে বাৰে দুই ম'হৰ যুঁজত থিৰিণা মৰাৰ লেখীয়া কোকৰাঝাৰ-বঙাইগাঁৱৰ ভিতৰুৱা অঞ্চলত সংঘটিত হৈছে গণহত্যা। জন্তুতকৈও হিংস্ৰ আক্ৰমণেৰে ঘৰ জ্বলাই, গুলি বোমা বাৰুদেৰে এক শিহৰিকাময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। নিষ্ঠুৰ আক্ৰমণত একেটা পৰিয়ালত মাক-পত্নী-জীয়েক তিনিটাকে প্ৰাণীৰ মৃত্যুৰ দৰে নিকৰুণ ঘটনা আৰু একেটা পৰিয়ালৰ পাঁচটাকে জুপুৰী পৰ্যন্ত ভস্মীভূত কৰিছে। এনেদৰে এটা গোষ্ঠীয়ে আন এটা সম্প্ৰদায়ক নৃশংসতাৰে কৰা আক্ৰমণৰ অন্তৰালত ব্যক্তিগত শত্ৰুতা নাথাকিলেও, ৰাজনৈতিক শত্ৰুতাইহে যে বলিৰ পঠা কৰিছে তাক নকলেও হ'ব। অমানুষিক ঘটনাৰ প্ৰতিক্ৰিয়া স্বৰূপে কোকৰাঝাৰ-বঙাইগাঁৱৰ ভিতৰুৱা অঞ্চলত পুনৰ ত্ৰাসৰ সৃষ্টি হৈছে। এই আতংক ইছলামধৰ্মী লোকৰ মাজতেই নাথাকে, সমগ্ৰ অবড়ো সংখ্যালঘু গোষ্ঠীসমূহৰ মাজলৈকে শিপাইছে।

ঘটনাস্থলীৰ অনুসন্ধান কৰি প্ৰাপ্ত তথ্য অনুসাৰে হেকাইপাৰা, মুজাবাৰী আৰু ভুৰামাৰী গাঁও তিনিখনেই হ'ল আক্ৰমণৰ প্ৰধান লক্ষ্য। এই বৃহৎ সাকলা অঞ্চলটোৰ সৈতে কোকৰাঝাৰ যোগাযোগৰ কালৰ

পৰা প্ৰায় বিচ্ছিন্ন। কোকৰাঝাৰৰ সৰলভঙা আৰু গৌৰাঙ্গ নদীয়ে বিচ্ছিন্ন কৰি ৰখা অঞ্চলটোলৈ যাবলৈ গ্ৰাম্য পথ থাকিলেও যান-বাহন নিব পৰা ব্যৱস্থা নাই। নদী দুটা অতিক্ৰম কৰিবলৈ এখন দলং নাই। সাঁকো এখন নাই। গাঁৱবাসীয়ে সাঁকো নিৰ্মাণ কৰিলেও পানীৰ সোঁতে উটুৱাই নিয়ে। সেয়েহে নাৱেৰে যাতায়ত কৰিবলগীয়া হয়। কোকৰাঝাৰৰ পৰা প্ৰায় দহ কিলোমিটাৰ দূৰত্বত অৱস্থিত এই বৃহৎ অঞ্চলটো মুকলি পথাৰেৰে বিস্তীৰ্ণ। পথাৰৰ মাজে মাজে পাতল বসতি আছে। সেইবোৰৰ সৰহভাগেই জনজাতি লোক হলেও মুছলিম সম্প্ৰদায়ৰ লোকো আছে। কিছু সংখ্যক অধিবাসী আৰু ৰাজবংশী লোকো আছে। আনহাতে অসম ভূটান সীমান্ত উন্মুক্ত হৈ আছে। সীমান্ত অতিক্ৰম কৰাত কোনো বাধা নাই। বি-এছ-এফ অৰ্থাৎ সীমান্ত নিৰাপত্তা বাহিনী নাই। শৰীৰৰ গাঁথনিৰ সাদৃশ্যতাৰ বাবে বড়ো চিকুৰিটী ফৰ্চে উন্মুক্ত সীমান্তৰ সুযোগ গ্ৰহণ কৰি আছে।

ঘটনাৰ বিৱৰণি অনুযায়ী প্ৰায় ৪৫ জনীয়া এটি দলে এ-এছ-জ-৩৯০৩ নম্বৰৰ এখন ট্ৰাকেৰে আহে। ট্ৰাকখন ৰাষ্ট্ৰীয় পথৰ পৰা ফালি অহা এটা পথেৰে ঘটনাস্থলীৰ নিকটৱৰ্তী গাওঁ "চন্দ্ৰপাৰা" হৈ আহে। তাৰ পিছত কাঠপাৰাৰ মাজেৰে সৰলভাঙা নদীৰ সমীপলৈ যায়। তাতেই ট্ৰাকখন থৈ উগ্ৰপন্থীৰ দলটোৱে খোজকাঢ়ি নদী পাৰ হয়। নদীৰ সীমান্তৰ পৰা হেকাইপাৰা নামৰ ধৰ্মীয় সংখ্যালঘু অধ্যুষিত গাওঁ। গাওঁখনিত উপস্থিত হৈ দলটোৱে তিনিটা ভাগত বিভক্ত হৈ যায়। প্ৰথমতে আব্দুল ৰেজ্জাকৰ বাসগৃহত আক্ৰমণ কৰি জুই জ্বলাই দিয়ে। দপ্-দপাই জ্বলা জুইৰ আগ্ৰাসী গতিৰ বাবে গাওঁবাসী আতংকিত হয়। গুলি-বোমা-বাৰুদৰ শব্দত গাওঁবাসীয়ে পলাই পত্ৰং দিব ধৰে। তেতিয়াই উগ্ৰপন্থী দলটোৱে ব্যৱহাৰ কৰা অত্যাধুনিক অস্ত্ৰৰ আঘাতত মৃত্যু বৰণ কৰিবলগীয়া হয়।

উগ্ৰপন্থীৰ আক্ৰমণৰ প্ৰথম বলি আব্দুল ৰেজ্জাকৰ পত্নী জুবিদা খাতুনে ঘটনাৰ বৰ্ণনা দিয়ে এনেদৰে— খুব হুলস্থূল হয়। প্ৰায় ৩৫ জনমান দলটোত আছিল। ঘৰৰ দক্ষিণৰ পৰা আহি পাঁচ জাঁইমান গুলী কৰে। দলটোৱে মূৰত ক'লা কাপোৰ বান্ধিছিল। মুখত ক'লা ৰং আৰু সৈন্য বাহিনীৰ পোছাক আছিল।

উগ্ৰপন্থীৰ বলি হোৱা একজনৰ মতে, যোৱা বৃহস্পতিবাৰ, ২৬ মে'ৰ দিনা মাইকযোগে উপপ্ৰতি-সমাহৰ্তাৰ কাৰ্যালয়ৰ পৰা বাজাৰ আদালতত ২৭ মে'ত উপস্থিত থাকিবলৈ আহ্বান কৰে। আহ্বান অনুযায়ী নিকটৱৰ্তী শিমলাগাওঁ হাইস্কুলত আৰু বনবগাৰত বাজাৰ আদালত বহাৰ কথা। তাত খাচ মাটি একচনীয়া, একচনীয়া মাটি ম্যাদী, নামজাৰি আৰু অন্যান্য গোচৰ নিষ্পত্তি কৰাৰ উদ্দেশ্য আছিল। ৰাতিপুৱা ছয় বজাৰ পৰা আবেলি পাঁচ বজালৈ শিমলগাওঁ হাইস্কুলত স্থানীয় লোকে সেয়েহে উপস্থিত থাকে। পুৰুষ মানুহৰ অনুপস্থিতিৰ সুযোগতে

উগ্রপন্থীয়ে এই আক্রমণ কৰে।

চন্দ্ৰপাৰা, ইছিজাৰ, হেকাইপাৰা হৈ দলটোৱে আহে আৰু নিৰ্বিচাৰে গুলি কৰে। মানুহ হত্যা কৰাৰ লগতে পোহনীয়া জীৱ-জন্তুকো মাৰে। ঘৰত জুই লগাই দিয়ে। এই শ্বাসৰুদ্ধ সময়তে ঘটনাৰ বিবৰণী দিওতাজনে সাতালৰত্তি হৈ মালেৰাৰী, ফলঅৰি আদিত জোপোহা গছৰ আঁৰত লুকাই। তাৰ পৰাই কোকৰাঝাৰলৈ আহে।

বিবৰণিমতে দলটোৱে ক'লা হাফ পেণ্ট আৰু গেঞ্জী পিন্ধাৰ লগতে মুখখন ক'লা কাপোৰেৰে আবৃত আছিল। মূৰটোত টুপী সদৃশ কিবা বন্ধা আছিল। শ্বেখ আব্দুলাৰ মতে উগ্ৰপন্থীৰ দলটোৱে ডুবামাৰী, থালিবাৰী, জাউলিয়াপাৰা, নয়াগ্রাম, হেকাইপাৰা আদিত আক্রমণ কৰে। মঃ নেহাজ আলিয়ে কয়, দূৰৰ পৰাই তেওঁ জুই দেখা পায়। উগ্রপন্থীৰ দলটোৱে দৌৰি যাওঁতে ক'লা পোছাকৰ লগতে নীলা বেল্ট এডাল দেখা পায়।

প্ৰত্যক্ষদৰ্শী সকলৰ বিবৰণীৰ পৰা বুজা গ'ল যে শিমলগাওঁ হাইস্কুলত ৰাজহ আদালতত মাটি সম্পৰ্কীয় গোচৰ নিস্পত্তি কৰিবলৈ শেষ সময়সীমা ৩১ মে' ধাৰ্য কৰিছিল। মাটিকে একমাত্র সম্পত্তি বুলি ধাৰণা কৰা এই সংখ্যালঘু লোকসকলে ঘোষণা শুনা মাত্ৰকেই ২৭ মে'ৰ দিনাই শিমলগুৰি হাইস্কুলত গোট খায়। ইছলামধৰ্মী লোকসকলে ৰাজহ আদালতত কাম শেষ কৰি গৃহ অভিমুখে প্ৰত্যাবৰ্তন কৰিবলৈ ধৰাৰ সময়ত এই বৰ্বৰ আক্রমণ সংঘটিত হয়। ধাৰণা কৰিব পাৰি যে, তেতিয়া ঘটনাৰ কাল প্ৰায় আবেলি ৫-৩০ বাজি গৈছিল। সেই সময়ত উগ্রপন্থীৰ দলটোক নিয়ন্ত্ৰণ কৰিবলৈ ঘটনাস্থলীত এজনো আৰক্ষী নাছিল। যাতায়তৰ অসুবিধাৰ বাবে অগ্নিনিৰ্বাপক বাহিনীও যাব পৰা নাছিল।

নৃশংস আক্ৰমণৰ ফলত থিতাতে মৃত্যু হোৱা বিশজন মৃতকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। কোকৰাঝাৰ চিকিৎসালয়ত মৃত একজনৰ সৈতে বৰ্তমানলৈ মৃতকৰ সংখ্যা একৈশ জনলৈ বৃদ্ধি পাইছে। ইপিনে অসম ভুটান সীমান্তত দয়ালপাৰাত অগ্নিসংযোগ কৰা স্থলীৰ পৰা উদ্ধাৰ কৰা মৃতদেহটোক লৈ বাইশজন হৈছে। তথ্য অনুসৰি হেকাইপাৰাৰ ১৭ জন, ডুবামৰিৰ ২ জন আৰু ভিতাগুৰিৰ একজনৰ মৃত্যু হয়। ইয়াৰে বিশজন মুছলিম সম্প্রদায়ৰ আৰু একজন বঙালী সম্প্রদায়ৰ। বঙালী সম্প্রদায়ৰজনে কোনো কামত ঘটনাস্থলীলৈ আহিছিল বুলি জনা যায়। ইয়াৰে পুৰুষ ছজন, পুত্ৰ সন্তান দুজন আৰু মহিলা দহজনীৰ লগতে কন্যা সন্তান তিনিজনীৰ মৃত্যু হয়। বৰ্তমানলৈ বেচৰকাৰী সূত্ৰ মতে সন্ধানহীন দহজন বুলি ক'লেও, চৰকাৰী সূত্ৰ মতে পাঁচজন হ'ব।

জানিব পৰা মতে নিহত সকল হ'ল, মনোৱাৰা বেগম (৬), জ্যোৎস্না বেগম (৭০), মঝীৰণ বেৱা (৭০), চাকিনা বিবি (৬০) সুৰেজানু বেৱা (৪৫), মইনুদ্দিন শ্বেখ (৬০), ফালেনি বিবি (৪), লেগী বেৱা

(৩৫), খামখেৰ আলি শেখ (৬০), আফজান বিবি (৪০), কোভূজানু বিবি (৪০), কালিমুদ্দিন শেখ (৬০), মইনা বিবি (৩৫), ডিলৱাৰ শেখ (৫), আজিজুল হক (৭০), আইছা খাতুন (৩৫), বদিউৰ জামান (৪), অছিনী বেৱা (৫৫), হাফিজ আলি (৬০), ফণীন্দ্ৰ পাল (৬০) আৰু ফুলমতী বিবি।

বৰ্তমান চিকিৎসালয়ত থকা আহত সকল হ'ল, হাতেজান বিবি (হাতত গুলী), মেছিতন বিবি (ভৰিত গুলী), আচিয়া খাতুন (বাওঁ ভৰিত গুলী), জহৰুল আলি (হাত-ভৰিত গুলী) আৰু মাতৃহাৰা শিশু সূৰ্যবান।

চৰকাৰী ভাষা অনুসৰি অগ্নিসংযোগ কৰা ঘৰৰ সংখ্যা হ'ল এনে ধৰণৰ, হেকাইপাৰাত ৮৪ টা, ভুৰামাৰীত ৭০ টা, আৰু দুয়োখন মুজাবাৰী গাঁৱত দহটাকৈ লৈ মুঠ ১৭৪ টা। ঘটনাস্থলী পৰিদৰ্শন কৰি জনা মতে অগ্নিসংযোগৰ ঘটনাৰ সংখ্যা ইয়াতকৈ অধিক। হেকাইপাৰাতে ১৪৬ টা পৰিয়ালৰ তিনিশৰো অধিক গৃহ অগ্নিদগ্ধ হয়। মুজাবাৰীত ৭৫ টা পৰিয়াল আৰু ভুৰাবাৰীত ৮২ টা পৰিয়ালৰ ঘৰত জুই লাগে। হেকাইপাৰাৰ ভিকু শেখৰ পৰিয়ালত যেনেকৈ তিনিজনৰ মৃত্যু হৈছে, তেনেদৰে একেটা পৰিয়ালত কেবাটাও ঘৰ ধ্বংস হোৱাৰ ঘটনা দেখা যায়। সেইমতে আক্ৰান্ত এই অঞ্চলত প্ৰায় ছয়শৰো অধিক ঘৰ অগ্নিদগ্ধ হয়। ঘটনাৰ আতংকত থেলাবাৰী, হৰিণাগুৰি, ঔৰাৰী, জাউলিয়াপাৰা আদি অঞ্চলৰ লোকে পলায়ণ কৰি আশ্ৰয় শিবিৰত আশ্ৰয় লৈছে।

আশ্ৰয় শিবিৰ আৰু অন্যান্য স্থানত আশ্ৰয় লোৱা লোকৰ সংখ্যা প্ৰায় চাৰি হাজাৰ হ'ব। কোকৰাঝাৰৰ ভোটগাওঁ হাইস্কুলত প্ৰায় তিনি হাজাৰ, জাকিৰ হুছেন প্ৰাথমিক আৰু জয়পুৰ মধ্য ইংৰাজী বিদ্যালয়ত ১২৭ জন, হিন্দী স্কুলত ৩০০ আৰু কোকৰাঝাৰ ছোৱালী মহাবিদ্যালয়ত প্ৰায় দুশ জন শৰণাৰ্থীয়ে আশ্ৰয় লৈ আছে। প্ৰশাসনে ন্যূনতম সাহায্য দিছে বুলিও অভিযোগ পোৱা গৈছে। বৰ্তমান শিবিৰত জ্বৰ আৰু ডায়েৰীয়া ৰোগে দেখা দিছে। এনে ২৩ জন ৰোগীক চিকিৎসালয়ত ভৰ্তি কৰা হৈছে।

শৰণাৰ্থী সকলে বেদনাত আহত হোৱাৰ দৰে ক্ষোভত জ্বলিও আছে। কেবাজনে এই প্ৰতিবেদকৰ আগত ক্ষুব্ধতা প্ৰকাশ কৰি কয়, "আমাৰ দোষ কি? কিয় হত্যা কৰিলে? চুক্তি কৰি চৰকাৰে কি শান্তি আনিলে? প্ৰতিৰক্ষাৰ বাবে বন্দুকৰ লাইচেন্স দিম বুলি কৈছিল, কিন্তু ক'তা? আমাৰ ভৱিষ্যত কি হ'ব?"

এই ঘটনা বি-এল-এফে ঘটালে বুলি ধাৰণা কৰিলেও এজনো প্ৰকৃত দোষীক গ্ৰেপ্তাৰ কৰিব পৰা নাই। এতিয়ালৈকে যাঠিজনক আটক কৰিছে যদিও, বিশেষ ক্লু উলিয়াব পৰা নাই। তদন্তৰ ক্ষেত্ৰতেই নহয়, ঘটনা সম্পৰ্কে আগতীয়াকৈ সংবাদ নোপোৱাটো আৰক্ষী প্ৰশাসনৰ চূড়ান্ত ব্যৰ্থতা। চাৰে পাঁচ বজাত ঘটা ঘটনাৰ খবৰ প্ৰথমতে আকবৰ

আলিয়ে চাৰে ছয় বজাত আৰক্ষীক দিয়ে। আৰক্ষী বিভাগত এতিয়া একোনো ডি-এচ-পি নাছিল। ঘটনাৰ দুইঘণ্টা পিছতহে আৰক্ষীৰ বিষয়াসকল ঘটনাস্থলী পায় যদিও, আক্ৰমণকাৰীয়ে সীমান্তৰ দিশে পলায়ণ কৰিবলৈ সক্ষম হয়।

ঘটনাস্থলীত প্ৰায় দহটা মান খালি কাৰ্টিজ পোৱা যায়। কাৰ্টিজৰ পৰা অনুমান কৰা হৈছে যে, দলটোৱে এছ-এল-আৰ আৰু এল-এম-জি খ্ৰি ব্যৱহাৰ কৰিছিল। দলটোৱে প্ৰায় বাৰিজাই গুলি ব্যৱহাৰ কৰা বুলি অনুমান কৰিব পাৰি।

ইতিমধ্যে গ্ৰেপ্তাৰ কৰা পৰিত্যক্ত ট্ৰাকখনৰ চালক শিবু প্ৰসাদে কৈছে যে, ট্ৰাকখনৰ গৰাকী জগদীশ ব্ৰহ্ম। বৰ্তমান ঠিকাভিত্তিত জিলাত বসুমতাৰীয়ে চলায়। চালকৰ স্বীকাৰোক্তি অনুযায়ী কাঠ আনিব বুলি কেইজন মান যুৱকে বামফাল বিলৰ লৈ যায়। তাত চালকক চকু-মুখ বান্ধি ট্ৰাকৰ পিছফালে উঠাই দিয়ে। তেতিয়া ট্ৰাকত ১৫ জন মান যুৱক

বড়ো [illegible] ফ'চৰ দ্বাৰা সংঘটিত ঘটনা

বছৰ	হত্যাৰ সংখ্যা	হত্যাৰ প্ৰচেষ্টা	দস্যুসুলভ লুণ্ঠন	ৰাজপথত লুণ্ঠন	ডকাইতি	ৰেল ডকাইতি	লুণ্ঠনৰ প্ৰচেষ্টা	অপহৰণ
১৯৮৮	১	০	৫	১	১	০	০	[illegible]
১৯৮৯	০	০	০	০	০	০	[illegible]	[illegible]
১৯৯০	৪	০	০	০	০	২	০	
১৯৯১	২০	১২	৫	০	০	০	৫	[illegible]
১৯৯২	৬১	২৬	৬	১	১	২	৫	২
১৯৯৩	২৮	১৪						[illegible]
১৯৯৪								

আছিল। তেনেকৈ দুই কিলোমিটাৰ যোৱাৰ পিছত পুথিমাৰিত চালকক নমাই দিয়ে। তাৰ পৰাই পলায়ণ কৰি নিকটবৰ্তী চাওতাল পৰিয়াল এটাত আশ্ৰয় লৈ কোকৰাঝাৰলৈ আহে। কোকৰাঝাৰত আৰক্ষীয়ে আটক কৰে। ট্ৰাকখন দলটোৰ কোনো সদস্যই চন্দ্ৰপাৰালৈ চলাই লৈ গৈছিল। ধাৰণা কৰা হৈছে যে, ট্ৰাকখন কোকৰাঝাৰৰ পৰা বজালী পথেৰে আনি চন্দ্ৰপাৰালৈ নিয়ে।

অমানুষিক ঘটনাৰ বাবে আৰক্ষী প্ৰশাসনৰ সোপাটিলা নীতিয়েই জগৰীয়া যদিও, মূলতঃ আক্ৰমণৰ উদ্দেশ্য আছিল সন্ত্ৰাস সৃষ্টি। এই ক্ষেত্ৰত উগ্ৰপন্থী দলটোৰ উদ্দেশ্য সফল বুলিয়েই আখ্যা দিব পাৰি।

.র্তমান পুনৰ সংস্থাপনৰ বাবে চৰকাৰে মৃতকৰ আত্মীয়ক এক লাখ, অগ্নিদগ্ধ গৃহৰ বাবে দহ হাজাৰ টকা দিয়াৰ ঘোষণা কৰিছে। সেই মৰ্মে বড়োলেণ্ড স্বায়ত্ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী বিবয়া প্ৰেম সিং ব্ৰহ্মাৰ নেতৃত্বত সাহায্য আৰু পুনৰ সংস্থাপনৰ কাম আৰম্ভ কৰিছে। দহ হাজাৰ টকাৰ পৰা চাৰে পাঁচ হাজাৰ টকাৰ বোল্লখন টিন আৰু আগধন ৰূপে নগদ এহাজাৰ টকা বিতৰণ কৰে। আনকি গৃহ নিৰ্মাণৰ ক্ষেত্ৰত কংগ্ৰেছ (ই) আৰু বিপিপিৰ স্বেচ্ছাসেৱক সকলে যৌথভাবে শ্ৰমদান কৰে। গৃহ নিৰ্মাণৰ শুভাৰম্ভণৰ দিনা বিশ্বাস আৰু সাহস বৃদ্ধি কৰিবলৈ নেতৃবৃন্দ প্ৰেমসিং ব্ৰহ্মা, মন্ত্ৰী ৰছিদুল হক, বিধায়ক পৰমেশ্বৰ ব্ৰহ্মা, বিধায়ক মহিবুল হকৰ লগতে উপায়ুক্তইও যোৱা দুই জুনৰ নিশাটো হেকাইপাৰাত কটায়। প্ৰাক্তন বিধায়ক মকবুল হুছেইন, কোকৰাঝাৰ জিলা কংগ্ৰেছ (ই)ৰ সভাপতি ধজেন্দ্ৰ ব্ৰহ্মা, হাতেম চৌধুৰী, আমছুৰ নুৰুল হক চৌধুৰী, বিজনী জিলা যুৱক কংগ্ৰেছ (ই)ৰ সভাপতি অৰবিন্দ মহানায়কেও ঘটনাস্থলী পৰিদৰ্শন আৰু তদাৰকী কৰে। গৃহ অভিমুখী শৰণাৰ্থীসকলৰ মনৰ পৰা এতিয়াও আতংক আঁতৰা নাই। সকলোৰে এটাই প্ৰশ্ন আকৌ পুনৰাবৃত্তি হ'ব নেকি? মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই এক কিলোমিটাৰ ব্যৱধানত আৰক্ষী চকী স্থাপন কৰাৰ কথা ঘোষণা কৰিছে। এই ক্ষেত্ৰত আৰক্ষী বাহিনীৰ ফ'ৰ্চৰ অভাবৰ বাবে কাৰ্যক্ষেত্ৰত আগবাঢ়িব পৰা নাই। আনকি ঘটনাস্থলীত সৈন্য বাহিনী বা অৰ্দ্ধ সামৰিক বাহিনীও দেখা নগ'ল। নৃশংস আক্ৰমণটোক আইন-শৃংখলাৰ দৃষ্টিৰে চালে : মূলতঃ ই ৰাজনৈতিক। প্ৰেম সিং ব্ৰহ্মাৰ শান্তি স্থাপনৰ ঘোষণাৰ বিপৰীতে এই আক্ৰণ অশান্তিৰ জ্বলন্ত দৃষ্টান্ত। কিযনো অ. . . জুনত দিল্লীত অনুস্থিত হ'ব লগীয়া ত্ৰিপাক্ষিক বেঠকত আবছুক ...খ্ৰণ নজনাব বুলি এক প্ৰচাৰ চলিছিল। আনকি কোকৰাঝাৰৰ এজন বিশিষ্ট ব্যক্তিয়ে "আমাক বাদ দি আলোচনা কৰিলে ফল ভযাবহ হ'ব" বুলি ভাবুকি দিছিল। তাৰ পিছতেই ২৭ মে'ৰ ৰাজহ আদালতৰ সুযোগ গ্ৰহণ কৰি আক্ৰমণ কৰে।

কিন্তু এই আক্ৰমণেই শেষ আক্ৰমণ জানো? তাৰ বাবে এক স্পষ্ট নীতিৰ প্ৰয়োজন। কাৰণ ৰাজনৈতিক সমস্যাৰ স্থায়ী সমাধাণৰ বাবে এক নিৰ্দিষ্ট নীতি লাগে। আক্ৰান্ত ৯৫ শতাংশই ম্যাদী মাটিত বহু বছৰ ধৰি বসবাস কৰি আছে। তথাপিও সন্ত্ৰাস সৃষ্টিয়েই আক্ৰমণ কৰা ঘটনাৰ নেপথ্যত ৰাজনীতিয়েই ক্ৰিয়া কৰি আছে।

তদুপৰি অসম ভূটান উন্মুক্ত সীমান্তৰ বাবে উগ্ৰপন্থীয়ে আত্মগোপন কৰিবলৈ সুবিধা আছে। সেয়েহে সীমান্ত চীল বা যথোপযুক্ত সীমান্ত নিৰাপত্তা বাহিনী নিয়োগ, বনাঞ্চল পৰীক্ষা আৰু যাতায়ত ব্যৱস্থা উন্নত কৰি নিৰাপত্তাৰ ব্যৱস্থা কটকটীয়া কৰাৰ নিতান্তই আৱশ্যক। অন্যথাই ঘটনাৰ পিছত পুনৰ সংস্থাপনে অস্থায়ী সাময়িক সকাহ দিলেও, স্থায়ী সমাধান অসম্ভৱ।

(৫ জুন, ১৯৯৪)

নগাঁৱৰ হত্যাৰ বিভীষিকাৰ আঁৰত

অৰ্দ্ধসামৰিক প্ৰতিজনেই পঞ্জাবৰ অভিজ্ঞপুষ্ট

শেতালি

নলবাৰীৰ কুলজিৎ পাঠকৰ হত্যাৰ পিছতেই নগাঁৱত সংঘটিত হ'ল হত্যাকাণ্ড। বঙ্গাইগাঁৱৰ আলফাৰ সদস্য সলিল দাসো সন্ধানহীন। অসম চৰকাৰৰ অলফা দমনৰ আক্ৰমণাত্মক নীতিয়ে ৰাজ্যখনত হত্যাৰ বিভিষিকা উৰাই আছে। সদৃশ নীতিৰেই নগাঁৱত হত্যা কৰা হ'ল, পাঁচজন আলফাৰ সদস্যক। হয়বৰ গাঁৱৰ শ্মশানতো জ্বলাই দিয়া হ'ল মৃতদেহ। তাকেই কেন্দ্ৰ কৰি ৰাজ্যজুৰি চাঞ্চল্য।

সাতজন গ্ৰেপ্তাৰ? নগাঁৱৰ পৰা প্ৰায় ৬০ কিলোমিটাৰ দুৰত্বৰ এখনি গাওঁ। চিতলমাৰী। গাঁৱখনত মাকেৰে সৈতে থকা যুৱক ডমিনিক চাংমাৰ এটি সাধাৰণ পৰিয়াল। বিগত তেইশ জুনৰ নিশা চাৰে আঠ বজাত ৯ জনীয়া এটি আলফাৰ দলে পৰিয়ালটোত প্ৰবেশ কৰে আৰু নিশাটোৰ বাবে আশ্ৰয় বিচাৰে।

প্ৰথমতে ডমিনিয়ে (২৮) যুৱককেইজনক আশ্ৰয় দিব বিচৰা নাছিল। পিছত যুৱক কেইজনৰ ক্লান্ত অৱস্থা দেখি নিশাটো কটাব দিলে। যুৱককেইজনে লগত নিয়া মুৰ্গীৰে নিজেই ভাত ৰান্ধিলে আৰু আটাই কেইজনে খালে।

পৰিয়ালটোৰ মূল ঘৰটোৰ এপিনে থকা কোঠাত ডমিনিৰ মাকে শুলে। মূল কোঠাটোত ডমিনিয়ে বিছনাত শুলে। আলফাৰ সাতজন যুৱকে মজিয়াতেই কোনোমতে শুলে। আন এটি ঘৰত আলফাৰ যুৱক দুজনে শুলে। নিশা প্ৰায় এঘাৰ বজাত শুইছে। শোৱাৰ আগতে আলফাৰ

সৱৰ্ণ কোঁৱৰ

মৰ্মান্তিক হত্যা



পুতুল মেধি

ৰাজীৱ বসুমতাৰী



হেমেন্দ্ৰ নাথ

হিৰনা বকৰা

বিশ্বজিৎ বৰা

কিশোৰ বৰা

যুৱক কেইজনে এটি টোপোলা দেখুৱাই সুধিলে "ইয়াত কি আছে—"মাজামো" বুলি ডমিনিয়ে উত্তৰ দিলে। এজন যুৱকে একলাখ টকা আছে বুলি কোৱাত ডমিনিয়ে ক'লে, "ভালকৈ ৰাখিবলৈহে; হেৰালে মোৰ বদনাম হ'ব।" তেতিয়া টোপোলাটো কোঠাটোত থকা আলমাৰীতেই ৰাখিলে।

পিছদিনা ২৮ জুন। ৰাতিপুৱা প্ৰায় চাৰে-চাৰি বজাত ৰাস্তাৰ পিনে পিঠি দি ঘৰৰ পদূলিতে দুজন যুৱকে কথা পাতি আছে সাংবাদিকৰ আগত ডমিনিয়ে প্ৰকাশ কৰে, যে এজন অসামৰিক পোছাকত যুৱক আৰু এজন সৈন্য আহে। আহিয়েই হেণ্ডচ-আপ কৰিব দিয়ে দুয়োজন যুৱকক "হেণ্ডচ-আপ" কৰিব দি আৰু কোন কোন আছে সোধে। বঁতাৰযোগে সৈন্যজনে কিবা খবৰ দিয়ে। এইখিনি সময়তে ডমিনিয়ে ঘৰৰ ভিতৰলৈ গৈ কয়—"আপোনালোকক বিচাৰি আহিছে। কি কৰে কৰক।" ইপিনে চোতালত প্ৰায় চল্লিশজনমান আৰক্ষীৰ লোক গোট খায়। তেতিয়া যুৱক সাতজনে হাত ডাঙি বাহিৰলৈ ওলাই আহে। আনটো কোঠাত থকা দুজনে খিৰিকিৰ সৰু বদ দুডাল বেকা কৰি পলাবলৈ সমৰ্থ হয়।

চোতালত সশস্ত্ৰ আৰক্ষীৰ লোককেইজনে মাৰপিট কৰে। কেইজমান যুৱকক উখনৰ বাঁহেৰে কোবায়। ডমিনিকো কোৰৰ নালেৰে কোবায়। ডমিনিৰ ভাষ্য অনুসৰি সাতজনক হাত-বান্ধি তাৰ পৰা লৈ যায়। আলফাৰ এজন যুৱকে হেনো কৈছিল, "দাদা মোক নামাৰিব। মই আত্মসমৰ্পণ কৰিম"। মাৰ-ধৰ কৰাৰ সময়ত এজন যুৱকে উত্তেজিত ভাবে কৈছিল— "মোৰ বাইদেউক কিয় দম দিছিল?" পিছত হাত দুখন পিঠিৰ পিনে বান্ধি লৈ যায়। এতিয়া ডমিনিৰ মাকে মানসিক ভাৰসাম্য হেৰুৱাইছে।

সংঘৰ্ষ নে পৰিকল্পিত হত্যা? ৰাস্তা-পথৰ শোচনীয় অৱস্থাৰ বাবে যান-বাহনৰ বিশেষ যাতায়াত নাই। চিতলমাৰীৰ পৰা প্ৰায় পঁচিশ কিলোমিটাৰ দূৰত্বত তামোলবাৰী, হাতীগড়, প্ৰমিলা, ডালিমবাৰী, গ্ৰীষ্টান-বস্তীক সামৰি অঞ্চলটোত হত্যাৰ ঘটনা সংঘটিত হয়। আৰক্ষীৰ সূত্ৰ মতে এক বৃহৎ অঞ্চল আৰক্ষী, সেনা আৰু অৰ্দ্ধসামৰিক বাহিনীয়ে ঘেৰাও কৰি লয়। তাতেই ৰাতিপুৱা প্ৰায় ৪-৩০ বজাত এক সংঘৰ্ষৰ সৃষ্টি হয়। ত্ৰিশ মিনিট সময় গুলীয়া-গুলী হয়। ফলত হাতীগড়ত তিনিজন আৰু ডালিমবাৰীত দুজনৰ মৃত্যু হয়। অন্যান্য সকলে জাকোটা বনাঞ্চললৈ পলায়ন কৰে।

আৰক্ষীয়ে ডমিনিৰ ঘৰত গ্ৰেপ্তাৰ হোৱা ঘটনাটো অস্বীকাৰ কৰি কয় যে, হাতীগড়ৰ সংঘৰ্ষস্থলীৰ পৰা পিস্তল আৰু এটা "৩৬-হেণ্ড-গ্ৰেণেড" উদ্ধাৰ কৰে। আৰক্ষীৰ মতে হাতীগড়ৰ ঘটনাটো ৪-৩০ বজাত আৰু ডালিমবাৰীৰ ঘটনা ৫-৩০ বজাত সংঘটিত হয়।

এই ক্ষেত্রত ৰহস্যজনক তথ্য উদ্ঘাটন হৈছে। প্ৰত্যক্ষদৰ্শীৰ বিৱৰণীমতে ডকচং আৰু সৰু আমবিত সেনাই আলফাৰ যুৱকক গুলিয়াই হত্যা কৰে। ডমিনিৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ হোৱা সাতজন যুৱকে সশস্ত্ৰ নিৰাপত্তাৰক্ষীৰ হাতৰ পৰা পলায়ন কৰাটো সম্ভৱ নহয়। গতিকে হত্যা কৰাৰেই সম্ভাৱনা অধিক।

আৰক্ষীৰ সূত্ৰ মতে "জম্মু-কাশ্মীৰ লেগু ইন ফেণ্টৰী" চমুকৈ জে-কে-এল-আই, ষষ্ঠ-সপ্তম কেন্দ্ৰীয় সংৰক্ষিত বাহিনী আৰু অসম কেন্দ্ৰীয় সংৰক্ষিত বাহিনী আৰু অসম আৰক্ষী বাহিনীৰ লোক আছে। বিশেষকৈ নগাঁৱৰ প্ৰতিজন অৰ্দ্ধসামৰিক বাহিনীৰ লোকে পঞ্জাৱৰ উগ্ৰপন্থী দমনৰ অভিজ্ঞতাৰে অভিজ্ঞ। প্ৰায় পঁচিশ জনীয়া ছয়টা দলে এই অভিযানত অংশ গ্ৰহণ কৰে।

অভিযানটো বৰ্তমান ৰহস্যঘন হৈ পৰিছে। আৰক্ষীয়ে সংঘৰ্ষ বুলি ক'লেও, ডমিনিৰ ভাষ্যই প্ৰমাণ কৰে যে যুৱককেইজনক গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ হোৱা যুৱক কেইজনক হত্যা কৰা বুলি ধাৰণা কৰিব পাৰি। পিছে প্ৰশ্ন থাকি যায়, সাতজন যুৱকৰ পাঁচটা মৃতদেহহে পোৱা গ'ল। বাকী দুজন যুৱক কি হ'ল। আন এটা সুত্ৰৰ মতে নিৰাপত্তাৰক্ষীৰ পৰা পলায়ন কৰাৰ প্ৰচেষ্টাতে গুলী কৰা হয় আৰু দুজনে পলাবলৈ সক্ষম হয়।

● *মৃতদেহৰ সংস্কাৰ ঃ*

জানিব পৰামতে এখন গাড়ীৰে কচুৱা কামপুৰ হৈ তিনিটা মৃতদেহ প্ৰায় ১০-৩০ বজাত নগাঁৱলৈ আনে। ৰহা হৈ প্ৰায় ৯ বজাত দুটি মৃতদেহ নগাওঁ আহি পায় নগাঁও আৰক্ষী বিভাৰ্ডত মৃতদেহকেইটা কিছু সংখ্যক লোকক চাব দিয়া হয়। নগাঁও অসামৰিক চিকিৎসালয়ত আবেলি চাৰি বজাত মৰণোত্তৰ পৰীক্ষা কৰা হয়।

আৰক্ষীয়ে স্বীকাৰ কৰিছে যে ঘটনাস্থলত আত্মসমৰ্পণকাৰী আলফাৰ সদস্য আছিল। তেওঁলোকক মৃত যুৱককেইজন চিনাক্ত কৰাৰ বাবে নিয়া হৈছিল।

মৃতদেহৰ পৰিয়ালবৰ্গক খবৰ দিছিল নে বুলি সোধাত আৰক্ষীয়ে খবৰ দিয়া বুলি কয়। আনকি মৃতদেহ নিবলৈ দিয়ে। বাজীবৰ পিতৃয়ে মৃতদেহ নিয়াৰ বাবে স্বাক্ষৰো কৰে। পিছত নিয়াৰ অসুবিধাৰ বাবে নিশা শ্মশানত দাহন কৰে। অন্যান্য কেৰাটাও পৰিয়ালে চহী কৰি মৃতদেহ নিবলৈ অস্বীকাৰ কৰাত পিছদিনা হয়বৰ গাওঁ শ্মশানত দিনৰ পোহৰতে জ্বলাই দিয়ে।

চিতা কেঁচা খৰি আৰু টায়াৰত কেৰাচিন ঢালি জ্বলোৱা হয়। প্ৰত্যক্ষদৰ্শীৰ বিৱৰণি মতে চিতাত উঠোৱাৰ সময়ত মৃতদেহৰ হাত-ভৰি ৰছিৰে বন্ধা আছিল। এই সম্পৰ্কত আৰক্ষীৰ সূত্ৰটোৱে কয় যে মৃতদেহত ৰছি বন্ধা নাছিল। মৰণোত্তৰ পৰীক্ষা কৰাৰ সময়তো ৰছিৰে

আৰক্ষীৰ জিম্মাতেই মৃতদেহ সৎকাৰ কৰা হয়

বন্ধা নাই। মাথো মৃতদেহ গেলি দুৰ্গন্ধ ওলোৱা বাবে হৰিজন সম্প্ৰদায়ৰ লোকে বাঁহত হাত-ভৰি বান্ধি চিতাত উঠাই দিছিল। সেইবাবেই মৃতদেহত ৰছি দেখা যায়। ২৬ জুনৰ দিনা মৃতদেহ সৎকাৰ কৰিলেও, এটি মৃতদেহ ২৫ জুনৰ নিশাতেই পৰিয়ালৰ সন্মতি সাপেক্ষে দাহন কৰে।

● *মৃতক সকল কোন ঃ*

সৎকাৰ কৰা পাঁচোটা মৃতদেহ আলফা যুৱকৰ। তেওঁলোক হ'ল, বিশ্বজিৎ বৰা ওৰফে বিক্ৰম ওৰফে সোণমণি (ৰাইদিঙিয়া), হিৰণ্য বৰুৱা, (চকলা), হেমেন্দ্ৰ নাথ (কলাবাৰী), দলপতি ৰাজীৱ বসুমতাৰী ওৰফে পোৱালি বসু (দলংঘাট) আৰু পুতুল মেধি।

আন দুজন ক'লৈ গ'ল। ডমিনিৰ ভাষ্যমতে যুৱক সাতজনক গ্ৰেপ্তাৰ কৰা হৈছে। জনামতে আন দুজন যুৱক হ'ল কিশোৰ বৰা (শেতালি) আৰু সুবৰ্ণ কোঁৱৰ (কাছমাৰীঃ) ডমিনিৰ পৰিয়ালৰ পৰা পলায়ন কৰা যুৱক দুজন প্ৰভাত দাস আৰু অতুল শইকীয়া বুলি অনুমান কৰা হৈছে। এতিয়া প্ৰশ্নটো হ'ল, যুৱক দুজন ক'লৈ গ'ল?

আৰক্ষী প্ৰশাসনে অভিযোগ অনুসৰি হত্যা কৰা বুলি ধৰি ল'লেও, মৃতদেহ পাঁচটা প্ৰদৰ্শন কৰা বাবে বিষয়টো ৰহস্যময় হৈ আছে। কিয়নো পাঁচটা মৃতদেহ জ্বলাব পাৰিলে, সাতোটা নোৱাৰাৰ কাৰণ কি?

এটি সূত্ৰৰ মতে চালফাই দুজনক নিজৰ জিম্মাত গোপন খবৰৰ সন্ধানৰ বাবে ৰখাৰ সম্ভাৱনা আছে। এনেদৰে ৰুদ্ৰ ডেকা ওৰফে মতি বৰাক হত্যা কৰা বুলি সন্দেহ কৰিলেও, স্থানীয়লোকে অৰ্দ্ধসামৰিক বাহিনীৰ শিবিৰত প্ৰত্যক্ষ কৰিছে। এই ক্ষেত্ৰতো সন্দেহ থাকি যায় যে,

গোপন সংবাদৰ বাবে সদস্য দুজনক বথাৰ পৰিবৰ্তে দলপতি ৰাজীৱকহে ৰাখিব লাগিছিল।

সাম্প্ৰতিক পৰিস্থিতি পৰ্যালোচনা কৰিলে ধাৰণা হয় যে আত্মসমৰ্পণৰ বাবে কৌশলেৰে চালফাই নিজৰ জিম্মাত ৰাখিছে। এইখিনিতে মনত পেলাব পাৰি যে ডমিনিৰ ঘৰত "দাদা, আমি আত্মসমৰ্পণ কৰিম" বুলি প্ৰাণৰ ভয়তে আলফাৰ সদস্যই কৈছিল। যদিহে হত্যা কৰি পুতি থৈছে, তেতিয়া হ'লে নৈপামত্ত লেখুৱা আলফাৰ নিষ্ঠুৰতা চালফাৰ মাজতো থকা বুলি আকৌ এবাৰ প্ৰমাণ হ'ব।

● *উপায়ুক্তৰ ভাষ্য ঃ*

প্ৰতিটো সন্ধানহীন ঘটনাই মৃত্যুৰ ঘটনা নহয়। কোনো যুৱক নিৰুদ্দেশ হোৱা বুলি অভিভাৱকে আমাক জনোৱা নাই। আৰক্ষীৰ হাতত যুৱক দুজন থাকিলে মোক ক'লেহেঁতেন । মই ভাবো, এইটো

● *ৰামকুমাৰ বাহাদুৰ লামাৰ মৃত্যু কেনেকৈ হ'ল?*

নগাঁৱৰ ৰহস্যঘন অভিযানত নিহত হ'ল ৰামকুমাৰ বাহাদুৰ লামা। কচুৱা-বজাগাওঁ এলেকাত প্ৰিমগ্ৰাম গাঁৱৰ নিবাসী ৰামকুমাৰে সৈন্যৰ হাতত মৃত্যুবৰণ কৰিবলগীয়া হয়।

অঞ্চলটোত আলফাৰ সদস্য বিচাৰি বিশেষকৈ ডমিনিৰ ঘৰৰ পৰা পলাই যোৱা সদস্য দুজন বিচাৰি প্ৰিমগ্ৰাম গাঁৱত তালাচী চলায়। বেমাৰত ভুগি দুৰ্বল হৈ থকা ৰামকুমাৰে পায়খানাৰ পৰা বিছনাত বহিছিল মাথোঁ। তেতিয়াও ক্লান্তি আঁতৰা নাছিল; ফোপাই আছিল। সেইসময়তে অতৰ্কিতে সেনাই ঘৰৰ ভিতৰত প্ৰবেশ কৰি সুধিলে, "আলফা আছেনে?" ৰামকুমাৰে কোনো উত্তৰ দিব নোৱাৰা বাবে এক চৰ মাৰে। তাৰ পিছত টানি আনি চোতালত মাৰ-ধৰ কৰে। ফলত ৰুগীয়া ৰামকুমাৰৰ খিতাতে মৃত্যু হয়।

মৃত্যুৰ সময়ত ৰামকুমাৰে পত্নী পবিত্ৰ লামা, ছোৱালী দময়ন্তী লামা, খুলশালীয়েক শান্তিময় লামা আৰু শাহুৱেকক এৰি যায়।

মৃত্যুৰ ঘটনা নহয়। আৰক্ষীয়ে জনোৱা মতে কোনো মৃতদেহ পুতি থোৱা নাই। আটক কৰিও ৰখা নাই। ২৪ ঘণ্টাৰ অধিক সময় ৰাখিলে দণ্ডাধীশৰ অনুমতি লব লাগে। এই দুজনৰ সংক্ৰান্তত কোনো অনুমতি লোৱা নাই।

আলফাৰ দলটোৰ উদ্দেশ্য কি? ন জনীয়া আলফাৰ দলটোৱে নগালেণ্ড-বাৰ্মাৰ সীমান্তত প্ৰশিক্ষণ লোৱাৰ উদ্দেশ্যে ৰাওনা হৈছিল। বিগত বোল্ল আৰু ওঠৰ তাৰিখে যুৱককেইজনে ঘৰৰ পৰা ওলাই যায়। প্ৰশিক্ষণৰ বাবে ওলাই যোৱা কেবাজনো পৰিয়াললৈ একোখন চিঠিও প্ৰেৰণ কৰিছিল। চিঠিত সামৰিক প্ৰশিক্ষণৰ বাবে যোৱা বুলি উল্লেখ কৰিছে। আৰক্ষীৰ সূত্ৰ মতেও যুৱকৰ দলটোৰ উদ্দেশ্য প্ৰশিক্ষণ।

কামপুৰৰ এক গোপন স্থানত মিলিত হৈ উত্তৰ কাছাৰ পথেদি প্ৰশিক্ষণৰ উদ্দেশ্যেৰে যাত্ৰা আৰম্ভ কৰিছিল। দিনৰ ভাগত কবৰবাত আশ্ৰয় গ্ৰহণ আৰু নিশা খোজ কাঢ়ি যোৱাটোৱে দলটোৰ কাৰ্যসূচী, কিন্তু প্ৰয়োজনীয় সংকেত নহা বাবে ২৪ জুনৰ নিশাটো দলটোৱে কাৰ্বি আংলঙৰ সীমান্তবৰ্তী ডমিনিৰ ঘৰত আশ্ৰয় লবলগীয়া হয়।

● *শোকাবহ দৃশ্য ঃ*

সন্ধানহীন কিশোৰ বৰাৰ কোনো শুংসূত্ৰ পোৱা নাই। তথাপিও সংবাদ পত্ৰৰ পৰিবেশিত দ্ব্যৰ্থবোধক আৰু বিক্ষিপ্ত বাতৰিৰ ওপৰত নিৰ্ভৰ কৰিয়েই আদ্যশ্ৰাদ্ধৰ আয়োজন কৰিছে। স্থানীয় লোকৰ সমাবেশ ঘটিছে। ঘৰৰ সন্মুখতে "জাতীয় শ্বহীদ বীৰ" বুলি শ্বহীদ বেদী নিৰ্মাণ কৰিছে। শোকাবহ বিষয়টো এয়ে যে মৃত্যুৰ নিশ্চিত সংবাদ নোপোৱা সত্ত্বেও শ্বহীদ বেদী সাজি আদ্যশ্ৰাদ্ধৰ আয়োজন কৰিছে।

কিশোৰ বৰাইও ঘৰলৈ সামৰিক প্ৰশিক্ষণত যোৱা বুলি পত্ৰ প্ৰেৰণ কৰিছিল। বেৰেঙীয়াৰ টেইলৰিং এখনত চিলাই কৰা ৰঙা চেক থকা চোলা এটি পৰিত্যক্ত অৱস্থাত পোৱাত যুৱকজনৰ মৃত্যু হোৱা বুলি ধাৰণা কৰিছে। এনে চোলা এটা কিশোৰে বেৰেঙীয়াত চিলাই কৰাটো সত্য। কিন্তু কোনো লোকে চোলাটোৰ সত্যাসত্য নিৰ্ণয় কৰিবলৈ যোৱা নাই। উপায়ুক্তকো সন্ধানহীনৰ অভিযোগ দিয়া নাই। মাথো আতংকগ্ৰস্ততাৰে অসহায়ৈহে আদ্যশ্ৰাদ্ধ পালনৰ প্ৰস্তুতি চলাইছে। মৃত্যুৰ নিশ্চিত সংবাদ পালেই আদ্যশ্ৰাদ্ধৰ শেষ দিনটো ঠিৰাং কৰিব।

এই শোকাবহ দৃশ্য প্ৰত্যক্ষ কৰি কিশোৰ বৰাৰ শেতেলি গাঁৱৰপৰা ঘূৰি অহাৰ পথত দেখা গ'ল— তিনিটা শ্বহীদ বেদী। তিনিখন পতাকা উৰি আছে। যাত্ৰা পথৰ সতীৰ্থ এজনে আঙুলিয়াই ক'লে, এয়া অসম আন্দোলনৰ শ্বহীদ। এইখন গাঁৱত তিনিজন শ্বহীদ হৈছিল। তেতিয়া এটা প্ৰশ্নই মনটোক আমনি কৰিছিল, সুফলহীন আন্দোলনৰ নামত হত্যাৰ বিভীষিকাৰে শ্ৰাদ্ধ আৰু শ্বহীদ বেদী পাতি আমি ক'লৈ গৈ আছো? নগাঁৱৰ ঘটনা সংক্ৰান্তত গ্ৰাম্যাঞ্চলত চাঞ্চল্যৰ সৃষ্টি হ'লেও নগৰ অঞ্চলত সৰহ সংখ্যকে উদাসীন ভাৱে দূৰদৰ্শনৰ বিশ্ব-কাপত ব্যস্ত।

● *সামৰণি ঃ*

যিখন নগাঁৱত আলফাৰ সদস্যৰ মৃত্যুৰ পিছত মৃতদেহ ঘূৰাই দিয়াত কোনো অশান্তিৰ সৃষ্টি হোৱা নাছিল, সেইখন নগাঁৱত মৃতদেহ জ্বলাই দিয়া হ'ল কিয়? অসম চৰকাৰে মৃতদেহ ঘূৰাই দিয়াৰ ক্ষেত্ৰত সমগ্ৰ ৰাজ্যখনতেই কিবা নিৰ্দেশ দিব নেকি?

কংগ্ৰেছ (ই) চৰকাৰৰ তিনিবছৰ পূৰ্ণ উপলক্ষে অনুষ্ঠিত সংবাদ মেলত মুখ্যমন্ত্ৰীক এই প্ৰতিবেদকে উক্ত প্ৰশ্ন সুধিছিল । উত্তৰত মুখ্যমন্ত্ৰীয়ে নিৰুদ্বেগ ভাৱে উত্তৰ দিছিল- "জিলা পৰ্যায়ত উপায়ুক্তই সিদ্ধান্ত লয়।"

(৬ জুলাই, ১৯৯৪)

বি-এছ-এফ দ্বিতীয় আক্ৰমন

❑ *গুৱাহাটী* । **আততায়ীৰ গুলীত নিহত তিনিজন পুলিচ কৰ্মচাৰী কেইজনৰ**

আৰক্ষী বিভাগৰ ওপৰত বি-এছ-এফৰ আক্ৰমণে আতংকৰ সৃষ্টি কৰিছে। যোৱা তেৰ জুলাইৰ নিশা প্ৰায় ৯-১৫ বজাত বৰপেটা জিলাৰ চৌৰাগুৰিত সাতজন আৰক্ষীয়ে বোমা বিস্ফোৰণৰ ঘটনাত প্ৰাণ দিবলগীয়া ঘটনাই অগ্নিগৰ্ভ পৰিস্থিতিকে উদঙাই দেখুৱালে। ব্যক্তিগত কোনো বিবাদ নথকা সত্বেও ৰাজনৈতিক কাৰণতেই চৰকাৰৰ কৰ্মচাৰী হোৱা হেতুকে নিৰিহ আৰক্ষী বিষযাকেইজনে মৃত্যুক সাৱটি ল'ব লগা হ'ল।

ঘটনাৰ বিৱৰণিত প্ৰকাশ যে, পাটাবাৰী অঞ্চলত দুজন ব্যক্তিক হত্যা কৰা বুলি টেলিফোন যোগে সংবাদ পাই আৰক্ষীয়ে ৰাওনা হয়। বৰপেটা জিলাৰ আৰক্ষী বাহিনীয়ে হত্যাৰ অনুসন্ধানৰ বাবে এ-এছ-৩০-০২৫১ আৰু এ-এছ-৩০ ০৬৬২ নম্বৰৰ গাড়ী দুখনেৰে পাটাবাৰীলৈ যায়। আব্দুল বাৰিক(৪২) আৰু হাচমত আলি(২৫) নামৰ লোক দুজনৰ হত্যাৰ তদন্ত কৰি আৰক্ষীৰ দলটো আনন্দ বজাৰেদি ঘূৰি আহিছিল।

চৌৰাগুৰিত ৰিমোট কণ্ট্ৰোলেৰে বোমাটো বিস্ফোৰণ কৰা হয় বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। চৌৰাগুৰিত কাঠৰ দলং নিৰ্মাণৰ প্ৰস্তুতিৰে মাটি খান্দি থোৱা আছে। খন্দা মাটিৰ তলতে বোমাটো পুতি থোৱা আছিল। আৰক্ষীৰ প্ৰথমখন মাৰুতী জীপটো (এ-এছ-৩০-২৫১) খন সেই ঠাইখিনি পোৱা মাত্ৰকেই বোমাটো বিস্ফোৰিত হয়। ফলত মাৰুতীখন সম্পূৰ্ণভাৱে ধ্বংস হয আৰু গাড়ীত থকা আটাইকেইজন আৰক্ষীৰ মৃত্যু হয। বিস্ফোৰণৰ ভয়াবহ ৰূপটোৰ বাবে বোমাটো শক্তিশালী আছিল বুলি ধাৰণা কৰা হয। এটা সূত্ৰৰ মতে পুতিথোৱা 'মাইন'ৰ পৰিবৰ্তে 'ৰিমোট-নিয়ন্ত্ৰিত' বোমা বুলিহে ঠাৱৰ কৰা হৈছে।

বিস্ফোৰণৰ ফলত সাতজন আৰক্ষীৰ লোক নিহত হয়। থিতাতে নিহত কেইজন ক্ৰমে চক্ৰ পৰিদৰ্শক খছনুৰ আলি (৪৯-নলবাৰী), কনিষ্টবল প্ৰণৱ চৌধুৰী (২৬-সুন্দৰিদিয়া), কনিষ্টবল ধীৰেণ মেধি (২৭-ভালুকী), কনিষ্টবল প্ৰকাশ দাস (২৫-বামুনবৰী), চাদেহ খান (২৫-বৰপেটা), অতিৰিক্ত আৰক্ষী অধীক্ষক হেমচন্দ্ৰ বৰা(গুৱাহাটী)ক আৰু চালক বীৰেন কলিতা (সুন্দৰীদিয়া)ক বৰপেটা ৰোড চিকিৎসালয়ত ভৰ্তি কৰা হয়। সেই নিশাই বৰপেটাত ধীৰেন কলিতাৰ মৃত্যু হয়। অতিৰিক্ত আৰক্ষী অধীক্ষক হেমচন্দ্ৰ বৰাক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰাৰ পিছতে পুৱতি নিশা মৃত্যু হয়। অতিৰিক্ত আৰক্ষী অধীক্ষক গৰাকীৰ মৃতদেহ গুৱাহাটীৰ পুলিচ ৰিজাৰ্ভলৈ নি শেষ শ্ৰদ্ধা অৰ্পণ কৰে।

উল্লেখযোগ্য যে আৰক্ষীৰ ওপৰত বৰপেটা জিলাত এইটো বি-এছ-এফৰ দ্বিতীয় আক্ৰমণ। প্ৰথমটো প্ৰচণ্ড আক্ৰমণ সংঘটিত হৈছিল ৯ জানুৱাৰীত কোকিলাবাৰীত। বি-এছ-এফে দৰং জিলাতো এক আক্ৰমণ কৰিছিল। বৰপেটা জিলাৰ পৰা প্ৰায় ৩৪ কিলোমিটাৰ দূৰত্বত চৌৰাগুৰিত সংঘটিত এই আক্ৰমণটোও বি-এছ-এফে সংঘটিত কৰা বুলি সন্দেহ কৰা হৈছে।

১৯৯৪ চনৰ ১৬ আগষ্টৰ দিনা

মৰিগাওঁ জিলাৰ লাহৰীঘাটত নিৰাপত্তা বাহিনীয়ে আলফাৰ কেন্দ্ৰীয় উপ সাংগঠনিক সম্পাদক জীৱন নাথ ওৰফে অনিৰ্বাণ বৰা ওৰফে টাৰ্জানক গুলিয়াই হত্যা কৰে। মৰিগাওঁ জিলাৰ বৰথৰা গাঁৱৰ সন্দেহযুক্ত আলফাৰ সদস্যক ছয় আগষ্টৰ দিনা ধৰি নি হত্যা কৰে। মৰিগাঁৱৰ বাছ ছিণ্ডিকেটৰ কৰ্মচাৰী প্ৰদীপ শৰ্মাক আৰক্ষীয়ে একৈশ আগষ্টৰ দিনা গ্ৰেপ্তাৰ কৰে আৰু অমানুষিক অত্যাচাৰৰ ফলত ২৩ আগষ্টত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। তদুপৰি জালুগুটিৰ আৰিফখান, বগৰীপাৰাৰ গোপীনাথ ভৰালী আৰু ছাইফুদ্দিন আহমেদক গুলিয়াই হত্যা কৰে।

১৯৯৩ চনৰ ২৬ জানুৱাৰীৰ দিনা মৰিগাওঁ জিলাৰ অন্তৰ্গত ফুলবাৰীত ৰায়মন পাটৰৰ (আমলিঘাট) মৃতদেহ টেলিফোনৰ খুটাত বহিৰে বান্ধি ওলোমাই থোৱা, জাগীৰোড থানাৰ অন্তৰ্গত চেনিমাৰিত দুলু পুৰকায়স্থ (শোভাগাওঁ) ৰ মৃতদেহ আৰু নগাওঁ সদৰ থানাৰ কাষৰ আনন্দৰাম ঢেকিয়াল ফুকন পথৰ দাঁতিতে মহেন্দ্ৰ নাথ ডেকাফুকন উদ্যানৰ ওচৰত ডিঙি আৰু ভৰিত বহিৰে বন্ধা অৱস্থাত গোপীনাথ ফাকতি (মৰিগাওঁ ভকত গাওঁ) নামৰ এজন যুৱকৰ অৰ্ধ উলঙ্গ মৃতদেহ দেখা যায়। তিনিওজনকে আলফাই হত্যা কৰে। ইয়াৰ আগদিনা ২৫ জানুৱাৰীত বঙাইগাৱঁৰ ছগন লাল জৈনক সন্দেহযুক্ত আলফাৰ সদস্যই গুলিয়াই হত্যা কৰে। (১৭ জুলাই, ১৯৯৪)

●

ক্ষোভৰ তুঁহ জুই দাবানললৈ ৰূপান্তৰিত

নিদ্ৰিত শিবিৰ আক্ৰমণ ঃ ৫০ হাজাৰ গৃহহীন



❑ *বৰপেটা ৰ'ড*

"ইয়াৰ দ্বাৰাই জনোৱা যায় যে বৰপেটা ৰ'ড থানাৰ অন্তৰ্গত গোবৰ্দ্ধনা মৌজা, খাৰ্লিজা বিজনী মৌজা, হাউলী পৌৰসভা এলেকা, পাটাছাৰকুছি থানাৰ অন্তৰ্গত বাঘমৰা সৰুপেটা-জালাহ আৰক্ষী চকীৰ কিছু অঞ্চলত ব্যাপক সংঘৰ্ষ হোৱাৰ পৰিপ্ৰেক্ষিতত জি লা দণ্ডাধীশে এঁকৈশ জুলাইৰ নিশা চাৰে আঠ বজাৰ পৰা সান্ধ্য আইন বলবৎ কৰাৰ লগতে দেখা মাত্ৰেই গুলি কৰাৰ নিৰ্দেশ জাৰি কৰে'।

এই ঘোষণাৰে বৰপেটা ৰডত মাইকযোগে সান্ধ্য আইন বলবৎ কৰাৰ লগে লগে জনশূন্য হৈ পৰে বাট-পথ। আতংক আৰু উত্তেজনাৰ পৰিধি বাঢ়ি গৈ আছে। সাম্প্ৰতিক সংঘৰ্ষই শ্বাসৰুদ্ধ পৰিবেশৰ জন্ম দিছে। যোৱা ঊনেশ জুলাইৰ পৰা নিৰবিচ্ছিন্নভাৱে ইখনৰ পিছত সিখনকৈ গাওঁ জ্বলি আছে। জ্বলা জুই নুমুৱাৰ কোনো ব্যৱস্থা নাই। বাট পথৰ শোচনীয় অৱস্থাৰ বাবে নিশ্চিন্তমনে প্ৰশাসনৰ লোক যাব পৰা নাই। সেই সুযোগতে যিমানেই জুই জ্বলাইছে, সিমানে ধোঁৱা ওলাইছে। আৰু যিমানেই ধোঁৱা ওলাইছে, সিমানে গাওঁবাসীয়ে একমাত্ৰ আশ্ৰয়স্থল গৃহ ত্যাগ কৰিছে। আতংকিত হৈ অনেকে আতৰি অহাত গাঁৱ সমূহ শূন্য হৈ পৰিছে। জনশূন্য গাঁৱত বাধাহীন সুযোগ পাইছে উগ্ৰপন্থীয়ে। উত্তেজিত আক্ৰমণকাৰী দলক আৰক্ষী আৰু সেনাই নিয়ন্ত্ৰণ কৰিব পৰা নাই। তাৰ ফলতেই ঊনেশ জুলাইৰ নিশাৰ পৰা বিক্ষিপ্তভাৱে

প্ৰতিবেদন প্ৰস্তুত কৰা পৰ্যন্ত জুই জ্বলিয়েই আছে।

বয়োজ্যেষ্ঠ মানুহজনৰ আঙুলিকেইটাত বেণ্ডেজ। যোৱা একৈশ জুলাইৰ দিনা ৰাতিপুৱা ১০-৩০ বজাত বড়ো উগ্ৰপন্থীৰ দাৰ ঘাপত আঙুলিকেইটা কটা যায়। মৈৰাঝাৰ গাঁৱৰ আব্দুল জব্বাৰখান বুলি পৰিচয় দিয়া ব্যক্তিজনে ক'লে, "এটা বড়ো দলে গাঁৱখনৰ একেবাৰ অগ্নিসংযোগ কৰে। বোমা আৰু গুলিৰ শব্দ শুনি উচপ খাই উঠিলো আৰু ঘৰৰ পৰা বাহিৰলৈ ওলাই আহিলো। দুজন আগুৱাই আহি মোক মাৰিবলৈ উদ্যত হয়। মই বাধা দিও। তেতিয়া দাখনেৰে কাটিব বিচাৰে। তেতিয়াই মই দাখনত ধৰি বাধা দিওঁত আঙুলি কটা যায়।"

ঘটনাস্থলীৰ পৰা প্ৰাণ লৈ বৰপেটা ৰ'ড পাইছে বাহবাৰী হাইস্কুলৰ শিক্ষকদ্বয় চুনবাৰীৰ আব্দুল হাকিম আৰু এলেঙ্গাবাৰীৰ চোহৰাব আলি। দুয়োজনে ঘটনাৰ বিৱৰণি দি কয় যে, চুনবাৰীত জুই লগাই আৰু বোমা ফুটায়। বোমাৰ বিস্ফোৰণত গাঁৱবাসীয়ে পলায়ন কৰে। তেওঁলোকৰ পৰিয়ালৰ লোক তাতেই থাকে।

প্ৰথমতে উগ্ৰপন্থীৰ দলটোৱে নৰসিঙবাৰীত আক্ৰমণ কৰে। বৰপেটা ৰ'ডৰ উত্তৰাঞ্চলৰ মুছলিম অধ্যুষিত অঞ্চল নৰসিঙবাৰী। এই এলেকাটোৰ চাৰিওপিনে জনজাতি বসতিপূৰ্ণ গাঁও। বড়ো উগ্ৰপন্থীৰ দলটোৱে নৰসিংগাঁৱৰ বাসিন্দাসকলক ঘেৰাও কৰি আক্ৰমণ কৰে। তাৰ পিছৰ পৰাই দশোদিশে দাঁতিকাষৰীয়া গাঁৱসমূহৰ বাসিন্দাসকল আতংকিত হৈ পলাবলৈ ধৰে। নৰসিঙবাৰীৰ আগৰ পিনে ফৰেষ্ট-অফিচত গাঁৱবাসী গোট খায়। প্ৰায় ৪০০ জনীয়া বড়ো উগ্ৰপন্থীৰ দলটোৱে নৰসিঙবাৰীত আক্ৰমণ কৰি ব্যাপক অঞ্চলটোত অগ্নিসংযোগ কৰি সন্ত্ৰাসৰ সৃষ্টি কৰে। উগ্ৰপন্থীৰ দলটোৰ হাতত ধনু-কাড়-দা-কুঠাৰ আদিৰ লগতে গ্ৰেনেড, বন্দুক, বাৰুদ আদিও আছিল। নিহতৰ প্ৰকৃত সংখ্যা জানিব পৰা নাই যদিও বৰ্তমানলৈ দহজনৰ মৃত্যু হোৱা বুলি জনা গৈছে।

আন এটা সূত্ৰৰ মতে, উনৈশ জুলাই তাৰিখে নিশা প্ৰায় ১০-১৫ বজাৰ পৰা বৰপেটা ৰ'ডৰ পৰা দহ কিলোমিটাৰ পূব-উত্তৰপিনে ছলিকন্দা বজাৰৰ নাতিদূৰৰ পৰা পল্লা নদী পাৰ হৈ আহি উগ্ৰপন্থীৰ দলে আক্ৰমণ কৰে। আনহাতে এই আক্ৰমণৰ আধা ঘণ্টাৰ পিছতেই বুনমাজা, খুচুৰাবাৰী, নৰসিঙবাৰী আদি গাঁৱত জুই জ্বলা দেখা যায়।

উগ্ৰপন্থীৰ এই ঘটনাই প্ৰায় চল্লিশখন গাঁৱত অগ্নিসংযোগ কৰে। জানিব পৰা মতে গাঁৱকেইখন হ'ল, গোবৰ্দ্ধনা, খৈৰাবাৰী, মৈৰাঝাৰ, এলেঙ্গাবাৰী, ছলিকন্দা বজাৰ, চুনবাৰী, নৰসিঙবাৰী, খুচুৰাবাৰী, কালপানী, দক্ষিণ নাৰায়ণগুৰি, নাৰায়ণগুৰি, বাঘৰ বিল, বিচপানী, খাগৰবাৰী শিমলবাৰী, গোলগাঁও, ডুমৰিগুৰি, কাঁৰেমাৰী, ভকুৱামাৰী, ঢেকীয়াজানি, বৰঘোপাবিল পথাৰ, বুনমাজা, নিমুৱা, বিলসীপাৰা, চিনাপথাৰ, আইখেৰি, বংশীবাৰী, অটা, কাটাঝাৰ, শিয়ালমাৰী, খাগ্ৰাবাৰী, অগুলী, শালবাৰী, মৈৰাঝাৰ, বিষপানী, ননকেক খাগ্ৰাবাৰী, কলাপানী

বজাৰ আদি। প্ৰাপ্ত বাৰ্তা অনুসৰি ২১ তাৰিখে ৪-৩০ বজাত গ্ৰেনেড মৰাৰ ফলত চুনবাৰী মছজিদৰ ক্ষতি হয় আৰু ইমাম জালেমত আলি হাজিক হত্যা কৰে। সেইদিনাই নৱসিঙবাৰীৰ কৰিম বেপাৰীক হত্যা কৰা বুলি জনা যায়। ঐকেশ জুনৰ দিনা বাতিপুৰা মতঙ্গাত আৰক্ষীৰ গুলীত বড়ো এজনৰ মৃত্যু হয়। গোবৰ্দ্ধনাত অগ্নিসংযোগ কৰিবলৈ অহা দল এটাক খেদি পঠাবলৈ গুলীচালনা কৰাত দুজনৰ মৃত্যু হয়। মৃতক দুজনৰ এতিয়াও চিনাক্ত হোৱা নাই।

আন এটি সূত্ৰৰ মতে বিশ জুনৰ দিনা এলেঙ্গামাৰীৰ বাগাহীজী, লালমিঞা আৰু চানমিঞাৰ নিহত হয়। কুন্তী বড়ো নামৰ মহিলা এগৰাকীৰো মৃত্যু হৈছে। নিহতৰ প্ৰকৃত সংখ্যা জানিব পৰা নাই যদিও বৰ্তমানলৈ দহজনৰ মৃত্যু হোৱা বুলি জনা গৈছে।

ইপিনে বৰপেটা আৰু গুৱাগছাৰ মাজৰ একাংশ ৰেলপথ ২১ জুলাইৰ আবেলি উঠাই দিয়াত ৰেলপথৰ সংযোগ বিছিন্ন হয়। সংঘৰ্ষপূৰ্ণ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সেনাৰ দুটা কোম্পানীয়ে গোবৰ্দ্ধনা আৰু বিজনী মৌজাত ফ্লেগ মাৰ্চ কৰে।

হত্যা আৰু অগ্নিসংযোগৰ ফলত ত্ৰাসিত জনসাধাৰণে বিশেষকৈ বৰপেটাৰ চহৰ অঞ্চলত আশ্ৰয় লৈছে। বিভিন্ন স্থানলৈ আঁতৰি যোৱা ভগনীয়াসকলৰ উপৰিও প্ৰায় ত্ৰিশ হাজাৰ লোকে শিবিৰত আশ্ৰয় লৈছে। প্ৰধান আশ্ৰয় শিবিৰ কেইটা হ'ল, ঈদগাহ বৰপেটা, হিন্দী ছোৱালী হাইস্কুল, সজোনীকান্ত হাইস্কুল, বৰদলৈ হাইস্কুল, হাউলী নৰ্মাল স্কুল, ঠাকুৰবাৰী , মাজগাওঁ হাইস্কুল, কলহভংগা শ্মশান স্কুল আদি আশ্ৰয় শিবিৰলৈ শৰণাৰ্থী আহিয়েই আছে। সংঘৰ্ষ অঞ্চলৰ পৰা গৃহত্যাগ কৰি অহা লোকৰ সংখ্যা প্ৰায় ৫০ হাজাৰ হ'ব বুলি ধাৰণা কৰা হৈছে। উল্লেখযোগ্য যে ক্ৰুদ্ধ গৃহত্যাগী লোকৰ হাতত সাংবাদিকৰ গাড়ীৰ ক্ষতি হয় আৰু আন এখন মাৰুতী জুই লগাই দিয়াত ধ্বংস হয়।

ঘটনাৰ প্ৰতিক্ৰিয়া স্বৰূপে প্ৰতিজন ব্যক্তিয়ে আৰক্ষী প্ৰশাসনৰ ব্যৰ্থতাক জগৰীয়া কৰিছে। উপযুক্ত সময়ত সংবাদ পাইয়ো প্ৰশাসনে নিৰাপত্তামূলক ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে। ইয়াৰ মূলতে আৰক্ষীৰ যথোপযুক্ত ফৰ্চৰ অভাৱ বুলি প্ৰকাশ কৰিছে। দুই কোম্পানী সেনা নিয়োগ কৰিলেও, ই যথেষ্ট পলম হৈছে! আৰু বিক্ষিপ্তভাবে একাধিক এলেকাত ঘটনা সংঘটিত হোৱা বাবে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ গৈছে।

কালি বৰপেটালৈ মুখ্যমন্ত্ৰী যোৱা পথত হাউলীত কেতবোৰ লোকে ক'লা পতাকা প্ৰদৰ্শন কৰি ধ্বনি দিয়ে। সংসদ সদস্য ডেভিদ লেজাৰৰ ঘৰত ভাৰা কৰি থকা জনৈক শইকীয়া আৰু তেওঁৰ ঘৰৰ গাতে লাগি থকা লেজাৰৰ আপোন মোমায়েক সনাতন খেকেতিয়াৰ ঘৰৰ দুৱাৰৰ তলা ভাঙি কোনো দুষ্কৃতিকাৰীয়ে বস্ত্ৰবাহিনী লণ্ড-ভণ্ড

কৰি গহনা-পাতি কাপোৰ-কানিকে আদি কৰি লৈ যায়। যোৱা নিশা সাংসদ গৰাকীয়ে দিল্লীৰ পৰা আহি বৰপেটা ৰোডত উপস্থিত হয় আৰু এনে ঘটনাৰ তীব্ৰ নিন্দা কৰে। বিভিন্নজনে এই ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। আজি ২২/৭/৯৪ তাৰিখে ১০-৩০ মুখ্যমন্ত্ৰীৰ সৈতে সাংসদ ডেভিদ লেজাৰে ঘটনাস্থলী পৰিভ্ৰমণৰ বাবে যায়। সংঘটিত ঘটনাক তীব্ৰ গৰিহণা দি বৰপেটা জিলাৰ যুব কংগ্ৰেছৰ উপ-সভাপতি শ্ৰী পল বৈৰাগীয়ে ৰাইজক শান্তি-সম্প্ৰীতি অটুট ৰাখিবলৈ আহ্বান জনায়।

ঘটনাৰ বিৱৰণিত প্ৰকাশ যে, বাঁহবাৰীস্থ মানাহ প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয়; ফৰেষ্ট অফিচৰ কাৰ্যালয়ত আৰু বন বিভাগৰ গৃহসমূহত শৰণাৰ্থীসকলে আশ্ৰয় লৈ আছিল। বড়ো উগ্ৰপন্থীৰ আক্ৰমণৰ বাবে "নৰসিঙবাৰী" জনশূন্য হৈ পৰিছিল। তাৰ দাঁতিকাষৰীয়া অঞ্চলসমূহো আক্ৰমণৰ বলি হৈছিল। প্ৰাপ্ত বাৰ্তা মতে বিহুপানী, নাৰায়ণ গুৰি, কুছিজাৰ, নৰসিংবাৰী, এলেংবাৰী, চুণবাৰী ,ৰাঘবিল, খাগ্ৰাবাৰী, গোলাগাঁৱকে ধৰি প্ৰায় পোন্ধৰখন গাঁৱৰ প্ৰায় সাত হাজাৰ শৰণাৰ্থীয়ে আশ্ৰয় গ্ৰহণ কৰিছিল। আশ্ৰয় গ্ৰহণ কৰিলেও মুহূৰ্তে মুহূৰ্তে আক্ৰমণৰ সম্ভাৱনা প্ৰকট আছিল।

বৰপেটা ৰ'ডৰ পৰা প্ৰায় বিশ কিলোমিটাৰ দূৰৱৰ্তী উক্ত আশ্ৰয়স্থলত অভাৱনীয় পৰিকল্পিত ঘটনাটো ঘটে। প্ৰত্যক্ষদৰ্শীৰ মতে, প্ৰায় তিনিশ শৰণাৰ্থীয়ে বিদ্যালয়ত আশ্ৰয় গ্ৰহণ কৰিছে। অন্যান্যসকলে য'তে যেনেকৈ পাৰি নিশা কটাইছিল। অৱৰ্ণনীয় কষ্টৰ মাজেৰে সময় অতিবাহিত কৰা আতংকিত শৰণাৰ্থীসকলৰ আশ্ৰয়স্থলী খেৰী ঘৰটোত জুই জ্বলাই দি উপৰ্যুপৰি গুলী চালনা কৰে। প্ৰাণৰ ভয়ত দশোদিশে পলাবলৈ ধৰে। সেই সময়তে বড়ো উগ্ৰপন্থীৰ দলটোৱে দা-কুঠাৰ যাঠি-জোং, ধেনু-কাড় আদিৰে সংঘবদ্ধ আক্ৰমণ কৰে। ফলত নিৰীহ অসহায় শৰণাৰ্থীসকলে আত্মৰক্ষা কৰিবলৈও বাট বিচাৰি নেপালে।

ধৰ্মীয় সংখ্যালঘু প্ৰধান জিলা বৰপেটাত এনে ভয়াবহ আক্ৰমণ প্ৰথমবাৰৰ বাবে সংঘটিত হয়। ইয়াৰ মূল কাৰণ ঠিৰাং নহ'লেও, যোৱা এঘাৰ জুলাইৰ দিনা দুজন সংখ্যালঘু লোকক গোবৰ্দ্ধনাত হত্যা কৰি পাটাবাৰীত পুতি থোৱা ঘটনাৰ পৰাই উত্তেজনা অব্যাহত আছিল। ঘটনাৰ অনুসন্ধানৰ বাবে যোৱা আৰক্ষীৰ দলটোৱে ঘূৰি অহা পথত চোৰাগুৰিত বোমা বিস্ফোৰণৰ ফলত তেৰ জুলাইত সাতজন আৰক্ষী নিহত হৈছিল। পুতি থোৱা মৃতদেহ দুটা উদ্ধাৰ কৰা হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি তাৰে এজনে ধৰ্মীয় সংখ্যালঘুৰ প্ৰতিৰক্ষাৰ বাবে বন্দুক তৈয়াৰ কৰিছিল। এই ঘটনাৰ পিছৰে পৰা বোমা বিস্ফোৰণকে ধৰি ঘটা কেতবোৰ ঘটনাই আভাষ দিয়ে যে, ধৰ্মীয় সংখ্যালঘুৰ লোকে অস্ত্ৰ-শস্ত্ৰ অবৈধভাৱে সংগ্ৰহ কৰা বুলি জানি গোবৰ্দ্ধনাক কেন্দ্ৰ কৰি বড়ো উগ্ৰপন্থীয়ে আক্ৰমণৰ লক্ষ্য স্থিৰ কৰে।

স্মৰ্তব্য যে, ১৯ জুলাইৰ দিনাও গোবৰ্দ্ধনাৰ নিকটৱৰ্তী এলেকা ঢেকীয়াজানত আৱৰ্কী দলৰ ওপৰত উগ্ৰপন্থীয়ে গুলি বৰ্ষণ কৰে। এই ঘটনাতে এজনৰ মৃত্যু হয় বুলি জনা যায়। এনেদৰে আৱৰ্কী আৰু ধৰ্মীয় সংখ্যালঘুৰ ওপৰত এখাৰ জুলাইৰ ঘটনাৰ পৰা আক্ৰমণ সংঘটিত হৈ আছে। আমছুৰ এটি সূত্ৰৰ মতে, বড়োলেণ্ড স্বায়ত্ত শাসিত এলেকাৰ পৰা সংখ্যালঘু লোকক আঁতৰাই পঠাবলৈ এই আক্ৰমণ কৰা হৈছে।

মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই এনে ঘটনাৰ পুনৰাবৃত্তি নহ'ব বুলি দৃঢ়তাৰে কয় আৰু জনসাধাৰণক শান্তি-সম্প্ৰীতি অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। অঞ্চলটোত শান্তি প্ৰতিষ্ঠাৰ বাবে সৰ্বদলীয় বৈঠক অনুষ্ঠিত কৰাৰ পোৰকতা কৰি কয় যে প্ৰতিটো সমষ্টিতে একোজন বিধায়কৰ নেতৃত্বত পৰিস্থিতি অধ্যয়নৰ দায়িত্ব দিয়া হ'ব।

আমছুৰ সভাপতি আব্দুছ ছামাদ আহমেদে প্ৰকাশ কৰে যে, ঘটনাৰ বাবে বড়ো নেতৃবৃন্দ আৰু অসম চৰকাৰৰ প্ৰশাসনিক দুৰ্বলতাই দায়ী। শ্ৰীআহমেদে বড়োলেণ্ড পৰিষদৰ পৰা ধৰ্মীয় সংখ্যালঘুক আঁতৰাবলৈ এনে ঘটনাৰ সৃষ্টি কৰিছে, য'ত গোপন সিদ্ধান্তও থাকিব পাৰে। আমছুৱে ধৰ্মীয় সংখ্যালঘু সকলক পুনৰ্বাস আৰু সাহায্য দিয়াৰ দাবী উত্থাপন কৰে। (২৪ জুলাই, ১৯৯৪)

বিঃ দ্ৰঃ ৰছিদুল হক আৰু দিলদাৰ ৰাজাই জনোৱা মতে বৰপেটাৰ ঘটনাটোত উগ্ৰপন্থীৰ আক্ৰমণত ৬৬ জন আৰু শিবিৰিত ২৬ জনৰ মৃত্যু হয়। এইকেশটা শিবিৰত ৫৪৮০০ জন শৰনাৰ্থী আছিল।

১৯৯৪ চনৰ একৈশ মেৰ দিনা বৰপেটা জিলাৰ সৰ্থেবাৰীৰ নসত্ৰ আশ্ৰমৰ চৌহদত আচাৰ্য সূৰ্য ভূএগক (৪১) ৰহস্যজনকভাৱে ৰাতিপুৱা হত্যা কৰে।

১৯৯৪ চনৰ ১৮ মেত আলফাৰ লক্ষীমপুৰ জিলা সমিতিৰ ভাইটি দত্ত ওৰফে ৰাতুল ফুকন ওৰফে মাধৱ দত্ত আৱৰ্কীৰ গুলীত নিহত হয়।

আলফাৰ মুখ্য সেনাধক্ষ্য পৰেশ বৰুৱাৰ ভাতৃ দীনেশ বৰুৱাক সেনাই হত্যা কৰাৰ পিছত ৩ঠৰ ফেব্ৰুৱাৰীৰ দিনা তিনিচুকীয়া জিলা ছাত্ৰ সন্থাহৰ ৯জন ছাত্ৰসেনা বাহিনীয়ে আটক কৰে। এই ক্ষেত্ৰত আটক কৰা লোক কেইজনক আদালতে হাজিৰ কৰাৰ নিৰ্দেশ দিয়ে। পিছে বাইছ ফ্ৰেব্ৰুৱাৰীত হত্যা কৰা মৃতদেহকেইটা তেইশ ফেব্ৰুৱাৰীত সেনাই আৱৰ্কীক গতাই দিয়ে। সেনাৰ হাতত ডিব্ৰু-চৈখোৱা সংৰক্ষিত বনাঞ্চলত নিহত কেইজন হ'ল— প্ৰবীন সোনোৱাল, অখিল সোনোৱাল, সেৱাজিৎ বিশ্বাস, প্ৰদীপ দত্ত আৰু ভূপেন মৰাণ।

১৯৯৪ চনৰ ৯ মে তাৰিখে আৱৰ্কীৰ ওপৰত প্ৰায় পচিশজনীয়া উগ্ৰপন্থীৰ দলে এক পৰিকল্পিত আক্ৰমন কৰে। গৰৈবাৰীৰ গড়কাপ্তানী পথৰ চৈধ্যা মিটাৰ দৈৰ্ঘৰ এক অংশত ছয়টা বোমা একেলেথাৰীয়ে সংযোগ কৰি বিস্ফোৰন ঘটায়। ফলত আৱৰ্কীৰ লোক নিহত হয়।

১৯৮৬ চনৰ পৰা আলফা সংক্ৰান্তীয় হত্যাকাণ্ড

অপৰাধৰ ধৰণ	১৯৮৬	১৯৮৭	১৯৮৮	১৯৮৯	১৯৯০	১৯৯১	১৯৯২	১৯৯৩
হত্যাকাণ্ডৰ ঘটনা	৬	৪	১২	১৪	৩২	১০৩	৯	৩৪
হত্যাৰ লক্ষ্যৰে ঘটা ঘটনা	১	২	৪	৪	১২			
ডকাইতি	০	০	০	২	০			
বেঙ্ক ডকাইতি	২	২	০	০	০			
দস্যু সুলভ লুণ্ঠন (ৰবাৰী)	০	০	১	২	২			
বেঙ্ক লুণ্ঠন(ৰবাৰী)	১	০	০	০	০			
লুণ্ঠনৰ উদ্দেশ্যত ঘটা ঘটনা	১	২	০	০	০			
বোমা বিস্ফোৰণ	০	০	৫	১	০			
অপহৰণৰ ঘটনা	০	০	০	১১	১০৯	১০৮	২৫	৩৪
অপহৃত ব্যক্তি	০	০	০	১৬	১৪৬	১৩৭	৩৯	৩৮
ৰাষ্ট্ৰীয় পথত লুণ্ঠন	২	১	০	২	০			
মুঠ হত্যা কৰা হয়	১০	৫	২৪	২৮	৫২	১৫৬	২৮	৪৭

নগাৱঁত যুৱকৰ মৃতদেহ উদ্ধাৰ

১৯৯৪ চনৰ ৩০ জুলাইৰ সন্ধিয়া প্ৰায় ৫ বজাত নৈনে নদীয়েদি উটি অহাত নৈনে দলঙৰ পৰা উদ্ধাৰ কৰা অচিনাক্ত যুৱকৰ মৃতদেহটো ছবিত দেখা গৈছে।